# সুদক্ষিণা

একত্ৰিংশত্তম সংখ্যা

২০২৩ ইং বৰ্ষ

দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়, মিৰ্জা



সম্পাদিকা ঃ অঞ্জলি নাথ

## 'সুদক্ষিণা' সম্পাদনা সমিতি




বহি বাওঁফালৰ পৰা ঃ অঞ্জলি নাথ (সম্পাদিকা), ড° প্ৰশান্ত বৰা (তত্ত্বাৱধায়ক), ড° জগন্নাথ বৰ্মন (শিক্ষক সদস্য), ড° নবকান্ত অধিকাৰী (সভাপতি), ড° ৰঞ্জন ভূঞা (উপ-সভাপতি)।
থিয় হৈ বাওঁফালৰ পৰা ঃ হৰ্ষিতা গোস্বামী, চাবানা বেগম, লিজা তালুকদাৰ, ৰুণুমা বড়ো (সদস্য)।

## মহাবিদ্যালয়ৰ অধ্যক্ষ, উপাধ্যক্ষ তথা তত্ত্বাৱধায়ক-তত্ত্বাৱধায়িকাৰ সৈতে ছাত্ৰী একতা সভাৰ সদস্যসকল




বহি বাওঁফালৰ পৰা ঃ ড° প্ৰশান্ত বৰা, ৰীতা ভট্টাচাৰ্য্য, কমলেশ্বৰ বৰা, ড° জগন্নাথ বৰ্মন, ড° ৰঞ্জন ভূঞা (উপাধ্যক্ষ), ড° নবকান্ত অধিকাৰী (অধ্যক্ষ), ড° হৰেণ চন্দ্ৰ কলিতা, ড° মিনাক্ষী বৈৰাগী, ড° মিতালী কাঠকটীয়া, ড° ৰিপুন দলে।
থিয় হৈ বাওঁফালৰ পৰা ঃ অঞ্জলি নাথ, কাকুমণি দেৱী, ইন্দ্ৰানী নাথ, লিজা তালুকদাৰ, ৰুণুমা বড়ো, হৰ্ষিতা গোস্বামী, চাবানা বেগম, সুস্মিতা মালী, ৰীমা দাস, দিপা ৰংপী।

# সুদক্ষিণা

একত্ৰিংশত্তম সংখ্যা
২০২৩ ইং বৰ্ষ
দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়, মিৰ্জা

# SUDAKSHINA

**31st ISSUE**
**2023**

প্ৰীতি আৰু শ্ৰদ্ধাৰে—

..............................................................

..............................................................

তত্ত্বাৱধায়ক
ড° প্ৰশান্ত বৰা

সম্পাদিকা
অঞ্জলি নাথ

# সুদক্ষিণা

একত্ৰিংশত্তম সংখ্যা

২০২৩ ইং বৰ্ষ

## 'সুদক্ষিণা' সম্পাদনা সমিতি

সভাপতি

**ড° নবকান্ত অধিকাৰী, অধ্যক্ষ**

উপ-সভাপতি

**ড° ৰঞ্জন ভূঞা, উপাধ্যক্ষ**

তত্বাৱধায়ক

**ড° প্ৰশান্ত বৰা**

সম্পাদিকা

**অঞ্জলি নাথ**

শিক্ষক সদস্য

**ড° জগন্নাথ বৰ্মন**

ছাত্ৰী সদস্যা

**হৰ্ষিতা গোস্বামী, চাবানা বেগম,**
**লিজা তালুকদাৰ, কণুমা বড়ো**

বেটুপাত পৰিকল্পনা

**ড° প্ৰশান্ত বৰা**

ছপা

চাৰু প্ৰকাশন

উপৰহালী-৭৮১১২২, কামৰূপ (অসম)

## উচৰ্গা







**তৰুণ চন্দ্ৰ দাস**

প্ৰতিষ্ঠাপক অধ্যক্ষ

দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়

জন্ম ঃ ০১-১০-১৯৩৯ ইং চন

মৃত্যু ঃ ২৪-০২-২০২৪ ইং চন

মহাবিদ্যালয়ত কাৰ্যকাল ঃ

ইং ১৮-০৭-১৯৮৮ চনৰ পৰা ইং ৩০-০৯-১৯৯৯ চনলৈ।



**ড° সৰস্বতী কলিতা**

অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপিকা, অসমীয়া বিভাগ

দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়

জন্ম ঃ ০১-০৩-১৯৬০ ইং চন

মৃত্যু ঃ ০৪-০৬-২০২৩ ইং চন

মহাবিদ্যালয়ত কাৰ্যকাল ঃ

ইং ০১-০৮-১৯৮৮ চনৰ পৰা ইং ৩১-০৩-২০২০ চনলৈ।



**সংঘমিত্ৰা সিন্‌হা**

প্ৰাক্তন মুৰব্বী অধ্যাপিকা, ইতিহাস বিভাগ

দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়

জন্ম ঃ ২৯-০১-১৯৬৬ ইং চন

মৃত্যু ঃ ০২-০৮-২০২৩ ইং চন

মহাবিদ্যালয়ত কাৰ্যকাল ঃ

ইং ২৯-০৮-১৯৯১ চনৰ পৰা ইং ০২-০৮-২০২৩ চনলৈ।

*আমাৰ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ তৰুণ চন্দ্ৰ দাস ছাৰ তথা অধ্যাপিকা ড° সৰস্বতী কলিতা আৰু সংঘমিত্ৰা সিন্‌হা বাইদেউৰ পবিত্ৰ স্মৃতিত 'সুদক্ষিণা'ৰ এই সংখ্যা উচৰ্গা কৰা হ'ল।*

—সম্পাদনা সমিতি

# শ্ৰদ্ধাঞ্জলি



**নীলমণি ফুকন**
জ্ঞানপীঠ বঁটা বিজয়ী কবি
জন্ম ঃ ১০-০৯-১৯৩৩ ইং চন
মৃত্যু ঃ ১৯-১০-২০২৩ ইং চন



**বীৰেন্দ্ৰ নাথ দত্ত**
গীতিকাৰ, লোক-সংস্কৃতিবিদ
জন্ম ঃ ০১-০৩-১৯৩৫ ইং চন
মৃত্যু ঃ ২৩-১০-২০২৩ ইং চন



**নিপন গোস্বামী**
বিশিষ্ট অভিনেতা
জন্ম ঃ ০৩-০৯-১৯৪২ ইং চন
মৃত্যু ঃ ২৭-১০-২০২২ ইং চন



**বশিষ্ঠ দেৱ শৰ্মা**
বৰপেটা সত্ৰৰ বুঢ়াসত্ৰীয়া
জন্ম ঃ ০১-০৪-১৯৩৮ ইং চন
মৃত্যু ঃ ২২-১০-২০২২ ইং চন



**নীলপৱন বৰুৱা**
বিশিষ্ট চিত্ৰশিল্পী
জন্ম ঃ ০১-০৬-১৯৩৬ ইং চন
মৃত্যু ঃ ২৮-১০-২০২২ ইং চন



**শিৱনাথ বৰ্মন**
বিশিষ্ট চিন্তাবিদ
জন্ম ঃ ১৯৪২ ইং চন
মৃত্যু ঃ ১৫-১২-২০২২ ইং চন



**উমাকান্ত বৈৰাগী**
সংগীত নাটক একাডেমী বঁটা বিজয়ী
জন্ম ঃ ০৫-০৯-১৯৪২ ইং চন
মৃত্যু ঃ ২৬-০৭-২০২৩ ইং চন



**দেবেন দত্ত**
বিশিষ্ট শিক্ষাবিদ
জন্ম ঃ ০৫-০৪-১৯৪৪ ইং চন
মৃত্যু ঃ ১৭-০৮-২০২৩ ইং চন



**পুলক গগৈ**
বিশিষ্ট চলচ্চিত্ৰ পৰিচালক, চিত্ৰশিল্পী
জন্ম ঃ ১৯৩৮ ইং চন
মৃত্যু ঃ ১২-১১-২০২২ ইং চন



**সুদক্ষিণা শৰ্মা**
বিশিষ্ট গায়িকা
জন্ম ঃ ০৮-০৮-১৯৩৪ ইং চন
মৃত্যু ঃ ০৩-০৭-২০২৩ ইং চন



**ড° প্ৰফুল্ল মহন্ত**
বিশিষ্ট চিন্তাবিদ, সমাজ বিজ্ঞানী
জন্ম ঃ ১৯৪১ ইং চন
মৃত্যু ঃ ০২-০৯-২০২২ ইং চন



**জয়ন্ত দাস**
বিশিষ্ট অভিনেতা
জন্ম ঃ ০৮-০৬-১৯৬৯ ইং চন
মৃত্যু ঃ ১৬-১২-২০২৩ ইং চন



**ৰবীন্দ্ৰ সৰকাৰ**
বিশিষ্ট অভিনেতা
জন্ম ঃ ০৭-০৮-১৯৪১ ইং চন
মৃত্যু ঃ ০১-০৯-২০২৩ ইং চন

এই মহান ব্যক্তি সকলৰ উপৰি
জ্ঞাতে-অজ্ঞাতে বিশ্বৰ বিভিন্ন প্ৰান্তত জীৱন-বন্তি নিৰ্বাপিত হোৱা
মহান ব্যক্তি সকললৈ 'সুদক্ষিণা'ৰ জৰিয়তে গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলোঁ।

—সম্পাদনা সমিতি

# মহাবিদ্যালয়ৰ সংগীত

অসমা সুষমা নিৰুপমা
আমি দখিণৰ কামৰূপা
দখিণ কোলেই আজি জ্ঞান বিদ্যাৰ শতৰূপা।।

আমি দখিণৰ বালিকা
আমি জ্ঞানৰ শলিতা
পোহৰ বিচাৰি ওলাই অহা-আমি মনোৰমা।।

প্ৰজ্ঞা আমাৰ পুথিৰ আলয়
কৃষ্টি আমাৰ সংগ্ৰহ আলয়
প্ৰজ্ঞা-কৃষ্টিক লওঁ আহা আমি আকোঁৱালি।।

সাঁচিপাতত বিচাৰোঁ বতৰা
সুদক্ষিণাক দিওঁ মনৰ বতৰা
আমি সোণালী, ৰূপালী পাতোঁ আহা দীপাৱলী
আমি যে জ্যোতিৰূপা।।

সুদক্ষিণা আমাৰ মনৰ ভাষা
হাৰাঘাট আমাৰ প্ৰেৰণাৰ আশা
মনৰ সূতাৰে তৰোঁ জীৱনৰ তাঁত।।

আমি দখিণৰ ৰোৱণী শিপিনী
আমি দখিণৰ আজিৰ ছোৱালী
মহা-জ্ঞানৰ আলয় আমাৰ হিয়াত
আমি যে জ্যোতিশিখা।।

কথা ঃ জগন্নাথ বৰ্মন
সুৰ ঃ আনন্দ দাস

গুৱাহাটী বিশ্ববিদ্যালয়

অধ্যাপক ননী গোপাল মহন্ত
উপাচাৰ্য

## শুভেচ্ছা বাণী

উচ্চ শিক্ষাৰ অগ্ৰণী শিক্ষানুষ্ঠান দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ একত্ৰিংশতম সংখ্যা (২০২২-২৩ ইং বৰ্ষ)-ৰ মুখপত্ৰ 'সুদক্ষিণা' প্ৰকাশ কৰিবলৈ সিদ্ধান্ত লোৱা বুলি জানিবলৈ পাই বৰ আনন্দিত হৈছোঁ। জন্মলগ্নৰে পৰা এই অনুষ্ঠানখনে শিক্ষাৰ উৎকৰ্ষ সাধনৰ বাবে যি নিৰলস প্ৰচেষ্টা চলাই আহিছে সেয়া নিতান্তই প্ৰশংসনীয়। এনে শৈক্ষিক প্ৰচেষ্টাক ধৰি ৰখাৰ এক গুৰুত্বপূৰ্ণ মাধ্যম হ'ল শিক্ষানুষ্ঠানখনৰ মুখপত্ৰ প্ৰকাশৰ উদ্যোগ গ্ৰহণ কৰা কাৰ্য। আচলতে, কোনো এখন শিক্ষানুষ্ঠানৰ মুখপত্ৰখন সেই শিক্ষানুষ্ঠানখনৰ বৌদ্ধিক আৰু নান্দনিক চিন্তা চেতনাৰ বাহকস্বৰূপ, কিয়নো এয়া শিক্ষানুষ্ঠানখনৰ কৰ্তৃপক্ষ, শিক্ষক, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰীসকলৰ সমন্বিত ফচল। এনে ইতিবাচক প্ৰচেষ্টাক আদৰণি জনাইছোঁ। আমি আশাবাদী যাতে আলোচনীখন কাব্যশিল্প, চিত্ৰশিল, অনুভৱীশিল্পৰ অপূৰ্ব সমাহাৰেৰে সমৃদ্ধ হওঁক। এয়া নতুন প্ৰজন্মৰ সুপ্ত প্ৰতিভা বিকাশৰ আধাৰ হওঁক আৰু সঠিক তথা নব্য চিন্তাধাৰাৰ মূল্যায়নৰদ্বাৰা শিক্ষাৰ্থীসকলে নিজৰ ব্যক্তিত্বৰ কৰ্ষণৰ যোগেদি সমাজ-জীৱনৰ প্ৰতি বিশেষভাৱে দায়বদ্ধ হৈ উঠক। শেষত, আলোচনীখনৰ নেপথ্যত থকা প্ৰতিভাৱান ব্যক্তিক মই মোৰ ফালৰ পৰা আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ।

০৩/০৯/২৪

( অধ্যাপক ননী গোপাল মহন্ত )
উপাচাৰ্য
গুৱাহাটী বিশ্ববিদ্যালয়

দিনাংক ঃ ০৩-০৯-২০২৪

Address : Guwahati-781014 Assam:India | E-mail: vc@gauhati.ac.in | Web : www.gauhati.ac.in

**Mr. Hemanga Thakuria,** M.Sc., LLB, MBA
MLA, 29 No. Palasbari Constituency, Assam

সত্যমেৱ জয়তে

98640-24976 / 86382-32601 (M)
E-mail : hemangat@reddiffmail.com

Ref.

Date : ০৮-০৮-২০২৪



## শুভেচ্ছা বাণী

আমাৰ পলাশবাৰী সমষ্টিৰ লগতে সমগ্ৰ দক্ষিণ কামৰূপৰ স্ত্ৰী শিক্ষাৰ উন্নত শিক্ষানুষ্ঠান মিৰ্জাস্থিত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ 'সুদক্ষিণা'ৰ ২০২২-২০২৩ বৰ্ষৰ সংখ্যাটি প্ৰকাশ পাব বুলি জানিব পাৰি আনন্দিত হৈছোঁ। মই আশা কৰিছোঁ যে বিগত বৰ্ষ বিলাকত যিদৰে বহু লেখক-লেখিকাই ধনাত্মক দিশত বাস্তৱসন্মত লিখনিৰ জৰিয়তে 'সুদক্ষিণা'ৰ স্তৰ উন্নতমানৰ কৰিছিল, সেইদৰে এই বৰ্ষত প্ৰকাশিত হ'বলগীয়া লিখনিসমূহে অকল আমাৰ শিক্ষাৰ্থীসকলকে নহয়, গোটেই দক্ষিণ কামৰূপৰ সমাজ জীৱনলৈ ধনাত্মক বাৰ্তা প্ৰেৰণ কৰিব। মই মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলক, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰীবৃন্দ, অভিভাৱক আৰু মহাবিদ্যালয়ৰ সমূহ শুভাকাঙ্খীক আন্তৰিক হিয়াভৰা শুভেচ্ছা জ্ঞাপন কৰিছোঁ আৰু মহাবিদ্যালয়ৰ উন্নতি কামনা কৰিছোঁ।

ধন্যবাদ—

হেমাংগ ঠাকুৰীয়া

(হেমাংগ ঠাকুৰীয়া)
*বিধায়ক*
২৯ নং পলাশবাৰী বিধান সভা সমষ্টি

ড° সূৰ্য্যকান্ত হাজৰিকা
সভাপতি

## অসম সাহিত্য সভা

কেন্দ্ৰীয় কাৰ্যালয় ঃ চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট-৭৮৫০০১
প্ৰশাসনিক কাৰ্যালয় ঃ ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-৭৮১০০১

আঞ্চলিক কাৰ্যালয়
বাংছিলা ভৱন, ডিফু-৭৮২৪৬০
ধুবুৰী আঞ্চলিক কাৰ্যালয়, ধুবুৰী-৭৮৩৩০১
ৰায়বাহাদুৰ ৰামেশ্বৰলাল চহৰীয়া সংহতি ভৱন, ডিব্ৰুগড়-৭৮৬০০৩
শিলচৰ আঞ্চলিক কাৰ্যালয়, শিলচৰ-৭৮৮০০১
উত্তৰ লক্ষীমপুৰ আঞ্চলিক কাৰ্যালয়, উত্তৰ লক্ষীমপুৰ-৭৮৭০০১
কমলাদেৱী তোদী স্মৃতিভৱন, মথীচন্দ্ৰ বৰা পথ, নগাঁও-৭৮২০০১
অচ্যুত নিবেদিতা মেধি সাহিত্য ভৱন, জালাহ-৭৮১৩২৭
সাহিত্য সভা প্ৰকল্প, মঙলদৈ, দৰং-৭৮৪১২৫



তাং ঃ ১৯-০৭-২০২৪

### শুভেচ্ছা বাৰ্তা

কামৰূপ জিলাৰ নাৰী শিক্ষাৰ অগ্ৰণী শিক্ষানুষ্ঠান দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ **'সুদক্ষিণা'** প্ৰকাশ কৰিবলৈ লোৱা বাতৰিয়ে অতিশয় আনন্দিত কৰি তুলিছে। মহাবিদ্যালয়খনৰ ছাত্ৰীসকলৰ বিদ্যায়তনিক ক্ষেত্ৰখনৰ বিকাশৰ উপৰি বৌদ্ধিক ক্ষেত্ৰখনত তেওঁলোকৰ সৃষ্টিশীল মনবোৰক উজ্জীৱিত কৰি ৰখাত মহাবিদ্যালয়ৰ আলোচনী একোখনে অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। মহাবিদ্যালয়খনে মুখপত্ৰখনৰ জৰিয়তে ছাত্ৰীসকলক নিজৰ ভাষা-সাহিত্য তথা সংস্কৃতি চৰ্চাৰ প্ৰতি আকৃষ্ট কৰিব বুলি অনুভৱ কৰিছোঁ আৰু তেখেতসকলৰ বৌদ্ধিক দায়বদ্ধতা শলাগৰ বিষয়।

'সুদক্ষিণা'ৰ পাতত ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলৰ বিভিন্ন বিষয়ৰ সৃষ্টিশীল লেখাৰে ভাষা-সাহিত্য-সংস্কৃতিৰ সৰ্বাত্মক বিকাশ হওক। এই কামনাৰে—

'চিৰ চেনেহী মোৰ ভাষা জননী।'

(ড° সূৰ্য্যকান্ত হাজৰিকা)
*সভাপতি, অসম সাহিত্য সভা*

বাসগৃহৰ ঠিকনা ঃ চন্দ্ৰকান্ত প্ৰেছ ভৱন, ১, চন্দ্ৰকান্ত হাজৰিকা পথ, তৰুণ নগৰ, গুৱাহাটী-৭৮১০০৫, অসম
ফোন ঃ ৯৪৩৫০১৪০৯৯, ই-মেইল ঃ sheducationaltrust@gmail.com , ৱেবচাইট ঃ www.drsurjyahazarika.com

ড° ৰমেশ চন্দ্ৰ কলিতা
সভাপতি, পৰিচালনা সমিতি
দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়, মিৰ্জা



### শুভেচ্ছা বাণী

দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ ২০২২-২০২৩ বৰ্ষৰ বাৰ্ষিক প্ৰকাশন 'সুদক্ষিণা'ৰ একত্ৰিশংতম সংখ্যাটি প্ৰকাশ হোৱাৰ কথা জানিব পাৰি আনন্দিত হৈছোঁ।

শিক্ষানুষ্ঠান এখনিৰ বাবে বাৰ্ষিক প্ৰকাশনৰ গুৰুত্ব অপৰিসীম। প্ৰকাশ হ'বলগীয়া সুদক্ষিণাৰো গুৰুত্ব অনুৰূপ হ'ব। সমগ্ৰ দক্ষিণ কামৰূপ অঞ্চলৰ স্ত্ৰী-শিক্ষাৰ উচ্চ শিক্ষানুষ্ঠান দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ এক সুনাম আৰু গৰিমা আছে। সেয়া এই সংখ্যাৰ 'সুদক্ষিণা'ৰ মাজেৰে যথাৰ্থ ৰূপত প্ৰকাশ পাব বুলি আমাৰ পৰম বিশ্বাস। এই প্ৰকাশে বিশেষকৈ ছাত্ৰীসকলৰ প্ৰতিভা আৰু পাৰদৰ্শিতাৰ সুস্থ অনুশীলন ক্ষেত্ৰৰূপে পৰিচয় লাভ কৰাৰ লগতে নিৰ্ভীক, গঠনমূলক, ইতিবাচক চিন্তা, যুক্তি, কল্পনা আৰু সৃজনক্ষম শক্তিৰ বিকাশ ঘটোৱাত সকলোফালৰ পৰা সহায় কৰিব। ছাত্ৰী-শিক্ষক-কৰ্মচাৰীৰ মানবিশিষ্ট লেখাৰে সমৃদ্ধ এই সংখ্যাৰ 'সুদক্ষিণা'ৰ প্ৰকাশ মহাবিদ্যালয়ৰ সময় বালিৰ এটি সোণালী খোজ হিচাপে চিহ্নিত হওক।

এই সুযোগতে মহাবিদ্যালয় পৰিয়ালৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

শেষত 'সুদক্ষিণা'ৰ প্ৰকাশ হ'বলগীয়া সংখ্যাটিয়ে সকলোকে সন্তুষ্টি প্ৰদান কৰিব বুলি আশা ৰাখিলোঁ।

(ৰমেশ চন্দ্ৰ কলিতা )
সভাপতি,
মহাবিদ্যালয় পৰিচালনা সমিতি
দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়, মিৰ্জা

# অধ্যক্ষৰ কলম

ইং ১৯৮৮ চনত প্ৰতিষ্ঠিত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ বৰ্তমান বৰ্ষত ৩৬ বছৰ চলি আছে। এই ৩৬ বছৰীয়া পৰিক্ৰমাত মহাবিদ্যালয়খনে অসমৰ এখন উল্লেখযোগ্য মহাবিদ্যালয় হিচাপে নিজকে পৰিচয় দিবলৈ সক্ষম হৈছে। আনন্দৰ বিষয় যে এইবেলি আমাৰ মহাবিদ্যালয়ে দুখনকৈ ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ আলোচনা চক্ৰৰ (National Seminar) পৃষ্ঠপোষকতা লাভ কৰিবলৈ সক্ষম হৈছে ICSSR ৰ পৰা। আকৌ দুখন ৰাষ্ট্ৰীয় আলোচনা চক্ৰৰ বাবে প্ৰক্ৰিয়া চলি আছে। বিদ্যায়তনিক ক্ষেত্ৰত বৃহত্তৰ অঞ্চলটোৰ বাবে এক শুভ লক্ষণ। আন এটা সুখৰ কথা যে এই শিক্ষাবৰ্ষত মহাবিদ্যালয়ে স্নাতক আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত নিজ মহাবিদ্যালয়ৰ অভিলেখ ভংগ কৰি উত্তীৰ্ণৰ হাৰ সৰ্ব্বাধিক হৈছে। এই বছৰ উচ্চতৰ মাধ্যমিক পৰীক্ষাত ৮৭.৮৬% ছাত্ৰী উত্তীৰ্ণ হৈছে। সমগ্ৰ অঞ্চলৰ বাবে গৌৰৱৰ বিষয়।

আগন্তুক বছৰৰ বাবে পৰিকল্পনা কৰা আৰু বিগত বছৰটোত সম্পূৰ্ণ হোৱা কেইটামান গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত আলোকপাত কৰিব বিচাৰিছো। সেয়া হ'ল—

১। NAAC ৰ মূল্যায়নত আমাৰ মহাবিদ্যালয়ে B⁺ Grade পাবলৈ সক্ষম হৈছে।

২। মহাবিদ্যালয়ৰ Subject সমূহৰ G.U.ৰ Permanent Affiliation সম্পূৰ্ণ হৈছে।

৩। ছাত্ৰী নিবাসত ছাত্ৰীসকলক বিনামূলীয়াকৈ ৰখাৰ ব্যৱস্থা কৰা হৈছে।

৪। বৰ্তমান যুগৰ লগত খাপ খোৱাকৈ মহাবিদ্যালয়ৰ কেন্দ্ৰীয় গ্ৰন্থাগাৰটো তিনিমহলীয়া Digital Library হিচাপে সম্পূৰ্ণ খৰচ বহন কৰি নিৰ্মাণ কৰাই দিছে অসমৰ বিশিষ্ট উদ্যোগপতি তথা স্থানীয় সমাজকৰ্মী মাননীয় শ্ৰীযুত অনিল দাস দেৱে।

৫। মহাবিদ্যালয়ৰ আটক ধুনীয়া মুকলি মঞ্চখন পলাশবাৰী সমষ্টিৰ সন্মানীয় বিধায়ক শ্ৰীযুত হেমাংগ ঠাকুৰীয়াদেৱৰ উদ্যোগত অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্বা শৰ্মা মহোদয়ৰ Untied Fund ৰ পুঁজিৰে নিৰ্মাণ কৰাই দিয়ে।

৬। পৰীক্ষাৰ বাহি হোৱা ধনেৰে পৰীক্ষা সমিতিৰ দানেৰে মহাবিদ্যালয়ৰ Canteen খন সুন্দৰকৈ নিৰ্মাণ কৰা হয়।

৭। Sun Pharma Pvt. Ltd.ৰ CSR Scheme ৰ অধীনত মহাবিদ্যালয় চৌহদ তথা ছাত্ৰী নিবাসৰ চৌহদত Solar Light সংস্থাপন কৰা হয়।

৮। মহাবিদ্যালয়ৰ Alumnee Association টো Society Registration Act ৰ অধীনত Register কৰা হয়।

৯। ছাত্ৰীসকলৰ খেলপথাৰ, Car Parking আদিৰ উন্নিতকৰণ কৰা হৈছে।

১০। Computer Library ৰ পৰিসৰ বৃদ্ধি কৰাৰ লগতে নতুন বিল্ডিঙলৈ স্থানান্তৰ কৰা হৈছে।

১১। মিউজিয়াম বিল্ডিঙৰ ওপৰৰ দুটা মহলাৰ কাম চলি আছে।

১২। অভিজ্ঞ আৰু উপযুক্ত নতুন অধ্যাপক/অধ্যাপিকাৰ কেইবাগৰাকীও নিযুক্তি হোৱাৰ উপৰি কেইবাগৰাকীৰো নিযুক্তি প্ৰক্ৰিয়া চলি আছে।

১৩। দক্ষতা বিকাশৰ ক্ষেত্ৰত কেইবাটাও Certificate Course আৰু প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে। তাৰ ভিতৰত – Assamese DTP and Proof Reading, Museology, Yoga, English Communication Skill, Preparation for Banking, SSC and all the examinations, Food Processing, Add on course on preparation for Assam Govt. Jobs, Beautician Course, Cutting and Tailoring Course, Jewellary Making, Satriya Dance, Computer Training etc.

১৪। নতুন বিষয় Sociology আৰু Library Science, NCC Unit খোলাৰ অনুমতি বিচাৰি চৰকাৰৰ ওচৰত আবেদন জনোৱা হৈছে।

১৫। খোৱাপানীৰ সুবিধাৰ বাবে ৩০০ লিটাৰকৈ দুটা Water Cooler স্থাপন কৰা হৈছে।

১৬। বিজুলী যোগান যাতে ব্যাহত হ'ব নোৱাৰে তাৰবাবে 40 Wats কৈ দুটা D.G. (Power Generator) স্থাপন কৰা হৈছে।

১৭। ছাত্ৰীসকলৰ ভৱিষ্যত আৰ্থিক নিৰাপত্তা আৰু স্বাৱলম্বীতাৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰী আৰু ব্যক্তিগত খণ্ডত চাকৰিৰ নিযুক্তিৰ প্ৰশিক্ষণ চলাই থকা হৈছে। ইতিমধ্যে ভালেসংখ্যক ছাত্ৰীয়ে নিযুক্তি লাভ কৰিছে।

১৮। বিদ্যুৎ ৰাহীৰ বাবে ছাত্ৰী নিবাসকে ধৰি সমগ্ৰ মহাবিদ্যালয়ত Solar Plate ৰ পৰিকল্পনা কৰা হৈছে। এইক্ষেত্ৰত Sun Pharma Pvt. Ltd.ৰ CSR ফাণ্ডৰ বিষয়াসকলে প্ৰক্ৰিয়া আৰম্ভ কৰিছে।

১৯। Photo / Video Editing Certificate Course আৰু Mushroom Cultivation, Organic Farming, Vermi-Compost Making, Bio-Fertilizers, Hydrophonic, Marketing আদিৰ ৬টা Certificate Courseৰ বাবে Urban Skill, ICICI Foundation লৈ CRS Fund ৰ বাবে প্ৰস্তাৱ প্ৰেৰণ কৰা হৈছে।

২০। Computer Laboratory ৰ সম্প্ৰসাৰণ উদ্দেশ্য আগত ৰাখি লগতে উচ্চ কাৰিকৰী পদ্ধতি প্ৰয়োগ কৰা পৰিকল্পনাৰে পুনৰ আন এটা নতুন Computer Laboratory ৰ বাবে Indian Oil Corporation (Botling Plant) ৰ CSR Fund ৰ বাবে প্ৰস্তাৱ প্ৰেৰণ কৰা হৈছে।

২১। মহাবিদ্যালয়ত ইতিমধ্যে চলি থকা J.M.C. বিষয়ত নতুনকৈ 1st Sem.ত নামভৰ্ত্তি কৰা ছাত্ৰীসকলক Free Admission দিয়াৰ ব্যৱস্থা কৰা হৈছে চৰকাৰী নীতি মতে।

এইবিলাকৰ উপৰি বিদ্যায়তনিক আৰু আন্তঃগাঁথনিক লৈ কেইবাটাও পৰিকল্পনা হাতত লোৱা হৈছে। মহাবিদ্যালয়ৰ সৰ্ব্বোতোপ্ৰকাৰৰ উন্নতিত সকলোৰে গঠনমূলক পৰামৰ্শ আৰু সহযোগিতা কামনা কৰিলোঁ।

'জয়তু দক্ষিণ কামৰূপ মহাবিদ্যালয়'

ধন্যবাদেৰে—

(ড° নৱকান্ত অধিকাৰী)
অধ্যক্ষ

# তত্ত্বাৱধায়কৰ কলম

দক্ষিণ কামৰূপৰ নাৰী শিক্ষাৰ অন্যতম শিক্ষানুষ্ঠান হিচাপে 'দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়'ৰ এক সুকীয়া পৰিচয় আৰু সুনাম আছে। ১৯৮৮ চনত প্ৰতিষ্ঠা হোৱা এই শিক্ষানুষ্ঠানখনিৰ দীঘলীয়া পৰিক্ৰমাৰ অংশ হিচাপে ২০২২-২৩ ইংৰাজী শিক্ষাবৰ্ষৰ 'সাহিত্য আৰু আলোচনী বিভাগ'ৰ তত্ত্বাৱধায়কৰ দায়িত্ব পালনৰ সুযোগ প্ৰদান কৰাৰ বাবে প্ৰথমে মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়লৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। 'সাহিত্য আৰু আলোচনী বিভাগ'ৰ বিভিন্ন কাৰ্য সুচাৰুৰূপে পালন কৰোঁতে মহাবিদ্যালয়ৰ সন্মানীয় উপাধ্যক্ষ মহোদয় তথা অধ্যাপক-অধ্যাপিকাসকলৰ উপৰি গ্ৰন্থাগাৰিক, কৰ্মচাৰী আৰু ছাত্ৰীসকলে আগবঢ়োৱা সহায়-সহযোগিতাৰ বাবে সকলোলৈকে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

এই শিক্ষাবৰ্ষত বাৰ্ষিক মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত সাহিত্য আৰু আলোচনী বিভাগৰ বিভিন্ন প্ৰতিযোগিতাৰ লগতে আনসমূহ কাৰ্যসূচীত ছাত্ৰীসকলৰ অংশগ্ৰহণ আছিল উৎসাহজনক। সময়মতেই প্ৰাচীৰ পত্ৰিকা 'হাৰাঘাট', 'জোনাকী' প্ৰকাশিত হৈছিল। সৰস্বতী পূজা উপলক্ষে শিক্ষক- কৰ্মচাৰীৰ লেখা সম্বলিত প্ৰাচীৰ পত্ৰিকা 'শ্ৰীপঞ্চমী'ৰ প্ৰস্তুত আৰু উন্মোচনো হৈছিল।

মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ সৃষ্টিশীল প্ৰতিভা বিকাশৰ অন্যতম আধাৰ বাৰ্ষিক আলোচনী 'সুদক্ষিণা'খন। ছাত্ৰীসকলৰ সৃষ্টিশীল প্ৰতিভাক 'সুদক্ষিণা'ৰ পাতত ঠাই দিয়াৰ অন্যতম উদ্দেশ্যই হৈছে যাতে তেওঁলোকে স্ব-প্ৰতিভাক অধিক কৰ্ষণেৰে ভৱিষ্যতলৈ সাহিত্যৰ জগতত নিজকে জিলিকাই তুলিব পাৰে। সেই উদ্দেশ্য আগত ৰাখিয়েই এই সংখ্যাত ছাত্ৰীসকলে লিখা ভিন্ন দিশৰ গুৰুত্বপূৰ্ণ লেখাসমূহক স্থান দিয়া হৈছে। ইয়াৰ লগতে সন্মানীয় অধ্যাপক-অধ্যাপিকাসকলৰ পৰাও কিছুসংখ্যক লেখা আনি 'সুদক্ষিণা'ৰ মান আৰু সৌষ্ঠৱ বৃদ্ধিৰ যত্ন কৰা হৈছে।

'সুদক্ষিণা'ৰ বাবে একাঁজলি শুভেচ্ছাবাণী বিচাৰি আমি গুৱাহাটী বিশ্ববিদ্যালয়ৰ সন্মানীয় উপাচাৰ্য ড° ননী গোপাল মহন্ত মহোদয়ৰ কাষ চাপিছিলোঁ। তেখেতে অশেষ ব্যস্ততাৰ মাজতে সময় উলিয়াই 'সুদক্ষিণা'লৈ শুভেচ্ছাবাণী প্ৰদান কৰাৰ বাবে আমি আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছোঁ।

পলাশবাৰী সমষ্টিৰ সন্মানীয় বিধায়ক শ্ৰীযুত হেমাংগ ঠাকুৰীয়াদেৱে তেখেতৰ অশেষ ব্যস্ততাৰ মাজতে 'সুদক্ষিণা'লৈ শুভেচ্ছাবাণী প্ৰদান কৰাৰ বাবে আমি আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছোঁ।

অসম সাহিত্য সভাৰ সন্মানীয় সভাপতি পদ্মশ্ৰী সূৰ্য হাজৰিকা মহোদয়েও তেখেতৰ বহুমূলীয়া সময় খৰচ কৰি 'সুদক্ষিণা'লৈ শুভেচ্ছাবাণী প্ৰদান কৰাৰ বাবে আমি আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছোঁ।

মহাবিদ্যালয় পৰিচালনা সমিতিৰ সন্মানীয় সভাপতি ড° ৰমেশ চন্দ্ৰ কলিতা মহোদয়ে তেখেতৰ বহুমূলীয়া সময় খৰচ কৰি 'সুদক্ষিণা'লৈ শুভেচ্ছাবাণী প্ৰদান কৰাৰ বাবে আমি আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছোঁ।

'সুদক্ষিণা'ৰ প্ৰস্তুতিৰ পৰা শেষ পৰ্যায়লৈকে দিহা-পৰামৰ্শ আৰু উৎসাহ প্ৰদান কৰি অহা মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ ড° নৱকান্ত অধিকাৰী মহোদয়লৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মহাবিদ্যালয়ৰ উপাধ্যক্ষ, অধ্যাপক-অধ্যাপিকা, গ্ৰন্থাগাৰিক আৰু কৰ্মচাৰীবৃন্দলৈ 'সুদক্ষিণা'ৰ সম্পাদনা সমিতিৰ ফালৰপৰা ধন্যবাদ জ্ঞাপন কৰিলোঁ।

'সুদক্ষিণা'ৰ সম্পাদনা সমিতিৰ সভাপতি অধ্যক্ষ মহোদয়, উপ-সভাপতি ড° ৰঞ্জন ভূঞা ছাৰ, শিক্ষক সদস্য ড° জগন্নাথ বৰ্মন ছাৰৰ ওচৰত কৃতজ্ঞ হৈ ৰ'লোঁ। ছাত্ৰী একতা সভাৰ ২০২২-২৩ বৰ্ষৰ বিষয়ববীয়া ছাত্ৰীসকলে আমাক সহায় সহযোগিতা কৰাৰ বাবে আন্তৰিক ধন্যবাদ জনালোঁ। চাৰু প্ৰকাশনৰ স্বত্বাধিকাৰী বিপুল মজুমদাৰ তথা ৰাণা কুমাৰ আৰু আনসকল কৰ্মচাৰীক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

'সুদক্ষিণা'খনৰ পৰিকল্পনাত আমাৰ অনিচ্ছাকৃতভাৱে হৈ যাব পৰা ত্ৰুটীৰ বাবে এইখিনিতে ক্ষমা প্ৰাৰ্থনা জনালোঁ।

মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ পৰা 'সুদক্ষিণা'ৰ প্ৰসংগত আমাৰ এটাই আশা **'সুদক্ষিণা আমাৰ মনৰ ভাষা'** (উৎস - মহাবিদ্যালয় সংগীত) হওক, মনৰ ভাষা।

ঐতিহ্যক সাৰথি কৰি নতুনৰ ফালে ধাৱমান হোৱা এই মহান শিক্ষানুষ্ঠানখন প্ৰতিটো দিশতে উজলি উঠাৰ কামনাৰে সম্পাদিকা আৰু মোক সকলো সময়তে সহায় আগবঢ়োৱা প্ৰত্যেকগৰাকীলৈ যথাযোগ্য সন্মান জনাই তত্ত্বাৱধায়কৰ একলম সামৰিছোঁ।

"জয়তু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়"

ধন্যবাদেৰে—

প্ৰশান্ত বৰা

(ড° প্ৰশান্ত বৰা)

তাৰিখ ঃ ৩০ আগষ্ট, ২০২৪ ইং চন

# সম্পাদকীয়....



জয় জয়তে সেইসকল মহান ব্যক্তিলৈ কৌটিবাৰ সশ্ৰদ্ধ প্ৰণাম নিবেদিছোঁ, যিসকল লোকে অক্লান্ত প্ৰচেষ্টা, অবিৰত শ্ৰম, নিষ্ঠা আৰু একাগ্ৰতা সুচিন্তাশীল মনোভাৱেৰে দক্ষিণ কামৰূপৰ ভিতৰত একমাত্ৰ স্ত্ৰী শিক্ষাৰ উচ্চ অনুষ্ঠান হিচাপে এই পবিত্ৰ মন্দিৰ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয় গঢ়ি তুলি আমাৰ মনত জ্ঞানৰ জ্যোতি বিলালে। মোৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয় আৰু শিক্ষাগুৰুসকলক শ্ৰদ্ধা জনাইছোঁ।

আলোচনী বুলি কওঁতে আমি এখন দাপোন স্বৰূপক বুজো। যিখন দাপোনত প্ৰত্যেকজন লেখক-লেখিকাৰ সৃষ্টি প্ৰতিভাসমূহ স্পষ্টকৈ প্ৰকাশ পায়। প্ৰত্যেকজন মানুহৰে কিছু সুপ্ত প্ৰতিভা থাকে, মাথো আমি এইবোৰ প্ৰকাশ কৰাটোহে ডাঙৰ কথা। আলোচনী এখনৰ সফলতা তথা স্থায়িত্ব বহু পৰিমাণে নিৰ্ভৰ কৰে পাঠকৰ ওপৰত। পাঠকৰ সঠিক পঠন আৰু মূল্যায়নেহে এখন আলোচনীৰ যাত্ৰা সূচল কৰি তোলে।

এবছৰীয়া কাৰ্যকালত হোৱা অন্যান্য বছৰৰ দৰে এইবেলিও আয়োজিত বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী উপলক্ষে সৰস্বতী পূজাত অতি কম সময়ত প্ৰাচীৰ পত্ৰিকা "শ্ৰীপঞ্চমী" প্ৰকাশ কৰা হয়। মহাবিদ্যালয় সপ্তাহ উপলক্ষে সাহিত্য আৰু আলোচনী বিভাগৰ ফালৰ পৰা বিভিন্ন প্ৰতিযোগিতাসমূহ পতা হয়। লগতে প্ৰাচীৰ পত্ৰিকা 'হাৰাঘাট' প্ৰথম সংখ্যা উন্মোচন কৰা হয়। শেষৰ কাৰ্যসূচী মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভাত 'হাৰাঘাট' দ্বিতীয় সংখ্যা লগতে 'জোনাকী' প্ৰাচীৰ পত্ৰিকাখন সময়মতে উলিয়াবলৈ সফল হওঁ। মই সৌভাগ্য অনুভৱ কৰো যে এই বিশেষ প্ৰাচীৰ পত্ৰিকা কেইখন আকৰ্ষণীয় কৰিবলৈ সক্ষম হৈছিলোঁ।

এই জীৱনৰ সাতোৰঙী সপোন দিঠকত পৰিণত কৰিবলৈ এই মহাবিদ্যালয়খনিৰ প্ৰাংগনত ভৰি দিছিলো। 'সাহিত্য আৰু আলোচনী' বিভাগটোত দুবাৰকৈয়ে (২০২১-২২ ; ২০২২-২৩ বৰ্ষত) জয়ী হৈ আলোচনী সম্পাদিকাৰ দৰে এটি গুৰুত্বপূৰ্ণ পদ লাভৰ বাবে তথা মোৰ হেঁপাহ বাস্তৱত ৰূপায়িত কৰিবলৈ মহাবিদ্যালয়ৰ যিসকল ছাত্ৰীয়ে মোক এই সোণালী সুযোগকণ দিলে এই ছেগতে তেওঁলোকলৈ মই অযুত ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

প্ৰতিভাৱান লোকসকলে তেওঁলোকৰ প্ৰতিভাৰ বাবে সমাজত বিশেষ আদৰ, বিশেষ স্থান লাভ কৰিবলৈ সক্ষম হয়। প্ৰতিভাৱানসকলৰ বাবেই মানৱ সভ্যতাই গতি লাভ কৰে। এতিয়াৰ প্ৰতিভাৱানসকলে সামাজিক স্বীকৃতি পাবলৈ আগৰ দৰে বাধা-সংঘাত অতিক্ৰম কৰিব নালাগে। টি.ভি.ৰ প্ৰসাৰ, টেকন'ল'জি আৰু মেডিয়াৰ উত্থানে মানুহক সমাজৰ সমুখত নিজৰ প্ৰতিভা প্ৰদৰ্শনৰ পথ বহু পৰিমাণে প্ৰশস্ত কৰি তুলিছে। এতিয়া প্ৰতিভাৱানসকলে কোনোৱা জকাইচুকত বহি থাকিলেও এক ছেকেণ্ডতে সমগ্ৰ পৃথিৱীৰ আগত নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰিব পাৰে। প্ৰতিভাৰ এই সহজ প্ৰদৰ্শনৰ ব্যৱস্থাই পৃথিৱীত এক অমূল্য পৰিৱৰ্তন আনিলে। এতিয়া হ'ল প্ৰতিযোগিতাৰ দিন, একেটা ক্ষেত্ৰ বা বিষয়তে হাজাৰ হাজাৰ প্ৰতিভাৱান সৃষ্টি হ'ল। সকলো যেন ইজনতকৈ সিজন বেছি চৰা। ফলত বহু প্ৰতিভাই স্বীকৃতি পালেও সমাদৰ পালেও চিৰস্থায়ী হৈ সমাজত ৰৈ যাব পৰা নাই। কিছুসময়ৰ বাবে এজাক প্ৰতিভাৱান তৰা উজলি উঠে, কিন্তু অন্য এজাক তৰাৰ প্ৰতিভাৰ পোহৰে নিমিষতে তেওঁলোকক ম্লান কৰি পেলায়। হেৰাই যায় পুৰণি প্ৰতিভাবোৰ। কিন্তু ইয়াৰ মাজতো কিছু প্ৰতিভাই এসময়ত নক্ষত্ৰৰ ৰূপ লয়। চিৰ জ্যোতিস্মান হৈ চিৰদিন তেওঁলোক মানৱ সভ্যতাৰ সমাজ-সংস্কৃতিত জিলিকি ৰয়।

ঠিক তেনে নক্ষত্ৰৰ ৰূপ লৈ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়খনৰ প্ৰতিভাধৰসকল চিৰ জ্যোতিস্মান হৈ জিলিকি থাকক।

"সুদক্ষিণা" সম্পাদনাত মোক সহায় আগবঢ়োৱা শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় ড° নৱকান্ত অধিকাৰী ছাৰ লগতে উপাধ্যক্ষ ড° ৰঞ্জন ভূঞা ছাৰ আৰু মোৰ তত্ত্বাৱধায়ক ড° প্ৰশান্ত বৰা ছাৰ, অসমীয়া বিভাগৰ অধ্যাপিকা সংগীতা নাথ আৰু লিনা মজুমদাৰ বাইদেউলৈ মই মোৰ শ্ৰদ্ধা নিবেদন কৰিছোঁ।

মোৰ কাৰ্যকালত তত্ত্বাৱধায়ক ড° প্ৰশান্ত বৰা ছাৰে মোৰ প্ৰতিটো পদক্ষেপতে অতি নিষ্ঠাৰে সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়ায়। ছাৰৰ পৰা মই বহুতো কাম বহুতো কথায়েই শিকিব পাৰিছো। নিজকে আগুৱাই নিবলৈ উৎসাহ পাইছোঁ। আপোনাৰ সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলোঁ।

"সুদক্ষিণা" সম্পাদনা সমিতিৰ সমূহ সদস্য-সদস্যাবৃন্দ, ছাত্ৰী একতা সভাৰ সদস্যাবৃন্দ, কৰ্মচাৰীবৃন্দ লগতে এন.এছ.এছ ইউনিটৰ

ছাত্ৰীসকলকো কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। তাৰ মাজতে প্ৰতিটো কামতে সহায়ৰ হাত আগবঢ়োৱা মোৰ মৰমৰ লিনু কুমাৰী, চেহনাজ পাৰবিন, ফুলমণি কুমাৰী, নাজমিন বেগম, তাৰ্জিনা বেগম, অঞ্জলি হাজৰিকা, তৃষ্ণা, হৰ্ষিতা গোস্বামী, সুস্মিতা মালী, ইন্দ্ৰাণী নাথ আৰু যিসকল ভণ্টি-বান্ধৱীয়ে মোক সহায়ৰ হাত আগবঢ়াই মোক কাৰ্যসূচীসমূহ সম্পন্ন কৰাত সহায় কৰিছে, সেইসকললৈ মই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সদৌ শেষত জ্ঞাতে-অজ্ঞাতে হোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি 'সুদক্ষিণা'ৰ লগতে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যৎ কামনা কৰি সম্পাদকীয়ৰ কলম ইমানতে সামৰণি মাৰিছোঁ।

'জয় আই অসম'

'জয়তু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়'

'জয়তু ছাত্ৰী একতা সভা'

ধন্যবাদেৰে—

**অঞ্জলি নাথ**

# সূচীপত্ৰ


প্ৰবন্ধ শিতান ঃ

- ❑ ৰমন্যাসবাদী কবিতাৰ দৃষ্টিৰে ঃ ডিম্বেশ্বৰ নেওগৰ 'শাপমুক্তা' ✍ ড° জগন্নাথ বৰ্মন ১
- ❑ অসমীয়া লোক-সাহিত্য ✍ অঞ্জলি নাথ ৪
- ❑ কৃত্ৰিম বুদ্ধিমত্তা (A.I.) ঃ এক বিশ্বজনীন উদ্ভাৱন ✍ ড° নিবেদিতা দেৱী ৬
- ❑ বৈদিক ঈশ্বৰতত্ত্ব ঃ বহু দেৱতাৰ পৰা অদ্বৈতবাদলৈ ✍ কমলেশ্বৰ বৰা ৭
- ❑ Transforming Indian Higher Education : The Vision and Impact of NEP 2020 ✍ Dr. Ripun Doley ৯
- ❑ অসমীয়া প্ৰগতিশীল কবিতাৰ ইতিহাসত ৰাম গগৈৰ 'পথাৰ' ঃ এটি আলোচনা ✍ শেৱালি মেধি ১১
- ❑ কেন্দ্ৰীয় বাজেট ঃ ২০২৪ ✍ ড° মনশ্ৰী দাস ১৪
- ❑ ত্ৰৈলোক্যনাথ গোস্বামীৰ জীৱন আৰু সাহিত্যকৃতি ✍ ড° ৰমেন ঠাকুৰীয়া ১৫
- ❑ অসমত গ্ৰন্থাগাৰ বিজ্ঞানৰ অধ্যয়ন আৰু গ্ৰন্থাগাৰ পৰিচালনাৰ পথিকৃৎ ড° যোগেশ্বৰ শৰ্মা ✍ ড° কিশোৰ শৰ্মা ১৮

কবিতা শিতান

- ❑ Fragrance of the Soul ✍ Dr. Ranjan Bhuyan ১৯
- ❑ মই খেতিয়কৰ ছোৱালী ✍ মিনা ৰাভা ২০
- ❑ যাত্ৰা ✍ নিভা নাথ ২০
- ❑ সময়ৰ গতি ✍ দিপান্বীতা দাস ২১
- ❑ স্বগতোক্তি ✍ পাপৰি ৰাভা ২১
- ❑ অনুভৱ ✍ সঞ্জীমা ৰাভা ২১
- ❑ অ' ফুলপাহ ✍ লুইত কিৰণ দাস ২২
- ❑ আত্মাৰৰ গান ✍ কুশল কলিতা ২২

জাতীয়তাবাদ প্ৰসংগ

- ❑ লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্যত জাতীয় চেতনাৰ প্ৰকাশ ✍ ড° প্ৰশান্ত বৰা ২৩
- ❑ অম্বিকাগিৰী ৰায়চৌধুৰীৰ গীতত দেশীবাদ ✍ মধুস্মিতা দাস ৩৩
- ❑ ভূপেন হাজৰিকাৰ গীতত দেশপ্ৰেম ✍ শিখা ভাগৱতী ৩৪
- ❑ লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্যত দেশীবাদ ✍ ডলী কুমাৰী ৩৫
- ❑ জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৰচনাত দেশীবাদ ✍ নিকুমণি কলিতা ৩৬

সংস্কৃতি শিতান

- ❑ "দক্ষিণ ছয়গাঁও অঞ্চলৰ ৰাভা লোকসংস্কৃতি" ✍ প্ৰস্তুতি ৰাভা ৩৭

গ্ৰন্থ পৰ্যালোচনা

- ❑ দেৱকান্ত বৰুৱাৰ 'সাগৰ দেখিছা' ঃ এক আলোচনা ✍ সংগীতা নাথ ৩৯
- ❑ গভীৰ জীৱনবোধৰ উপন্যাস বকুল ফুলৰ দৰে ঃ এক চমু আলোকপাত ✍ মানবেন্দ্ৰ দাস ৪২

ভ্ৰমণ কাহিনী

- ❑ A Travel Down the Memory Lane : Mandu ✍ Chinmoyee Chetia ৪৪

গল্প শিতান


- ❑ আই — ✍ প্ৰস্তুতি বাভা — ৪৫
- ❑ বকুলৰ সুবাসৰ হাঁহি — ✍ চিত্ৰলেখা বাভা — ৪৬
- ❑ কবিৰ মনেৰে — ✍ ডিউলী কলিতা — ৪৬
- ❑ SURESH KUMAR — ✍ Priya Sharma — ৪৭
- ❑ Superstisious belief — ✍ Nishita Sharma — ৪৭


শ্ৰীপঞ্চমী শিতান


- ❑ সৰস্বতী পূজা — ✍ ড° নৱকান্ত অধিকাৰী — ৪৮
- ❑ জ্ঞানৰ মহত্ব — ✍ অলকা দাস — ৪৮
- ❑ সৰস্বতী পূজাৰ মহত্ব — ✍ ড° হৰেণ চন্দ্ৰ কলিতা — ৪৯
- ❑ নমামী মাতৃ বাগদেৱী সৰস্বতী — ✍ জিনু দাস — ৪৯
- ❑ শিপা — ✍ ড° জাহ্নৱী দেৱী — ৪৯

- ❑ DIFFERENT ACTIVITIES OF N.S.S. UNIT : 2022-2023 — ৫০
- ❑ ২০২৩ ইং বৰ্ষৰ "শংকৰদেৱৰ তিথি" উপলক্ষে অসমীয়া বিভাগৰ দ্বাৰা আয়োজন কৰা ৰচনা প্ৰতিযোগিতা — ৫৪

২০২৩ ইং বৰ্ষৰ মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত কৰা সাহিত্য আৰু আলোচনী বিভাগৰ প্ৰতিযোগিতাত স্থানপ্ৰাপ্ত লেখাসমূহ

- ❑ থিতাতে লিখা ৰচনা প্ৰতিযোগিতা — ৬৩
- ❑ ৰস ৰচনা প্ৰতিযোগিতা — ৬৫
- ❑ বাতৰি লিখন প্ৰতিযোগিতা — ৬৬
- ❑ থিতাতে লিখা মুকলি চিঠি প্ৰতিযোগিতা — ৬৭
- ❑ থিতাতে লিখা কবিতা প্ৰতিযোগিতা — ৬৯
- ❑ কবিতা লিখা প্ৰতিযোগিতা (পূৰ্বে জমা দিয়া) — ৭০
- ❑ পেৰডী কবিতা প্ৰতিযোগিতা — ৭১
- ❑ শ্লোগান লিখন প্ৰতিযোগিতা — ৭২
- ❑ বিভাগীয় প্ৰতিবেদন — ৭৩
- ❑ ২০২২-২৩ ইং বৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ প্ৰতিযোগিতাসমূহৰ ফলাফল — ৮৯
- ❑ মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকাসমূহ — ৯২
- ❑ Students Who Successfully Completed B.A. in Major Course in the year 2022 — ৯৩
- ❑ Students who successfully completed M.A. in Assamese in the year 2022 — ৯৪
- ❑ Principal and Teaching Staff (2022-23) — ৯৪
- ❑ The Library Staff of Our College — ৯৫
- ❑ The Non-Teaching Staff of Our College — ৯৫
- ❑ The Union Body and The Teachers In-charge — ৯৫
- ❑ Governing Body : 2022-2023 — ৯৬
- ❑ Editors and In-charges of 'SUDAKSHINA' — ৯৭
- ❑ President & General Secretaries of The Student's Union Since 1988 — ৯৮


## প্ৰবন্ধ শিতান

# ৰমন্যাসবাদী কবিতাৰ দৃষ্টিৰে ঃ ডিম্বেশ্বৰ নেওগৰ 'শাপমুক্তা'


■ ড° জগন্নাথ বৰ্মন
*সহযোগী অধ্যাপক, অসমীয়া বিভাগ*




*'উঠা হে উৰ্বশী, উঠা হে প্ৰেয়সী, উঠা যৌৱনৰ সাদৰী সখা!'*
*কামত আতুৰ প্ৰেমিক সন্ন্যাসী এদিন সন্ধিয়া দিলেহি দেখা,*
*বুঢ়া লুইতৰ তৰংগে তৰংগে বিজুলীৰ যেন সোঁত অংগে অংগে*
*কিনো আচৰিত। গছ-গছনিত জিলিকি উঠিল ৰূপালী ৰেখা,—*
*'উঠা হে উৰ্বশী, উঠা হে প্ৰেয়সী, উঠা যৌৱনৰ সাদৰী সখা!'*

..........................................................................................

..........................................................................................

*বজ্ৰৰ নিষ্ঠুৰ স্বৰে সেইদিনা ঋষি অভিশাপ ঘোষিত হ'ল*
*সেইদিনা সেই কুসুম-শয়ন পাষাণ নিদ্ৰালৈ' বাগৰি গ'ল;*
*সিদিনাৰে পৰা কত প্ৰেমিকৰ, পৰিছে আঘাত গীত-লহৰৰ!*
*নগলে পাথৰ, নজলে আখৰ, নজলে বুকুৰ জ্বলন্ত ভাষা,—*
*'উঠা হে উৰ্বশী, উঠা হে প্ৰেয়সী, উঠা যৌৱনৰ সাদৰি সখা!'*

**অ**সমীয়া ভাষা-সাহিত্য-সমাজ-সংস্কৃতিলৈ ডিম্বেশ্বৰ নেওগৰ অৱদান উল্লেখযোগ্য। কবি, অনুবাদক, নিৰ্ভীক সমালোচক, সাহিত্যৰ বুৰঞ্জী প্ৰণেতাৰূপে সুপৰিচিত ডিম্বেশ্বৰ নেওগ দুকুৰি বছৰ বয়সলৈ 'বাঁহী', 'উষা', 'মিলন'ৰ নিচিনা আলোচনীৰ পয়োভৰৰ কবি। পিছলৈ তেওঁ এগৰাকী ৰমন্যাসবাদী কবি হিচাপে বিশেষভাৱে জনাজাত হৈছিল। উনবিংশ শতিকাৰ অন্তিম দশকত জন্মগ্ৰহণ কৰি কুৰি শতিকাৰ তৃতীয় দশকৰ ভিতৰত শ্ৰেষ্ঠ কবি কৰ্মত স্বাক্ষৰ প্ৰদান কৰা কবিসকলক ড° মহেন্দ্ৰ বৰাই অসমীয়া ৰোমান্টিক যুগৰ দ্বিতীয়

তৰংগৰ কবি হিচাপে স্থাপন কৰিছে। ৰঘুনাথ চৌধাৰী, যতীন্দ্ৰ নাথ দুৱৰা, অম্বিকাগিৰি ৰায়চৌধুৰী, ৰত্নকান্ত বৰকাকতী, নলিনী বালা দেৱী আদি মুখ্যতঃ এই তৰংগৰ শ্ৰেষ্ঠ কবি কৰ্মত স্বাক্ষৰ প্ৰদান কৰা কবি আছিল। শিৱসাগৰৰ "ব্ৰহ্মাণ্ডৰ ক্ষুদ্ৰ তাণ্ডৱণ" কমাৰফদিয়া গাঁৱত ১৮৯৯ চনত জন্মগ্ৰহণ কৰা, চৈধ্যখন কবিতাপুথিৰ কবি, ইন্দ্ৰধনুৰ কবি ৰূপে বিভূষিত ডিম্বেশ্বৰ নেওগ যথাৰ্থতে দ্বিতীয় তৰংগৰ প্ৰত্যন্তৰৰ কৱিহে। ১৯২০ চনৰ পৰা ১৯৪০ চনলৈ এই কালছোৱা জাতীয়তাবাদৰ যুগ। এই কালছোৱাৰ কবি হিচাপে ডিম্বেশ্বৰ নেওগৰ কবিতাতো জাতীয় জাগৰণৰ উষ্মা অনুভৱ কৰিব পাৰি। কিছুমান কবিতাত উচ্চ ভাব, মহাকাব্যিক গাম্ভীৰ্য তথা প্ৰকাশভংগীৰ সৌষ্ঠৱেৰে অবিস্মৰণীয় হৈ আছে। বৰ্ডচৱৰ্থৰ 'লুচি গ্ৰে'ৰ সাৰ্থক ভাঙনি 'বকুলী' স্বসৃষ্টি 'শাপমুক্তা', 'মোৰ গাঁও'ৰ নিচিনা কবিতাক চিৰকাল অপূৰ্ব সৃষ্টি হিচাপে স্বীকাৰ কৰিব লাগিব। 'অসমা' নামৰ কাব্যপুথিত অন্তৰ্ভুক্ত 'শাপমুক্তা' নামৰ কবিতাৰ মাজত ৰোমাণ্টিক অতীত প্ৰীতি, প্ৰাচীন ঐতিহ্যৰ মাজেৰে পৰাধীন ভাৰতবাসীক স্বাধীনতাৰ অনুপ্ৰেৰণা, দেশাত্মবোধৰ বুকু ফাটি ওলাই অহা তপত হুমুনিয়াহৰ নিশাহ অনুভৱ কৰিব পাৰি। কবি ডিম্বেশ্বৰ নেওগৰ 'শাপমুক্তা'ক বিভিন্ন দিশৰ পৰা অসমীয়া কবিতাৰ সমালোচকসকলে গুৰুত্ব আৰোপ কৰি আহিছে। অসমীয়া কবিতাৰ মানবিশিষ্ট সংকলনবোৰত (সঞ্চয়ন, কবিতা মঞ্জৰী, অসমীয়া কবিতা চয়ন) উক্ত কবিতাক বিশেষভাৱে অন্তৰ্ভুক্ত কৰি অহা দেখা গৈছে।

'ৰোমাণ্টিক' ইংৰাজী শব্দটিৰ অসমীয়া প্ৰতিশব্দ ৰমন্যাস। সাহিত্য শিল্পত ইয়াক এক বিশেষ মনোভংগীৰ প্ৰকাশ হিচাপে গ্ৰহণ কৰি অহা হৈছে। এই মনোভংগীৰ প্ৰকাশঃ অতি বিচিত্ৰ, গতিধাৰা বহুমুখী। মুখ্যতঃ ইংৰাজী সাহিত্যৰ মাজেৰে পৰাধীন ভাৰতৰ সাহিত্যত এই মনোভংগীৰ প্ৰকাশ ঘটিছিল। ৰোমাণ্টিক বা ৰমন্যাসিক সাহিত্যৰ প্ৰকাশ আৰু ভাৰতৰ স্বাধীনতা আন্দোলন এটা মুদ্ৰাৰ দুপিঠি। গাইকৈ ৰোমাণ্টিক অতীত প্ৰীতি অথবা মধ্যযুগ প্ৰীতিৰ মনোভাৱে ভাৰতৰ স্বাধীনতা আন্দোলনক প্ৰভুত পৰিমাণে সহায় কৰিছিল। ভাৰতীয় মানুহৰ ভাগি পৰা জাতীয় চেতনা উদ্ধাৰৰ কাৰণে কিছুমান কবিতাই কল্পনাতীতভাৱে ক্ৰিয়া কৰিছিল। এই প্ৰসংগত লক্ষ্মীনাথ বেজবৰুৱাৰ 'অসম সংগীত', কমলাকান্ত ভট্টাচাৰ্য্যৰ 'পাহৰণি', 'জাতীয় গৌৰৱ'ৰ নিচিনা কবিতা উল্লেখযোগ্য। একে অৰ্থত ডিম্বেশ্বৰ নেওগৰ 'শাপমুক্তা', শৈলধৰ ৰাজখোৱাৰ 'পাষাণ প্ৰতিমা' উল্লেখযোগ্য। ভাৰতৰ স্বাধীনতা আন্দোলন, অসমীয়া কবিতা আৰু ৰোমাণ্টিক অতীত প্ৰীতিৰ ত্ৰিবেণী সংগম অসমীয়া ৰোমাণ্টিক কবিতা ইতিহাসত এক মন কৰিবলগীয়া বিষয়। ই গভীৰ, আত্মীয়, প্ৰতিশ্ৰুতি পূৰ্ণ। 'শাপমুক্তা' কবিতাত ৰমন্যাসবাদী কবিতাৰ অতীত প্ৰীতিৰ মাজেৰে কালনিদ্ৰাত শুই পৰা উৰ্বশীৰূপী দেশমাতৃক জগাই তোলাৰ সমান্তৰালকৈ অতি উৎসাহেৰে কল্পনা প্ৰৱণতাৰ অসামান্য বিকাশ (Extra ordinary development of imaginative sensibility) ঘটাইছিল। ফলস্বৰূপে স্বাধীনতাৰ কাৰণে প্ৰয়োজনীয় জাতীয় চেতনা জাগৰক বিষয় অন্বেষণ কৰিছিল। ডিম্বেশ্বৰ নেওগৰ 'শাপমুক্তা' এনে ভাব আৰু বিষয়ৰ কবিতা। তৎকালীন ভাৰতৰ স্বাধীনতা আন্দোলন আৰু ৰোমাণ্টিক অতীত প্ৰীতিৰ ফলত কুৰি শতিকাৰ দ্বিতীয় দশকৰ পৰা প্ৰেম প্ৰকৃতি আদি পূৰ্বানুসৰিত বিষয়ৰ উপৰি বুৰঞ্জী, জনশ্ৰুতি তথা পৌৰাণিক আয়তন বিশিষ্ট ঐতিহ্যৰ ওপৰত ভিত্তি কৰি ডিম্বেশ্বৰ নেওগে 'শাপমুক্তা' কবিতাটি ৰচনা কৰিছিল। পৰাধীন ভাৰতৰ প্ৰতিগৰাকী কবিৰে কম বেছি পৰিমাণে স্বদেশ প্ৰেম আছিল। কিন্তু অধিকাংশ কবি সাহিত্যিকে বৃটিছৰ শোষণ নিষ্পেষণৰ কাৰণে বিদ্ৰোহ কৰা নাছিল। পৰোক্ষভাৱে ৰোমাণ্টিক অতীত প্ৰীতিৰ হাত ধৰি অসমৰ শৌৰ্য্য-বীৰ্য অতীত সৌৰৱাই স্বদেশ প্ৰেম সৃষ্টি কৰিছিল। ভাৰতৰ মহা জাতীয়তাৰ সক্ৰিয় শক্তিয়ে কবিসকলক অনুপ্ৰেৰণা যোগোৱাৰ ফলত দেশৰ পৰ্বত, নদ-নদী, মানৱীকৰণ বা দৈৱকীকৰণৰে বিভূতি সম্পন্ন হৈ পৰিছিল। ডিম্বেশ্বৰ নেওগৰ জনপ্ৰিয় 'শাপমুক্তা' কবিতাৰ সৃষ্টিৰ অন্তৰালত এনেবোৰ কথাই আগস্থান পাইছিল বুলি অনেক কৃতবিদ্য সমালোচকে মত পোষণ কৰিছে।

সৰ্বমুঠ সোতৰটা স্তৱকত সম্পূৰ্ণ কবিতাটিৰ প্ৰতিটো স্তৱকত পাঁচোটাকৈ শাৰী আছে। "উঠা হে উৰ্বশী, উঠা হে প্ৰেয়সী, উঠা যৌৱনৰ সাদৰী সখা!" শীৰ্ষক এই শাৰীটি প্ৰতিটো স্তৱকৰ পঞ্চম বা শেষ শাৰী। 'শাপমুক্তা' কবিতাটিৰ নাম। কিন্তু কবিতাটিৰ অধিকাংশ শাৰীতে শাপভ্ৰষ্টা, শিল ৰূপ লোৱা উৰ্বশীৰ কথাহে কোৱা হৈছে। ইন্দ্ৰৰ ৰাজসভাত নৃত্যৰতা অৱস্থাত হঠাৎ ছন্দ ভংগ হোৱাত দুৰ্বাসাৰ অভিশাপত উৰ্বশী শিল হৈ পৰে। এই উৰ্বশী ইন্দ্ৰৰ ৰাজসভাৰ অপ্সৰাসকলৰ ভিতৰত আটাইতকৈ সুন্দৰী আছিল। কথিত আছে যে সেই শিল টুকুৰা ব্ৰহ্মপুত্ৰৰ উমানন্দস্থিত পাৰ্শ্বৱতী এলেকাত আছে। সেয়া উৰ্বশীৰ অভিশপ্ত শিলাৰূপ, শাপ গ্ৰস্থা ৰূপ। এগৰাকী কথক ৰূপে কবিয়ে উৰ্বশীৰ অলেখ সম্ভাৱনাৰ কথা স্মৰণ কৰি, তাৰ জয়গান গাই জাগ্ৰত কৰাৰ এক ৰোমাণ্টিক বলিষ্ঠ আশাবাদ প্ৰকাশ পাইছে। কবিতাটিৰ মাজেৰে পৰোক্ষভাৱে শিলাৰূপী উৰ্বশীক জাগৃত কৰাৰ সমান্তৰালকৈ দাসত্ব বন্ধনত থকা পৃথিৱী, ভাৰত, অসমক মুক্ত কৰাৰ অনুপ্ৰেৰণা আছে। এনে কাৰণতে সমগ্ৰ কবিতাটিৰ মাজত শিল হৈ শুই থকা উৰ্বশীক 'প্ৰেয়সী', 'যৌৱনৰ সাদৰী সখা' সম্বোধনেৰে সৰ্বমুঠ সোতৰবাৰ আহ্বান জনাইছে এইদৰে— "উঠা হে উৰ্বশী, উঠা হে প্ৰেয়সী, উঠা যৌৱনৰ সাদৰী সখা।" সৰু ল'ৰা-ছোৱালীয়ে ঠেহ পাতিলে নানা কথাৰে ফুচলাই স্বাভাৱিক কৰিবলৈ যত্ন কৰাৰ নিচিনাকৈ ঋষিৰ শাপত শিল হৈ শুই থকা উৰ্বশীকো কবিয়ে নানা



প্ৰলোভনেৰে জাগ্ৰত কৰাৰ প্ৰয়াস কৰিছে। সেইবোৰৰ ভিতৰত প্ৰেমিক শশধৰৰ প্ৰেম নিবেদন, মদনৰ কাম শৰ নিক্ষেপৰ কথা উল্লেখযোগ্য। কিন্তু "ঋষি অভিশাপ" ঘোষিত হোৱাৰ দিন ধৰি 'কুসুম শয়ন' পৰিৱৰ্তে 'পাষাণ নিদ্ৰা' ৰূপ লোৱা উৰ্বশীৰ অন্তৰঃ নগলে পাথৰ, নজ্বলে আখৰ, নজ্বলে বুকুৰ জ্বলান্ত ভাষা' তথাপি, কথক কবিৰ আহ্বান ঃ উঠাহে উৰ্বশী উঠাহে প্ৰেয়সী.....।

ঋষি অভিশাপত উৰ্বশীৰ পোৰা হিয়াখনিয়ে কবিৰ সতে লুইতৰ বুকুত জিৰণি লৈছে। কোনো অনাহুত, অভ্যাগতৰ এনে শক্তি নাই পাষাণ হিয়াত জ্বলাব ভাষা। লুইতৰ শুকুলা বালিত মদন পিছলা শয্যা, নীলাচল অশ্বক্ৰান্তই লাজ ঢাকিব, "কাম কলংকিত চন্দ্ৰ কাম অলংকৃত" হৈ আহিছে। তথাপি কবিৰ আহ্বানত উৰ্বশীৰ কোনো সঁহাৰি নাই। যুগ যুগান্তৰ বৈ যোৱা মলয়া বতাহ, কত নাৱৰীয়াই নাও বাই বাই কৈ যোৱা আহ্বানক নেওচি উৰ্বশী শুই আছে। কবিয়ে উৰ্বশীৰ এনে অভিশপ্তা, অনুতপ্তা, পাষাণী বেশেৰে শুই থকা ৰূপত ম্ৰিয়মান। যাৰ চকুৰ চাৱনিৰ এটি কটাক্ষত তপোভংগ মুনিৰ, সেই উৰ্বশী এটি দুৰ্বাক্যত চিৰকাল এনে হৈ ৰ'ব? এই কথা কবিয়ে মানি ল'ব নিবিচাৰে।

উৰ্বশী অবিহনে নন্দন অমৰাৱতী অন্ধকাৰ। উৰ্বশীক হেৰুৱাই স্বৰ্গ দুখীয়া। কিন্তু শিল হৈ থাকিলেও পৃথিৱী, মৰত সুখী। এনে কাৰণতে কবিয়ে আনন্দৰে কৈছে— "হাঁহা হে স্বৰগ, হাঁহা হে মৰত; হাঁহা সৌভাগ্যৰ সুন্দৰী উষা।"

কবি কল্পনাত অভিশপ্তা, শাপভ্ৰষ্টা উৰ্বশী শাপমুক্তা জাগ্ৰত ৰূপ লৈছে। প্ৰেমিক চন্দ্ৰৰ শিৰত সহস্ৰ যুগৰ দেৱতাৰ মুক্তিবাণীৰে উৰ্বশী উদ্ধাৰৰ পৰিৱেশ ৰচনা কৰিছে। এনে কাৰ্য্যত.নতুন আশাই চৌদিশ ভৰি 'পোখা' মেলিছে। স্বৰ্গ মৰত সৰ্বত্ৰতে 'নৱ আশা' উজলি উঠিছে। উৰ্বশীয়ে ভুৱন-মোহিনী বেশেৰে জাগৃতা ৰূপ লৈছে। এনে ৰূপত কাল অভিশাপৰ শত যুগৰ অৱসান ঘটি কেৱল মুক্তিৰ বতাহ, তথা মুক্ত ঈশ্বৰৰ মুক্ত জগতত মুক্ত হোমৰ শিখা উজলি উঠাৰ কথা বৰ্ণনা কৰিছে। অৱশেষত সেই উৰ্বশীক 'জোনাক জীৱন যুক্তা', 'জয় হে উৰ্বশী', 'হে শাপ মুক্তা' নানা সম্বোধনেৰে জাগৃত হোৱাৰ কামনা কৰিছে। কবিতাটি মূলতঃ পৌৰাণিক আখ্যানৰ আধাৰত ৰচনা কৰা এটি স্বদেশ প্ৰেমৰ কবিতা। পাষাণী উৰ্বশী আৰু পৰাধীন অসম কবি মানসত একাকাৰ হৈ পৰিছে। ইয়াৰ মাজেৰে অসম মাতৃক জাগ্ৰত কৰাৰ অন্তহীন প্ৰয়াস কবিতাটিত পৰোক্ষ ৰূপত প্ৰকাশ পাইছে। প্ৰেমিক চন্দ্ৰই উৰ্বশীক উদ্ধাৰ কৰাৰ নিচিনাকৈ কবিয়ে প্ৰকৃত দেশ প্ৰেমিকক পৰাধীন অসমক মুক্ত, স্বাধীন কৰাৰ আকুল আহ্বান জনাইছে। উৰ্বশীক জাগি উঠাৰ সহস্ৰ আহ্বানৰ অন্তৰালত আছে— অসম, অসম মাতৃ তথা জননীৰ সন্তানসকলক স্বদেশপ্ৰেম আৰু স্বাধীনতাৰ বাবে পৰোক্ষভাৱে জনোৱা আহ্বান। এয়ে কবিতাটিৰ মমাৰ্থ। শাপভ্ৰষ্টা উৰ্বশী আৰু পৰাধীন অসম, শাপমুক্তা উৰ্বশী আৰু স্বাধীন অসম এই ভাৱ এই চেতনাৰে সম্পৃক্ত ডিম্বেশ্বৰ নেওগৰ 'শাপমুক্তা' কবিতা।

নিজৰাৰ কবি শৈলধৰ ৰাজখোৱাৰ 'পাষাণ প্ৰতিমা' আৰু নেওগৰ 'শাপমুক্তা' দুয়োটা কবিতাৰে ভাব, ভাষা, ছন্দৰ যথেষ্ট মিল আছে। দুয়োটা কবিতাৰ মাজেৰে স্বদেশ প্ৰেম, স্বাধীনতাৰ উত্তাপ অনুভৱ কৰিব পাৰি। দুয়োটা কবিতাতে একেধৰণৰ পংক্তিৰ ব্যৱহাৰ হৈছে—

*উঠাহে ফুলৰা, উঠা হে চতলা, উঠা দেৱবালা ৰূপ ধৰি,*
*পূৰ্ণ হ'ল আজি শতেক বছৰ, আৰু কতকাল থাকিব পৰি?*

(পাষাণ প্ৰতিমা)

*"উঠাহে উৰ্বশী, উঠাহে প্ৰেয়সী, উঠা যৌৱনৰ সাদৰী সখা"*

(শাপমুক্তা)

পুৰণি গৌৰৱ জড়িত শিলাখণ্ডত দুয়োগৰাকী কবিয়ে আশাৰ সঞ্চাৰ আৰু অনুপ্ৰেৰণা বিচাৰি পাইছে। বিশ্বকবি ৰবীন্দ্ৰ ঠাকুৰেও 'উৰ্বশী' কবিতাত পাষাণী উৰ্বশীৰ বাবে দিশে দিশে ক্ৰোন্দসীৰ কান্দোন শুনাৰ কথা উল্লেখ কৰিছিল। সেই কান্দোন আছিল উৰ্বশীৰূপী পৰাধীন ভাৰত মাতাৰ। এনেদৰেই ৰোমাণ্টিক অতীত প্ৰীতিয়ে ভাৰতৰ স্বাধীনতা আন্দোলনক অনুপ্ৰেৰণা যোগাইছিল। ৰোমাণ্টিক যুগত আমাৰ কাব্য সাহিত্যত ন ন ছন্দ সজ্জাৰ সৃষ্টি হৈছে। আনকি পশ্চিমীয়া সাহিত্যৰ পৰাও কিছুমান নতুন ছন্দ সজ্জাৰ আৰ্হি আৰু অনুপ্ৰেৰণা আমাৰ ৰমন্যাসিক কবিতাৰ মাজলৈ আহিছিল। সেইবোৰৰ ভিতৰত ডিম্বেশ্বৰ নেওগৰ 'শাপমুক্তা'ৰ ছন্দৰ অনুপ্ৰেৰণা অন্যতম। দীঘলীয়া কাহিনী কাব্যৰ উপযোগী ইংৰাজী আলেকজেণ্ডৰীয় ছন্দ সজ্জাৰ অনুপ্ৰেৰণা 'শাপমুক্তা' কবিতাত আছে। (ড° মহেন্দ্ৰ বৰা, ভূমিকা, অসমীয়া কবিতা চয়ন) উক্ত ছন্দ সজ্জাত ফুটি উঠা ছান্দিক বৈচিত্ৰ্যই ৰমন্যাসবাদী কবি ডিম্বেশ্বৰৰ ভাব-বৈচিত্ৰ্যক অপূৰ্ব লীলাময় আৰু অৰ্থঘন কৰি তুলিছিল। ছন্দৰ লগত স্মৃতিৰ সম্বন্ধ আছে। ছন্দৰ বাবেই 'শাপমুক্তা', 'পাষাণ প্ৰতিমা'ৰ নিচিনা কবিতা অনেকৰ স্মৃতিত আমৃত্যু বৈ আছে। ■

■ ■ ■

# অসমীয়া লোক-সাহিত্য

■ অঞ্জলি নাথ
*স্নাতক ষষ্ঠ যাণ্মাসিক*

পৰম্পৰাগত লোক বিদ্যা আৰু লোক-প্ৰজ্ঞাৰ ভেটিত লোক ভাষাৰ মাধ্যমেৰে লোক জীৱনত গঢ় লৈ উঠা বাচিক কলাই লোক-সাহিত্য। এই সাহিত্যৰ যোগেদি এটা জাতিৰ প্ৰাণ পৰিচয় ফুটি ওলায়। এই সাহিত্যই মুখে মুখে চলি আহি যুগ যুগ বছৰ পাৰ কৰি বৰ্তমান যুগ পাইছেহি। লোক জীৱনৰ আশা-আকাংক্ষা এই শ্ৰেণীৰ সাহিত্যৰ মাজেদি সুন্দৰভাৱে প্ৰকাশি উঠে।

সাহিত্য বুলিলে পোনেই কবিতা, নাটক, গল্প, উপন্যাস আদি লিখিত গ্ৰন্থৰ বিষয়ে মনলৈ আহে যদিও এনে সৃষ্টি হোৱাৰ বহু কালৰ পূৰ্বে অৰ্থাৎ লিপিৰ উদ্ভৱ হোৱাৰ বহু আগৰেপৰা জনসাধাৰণৰ মাজত প্ৰচলিত এক প্ৰকাৰ সাহিত্য চলিছিল, সেয়া হ'ল লোক-সাহিত্য। ভাব অনুভূতিৰ আৰু ৰচনা প্ৰণালীৰ সৰলতাই লোক-সাহিত্যৰ ঘাই বৈশিষ্ট্য।

যুগ যুগ ধৰি অসমীয়া জনসাধাৰণৰ স্মৃতিৰ ওপৰত নিৰ্ভৰ কৰি লোক-সাহিত্য জীয়াই আছে।

- পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে তেওঁৰ 'অসমীয়া সাহিত্যৰ চানেকী'ত গীতিযুগ বুলি অসমীয়া সাহিত্যৰ প্ৰাচীনতম কালটোক নিৰ্দেশ কৰিছিল। এই যুগটো তেওঁ খ্ৰীষ্টীয় ৬০০-৮০০ শতকৰ ভিতৰত ধৰিছিল।
- লীলা গগৈৰ মতে, "লোক সাহিত্য মনোধৰ্মী। লোক মানসত প্ৰতিফলিত হয় লোক জীৱনৰ আবেগ, অনুভূতি, অভিজ্ঞতা। মানুহৰ সামূহিক আবেগে সাহিত্যিক ৰূপ পৰিগ্ৰহণ কৰে। স্বভাৱ কবিৰ কবিতাত, বুঢ়ী আইৰ সাধুত, বিহুৱাৰ বিহু নামত, আয়তীৰ বিয়া নামত"।

অসমীয়া লোক সাহিত্যৰ প্ৰধানকৈ বিষয়বস্তু আৰু ৰচনা ৰীতিৰ ফালৰ পৰা তিনিটা ভাগত ভাগ কৰিব পাৰি— (ক) লোকগীত (খ) ফকৰা-যোজনা আৰু সাঁথৰ, পটন্তৰ (গ) সাধুকথা।

লোকগীত ঃ সুৰ লগাই গোৱা হয় লোকগীতসমূহ। সাধাৰণতে এই গীতবোৰত সৰু সৰু ভাবানুভূতি একোটাক প্ৰকাশ কৰা হয়। কেতিয়াবা আধ্যাত্মিক ভাৱ ইয়াৰ মাজতে প্ৰকাশি উঠে। সাধাৰণতে শংকৰ-মাধৱৰ প্ৰভাৱৰ কাৰণে কামৰূপী লোকগীতত আধ্যাত্মিক ভাবহে বেছিকৈ বিৰিঙি ওলোৱা দেখা যায়। অৱশ্যে প্ৰাচীন লোকগীতসমূহত সৰু সৰু জীৱন চিত্ৰও সুন্দৰভাৱে প্ৰকাশি উঠিছে। এই গীতবোৰৰ গাঁৱলীয়া মানুহে জন্মৰ পৰা মৃত্যুলৈকে পালন কৰা বিভিন্ন ধৰ্ম-কাৰ্য, আচাৰ-অনুষ্ঠান আদিৰ সম্বন্ধ আছে।

বৰ্ণনাৰ সৰলতা, ভাৱৰ অকৃত্ৰিমতা, আবেগ প্ৰৱণতা, ৰচনাৰ গঢ়, উপমা আদিয়ে লোকগীতবোৰৰ সাহিত্যিক সৌন্দৰ্য সুন্দৰভাৱে ফুটাই তুলিছে। লোকগীতবোৰক বিভিন্ন দিশৰ পৰা বিচাৰ কৰি চালে তিনিটা ভাগত ভাগ কৰিব পাৰি—

(ক) অনুষ্ঠানমূলক গীত
(খ) আখ্যানমূলক গীত
(গ) বিবিধ বিষয়ক গীত

**(ক) অনুষ্ঠানমূলক গীত ঃ** যিবোৰ লোকগীত অসমীয়া সমাজত বিভিন্ন অনুষ্ঠানৰ লগত জড়িত হৈ আছে আৰু সেই অনুষ্ঠানসমূহৰ উদ্‌যাপনৰ সময়ত গাবৰ বাবে ৰচিত হৈছিল সেই লোকগীতক অনুষ্ঠানমূলক লোকগীত বোলা হয়। যেনে— বিয়ানাম, বিহুগীত, সুৱচনীৰ গীত, অপেচৰী-সবাহৰ গীত, লখিমী সবাহৰ গীত, মহোহো গীত আদি।

**(খ) আখ্যানমূলক গীত ঃ** আখ্যানমূলক গীতসমূহৰ বিষয়বস্তু হৈছে কোনো একোটা কাহিনী বা কিছুমান কাল্পনিক আখ্যান। এই আখ্যানমূলক লোকগীতবোৰক ইংৰাজী 'বেলাড' বোলে। এইবিধ গীততো অসমীয়া ভাষা চহকী। এই গীতবোৰত বীৰত্ব ব্যঞ্জক বা আদি ৰসাত্মক কাহিনী, দুঃসাহসিক ঘটনা আদিও বৰ্ণিত হয়। কিন্তু করুণ ৰসেই এনে গীতৰ প্ৰধান সুৰ। এই গীত তিনি প্ৰকাৰৰ — বুৰঞ্জীমূলক গীত, কিম্বদন্তি বা জনশ্ৰুতিমূলক গীত, কাল্পনিক গীত।

**(গ) বিবিধ বিষয়ক বা কৰ্ম বিষয়ক গীত ঃ** এই গীতবোৰৰ ভিতৰত নাওখেল, ধাইনাম, নিচুকনি গীত, কামৰূপৰ বৰশীবোৱা গীত, মহখেদা, নাঙেলী গীত, গৰখীয়া গীত, হাউখেলৰ গীত, গোৱালপাৰা অঞ্চলৰ চটকা গীত, জুনা গীত, বহুৰঙী গীত, মৈষাল গীত আদি বহু ধৰণৰ গীত অসমৰ বিভিন্ন অঞ্চলত প্ৰচলিত আছে।

**ফকৰা-যোজনা আৰু সাঁথৰ পটন্তৰ ঃ** লোকগীতৰ দৰে ফকৰা-যোজনা আৰু সাঁথৰ পটন্তৰ আদি অসমীয়া লোক সাহিত্যৰ বহুমূলীয়া সম্পদ। অসমীয়া মানুহৰ মুখে মুখে অতি পুৰণি কালৰে পৰা প্ৰচলিত হৈ অহা ফকৰা-যোজনা আৰু প্ৰবচনবোৰো লোক-সাহিত্যৰে এটি প্ৰধান ভাগ। ফকৰা-যোজনা ভাষাৰ সম্পদ। ফকৰা-যোজনাই এফালে ভাষা চহকী কৰে আৰু আনফালে ভাষাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। কাৰণ ফকৰা-যোজনাৰ একোটা সুকীয়া অন্তৰ্নিহিত অৰ্থ থাকে। একোটা বিশেষ ভাৱৰ নিৰ্দেশক আৰু বাহক। যোজনাত এটা কথা বুজোৱাৰ নিমিত্তে আন এটাৰ লগত তুলনা দিয়া হয়। যোজনাক পটন্তৰো বুলি কোৱা হয়। যেনে— 'নদীৰ বন নাই খান্দে আৰু পোতে', 'বিষয়াৰ বন নাই ভাঙে আৰু পাতে', 'তিনি গধুলি তৰিছে তাঁত', 'অতি ভক্তি চোৰৰ লক্ষণ'।

**সাধুকথা ঃ** অসমৰ বিভিন্ন ৰূপত অসমীয়া মানুহৰ মুখে মুখে অতি প্ৰাচীন কালৰে পৰা প্ৰচলিত সাধুকথাসমূহৰ অসমীয়া লোক সাহিত্যৰেই অন্তৰ্ভুক্ত কৰি লোৱা হয়। সাধুকথাৰ কাহিনীত অলৌকিকতাই প্ৰাধান্য লাভ কৰিছে। সাধুকথা কওঁতাৰ নিজা ভংগী আছে সেই ভংগীৰে তাৰ বৈশিষ্ট্য প্ৰকাশ হয়। সাধুকথা মানুহৰ দৰে এই চৰিত্ৰসমূহৰ মাজতো স্নেহ, মৰম, অসূয়া, ধূৰ্তালি আদি ভাৱ দেখিবলৈ পোৱা যায়। তেজীমলা, তুলা আৰু তেজা আদি সাধু করুণ ৰসাত্মক আৰু টেটোন, কুকুৰীকণা জোঁৱাই আদি সাধুসমূহ ধেমেলীয়া বিধৰ। পৰ্বত, নৈ, গছ-গছনি, জীৱ-জন্তু, চৰাই-চিৰিকটি আদি প্ৰাকৃতিক সম্পদসমূহৰ উৎপত্তি সম্বন্ধেও অলেখ সাধু আছে। পঞ্চতন্ত্ৰ, হিতোপদেশ, ঈছপৰ সাধু আদি গ্ৰন্থ অসংখ্য সাধুকথাৰে ভৰপূৰ।

অসমৰ লোক-সাহিত্য অতিশয় চহকী। জাতিৰ ভাব অনুভূতি, আশা-আকংক্ষা, হৰ্ষ-বিষাদ, প্ৰেম, বিৰহ, জাতীয় আদৰ্শ আদি লোক-সাহিত্যৰ মাজত নিহিত হৈ আছে। অসমীয়া লোক-সাহিত্যৰ জন্ম আৰু তাৰ মাজতেই বিৱৰ্তন আৰু পৰিবৰ্দ্ধন। ইয়াৰ প্ৰসাৰে অসমীয়া জাতিৰ কৃষ্টি-সংস্কৃতিক নিশ্চয় দুগুণে মহীয়ান কৰি তুলিছে। ■

(লেখাটো প্ৰস্তুত কৰোঁতে প্ৰসঙ্গ পুথিৰ সহায় লোৱা হৈছে।)



## কেইটামান ডাকৰ বচন

(ক) পুৱা পচিমাকৈ সাজিবা ঘৰ।
অকাল মৃত্যুক নাহিকে ডৰ।।
পুবে লবা গজাক্ৰান্তে।
দখিনে লবা কথা মাতে।।
পচিমে লবা জিমানে পাই।
উত্তৰে লবা ঢোল কোবাই।।
পচিমে বাঁহ পুবে বেঁত।
উত্তৰে তামোল দখিনে খেত।।

(খ) জেঠত দৈ আহাৰত খৈ।
শাওনে মৰাপাটা খাবা গৈ।।
ভাদত ওল আহিনত কল।
কাতিত কচুই বাঢ়য় বল।।

(গ) পুবে ভড়াল পচিম গোহালি।
ডাকে বোলে তাৰ সকলে ৰহিল।।

(ঘ) গৰু কিনিবা চিকন জালি।
দুই চাৰি চয় দতিয়া ভালি।।
হৰিনৰ সম জিহ্বা কান।
হেন বলধক বিচাৰি আন।।

(ঙ) সাত পো বাৰ নাতি
তেহে কৰিবা কুঁহিয়াৰ খেতি।।

(চ) বলধ কিনিবা বল বুঝিয়া।
চাৰিবা সুন্টি ধোবা তেলিয়া।।
চয়ে চোটা চাৰি মোটা।
বাচিয়া কিনিবা বলধ গোটা।।
চয় নৱদন্ত ভাগ্যেসে পাই।
সাত দতিয়া ভাগি পলাই।।

(ছ) গাঁওৰ বনকটৰ ভুই।
ইহাক নেড়িবা জানন্তা হুই।।
জুঝাৰু বিচাৰি কিনিবা গাই।
সৰুমুৱা পাচ ডাঙ্গৰ চাই।।

(জ) ৰজাক চিনিবা দানত
তিৰিক চিনিবা টানত।।

(ঝ) সাতত সেৰেঙা পাঁচত ঘন
ছয়ত তামোল নদন-বদন।।

# কৃত্ৰিম বুদ্ধিমত্তা (A.I.) ঃ এক বিশ্বজনীন উদ্ভাৱন

■ ড° নিবেদিতা দেৱী
*সহযোগী অধ্যাপিকা, অৰ্থনীতি বিভাগ*

কৃটিম বুদ্ধিমত্তা (Artificial Intelligence) হৈছে কম্পিউটাৰ বিজ্ঞানৰ এক বহু বিষয় সমন্বিত ক্ষেত্ৰ, যিয়ে মানুহৰ জ্ঞানমূলক কাৰ্য যেনে শিক্ষণ, সমস্যা সমাধান, উপলব্ধি আৰু সিদ্ধান্ত গ্ৰহণৰ অণুকৰণ কৰিব পৰা বুদ্ধিমত্তাসম্পন্ন যন্ত্ৰ সৃষ্টিৰ বাবে উৎসৰ্গিত। A.I. বা কৃটিম বুদ্ধিমত্তাৰ ধাৰণাটো প্ৰাচীন কালৰ পৰাই আৰম্ভ হৈছিল। প্ৰাচীন কাব্য আৰু লোককথাত প্ৰায়ে মানুহৰ দৰে বুদ্ধিমত্তাৰে ৰঞ্জিত কৃটিম সত্তাক দেখা পোৱা যায়। কিন্তু ২০ শতিকাৰ মাজভাগত ইলেক্ট্ৰনিক কম্পিউটাৰৰ আবিৰ্ভাৱ আৰু কেইবাজনো গুৰুত্বপূৰ্ণ ব্যক্তিৰ অগ্ৰণীমূলক কৰ্মৰাজিৰ লগে লগে A.I. ৰ আধুনিক যুগে গঢ় লৈ উঠিবলৈ আৰম্ভ কৰে।

কৃটিম বুদ্ধিমত্তা (A.I.)ৰ অন্যতম মূল ব্যক্তি হৈছে এলান টুৰিং, এজন ব্ৰিটিছ গণিতজ্ঞ আৰু কম্পিউটাৰ বিজ্ঞানী। ১৯৫০ চনত টুৰিঙৰ গুৰুত্বপূৰ্ণ গৱেষণাপত্ৰ 'কম্পিউটিং মেচিনেৰী এণ্ড অনটেলিজেন্স'এ টুৰিং টেষ্টৰ ধাৰণাটো প্ৰবৰ্তন কৰিছিল, যিটো মানুহৰ পৰা পৃথক কৰিব নোৱাৰা বুদ্ধিমত্তা সম্পন্ন আচৰণ প্ৰদৰ্শন কৰাৰ ক্ষমতা নিৰ্ণয় কৰাৰ বাবে এটা মাপকাঠী। তেওঁৰ তাত্ত্বিক কামে যিকোনো বৃহদাকাৰ গণনা কৰিব পৰাকৈ এক সাৰ্বজনীন কম্পিউটিং মেচিনৰ প্ৰবৰ্তন কৰিছিল যিনেকি A.I.ৰ বিকাশৰ ভেটি স্থাপন কৰিছিল।

দশক দশক ধৰি এ-আই গৱেষণা বিভিন্ন পৰ্য্যায়ৰ মাজেৰে আগবাঢ়িছে, প্ৰাৰম্ভিক প্ৰতীকী এ-আইৰ পৰা আৰম্ভ কৰি নতুন যিয়ে নিয়মভিত্তিক ব্যৱস্থা আৰু যুক্তিসংগত আচৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰি আগবাঢ়ি গৈছে। মেচিন বা যন্ত্ৰসমূহৰ শিক্ষণ আৰু স্পষ্ট প্ৰগ্ৰেমিং বা কাৰ্যক্ৰম তৈয়াৰ, কম্পিউটাৰ হাৰ্ডৱেৰৰ শিক্ষণ আৰু তথ্য উপলব্ধতাৰ উন্নতিৰ ফলত এ-আইৰ বিকাশ ঘটিছে যাৰ ফলত বৰ্তমান প্ৰাকৃতিক ভাষা, প্ৰক্ৰিয়াকৰণ, কম্পিউটাৰ দৃষ্টি, ৰবটিক্স আৰু স্বয়ংক্ৰিয় ব্যৱস্থাৰ দৰে ক্ষেত্ৰসমূহত অগ্ৰগতি লাভ কৰা হৈছে।

ভাৰতবৰ্ষই ইয়াৰ ক্ৰমবৰ্ধমান প্ৰযুক্তি উদ্যোগ, সুদক্ষ কৰ্মশক্তি আৰু শৈক্ষিক প্ৰতিষ্ঠানসমূহৰ লাভ উঠাবলৈ বিশ্বৰ এ-আই পৰিৱেশত এক উল্লেখযোগ্য খেলুৱৈ হিচাপে আত্ম প্ৰকাশ কৰিছে। ভাৰতীয় ষ্টাৰ্ট-আপ (Start-up) আৰু গৱেষণা, পৰীক্ষাগাৰসমূহে এ-আই গৱেষণা আৰু উন্নয়নত সক্ৰিয়ভাৱে জড়িত হৈ আছে, স্বাস্থ্যসেৱা আৰু কৃষিৰ কাম কৰি আছে। ভাৰতীয় প্ৰযুক্তি প্ৰতিষ্ঠান (আই-আই-আই-টি)ৰ দৰে প্ৰতিষ্ঠানে এ-আই শিক্ষা আৰু গৱেষণাত অৱিহণা যোগাই প্ৰতিভাৱান পেছাদাৰী মানৱ সম্পদৰ বিকাশ ঘটাইছে, যিয়ে শিক্ষা আৰু উদ্যোগ দুয়োটাতে অৱিহনা যোগাই আহিছে।

তদুপৰি ভাৰত চৰকাৰে এ-আইৰ কৌশলগত গুৰুত্ব স্বীকাৰ কৰি বিভিন্ন খণ্ডত এ-আই গৱেষণা আৰু উদ্ভাৱনক প্ৰসাৰিত কৰাৰ বাবে ৰাষ্ট্ৰীয় এ-আই কৌশল আৰু ৰাষ্ট্ৰীয় এ-আই মিছনৰ দৰে অনুষ্ঠান আৰম্ভ কৰিছে। ভাৰতীয় আৰু আন্তঃৰাষ্ট্ৰীয় সংস্থাসমূহৰ মাজত সহযোগিতাই বিশ্বৰ এ-আই ক্ষেত্ৰৰ বিকাশ ক্ষিপ্ৰ কৰি তুলিছে। ইলন মাস্ক, জেফ বেজোছ, মাৰ্ক জুকাৰ বাৰ্গৰ দৰে প্ৰযুক্তিৰ জনক সকলকে ধৰি বিশ্বৰ আটাইতকৈ ধনী ব্যক্তিসকলেও এ-আইৰ বিকাশৰ গঢ় দিয়াত প্ৰভাৱ পেলাইছে। টেছলা, আমাজন, ফেচবুকৰ দৰে তেওঁলোকৰ কোম্পানীসমূহে এ-আই গৱেষণা আৰু উন্নয়নত যথেষ্ট বিনিয়োগ কৰে, যাৰ ফলত স্বয়ংচালিত বাহন, ৰবটিক্স, A.I. চালিত ব্যক্তিগত সহায়কৰ দৰে ক্ষেত্ৰত অগ্ৰগতি লাভ কৰে। ইয়াৰ উপৰি এই উদ্যোগপতিসকলে প্ৰায়ে A.I. গৱেষণা পদক্ষেপৰ বাবে ধন আগবঢ়ায়, তেওঁলোকৰ পুঁজিৰ জৰিয়তে A.I. ষ্টাৰ্ট-আপক সমৰ্থন কৰে, আৰু এ-আই প্ৰযুক্তিয়ে যাতে সমাজখনক দায়িত্বশীলভাৱে উপকৃত কৰাটো নিশ্চিত হয়, তাৰ পোষকতা কৰে। সামৰণিত ক'ব পাৰি যে এ-আই হৈছে গৱেষণা আৰু উদ্ভাৱনৰ চহকী ইতিহাস থকা এক জটিল আৰু দ্ৰুতগতিত বিকশিত ক্ষেত্ৰ। এলান টুৰিঙৰ মূল কামে এ-আইৰ তাত্ত্বিক ভিত্তি স্থাপন কৰিছিল, আনহাতে ভাৰতৰ গৱেষক, অভিযন্তা, উদ্যোগী, নীতি নিৰ্ধাৰকসকলৰ পৰা আগবঢ়োৱা অৱদানসমূহে ভাৰতক আজি বিশ্বত আগশাৰীত স্থান দিছে। এ-আইয়ে ভৱিষ্যতক গঢ় দিয়াৰ অন্যতম স্পষ্ট উপায় হ'ল অ'টোমেচন অৰ্থাৎ প্ৰশিক্ষণৰ সহায়ত বা মেচিন লাৰ্নিঙৰ সহায়ত কম্পিউটাৰে এতিয়া এনে কাম কৰিব পাৰে যিবোৰ এসময়ত মানুহৰ বাবেহে সম্ভৱ আছিল। ইয়াৰ ভিতৰত ডাটা এন্ট্ৰি, গ্ৰাহক সেৱা, আনকি গাড়ী চলোৱাৰ দৰে কামো অন্তৰ্ভুক্ত। স্বয়ংক্ৰিয়কৰণৰ উত্থানৰ লগে লগে বহু চাকৰিৰ ঠাইত মেচিন বা যন্ত্ৰ লোৱা হ'ব, ফলত ব্যৱসায়ৰ বাবে দক্ষতা বৃদ্ধি আৰু খৰচৰ ৰাহি হ'ব। কিন্তু ইয়াৰ অৰ্থ এইটোও হয় যে বহু চাকৰি স্থানচ্যুত হ'ব। এই পৰিবৰ্তনে কৰ্মশক্তিৰ বা শ্ৰমশক্তিৰ ওপৰত পৰা নেতিবাচক প্ৰভাৱ কেনেকৈ লাঘৱ কৰিব সেই বিষয়ে চিন্তা কৰাটো সমাজৰ বাবে অতি গুৰুত্বপূৰ্ণ হৈ পৰিছে। ■



# বৈদিক ঈশ্বৰতত্ত্ব ঃ
# বহু দেৱতাৰ পৰা অদ্বৈতবাদলৈ

■ কমলেশ্বৰ বৰা
*অধ্যাপক, দৰ্শন বিভাগ*

ঈশ্বৰতত্ত্ব বা ঈশ্বৰশাস্ত্ৰ হ'ল ঈশ্বৰ কেন্দ্ৰিক এক ধৰ্মীয় তত্ত্ব য'ত বিশেষ কোনো ধৰ্মৰ, ধৰ্মীয় বিশ্বাসৰ সুসংহত আলোচনা কৰা হয়। জন হিকৰ মতে, ঈশ্বৰতত্ত্ব হ'ল ধৰ্ম বিশ্বাসৰ পদ্ধতি। বেদৰ ঈশ্বৰতত্ত্বত আমি বহু দেৱবাদৰ পৰা অদ্বৈতবাদৰ ব্যাখ্যা পাওঁ। বৈদিক ধৰ্মৰ আদিতম ৰূপ হ'ল প্ৰকৃতি পূজা। প্ৰকৃতিৰ প্ৰতিটো তত্ত্বতে কোনো নহয় কোনো দেৱতাৰ নিবাস বুলি স্বীকাৰ কৰা হৈছে। হিন্দু ধৰ্মত প্ৰত্যাক্ষিত হোৱা বহু দেৱবাদৰ মূল বেদতে নিহিত আছে। আকৌ বেদৰ বিশ্লেষণকাৰী চিন্তাধাৰাই বহু দেৱবাদৰ পৰা একেশ্বৰবাদ আৰু অদ্বৈতবাদৰ বাট মুকলি কৰি থৈ গৈছে। কোনো কোনো পণ্ডিত লোকে, বিশেষকৈ মেক্সমুলাৰে বহু দেৱবাদ আৰু একেশ্বৰবাদৰ মধ্যৱৰ্তী অন্য এক স্তৰৰ নাম উল্লেখ কৰে যাক অতিদেৱবাদ বুলি কোৱা হয়। অতি দেৱবাদ হ'ল এক পৰম সত্তাত বহু দেৱতাৰ মিলন অথবা কোনো এক দেৱতাক সৰ্ব্বোচ্চ দেৱতা হিচাপে স্বীকাৰ কৰা। ঋগ্বেদৰ আৰম্ভ বহু দেৱৰ পৰা হয় আৰু পৰৱৰ্তী স্তৰত একেশ্বৰবাদ হৈ অদ্বৈতবাদত সমাপ্ত হয়।

বেদৰ ঈশ্বৰতত্ত্বৰ প্ৰথম স্তৰত বহু দেৱতাৰ বিৱৰণ পোৱা যায়। যি মতবাদ অনুসৰি এই জগতত বহুত ঈশ্বৰ বা দেৱ আছে, তাক বহু দেৱবাদ বা অনেকেশ্বৰবাদ বোলা হয়। এই মতবাদ অনুসৰি ঈশ্বৰ এক আৰু অদ্বিতীয় নহয়, ঈশ্বৰ হ'ল বহু। জগতৰ বিভিন্ন বিভাগ শাসন কৰাৰ বাবে বহু অলৌকিক ক্ষমতা সম্পন্ন অতিমানৱ বা আধ্যাত্মিক সত্তা আছে। সকলোবোৰেই সত্যৰ ৰক্ষক অৰ্থাৎ জাগতিক নিয়মৰ ৰক্ষক। বৰুণ, ইন্দ্ৰ, অগ্নি, সূৰ্য্য, সোম, মিত্ৰ, ৰুদ্ৰ আদি দেৱতাই ঋতুৰ সংৰক্ষক। মন্ত্ৰ আৰু ব্ৰাহ্মণত দেৱতাৰ উদ্দেশ্যই যাগ-যজ্ঞৰ কথা কোৱা হৈছে।

বহু দেৱতাত বিশ্বাসৰ গুৰুত্ব কালক্ৰমত লোপ পায়। বৈদিক ঋষিয়ে বিশ্বজাগতিক ঘটনাৰ আদিকাৰণ জানিবলৈ চেষ্টা কৰে। তেওঁলোকে পৰ্যবেক্ষিত ঘটনাৰ আধাৰত স্বীকৃত বহু দেৱতাৰ পৰিৱৰ্তে সমস্ত জগতক নিয়ন্ত্ৰণ আৰু শাসন কৰা এক ঈশ্বৰৰ ধাৰণাত মনোনিৱেশ কৰে। দাৰ্শনিক ৰাধাকৃষ্ণণৰ মতে, মানৱীয় হৃদয়ৰ অভিলাষা বহু দেৱবাদত সন্তুষ্ট হ'ব নোৱাৰে আৰু তেওঁলোকৰ মনত এইটো কৌতুহল জাগিল যে কোনজন দেৱ যথাৰ্থ। বৈদিক যুগত উপাসনাৰ সময়ত অনেক প্ৰাকৃতিক দেৱতাৰ মাজত কোনো এজনক আৰাধ্য বুলি মানি সৰ্বশ্ৰেষ্ঠ বুলি গণ্য কৰিছে। ঋষিসকলে এইদৰে বহু দেৱতাৰ মাজত সৰ্ব্বোচ্চ শক্তিৰ সন্ধান নাপাই বহু দেৱতাৰ মাজতে সৰ্ব্বোচ্চ দেৱতাৰ সন্ধান কৰিলে। পণ্ডিত মেক্সমুলাৰে ঋগ্বেদৰ এই চিন্তাক 'অতিদেৱবাদ' বুলি অভিহিত কৰিছে। উপাসনাৰ সময়ত বেদত এজন দেৱতাকে আটাইতকৈ শ্ৰেষ্ঠ দেৱতা হিচাপে স্বীকাৰ কৰা হয়।

দেৱতাৰ সংখ্যা বহুত হোৱা বাবে বেদত প্ৰশ্ন কৰা হয়— "কস্মৈ দেবায় হবিষা বিধেম"- অৰ্থাৎ কোন দেৱতাক মই হবিষ প্ৰদান কৰিম। ঈশ্বৰক বহু বুলি স্বীকাৰ কৰিলে তেওঁৰ অখণ্ডতা খণ্ডিত হয়। ৰাধাকৃষ্ণণৰ মতে, আমি বহু দেৱবাদক স্বীকাৰ কৰিব নোৱাৰোঁ, কাৰণ ধৰ্মীয় চেতনা ইয়াৰ বিপৰীত। সাধাৰণতে যাক একেশ্বৰবাদ বোলা হয়, প্ৰাচীন বৈদিক চিন্তাত সেইদৰে একেশ্বৰবাদৰ ধাৰণাৰ উৎপত্তি হোৱা নাছিল। তেওঁলোকে এক সৰ্ব্বোচ্চ শক্তি আৱিস্কাৰ কৰিব বিচাৰিছিল। একেশ্বৰবাদ অনুসৰি জগতত কেৱল এজন ঈশ্বৰ আছে, তেওঁ এক আৰু অদ্বিতীয় সত্তা। তেওঁ বিশ্বৰ স্ৰষ্টা আৰু নিয়ন্তা, কিন্তু বিশ্বৰ পৰা পৃথকভাৱে অৱস্থান কৰে। ঋগ্বেদৰ (৫।৩।১) মন্ত্ৰত ঋষিয়ে কৈছে যে জন্মৰ সময়ত অগ্নিয়ে বৰুণৰ ৰূপ ধাৰণ কৰে, যজ্ঞত অগ্নি জ্বলি উঠি মিত্ৰ ৰূপ ধাৰণ কৰে আৰু সকলো দেৱতাই অগ্নিকে কেন্দ্ৰ কৰি থাকে। পুৰোহিতৰ বাবে অগ্নি ইন্দ্ৰৰ ৰূপ ধাৰণ কৰে। অথৰ্ববেদত (১৩।৩।১৩) কোৱা হৈছে যে ৰাত্ৰিকালত অগ্নি হ'ল বৰুণ, প্ৰাতঃকালত মিত্ৰ। সবিতা ৰূপ ধাৰণ কৰি তেওঁ বায়ুমণ্ডলত ভ্ৰমণ কৰে আৰু ইন্দ্ৰৰ ৰূপত তেওঁ আকাশত জিলিকি উঠে। গতিকে অগ্নিকে একমাত্ৰ দেৱতা বুলি কোৱা হৈছে। এইটো প্ৰমাণ হৈছে যে বেদত বহু দেৱবাদৰ পৰা অতিদেৱবাদ আৰু পিছত একেশ্বৰবাদৰ বিকাশ হৈছিল।

বৈদিক একেশ্বৰবাদী চিন্তাত অদ্বৈতবাদী চিন্তা সংযোজিত হৈছিল যাৰবাবে বৈদিক একেশ্বৰবাদৰ পৰা অদ্বৈতবাদৰ পৃথক কৰা অতি কঠিন। বৈদিক ঋষিসকলে সমস্তৰ উৎস ৰূপে এক উচ্চতৰ একত্বৰ ধাৰণা কৰিছিল, একক সত্তাৰ অনুসন্ধান কৰিছিল যাক অদ্বৈতবাদ বুলি কোৱা হয়। ঋগ্বেদৰ পুৰুষ সূক্তত- (১০।৯০।১), (১০।৯০।৩) বিশ্বজগতৰ মাজত যে এক ঐক্য বৰ্তমান তাক কোৱা হৈছে। আকৌ ঋগ্বেদৰ নাসদীয়সূক্তত এক নৈৰ্ব্যক্তিক পৰম সত্তাৰ কথা কোৱা হৈছে যি বৰ্ণনাৰ অতীত (১০।১২৯।১-৭)। 'পুৰুষ এবেদং স্বৰ্বং য়দ্ ভুতং য়চ্চ ভাব্যম্'- অৰ্থাৎ যি কিবা আছিল আৰু যি কিবা হ'ব এই সকলোবোৰেই পুৰুষ। ইয়াৰ উপৰিও আৰু বহু মন্ত্ৰ আছে য'ত অদ্বৈতবাদৰ ধাৰণা সিদ্ধ কৰা হৈছে, যেনে- 'মহদ্ দেৱানাম সুৰত্ব মেকম্''- অৰ্থাৎ সকলো দেৱতা এক বিশ্বাত্মাৰ শৰীৰৰ অংগ। বেদত যি সুপ্তভাৱে অদ্বৈতবাদৰ বীজ ৰোপণ কৰা হৈছিল সেয়া পৰৱৰ্তীকালত পূৰ্ণৰূপত প্ৰকাশ পাইছে উপনিষদত। উপনিষদত 'আত্ম চ ব্ৰহ্ম' অৰ্থাৎ আত্মাক ব্ৰহ্ম এনে ব্যাখ্যা ৰচনা কৰি একমেৱম অদ্বিতীয়ম ব্ৰহ্মৰ ধাৰণা প্ৰতিষ্ঠা কৰিছে। ■

---

(১) সত্যমেৱ জয়তে নানৱিত্তং
সত্যেন পন্থা বিততো দেৱযানঃ
য়েনাক্ৰমন্ত্যৃষয়ো হ্যাপ্তকাম
য়াত্ৰাতং সত্যচ্যঃ পৰমং নিধানম
(সুন্দৰ উপনিষদ - মন্ত্ৰ - ৩-১-৬)

(২) ইতিতে জ্ঞানমাখ্যাতম্ গুহ্যাদ্গুহ্যাতৰম্ ময়া
বিম্ৰিষইতদযেষণ য়থেচচি তথাকুৰু।
(শ্ৰীমদ্ভাগৱদ - ১৮-৬৩)

(৩) হওক নৰ যদ্যাপি পৰম দুৰাচাৰ
মোকে মাত্ৰ ভজেকি নুপুজি দেৱ জান
তথাপি পৰম সাধু সেহি মোৰ প্ৰাণ
(ভক্তি প্ৰদীপ - ৩৩)

(৪) তোমাকেহে বোলয়ী জ্ঞানী ব্ৰহ্মনিৰঙ্কুশ
সাংখ্যমতে বোলয়ী তুমি প্ৰকৃতি পুৰুষ
ভকতৰ মতে তুমি পৰম ঈশ্বৰ
মতিভেদে তোমাকেসে পুজয়ী নিৰন্তৰ
(শ্ৰীমদ্ভাগৱদ - ১০-১-১৮৩১)



# Transforming Indian Higher Education : The Vision and Impact of NEP 2020

■ **Dr. Ripun Doley**
*HoD, History*

The National Education Policy (NEP) 2020 heralds a revolutionary approach to higher education in India, presenting a comprehensive vision that emphasizes flexibility, interdisciplinary learning, and skill augmentation to align with the demands of the 21st century. This new framework aims to significantly enhance the quality and accessibility of higher education, ensuring holistic education that prepares students for complex real-world challenges by fostering critical thinking, creativity, and applied skills.

NEP 2020 introduces a credit-based eight-semester system that fosters flexibility and mobility. This system enables students to transfer credits across institutions, promoting interdisciplinary studies and diverse learning experiences. For instance, a student studying in Gauhati University can transfer to Dibrugarh University without losing academic progress, ensuring that education is not hindered by geographic limitations. The Academic Bank of Credits and recent UGC notifications support multiple entry and exit points, allowing students to earn certificates, diplomas, degrees, and honors degrees at various stages of their education. This flexibility caters to diverse student needs and life circumstances.

The policy also emphasizes skill-based education, aiming for higher educational institutions to provide skills training to at least 50% of their students. Higher Educational Institutions (HEI) addresses this mandate through Value Added Programs and certification courses, which equip students with industry-relevant skills and give them a competitive edge. Additionally, NEP 2020 promotes practical and experiential learning to bridge the gap between theoretical knowledge and everyday application. Practical courses and internships are integral to the curriculum, ensuring that students gain hands-on experience in their fields of study.

NEP 2020 also focuses on fostering diverse educational and research activities. HEI excels in this area with its Research and Development Cell and Incubation Cell etc.

Critics of NEP 2020 often oversimplify its goals, viewing it as catering solely to the market economy or reflecting an 'American view' of education. However, the policy prioritizes skill development to bridge the gap between knowledge and employability. By integrating courses on communication, digital literacy, critical thinking, and vocational training, NEP 2020 equips students with essential life skills. Courses on entrepreneurship and innovation encourage creative problem-solving and self-reliance,

preparing students for a competitive global job market.

The shift towards continuous and comprehensive assessment (CCA) over high-stakes exams represents another progressive change under NEP 2020. The credit-based system and frequent assessments promote consistent study habits and deeper understanding, moving away from rote learning. This approach reduces exam pressure and encourages ongoing engagement with the subject matter. For instance, in economics, continuous assessments could include real-time market analysis projects and policy critiques, providing practical insights and fostering critical thinking.

Moreover, NEP 2020 aims to make education more inclusive and accessible. Key initiatives include promoting regional languages in education, providing scholarships for economically disadvantaged students, and developing infrastructure in remote areas. These measures ensure that quality education is available to all, broadening the talent pool and fostering equity in educational opportunities. This inclusivity is crucial for national development, as it helps to create a more equitable society where all individuals, regardless of their background, have the opportunity to succeed and contribute meaningfully.

Collaboration between educational institutions, society, and industries is another cornerstone of NEP 2020. This approach ensures that education remains relevant and responsive to societal needs and industry demands, fostering innovation and practical learning experiences. By integrating industry insights and societal challenges into the curriculum, NEP 2020 aims to produce graduates who are well-prepared to contribute meaningfully to the economy and address pressing issues of our times.

Ultimately, NEP 2020 seeks to revolutionize India's higher education system, making it more flexible, inclusive, and aligned with global standards. By emphasizing holistic development, practical skills, and interdisciplinary learning, NEP 2020 aims to cultivate not just job seekers but innovators, leaders, and lifelong learners who can contribute meaningfully to society. The policy's implementation and refinement will naturally require time, especially in a diverse country like India, but its transformative vision offers a promising roadmap for the future of higher education.

In summary, NEP 2020 represents a significant shift in India's educational landscape, providing a framework that balances traditional values with contemporary needs. It promotes flexibility, interdisciplinary learning, and skill development, preparing students for a rapidly evolving world where knowledge, skills, and adaptability are crucial for individual and national growth. Through its comprehensive and inclusive approach, NEP 2020 aims to create a dynamic educational ecosystem that meets the evolving needs of individuals and society, ensuring that Indian graduates are equipped to compete on a global stage and contribute to national and global progress. ■

■ ■ ■



# অসমীয়া প্ৰগতিশীল কবিতাৰ ইতিহাসত ৰাম গগৈৰ 'পথাৰ' ঃ এটি আলোচনা

■ শেৱালি মেধি

*সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ*

সাহিত্যত প্ৰগতিশীল চেতনা আধুনিক যুগৰ দান। কমল নাৰায়ণ দেৱ আৰু চক্ৰেশ্বৰ ভট্টাচাৰ্য্যৰ যুটীয়া সম্পাদনাত প্ৰকাশিত 'জয়ন্তী' কাকতে অসমীয়া সাহিত্যলৈ এই নতুন চেতনা আদৰি আনে। সাহিত্যৰ ইতিহাস বিশ্লেষণ কৰিলে দেখা যায়, সময়ৰ বুলনিত প্ৰতিটো শতিকাই সমাজ জীৱনলৈ নতুন যুগৰ ন-ন বাৰ্তা কঢ়িয়াই আনি এটা যুগ পৰিৱৰ্তন আনে আৰু নতুন দৃষ্টিৰে সমাজ গঢ়িবলৈ যত্ন কৰে। সেইবাবে প্ৰতিটো যুগতে সৃষ্টি হোৱা সাহিত্য সেই যুগৰ বাবে আধুনিক। আমাৰ অধ্যয়নত দ্বিতীয় বিশ্বযুদ্ধৰ বতাহে কোবাই পৰিৱৰ্তন সাধন কৰা আধুনিক সাহিত্যৰ প্ৰগতিশীল চিন্তা-চেতনাৰ বিষয়ে আলোচনা কৰা হ'ব। অসমীয়া কবি ৰাম গগৈৰ 'পথাৰ' কবিতাটিৰ আধাৰত এই আলোচনাটি দাঙি ধৰা হ'ল—

সাহিত্যৰ ইতিহাসত আধুনিক আৰু প্ৰগতিশীল দুবিধ ভিন্ন সুঁতিৰ সাহিত্য। আধুনিক সুঁতিটোৱে ফ্ৰয়েদীয় প্ৰভাৱেৰে প্ৰকৃতিবাদী আৰু আধুনিক ৰূপে পৰিচিত হৈ নতুন সাজেৰে যাত্ৰা আৰম্ভ কৰে আৰু প্ৰগতিশীল সুঁতিটোৱে মাৰ্ক্সীয় অৰ্থনীতিৰ বিশ্লেষণ আৰু প্ৰয়োগেৰে মানুহৰ সংগ্ৰামী চেতনাক জাগ্ৰত কৰি প্ৰগতিবাদী কৰি নতুন পথৰ সন্ধান কৰে। উল্লেখযোগ্য যে, মহাযুদ্ধৰ সৰ্বাত্মক ভয়াবহ প্ৰভাৱ, ভাৰতৰ মুক্তি সংগ্ৰামৰ মিশ্ৰিত অভিজ্ঞতা আৰু ফলাফল আদি দিশসমূহে ভাৰতীয় সাহিত্যলৈ এই পৰিৱৰ্তনৰ বাৰ্তা কঢ়িয়াই আনে। ফলস্বৰূপে, সমসাময়িক লেখকৰ চিন্তা-চেতনাত সাহিত্যৰ বিষয় আৰু প্ৰকাশভংগীসমূহ সলনি হ'বলৈ ধৰে আৰু তেওঁলোকৰ এটা অংশই মাৰ্ক্সীয় দৰ্শনৰ প্ৰতি অনুৰাগী হৈ নতুন চেতনাৰে কাব্যচৰ্চাত মনোনিবেশ কৰে।

অসমীয়া সাহিত্যত প্ৰগতিবাদী আন্দোলনৰ গুৰি ধৰোতা বুলি ক'লে পোণতে তিনিগৰাকী ব্যক্তিৰ কথা মনলৈ আহে— ভৱানন্দ দত্ত, কমল নাৰায়ণ দেৱ আৰু চক্ৰেশ্বৰ ভট্টাচাৰ্য্য। তেওঁলোকে অসমীয়া সাহিত্যত শোষণ বিৰোধী আৰু জন-গণ মুখী সাহিত্য সৃষ্টিৰে প্ৰগতিশীল ধাৰাটো প্ৰৱাহিত কৰায়। কুৰি শতিকাৰ চল্লিশৰ দশকত প্ৰকাশ পোৱা 'জয়ন্তী' কাকতৰ জৰিয়তে এই যাত্ৰাই কেইবাটাও নতুন দিশৰ, উন্মোচন কৰি প্ৰগতিৰ দিশে অগ্ৰসৰ হয়। 'জয়ন্তী'ৰ প্ৰথম সংখ্যাত প্ৰকাশিত ভৱানন্দ দত্তৰ 'ৰাজপথ' (কবিতা), কমল নাৰায়ণ দেৱৰ 'প্ৰগতিশীল কবিতাৰ টেক্‌নিক' (প্ৰবন্ধ), চক্ৰেশ্বৰ ভট্টাচাৰ্য্যৰ 'মাথোন এখন এটকীয়া নোট' (কবিতা) আৰু অমূল্য বৰুৱাৰ 'আন্ধাৰৰ হাহাকাৰ' (কবিতা) এ অসমীয়া তৰুণ কবিসকলক প্ৰগতিশীল সুঁতিৰ কবিতা ৰচনা কৰিবলৈ উৎসাহ যোগায়। এই উৎসাহে কবিসকলৰ মাজত প্ৰগতিশীলতাৰ জোঁৱাৰ আনে। 'জয়ন্তী'ৰ মাত্ৰ দুটা সংখ্যা প্ৰকাশৰ পাছতেই অসমীয়া বহু কবিৰ কবিতা আহি 'জয়ন্তী'ৰ সম্পাদনা কক্ষত জমা হ'বলৈ ধৰে। যুদ্ধৰ সময়ত কাগজৰ অভাৱত একেলগে সেইবোৰ প্ৰকাশ কৰিব নোৱাৰি সম্পাদকে তৃতীয় সংখ্যাটিত কবিসকললৈ দুখ প্ৰকাশ কৰি বিনীতভাৱে লিখে— "অসমৰ চাৰিওফালৰ পৰা নিতৌ...... লেখকসকলৰ কবিতা, গল্প আদিৰ সম্ভাৰেৰে আমাৰ ভঁৰাল ভৰি গৈছে। তাৰ ভিতৰত কবিতাৰ পৰিমাণ....... বেছি। ....... কিন্তু বৰ দুখেৰে জনাওঁ যে কাগজৰ অভাৱত আমাৰ কাকতৰ পৰিসৰ অতি কম। সেইবাবে কবিতাবোৰৰ অনুপাতে তাৰ সামান্য অংশ এটাও প্ৰকাশ কৰা হ'ল বুলি ক'ব নোৱাৰোঁ।" এনেদৰে "১৯৪৩ চনত প্ৰকাশ পোৱা নতুন জয়ন্তীয়ে প্ৰগতিশীল কবিতাৰ কাব্যনীতি ঘোষণা কৰি মুক্তিকামী আবেদনক আদৰি লোৱাৰ লগে লগে অসমীয়া কবিতাত এক নতুন পৰ্ব আৰম্ভ হ'ল।" লগে লগে অসমীয়া সাহিত্যত নতুন ধ্যান-ধাৰণাৰে একশ্ৰেণীৰ সাহিত্যিকৰ জন্ম হয়। ৰাম গগৈ এইসকলৰ ভিতৰত আছিল এজন।

অসমীয়া সাহিত্যত প্ৰগতিশীল 'জয়ন্তী'য়ে আৰম্ভ কৰা নতুন কাব্য আন্দোলনৰ পৰৱৰ্তী ৰামধেনু যুগৰ এগৰাকী বিশিষ্ট কবি সাহিত্যিক হৈছে ৰাম গগৈ। গগৈয়ে হাইস্কুলীয়া কালতে সপ্তম শ্ৰেণীত পঢ়ি থাকোঁতেই কাব্য চৰ্চা আৰম্ভ কৰিছিল। তেওঁ বিদ্যালয়ৰ হাতে লিখা আলোচনী 'প্ৰণতি'ত কেইবাটাও কবিতা প্ৰকাশ কৰি তেওঁৰ কাব্য প্ৰতিভাৰ উমান দিছিল। 'ৰামধেনু'ৰ পাতত প্ৰকাশ পোৱা তেওঁৰ 'মাটিৰ স্বপ্ন', 'হে পৃথিৱীৰ অন্তৰতমা', 'পথাৰ', 'এটমবোমা' আদি কবিতাসমূহে তেওঁৰ সেই পৰিচয় আৰু প্ৰতিভাক সুদৃঢ় কৰিছিল।

তেওঁৰ কাব্য সংকলনসমূহ— 'মাটিৰ স্বপ্ন', 'হে পৃথিৱীৰ অন্তৰতমা', 'কোমল গান্ধাৰ', 'স্বপ্ন হৃদয় নদী', 'সমুদ্ৰ সুদূৰ' (জোৰি), 'বিশল্যকৰণী' তেওঁৰ উপন্যাস আৰু 'কেএ্যাবন' একমাত্ৰ গল্প সংকলন।

ৰাম গগৈ জনতাৰ কবি, জনচেতনাৰ কবি। তেওঁৰ প্ৰায়বোৰ কবিতাত জন আবেদন পৰিলক্ষিত হয়। মাৰ্ক্সবাদী ধ্যান-ধাৰণাৰে সংগঠকৰ ভূমিকা পালন কৰা গগৈৰ কবিতাৰ প্ৰধান বিষয়বস্তু হৈছে 'মানুহ'। সমাজৰ নিম্ন শ্ৰেণীৰ মানুহৰ আৱেগ-অনুভূতিৰ প্ৰতি সহানুভূতিশীল কবিগৰাকীৰ কবিতাত পৰিৱৰ্তনকামী চেতনা আছে। তেওঁৰ কাব্যচৰ্চাত শোষিত, নিষ্পেষিত, হালোৱা হজুৱা, শ্ৰমিক আদি সাধাৰণ জনতাৰ হৃদয়ৰ বিননি আৰু হাহাকাৰৰ ছবি দেখা যায়।

'পথাৰ' ৰাম গগৈৰ জীয়া উপলব্ধিত ৰচনা কৰা এটা উল্লেখযোগ্য কবিতা। যুদ্ধোত্তৰ যুগৰ অসমীয়া সমাজ ইতিহাসৰ দুঃসময়ৰ ই এক দলিল স্বৰূপ। কবিতাটোত কবিয়ে সহজ অথচ শক্তিশালী শব্দ প্ৰয়োগেৰে সমসাময়িক কালৰ শোষক আৰু শোষিতৰ শ্ৰেণী বৈষম্যৰে ভৰি থকা অসমৰ এক সামাজিক ব্যৱস্থাৰ কথা বৰ্ণনা কৰিছে। তেওঁ আধুনিক সভ্যতাৰ নগ্ন আৰু ফোপোলা স্বৰূপ কবিতাটিৰ যোগেদি উদঙাই দিছে।

কবিৰ মতে 'পথাৰ' কৃষকৰ কৰ্মময় জীৱনৰ ছন্দ, হৃদস্পন্দন, ন-ন সৃষ্টিৰ অযুত প্ৰেৰণা। 'বিপুল সম্ভৱা পথাৰ'ৰ বুকুত কৃষকে কঠোৰ পৰিশ্ৰমেৰে সোণৰ ফাল ফলাই সৃষ্টিৰ সোণালী সপোন ৰচে—

*শাওণৰ মেঘমুক্ত নীলাকাশ।*
*সূৰ্যস্নাত ক্লেদময় হে বিশাল পথাৰ.....*
*বিপুল সম্ভৱা।*
*নাঙলৰ সীৰলুত সোণফলা মাটিৰ কামনা*
*ঘৰ্মাক্ত দেহ আৰু দেহাতীত সৃষ্টিৰ চেতনা।*

কবিতাটোত কবিয়ে পথাৰক নতুন সৃষ্টিৰ ৰূপক হিচাপে গ্ৰহণ কৰি জগতখনক নতুন ৰূপত উদ্ভাসিত কৰি তুলিবলৈ চেষ্টা কৰিছে। নতুন দিনৰ সপোন দেখা কবিয়ে জনতাক নতুনত্বৰ সন্ধান দিছে। শাওণৰ মেঘমুক্ত নীলাকাশৰ তলৰ পথাৰখনে যে গোটেই পৃথিৱীক সোণৰ কৰি গঢ়ি তুলি সকলোৰে মুখত হাঁহি বিৰিঙাব পাৰে এই কথা কবিয়ে উপলব্ধি কৰিছে। এই পথাৰৰ বুকুতেই নতুনৰ সৃষ্টি হ'ব বুলি কবিয়ে আশা কৰে। সেয়েহে 'সৃষ্টি সম্ভৱা বিপুল পথাৰ'খনক নমস্কাৰ জনাই তেওঁ নতুনক আদৰিবলৈ এইদৰে সম্ভাষণ জনাইছে—

*সেউজীয়া প্ৰাণৰ পথাৰ*
*সোণালী ৰূপালী হয়, ৰাকৰিত সোণগুটি লাগে,*
*নতুন আৰু নতুন.....*
*হে পথাৰ।*
*হে সৃষ্টি সম্ভৱা বিপুল পথাৰ*
*তোমাক নমস্কাৰ।*

'পথাৰ' শ্ৰেণী বৈষম্য আৰু শ্ৰেণী সংগ্ৰামৰ এক প্ৰতিচ্ছবি। কবিৰ বুকুৰ আপোন 'পথাৰ'খনে ধৰি ৰাখিছে নিষ্পেষিত-শোষিত জনতাৰ দুচকুৰে নিগৰি ওলোৱা হৃদয়ৰ হুমুনিয়াহৰ ছবি। মহাজনী অৰ্থনীতিৰ ৰাঘচেঁপাত সোণগুটিৰে ভৰা পথাৰৰ স্বপ্ন দেখা কৃষকসকল বঞ্চিত হয়। তেওঁলোকৰ প্ৰাপ্তিৰ আশা প্ৰহসনত পৰিণত হয়। কবিয়ে কৈছে—

*মৃত ম্লান কৃষকৰ সাধনা কঠোৰ*
*নিৰন্ন, বিমৰ্ষ আৰু ক্লান্ত, শ্ৰান্ত সক্ৰিয়াত*
*দুশ্চিন্তা দুঃসহ হৈ পৰে। মহাজনী অৰ্থনীতিঃ*
*দৈনন্দিন লাভ আৰু ক্ষতিৰ গণনা।*

আবহমান কালৰে পৰা পথাৰখনে কৃষকসকলৰ প্ৰাণৰ ন-ন সেউজী সপোন ৰচি আহিছে। এই সপোন কেতিয়াবা বানপানীৰ 'উত্তাল তৰংগৰাজি'ৰ 'ক্ৰুৰ স্পৰ্শ'ৰ আঘাতত চুড়মাৰ হোৱা দেখা যায়। তেনে অৱস্থাত কৃষকসকল বহুবটৌলৈ বিপদত পৰে। একেদৰে, বানপানীৰূপী মহাজন তথা শোষক শ্ৰেণীয়েও খেতিয়কৰ শস্যৰ ওপৰত অন্যায়ভাৱে নিজৰ লাভৰ বোজা জাপি দি তেওঁলোকক বিপদত পেলায়। তেওঁলোকে পৰিয়ালটিক লৈ বহুবটৌলৈ দেখা সপোন মুহূৰ্ততে চুড়মাৰ হয়। শোষকৰূপী মহাজনৰ প্ৰৱঞ্চনাৰ বলি হৈ তেতিয়া তেওঁলোকে 'ইনাই-বিনাই কান্দে'। তেওঁলোকৰ দুখত পথাৰ আৰু কবিয়েও কান্দে—

*পাৰ ভাঙি পানী আহে।*
*সোঁতৰ ছেৰে ছেৰে বাঢ়ে, নাচে আৰু হাঁহে।*
*ক্ৰুৰ স্পৰ্শ ঃ ফেনিল উত্তাল তৰংগৰাজি*
*বুকুৰ সেউজী সপোনটোকে কাঢ়ি লৈ যায়,*
*বাধা নাই, অবাধে আহিল আৰু গ'ল।*
*'তেতিয়া মই কান্দো', সি আৰু পথাৰেও ইনাই-বিনাই কান্দে।*

'মই মানুহৰ কবি' আৰু 'মই পৃথিৱীৰ অমৰ সন্তান' বুলি ভবা 'পথাৰ'ৰ কবি ৰাম গগৈয়ে সমাজৰ নিম্ন শ্ৰেণীৰ মানুহৰ আৱেগ অনুভূতিক নিজৰ অন্তৰাত্মাৰে উপলব্ধি কৰিছিল। তেওঁ এই কবিতাটিৰ যোগেদি অৰ্থনৈতিক তত্ত্ব প্ৰয়োগ কৰি এখন শোষণবিহীন সমাজ গঢ়াৰ সপোন দেখিছিল। সমাজৰ বঞ্চিত জনৰ পক্ষত থাকি মাটিৰ পৃথিৱীক তেওঁ অনন্ত সৃষ্টিৰ উৎস হিচাপে গ্ৰহণ কৰি চৌদিশে সুখ-আনন্দ বিৰাজ কৰাৰ সপোন পুহি ৰাখিছিল। আৰ্থসামাজিক ভেঁটি সুদৃঢ় কৰি জনগণৰ মুক্তিৰ বাট প্ৰশস্ত কৰিব বিচাৰিছিল—

*কঁপালৰ ঘাম লাগি সেউজীয়া পৃথিৱী আমাৰ*
*তুমি প্ৰাণময়, মোহময় জীৱন মালিকা । পথাৰ।*
*তোমাৰ স্বীকৃতি আছে, তুমি কোনোবা*
*আদিতম মানুহৰ সংগ্ৰামৰ ইতিহাস*



*আৰু সভ্যতাৰ স্তৰে স্তৰে একোটা নিৰ্ণয় সূত্ৰ।*

শোষিত জনৰ প্ৰাণৰ ভাষাৰে 'পথাৰ' কবিতাটো বাঙ্ময়। কবিতাটোত জনদৰদী কবি গগৈয়ে কৃষক (শোষিত)ৰ প্ৰাপ্যতাৰ আন্দোলনৰ পথ প্ৰদৰ্শকৰ ভূমিকা পালন কৰিছে। দুখীয়াৰ তেজ শুহি খোৱা মহাজনৰ শোষণনীতি মষিমূৰ কৰাৰ পথ তেওঁ জনতাক দেখুৱাই দিছে। কৃষক বনুৱাক নিজ প্ৰাপ্যৰ দাবীত সংঘবদ্ধ হৈ যুঁজ দিবলৈ আহ্বান জনাইছে। কবি আশাবাদী— এই সংগ্ৰামত জনতাৰ জয় নিশ্চিত—

*বিচিত্ৰ অভিব্যক্তি। সম্মিলিত কৃষকৰ সমস্বৰ দৃঢ়কণ্ঠ*
*বিননিত বিদ্ৰোহৰ জাগৰণ আহে। অভ্যুদয় প্ৰভাতী চেতনা।*
*অগ্নিদীক্ষা - দ্ৰুত অভিযান, অবিৰাম। অধিকাৰ*
*সংগ্ৰামক পথাৰত শ্ৰমজীৱি মানুহৰ তেজৰঙা*
*ইতিহাস লিখা হয়। পৰিৱৰ্তন।*

কবিৰ আহ্বানে জনতাক সংগ্ৰামী কৰি তুলিছে। কবিয়ে দেখিছে, জনতাই একত্ৰিত হৈ মহাজনৰ বিৰুদ্ধে আন্দোলন গঢ়িছে। তেওঁলোকে সম্মিলিত প্ৰচেষ্টাৰে শোষণ আৰু নিৰ্যাতনৰ বিৰুদ্ধে মাত মাতিবলৈ ওলাই আহিছে। তেওঁলোকৰ চকু-মুখত এতিয়া বিদ্ৰোহৰ অগনি। বিননি আৰু হাহাকাৰক আঁতৰাই প্ৰভাতী চেতনাই তেওঁলোকৰ মনত উদিত হৈছে। তেওঁলোকে অগ্নিমন্ত্ৰত দীক্ষিত নহৈ দুঃসাধ্য সাধন কৰিবলৈ আগবাঢ়ি আহিছে। হাতে-হাতে হাল, কোৰ, দা আদি লৈ শোষক বিৰোধী সংগ্ৰামত তেওঁলোক নামি পৰিছে। নিজ অধিকাৰৰ দাবীত তেওঁলোকে 'তেজৰঙা ইতিহাস' লিখিবলৈ ওলাই আহিছে। তেওঁলোকৰ এনে একত্ৰ শক্তিত মহাজন, পুঁজিপতি পলাই পত্ৰং দিছে—

*সম্মিলিত কৃষকৰ সমস্বৰ দৃঢ়কণ্ঠ*
*বিননিত বিদ্ৰোহৰ জাগৰণ আহে। অভ্যুদয়*
*প্ৰভাতী চেতনা। অগ্নিদীক্ষা - দ্ৰুত অভিযান,*
*অবিৰাম। অধিকাৰ সংগ্ৰামৰ পথাৰত*
*শ্ৰমজীৱি মানুহৰ তেজৰঙা ইতিহাস*
*লিখা হয়। পৰিৱৰ্তন । আৰু*
*হাল-কোৰ-দা লৈ নতুন যুগৰ অভিযাত্ৰী*
*শ্ৰমিক-কৃষক*
*পলাতক - উদ্বাস্তু, মহাজন, পুঁজিপতি,*
*সমস্ত শোষক ঃ*
*বানপানী পাৰ ভাঙি আৰু আহিব নোৱাৰে।*

সামাজিক বাস্তৱতাৰ প্ৰতি গুৰুত্ব প্ৰদান প্ৰগতিশীল সাহিত্যৰ এটা বিশেষ বৈশিষ্ট্য। বিষয়ৰ গুৰুত্ব আৰু ভাৱৰ পৰিৱৰ্তনে এইবিধ সাহিত্যক সৌন্দৰ্যশালী কৰে। ৰাম গগৈ অসমীয়া প্ৰগতিশীল সাহিত্যৰ এগৰাকী আগশাৰীৰ কবি। অসমীয়া কাব্যজগতত এই শ্ৰেণীৰ সাহিত্যৰ তেওঁ শুভ চিন্তক, দিক্ নিৰ্ণায়ক। মাৰ্ক্সীয় দৰ্শনেৰে উদ্বুদ্ধ গগৈয়ে প্ৰগতিবাদী চিন্তাৰে পৰিপুষ্ট 'পথাৰ' কবিতাত শোষক আৰু শোষিতৰ শ্ৰেণী বৈষম্যতাক পৰম ক্ষোভেৰে উদঙাই দিছে। তেওঁৰ 'পথাৰ' পৃথিৱীৰ সাধাৰণ জনতাৰ অন্তৰাত্মাৰ বিননি। 'পথাৰ'ত বৰ্ণিত সমাজ পৰিৱৰ্তনৰ যুগ চিন্তা-চেতনাই কবিক বিশ্ব কবিৰ শাৰীলৈ উন্নীত কৰিছে। এনে বিশ্লেষণেৰে জনতাৰ সুখ-দুখৰ প্ৰতি দৃষ্টি ৰখা ৰাম গগৈয়ে দেশ, জাতি আৰু বিশ্বক ভাল পাব পৰা মানসিক অৱস্থাৰে ৰচনা কৰা 'পথাৰ' কবিতাটো নিঃসন্দেহে এটা সাৰ্থক অসমীয়া প্ৰগতিশীল কবিতা বুলি ক'ব পাৰি। ■

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

১। উল্লাহ, ইমদাদ, কবিতাৰ সবিশেষ, অসম সাহিত্য সভা, দ্বিতীয় প্ৰকাশ, ১৯৯১
২। ডেকা, হৰেকৃষ্ণ, আধুনিক কবিতা, অসমীয়া আধুনিক কবিতাৰ সুদীৰ্ঘ বিচাৰেৰে, পেপিৰাচ, প্ৰথম প্ৰকাশ, ২০১৩ খ্ৰীষ্টাব্দ
৩। নেওগ, মহেশ্বৰ (সম্পা.), সঞ্চয়ন, সাহিত্য অকাডেমি, ২০১০
৪। পূজা, অৰ্চনা (সম্পা.) অসমীয়া কবিতাৰ বিচাৰ বিশ্লেষণ, জ্যোতি প্ৰকাশন, দ্বিতীয় প্ৰকাশ, ২০০৬
৫। বৰদলৈ, নিৰ্মল প্ৰভা (সম্পা.), গুৱাহাটী ইউনিভাৰ্চিটি প্ৰেছ, গুৱাহাটী বিশ্ববিদ্যালয়, ষষ্ঠদশ মুদ্ৰণ, ২০১৭
৬। ভট্টাচাৰ্য, পূৰ্ণ, আধুনিক অসমীয়া কবিতা, চন্দ্ৰ প্ৰকাশন ২০০৯

# কেন্দ্ৰীয় বাজেট ঃ ২০২৪

■ ড° মনশ্ৰী দাস
*সহকাৰী অধ্যাপিকা, অৰ্থনীতি বিভাগ*

প্ৰতিটো বিত্তীয় বৰ্ষৰ বাবে শাসনত থকা চৰকাৰে এখনে এখন আয়-ব্যয়ৰ পৰিকল্পনা কৰি লয়। ইয়েই চৰকাৰী বাজেট। কেন্দ্ৰীয় চৰকাৰে কৰিলে কেন্দ্ৰীয় বাজেট আৰু ৰাজ্যিক চৰকাৰে কৰিলে ৰাজ্যিক বাজেট বোলে। আমাৰ ভাৰতবৰ্ষত এই বিত্তীয় বৰ্ষ, এটা বছৰৰ এক এপ্ৰিলৰ পৰা আৰম্ভ হৈ পিছৰৰ বছৰৰ ৩১ মাৰ্চলৈ ধৰা হয়। প্ৰত্যেক বছৰৰ দৰে এই বছৰো কেন্দ্ৰীয় বিত্তমন্ত্ৰী শ্ৰীযুতা নিৰ্মলা সীতাৰমনে ২৩ এপ্ৰিল ২০২৪ সংসদত চলিত বৰ্ষৰ বাবে কেন্দ্ৰীয় বাজেটখন দাখিল কৰে। পূৰ্বতে বাজেটখন এখন কিতাপ আকাৰত প্ৰকাশ পাইছিল। আজিকালি digital মাধ্যমতো প্ৰকাশ পায়।

যদিও বাজেটে চলিত আগন্তুক বছৰৰ বাবে আয়-ব্যয়ৰ হিচাপ দাখিল কৰে বুলি ভবা হয়, আচলতে তেনে নহয়। বাজেটে হ্ৰস্বকালীন আৰু দীৰ্ঘকালীন সকলো ধৰণৰ আঁচনি গ্ৰহণ কৰিব পাৰে। বাজেটত পৰিকল্পনাযুক্ত আৰু পৰিকল্পনা-বহিৰ্ভূত দুই ধৰণৰ আঁচনি গ্ৰহণ কৰা হয়। ইতিমধ্যে চলি থকা আৰু নতুন আঁচনিৰ হিচাব-নিকাচো এই বাজেটৰ যোগেদি কৰা হয়। গতিকে ক'বলৈ গলে বাজেটখনে গোটেই অৰ্থনীতিখনৰ স্বৰূপ দাঙি ধৰে।

বৰ্তমান সময়ৰ প্ৰতিখন দেশেই কল্যাণকামী। চৰকাৰী ৰাজহৰ অধিক অংশ জনকল্যাণমূলক কামত ব্যয় হয়। বাজেট তৈয়াৰ কৰোতে এনেবোৰ বিষয়ৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হয়।

১৪১.৭২ কোটি (২০২২) জনসংখ্যাৰ দেশ এখনৰ আশা-আকাংক্ষা বাৰ্ষিক বাজেটখনে কেনেদৰে পূৰণৰ চেষ্টা কৰিব- সেয়েহে বাৰ্ষিক বাজেটখনৰ প্ৰতি আমাৰ সকলোৰে আগ্ৰহ। বাজেটখনৰ গুৰুত্ব তাতেই।

চলিত বৰ্ষৰ (২০২৪-২০২৫) বাজেটৰ মুঠ ব্যয় ৪৮.২১ লাখ কোটি ধাৰ্য্য কৰা হৈছে। ব্যক্তিয়ে আয় চাই ব্যয় কৰে। চৰকাৰী বাজেটে ব্যয় চাই আয় কৰে।

এইবাৰৰ বাজেটৰ মুখ্য থিম হৈছে-নিয়োগ সৃষ্টি, দক্ষতা বৃদ্ধি, মজলীয়া, ক্ষুদ্ৰ আৰু প্ৰান্তিয় উদ্যোগৰ সম্প্ৰসাৰণ আৰু মধ্যবিত্ত শ্ৰেণীৰ আশা পূৰণ। চলিত বাজেটখনে নটা ক্ষেত্ৰত পুনৰ ঠন ধৰি উঠিবলৈ অগ্ৰাধিকাৰ প্ৰদান কৰিছে।

১। কৃষিৰ উৎপাদনশীলতাৰ পুনৰ উদ্ধাৰ আৰু বৃদ্ধি
২। নিয়োগ আৰু দক্ষতা বৃদ্ধি
৩। সামগ্ৰিক মানৱ উন্নয়ন লগতে সামাজিক ন্যায়
৪। উৎপাদনক্ষেত্ৰ আৰু সেৱা খণ্ডৰ উন্নয়ন
৫। নগৰীকৰণৰ উন্নয়ন
৬। শক্তি সুৰক্ষা
৭। আন্তঃগাঁঠনিৰ উন্নয়ন
৮। উদ্ভাৱনা, গৱেষণাৰ উন্নয়ন
৯। ভৱিষ্যত প্ৰজন্মৰ সংস্কাৰ সাধন

**বাজেটখনৰ উল্লেখনীয় পদক্ষেপসমূহ হল ঃ**

১। অহা পাঁচ বছৰৰ ভিতৰত ২০ লাখ যুৱক-যুৱতীক দক্ষ হিচাবে গঢ়ি তোলা হ'ব।
২। এক হেজাৰ শিল্প প্ৰশিক্ষণ সংস্থাক অধিক উন্নত আৰু কাৰ্যক্ষম কৰি তোলাৰ প্ৰস্তাৱ গ্ৰহণ।
৩। কৃষি আৰু কৃষিৰ আনুসংগিক ক্ষেত্ৰৰ উন্নয়নৰ বাবে ১.৫২ লাখ কোটি টকা ধাৰ্য কৰা হ'ব।
৪। দেশৰ এক কোটি কৃষকক প্ৰাকৃতিক কৃষি পদ্ধতিৰ সৈতে জড়িত কৰোৱাৰ লগতে ১০ হাজাৰ কৃষি ৰিছাৰ্চ চেন্টাৰ স্থাপন কৰা হ'ব।
৫। কৰ্মক্ষেত্ৰত মহিলাৰ শক্তি বৃদ্ধি কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে।
৬। কৰ্মক্ষেত্ৰত মহিলাৰ বাবে হোষ্টেল আৰু শিশু গৃহ স্থাপন।
৭। বেংকিং সেৱা সম্প্ৰসাৰণৰ বাবে উত্তৰ-পূৰ্বত পষ্ট পেমেণ্ট বেংকৰ এশৰো অধিক শাখা স্থাপন কৰা হব।
৮। গ্ৰাম্য উন্নয়নৰ বাবে ২.৬৬ লাখ কোটি টকা ধাৰ্য্য কৰা হৈছে।
৯। মুদ্ৰা ঋণৰ সীমা ১০ লাখৰ পৰা ২০ লাখলৈ বৃদ্ধি কৰা হ'ব।
১০। ৫ বছৰত ১ কোটি যুৱক-যুৱতীক ৫০০ শীৰ্ষ কোম্পানীত ইন্টাৰ্নশ্বিপৰ সুযোগ প্ৰদানৰ ব্যৱস্থা কৰা হ'ব।
১১। ০-৩ লাখ টকা পৰ্যন্ত আয় কৰা নাই। ৩-৭ লাখ আয়ত ৫ শতাংশ, ৭-১০ লাখত ১০ শতাংশ, ১০-১২ লাখত ১৫ শতাংশ, ১২-১৫ লাখত ২০ শতাংশ আৰু ১৫ লাখৰ ওপৰত ৩০ শতাংশ আয় কৰ আৰোপ কৰা হৈছে। ■



# ত্ৰৈলোক্যনাথ গোস্বামীৰ জীৱন আৰু সাহিত্যকৃতি

■ ড° ৰমেন ঠাকুৰীয়া
*সহকাৰী অধ্যাপক (অংশকালীন), অসমীয়া বিভাগ*



**জীৱন ঃ**

অসমীয়া ভাষা-সাহিত্যৰ জগতখনত যিসকলে নানাবিধ ৰচনাৰাজিৰে সমৃদ্ধ কৰি থৈ গ'ল তাৰ ভিতৰত ত্ৰৈলোক্যনাথ গোস্বামীও অন্যতম। ১৯৩৬ চনত নলবাৰীত তেওঁৰ জন্ম হয়। পিতৃ আছিল যামিনীকান্ত গোস্বামী। ত্ৰৈলোক্যনাথ গোস্বামীৰ ৰবদেউতাক আছিল এগৰাকী সংস্কৃত পণ্ডিত। তেওঁৰ পৰা ত্ৰৈলোক্যনাথ গোস্বামীয়ে বহুতো অনুপ্ৰেৰণা লাভ কৰিছিল আৰু ভাৰতীয় সংস্কৃতি তথা সংস্কৃত সাহিত্য সম্ভাৰৰ প্ৰতি আকৃষ্ট হৈ পৰিছিল। ত্ৰৈলোক্যনাথ গোস্বামীয়ে তেওঁৰ ককায়েক শশীকান্ত গোস্বামীৰ পৰাও যথেষ্ট উৎসাহ-উদ্‌গনি পাইছিল। কাৰণ তেৰো আছিল যথেষ্ঠ মেধাবি আৰু অধ্যৱসায়ী পুৰুষ।

১৯৩০ চনত ত্ৰৈলোক্যনাথ গোস্বামীয়ে আই. এ. আৰু ১৯৩২ চনত দৰ্শন শাস্ত্ৰত অনাৰ্চ লৈ বি.এ. পাছ কৰে। তাৰ পিছত তেওঁ কটন কলেজত ইংৰাজী বিষয়ত এম.এ পঢ়িবলৈ লয়।

কলেজত পঢ়ি থকা অৱস্থাতেই ত্ৰৈলোকানাথ গোস্বামীয়ে সাহিত্য চৰ্চা আৰম্ভ কৰে। 'কটনিয়ান'ত তেওঁ ইংৰাজীত লিখা প্ৰবন্ধ এটি প্ৰকাশিত হয়।

এম.এ. পাছ কৰি উঠি ত্ৰৈলোক্যনাথ গোস্বামীয়ে নলবাৰীৰ গৰ্ডন হাইস্কুলত অস্থায়ীভাৱে সহকাৰী শিক্ষকৰ কাম কৰে। তাৰ পাছত তেওঁ উত্তৰ গুৱাহাটীৰ কমলদেৱ হাইস্কুলৰ প্ৰধান শিক্ষক হিচাপে যোগদান কৰে। পাঁচ বছৰ কাল তেওঁ হাইস্কুলখনৰ কাৰণে দেহে-কেহে খাটি যোৰহাট চৰকাৰী হাইস্কুলত সহকাৰী শিক্ষক হিচাপে স্থায়ী পদত নিযুক্তি লাভ কৰে। তাৰ পিছত তেওঁ কটন কলেজ (৬/৭ মাহৰ বাবে), ছিলেটৰ মুৰাৰিচাঁদ কলেজ, ধুবুৰী চৰকাৰী হাইস্কুল আদিত শিক্ষকতা কৰে। শিক্ষকতাৰ সমান্তৰালভাৱে তেওঁ গুৱাহাটী আৰ্ল ল' কলেজৰ পৰা বি.এল. ডিগ্ৰীও লাভ কৰে।

১৯৪৫ চনত তেওঁ নলবাৰীত নতুনকৈ প্ৰতিস্থিত নলবাৰী কলেজৰ অধ্যক্ষ পদত আহি যোগদান কৰে। স্থায়ী চাকৰি এৰি নিজৰ জন্মস্থানত নতুনকৈ স্থাপন কৰা কলেজখনত অধ্যক্ষ পদ আহি গ্ৰহণ কৰিছিল যদিও পদে পদে আছিল অনিশ্চয়তা। কিন্তু নিজৰ মানুহখিনিৰ প্ৰতি থকা ভালপোৱা আৰু দায়িত্বৰ বাবেই তেওঁ সকলো কথা মূৰ পাতি লৈ কৰ্তব্যত নিয়োজিত হৈ থাকিছিল।

শিক্ষকতাৰ মাজতে ত্ৰৈলোক্যনাথ গোস্বামী ৰাজনীতিৰ প্ৰতিও আকৃষ্ট হৈছিল। সেই সময়ত অসমত নতুনকৈ গঢ় লৈ উঠে ছচিয়েলিষ্ট দল। সমাজবাদী ভাৰধাৰাৰ এই দলৰ প্ৰতি আকৃষ্ট হৈ ত্ৰৈলোক্যনাথ গোস্বামীয়ে ১৯৫১ চনত অনুষ্ঠিত স্বাধীন ভাৰতৰ প্ৰথমটো নিৰ্বাচনত সমাজবাদী দলৰ হৈ বিধানসভাৰ প্ৰাৰ্থী হিচাপে নিৰ্বাচনত অৱতীৰ্ণ হয়। সেই সময়ত সমাজবাদী দলটো প্ৰাথমিক অৱস্থাতে আছিল কাৰণে তেওঁ যথেষ্ট কষ্টৰে মানুহৰ ঘৰে ঘৰে গৈ সমাজবাদী আদৰ্শ প্ৰচাৰ কৰি ফুৰিছিল। কিন্তু নিৰ্বাচনত তেওঁ ৯০০ ভোটত পৰাজয় স্বীকাৰ কৰিব লগা হয়। এই পৰাজয়ে ত্ৰৈলোক্যনাথ গোস্বামীৰ ৰাজনৈতিক জীৱনত আঘাত কৰে। ৰাজনীতি ত্যাগ কৰি তেওঁ সাহিত্য সৃষ্টিত একাণপতীয়াকৈ মনোনিৱেশ কৰে।

শিক্ষকতা, ৰাজনীতিৰ সমানে সমানে ত্ৰৈলোক্যনাথ গোস্বামী সাহিত্য সাধনা অব্যাহত ৰাখিছিল। ইতিমধ্যে বিভিন্ন বিষয়ৰ গ্ৰন্থ ৰচনা কৰি অসমীয়া সাহিত্য সমৃদ্ধ হোৱাত অৱদান আগবঢ়াইছিল। সাহিত্য সাধনাৰ প্ৰতি থকা সেই নিষ্ঠা আৰু অৱদানৰ কাৰণেই অসমৰ সৰ্ববৃহৎ জাতীয় অনুষ্ঠান অসম সাহিত্য সভাই তেওঁক দুবাৰকৈ সভাপতিৰ পদ যাচিছিল। ১৯৬০ চনত পলাশবাৰী আৰু ১৯৬১ চনত গোৱালপাৰা অধিৱেশনত তেওঁ সভাপতিত্ব কৰে।

১৯৬৭ চনত তেওঁ "আধুনিক গল্প সাহিত্য" গ্ৰন্থখনৰ কাৰণে সাহিত্য অকাডেমী বঁটা লাভ কৰে। ১৯৬৮ চনত তেওঁ নলবাৰী কলেজৰ পৰাই অধ্যক্ষ পদৰ পৰা অৱসৰ গ্ৰহণ কৰে। চাকৰি জীৱনৰ এই অৱসৰে তেওঁক সাহিত্যৰ গৱেষণা আৰু সাধনাত অফুৰন্ত সময়ৰ যোগান ধৰে। ৰচনা কৰে বহু কেইখন মূল্যবান গ্ৰন্থ। ১৯৮৮ চনত এইগৰাকী কৃতবিদ্য পুৰুষে ইহলীলা সম্বৰণ কৰে।

**সাহিত্যকৃতি ঃ**

ত্ৰৈলোক্যনাথ গোস্বামী অসমীয়া সাহিত্যৰ বিশিষ্ট সেৱক। প্ৰধানকৈ গল্প, উপন্যাস আৰু সমালোচনা সাহিত্যৰ যোগেদি তেওঁ সাহিত্য সৃষ্টিত অৰিহণা আগবঢ়াইছিল। তাৰ বাহিৰেও তেওঁ কবিতা, নাটক আৰু আত্মজীৱনীও ৰচনা কৰি অসমীয়া সাহিত্যৰ পৰিপুষ্ট সাধনত গুৰুত্বপূৰ্ণ অৱদান দি থৈ গৈছিল।

ত্ৰৈলোক্যনাথ গোস্বামীৰ ৰচিত গ্ৰন্থৰাজিৰ কেইটামান ভাগত বিভাজন কৰি এটি পৰিচয় দিব পাৰি—

**(ক) গল্প গ্ৰন্থ ঃ**

'বাঁহী' আৰু 'আৱাহন' আলোচনীৰ পাছতে গল্পকাৰ হিচাপে ভুমুকি মৰা ত্ৰৈলোক্যনাথ গোস্বামীৰ প্ৰকাশিত গল্পগ্ৰন্থ ৫ খন। সেইকেইখন হ'ল—

১। অৰুণা (১৯৪৮)
২। মৰীচিকা (১৯৪৮)
৩। শিল্পীৰ জন্ম (১৯৫৭)
৪। জীৱনৰ জীয়া জুই (১৯৭০)
৫। গল্প সংগ্ৰহ (১৯৮৮)

ত্ৰৈলোক্যনাথ গোস্বামী আছিল সমাজ সচেতন গল্পকাৰ। সমাজৰ দৈন্য, অনাচাৰ-অবিচাৰ, শোষণ আদিৰ বলি হোৱা মানুহৰ জীৱনৰ চিত্ৰ তেওঁৰ সৰহভাগ গল্পৰ মূল উপজীৱ্য। তদুপৰি অন্ধ সমাজ ব্যৱস্থা, অন্ধ গোড়ামীৰ আদিৰ বিৰুদ্ধেও তেওঁৰ গল্পই প্ৰতিবাদ সাব্যস্ত কৰিছিল। গভীৰ মানৱতাবাদ আৰু জীৱনৰ আদৰ্শবাদ তেওঁৰ গল্পৰ মাজত সুন্দৰকৈ প্ৰতিফলিত হোৱাতো লক্ষ্য কৰিব পাৰি।

**(খ) উপন্যাস ঃ**

"জীয়া মানুহ" ত্ৰৈলোক্যনাথ গোস্বামীৰ প্ৰকাশিত একমাত্ৰ উপন্যাস। উপন্যাসখন ব্যঙ্গধৰ্মী, স্বাধীনোত্তৰ কালছোৱাত অসম তথা ভাৰতবৰ্ষৰ যি সামাজিক আৰু ৰাজনৈতিক প্ৰেক্ষাপট তাকেই ব্যঙ্গ ৰূপত উপন্যাসখনত উপস্থাপন কৰিবলৈ যত্ন কৰা হৈছে।

উপন্যাসখন তিনিটা ভাগত বিভক্ত— (১) জীয়া মানুহ, (২) মৰা মানুহ আৰু (৩) দেৱতা।

জীয়া মানুহ ৰূপে নৱনাথক দেখুওৱা হৈছে। ভাৰত স্বাধীন হোৱাৰ পিছত দেশত দেখা দিয়া দুৰ্নীতি আদিৰ চিত্ৰ নৱনাথৰ মাজেৰে লেখকে অংকন কৰিছে। আমোলা, ঠিকাদাৰ আদি সকলে স্বাধীনতাৰ সুযোগ লৈ দুৰ্নীতিত লিপ্ত হৈ পৰিছে তাকেই তেওঁ বুলিছে জীয়া মানুহ।

উপন্যাসখনত যিখিনি দৰিদ্ৰ, অশিক্ষিত, বঞ্চিত মানুহ তেওঁলোকক কোৱা হৈছে মৰা মানুহ। তৃতীয়বিধ চৰিত্ৰ হ'ল দেৱতা, দেশ স্বাধীন হোৱাৰ পিছত নানান চল-চাতুৰীৰে ক্ষমতাত অধিষ্ঠিত হোৱা লোকসকলক তেওঁ দেৱতা ৰূপে চিত্ৰিত কৰিছিল।

গোটেই উপন্যাসখনত দৰাচলতে ৰূপকল্পৰ দ্বাৰা লেখকে পৃথিৱীত চলা অন্যায়, অবিচাৰ, দুৰ্নীতি আদিৰ কথাই দোহাৰি সমাজক সচেতন কৰিব খুজিছিল।

**(গ) প্ৰবন্ধ আৰু সমালোচনা গ্ৰন্থ ঃ**

গল্পৰ পিছতে ত্ৰৈলোক্যনাথ গোস্বামীৰ অসমীয়া সাহিত্যত থকা আনটো সুনাম হ'ল এগৰাকী প্ৰবন্ধকাৰ ৰূপে। 'বাঁহী' আলোচনীৰ পাতত "ৰবাৰ্ট ব্ৰাউনিঙৰ কবিতাত প্ৰেমৰ চিত্ৰ" আৰু 'আৱাহন'ৰ পাতত "সত্যনাথ বৰাৰ ৰচনাৱলী" আদি নতুন দৃষ্টিভংগীৰে লিখা প্ৰবন্ধৰে তেওঁ প্ৰাবন্ধিক জীৱন আৰম্ভ কৰে জীৱনৰ শেষ বয়সলৈকে তেওঁৰ এই ধাৰা অব্যাহত থাকে। তেওঁৰ প্ৰবন্ধ আৰু সমালোচনামূলক গ্ৰন্থসমূহ হ'ল—

১। সাহিত্য আলোচনা (১৯৫০)
২। আধুনিক গল্প সাহিত্য (১৯৬৫)
৩। সমুদ্ৰ মন্থন (১৯৬৮)
৪। ইংৰাজী সমালোচনাৰ ধাৰা আৰু অসমীয়া সাহিত্যত ইয়াৰ প্ৰভাৱ (১৯৭০)
৫। সাহিত্য কলা আৰু বিচাৰ (১৯৭২)
৬। নন্দন তত্ব ঃ প্ৰাচ্য আৰু পাশ্চাত্য (১৯৮০)
৭। সাহিত্য সমীক্ষণ (১৯৮১)
৮। চিন্তা তৰঙ্গ
৯। প্ৰবন্ধ মঞ্জুৰি (১৯৮৭)

ত্ৰৈলোক্যনাথ গোস্বামীৰ প্ৰবন্ধ সাহিত্যসমূহ বিচাৰ বিশ্লেষণ কৰিলে দেখা যায় মানুহজনৰ দক্ষতা। সাহিত্যৰ সকলো বিষয়তে তেওঁৰ ৰাপ আছিল, সকলো বিষয় অধ্যয়ন কৰিছিল। সেই কাৰণে তেওঁৰ প্ৰবন্ধসমূহ কোনো এটা নিৰ্দিষ্ট বিষয়ৰ গণ্ডীৰ ভিতৰত আৱদ্ধ নহয়। অসমীয়া সাহিত্যৰে পৰা বিশ্ব সাহিত্যলৈ তেওঁৰ দখল আছিল



আৰু সেইবোৰ তেওঁৰ প্ৰবন্ধসমূহৰ মাজত প্ৰকাশিত হৈছিল। তেওঁৰ আটাইবোৰ প্ৰবন্ধৰে মাজত অধ্যয়ন পুষ্ট মন আৰু স্বকীয় বিশ্লেষণ শক্তিৰ পৰিচয় পোৱা যায়। বিশেষকৈ তেওঁৰ "নন্দন তত্ব ঃ প্ৰাচ্য আৰু পাশ্চাত্য" তেওঁৰ অনবদ্য আৰু অসমীয়া সাহিত্যৰ বিৰল সৃষ্টি। পাশ্চাত্য সাহিত্য আৰু সংস্কৃত সাহিত্যৰ নন্দন তত্ত্ব আৰু ইয়াৰ লগত জড়িত মনীষাসকলৰ বিশ্লেষণত তেওঁৰ অপূৰ্ব দক্ষতা প্ৰকাশ পাইছিল।

**(ঘ) আত্মজীৱনীমূলক জীৱনী গ্ৰন্থ ঃ**

"অতীতৰ কথা" ত্ৰৈলোক্যনাথ গোস্বামীৰ আত্মজৈৱনিক গ্ৰন্থ। গ্ৰন্থখন নবীন চন্দ্ৰ শৰ্মাই সম্পাদনা কৰে আৰু ১৯৯০ চনত গ্ৰন্থখন প্ৰকাশিত হয়।

এটা নিম্ন মধ্যবিত্ত পৰিয়ালত জন্ম গ্ৰহণ কৰি, নৈতিক চৰিত্ৰৰে শিক্ষিত হৈ জীৱনত পোৱা ঘাত-প্ৰতিঘাত লাভ কৰা বিচিত্ৰ অভিজ্ঞতা আদিৰ বৰ্ণনা অতীতৰ কথাত পোৱা যায়। তাৰ লগতে লেখকে নিজ কাহিনীৰ মাজেৰে সমসাময়িক সমাজখনৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, শৈক্ষিক আদি দিশবোৰো দাঙি ধৰিছিল। এই প্ৰসংগত আত্মজীৱনীখনৰ সম্পাদক নবীন চন্দ্ৰ শৰ্মাই 'ভূমিকা' শিতানত দিয়া মন্তব্য এটা তুলি ধৰিব পাৰি— 'গোস্বামীৰ জন্মৰ অন্ততঃ কুৰি বছৰ পূৰ্বৰে পৰা মৃত্যুৰ সময়লৈকে প্ৰায় শতিকাযোৰা কালৰ অসমৰ সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক শৈক্ষিক আৰু ৰাজনৈতিক জীৱনৰ সাংগোপাংগ বৰ্ণনা সন্নিৱিষ্ট কৰা হৈছে "অতীতৰ কথা"ত। সেয়েহে 'অতীতৰ কথা' সামাজিক ইতিহাসৰ স্তৰলৈ উত্তৰিত হৈছে।

**(ঙ) সম্পাদিত গ্ৰন্থ ঃ**

সম্পাদক হিচাপে ত্ৰৈলোক্যনাথ গোস্বামীক দুটা ৰূপত পোৱা যায়। এটা হ'ল গ্ৰন্থ সম্পাদক ৰূপত আনটো হ'ল আলোচনীৰ সম্পাদকৰ ৰূপত। অসম সাহিত্য সভাৰ ৩১ তম নলবাৰী অধিৱেশনৰ লগত সংগতি ৰাখি 'প্ৰবন্ধ চয়ন' নামে গ্ৰন্থখন তেওঁ সম্পাদনা কৰিছিল। প্ৰবন্ধ চয়ন বছা বছা ২৫ টা প্ৰবন্ধৰ সংকলন।

১৯৭১ চনত তেওঁ সাহিত্য অকাডেমীৰ পৃষ্ঠপোষকতাত 'আধুনিক গল্প সংগ্ৰহ' নামে সংকলনটো সম্পাদনা কৰি উলিয়ায়। আৰম্ভণি কালৰে পৰা ১৯৬০ চনলৈ প্ৰকাশিত জনপ্ৰিয় ২৮ গৰাকী গল্পকাৰৰ গল্পৰে তেওঁ সংকলনটো সম্পূৰ্ণ কৰিছিল।

আনহাতে ত্ৰৈলোক্যনাথ গোস্বামীয়ে নলবাৰীৰ পৰা প্ৰকাশিত 'মন্দাকিনী' নামেৰে আলোচনী এখনৰো সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰিছিল। ১৯৬৬ চনৰ পৰা ১৯৬৭ চনলৈ প্ৰকাশিত আলোচনীখনৰ যোগেৰে ত্ৰৈলোক্যনাথ গোস্বামীয়ে সাহিত্যৰ লগতে সেই সময়ৰ অসমৰ জ্বলন্ত সমস্যাসমূহকো দাঙি ধৰিবলৈ যত্ন কৰিছিল।

**(চ) অপ্ৰকাশিত গ্ৰন্থ ঃ**

প্ৰকাশিত গ্ৰন্থৰাজিৰ লগতে ত্ৰৈলোক্যনাথ গোস্বামীৰ কিছু ৰচনা অপ্ৰকাশিত হৈয়ে ৰ'ল। যিখিনিৰ মাজত ত্ৰৈলোক্যনাথ গোস্বামীৰ আন আন কিছু ব্যতিক্ৰমী প্ৰতিভাৰো পৰিচয় পোৱা যায়। তেওঁৰ অপ্ৰকাশিত গ্ৰন্থৰাজি হ'ল—

১। কবিতাৱলী (কবিতাৰাজি)
২। পদুম কুঁৱৰী (পূৰ্ণাঙ্গ নাট)
৩। পমিলা (উপন্যাস)

তাৰ লগতে স্কুলীয়া অৱস্থাতে থাকোতেই ৰচনা কৰা কেইটামান গীত প্ৰকাশৰ মুখ নেদেখাকৈয়ে ৰ'ল। এইখিনি ৰচনা প্ৰকাশিত হৈ ওলালে ত্ৰৈলোক্যনাথ গোস্বামীৰ সাহিত্য সাধনাক আৰু বৈচিত্ৰ্যময় কৰি তুলিব।

ত্ৰৈলোক্যনাথ গোস্বামীৰ কৃতিত্ব প্ৰকাশিত হৈছিল দুটা দিশত- শৈক্ষিক আৰু সাহিত্য। এই দুয়োটা দিশতেই তেওঁ সিদ্ধহস্ত পুৰুষ হিচাপে নিজৰ ছাপ ৰাখি যাব পাৰিছিল। এগৰাকী শিক্ষাবিদ হিচাপে তেওঁৰ যি আদৰ্শ আৰু সাহিত্য সাধক হিচাপে যি দৃষ্টিভংগী সিয়ে তেওঁক আজীৱন অসমীয়া সাহিত্যত স্মৰণীয় কৰি ৰাখিব। ■

**সহায়ক গ্ৰন্থ ঃ** ত্ৰৈলোক্যনাথ গোস্বামী ঃ জীৱন আৰু কৃতি
সম্পাদনা ঃ ড° নবীন চন্দ্ৰ শৰ্মা
বাণী প্ৰকাশ প্ৰাঃ লিঃ
প্ৰথম প্ৰকাশ, ১৯৯০

# অসমত গ্ৰন্থাগাৰ বিজ্ঞানৰ অধ্যয়ন আৰু গ্ৰন্থাগাৰ পৰিচালনাৰ পথিকৃৎ ড° যোগেশ্বৰ শৰ্মা

■ ড° কিশোৰ শৰ্মা
*গ্ৰন্থাগাৰিক*

অসমত গ্ৰন্থাগাৰ বিজ্ঞানৰ অধ্যয়ন আৰু গ্ৰন্থাগাৰ পৰিচালনাৰ পথিকৃৎ ড° যোগেশ্বৰ শৰ্মাৰ জন্ম হৈছিল ১৯১৯ চনৰ ১১ ছেপ্তেম্বৰত বৰ্তমান নলবাৰী জিলাৰ ধৰ্মপুৰ মৌজাৰ গামেৰিমুৰী নামৰ গাঁওখনত। তেখেতৰ পিতৃ বহুবিশ্ৰুত পণ্ডিত চন্দ্ৰকান্ত শৰ্মা বিদ্যালঙ্কাৰ আৰু মাতৃ তাৰাপ্ৰিয়া দেৱী। ১৯৪৮ চনত প্ৰতিষ্ঠিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ গ্ৰন্থাগাৰৰ প্ৰথম গৰাকী গ্ৰন্থাগাৰিক আৰু ১৯৬৬ চনত এইখন বিশ্ববিদ্যালয়তে আৰম্ভ কৰা গ্ৰন্থাগাৰ বিজ্ঞান বিভাগৰ প্ৰতিষ্ঠাপক মুৰব্বী অধ্যাপক আছিল ড° যোগেশ্বৰ শৰ্মা। অল্পভাষী আৰু আত্মপ্ৰচাৰ বিমুখ নীৰৱ সাধক ড° যোগেশ্বৰ শৰ্মা আছিল অসমত গ্ৰন্থাগাৰ বিজ্ঞান অধ্যয়নৰ পিতৃস্বৰূপ।

যোগেশ্বৰ শৰ্মাই কৈঠালকুছি প্ৰাইমাৰী স্কুলৰ পৰা প্ৰাথমিক শিক্ষা লাভ কৰি চামতা হাইস্কুলৰ পৰা ১৯৩৯ চনত সুখ্যাতিৰে কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত প্ৰৱেশিকা পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হয়। তেখেতে এই স্কুলখনলৈ তেওঁলোকৰ ঘৰৰ পৰা ৫ কিলোমিটাৰ দূৰত্ব খোজকাঢ়ি অহা যোৱা কৰিছিল। ১৯৪১ চনত তেখেতে কটন কলেজৰ পৰা আই. এ পৰীক্ষাত উত্তীৰ্ণ হয় আৰু সেই একেখন কলেজৰ পৰাই ১৯৪৪ চনত তেখেতে অনাৰ্ছ সহ বি.এ. পৰীক্ষাত উত্তীৰ্ণ হৈছিল। ১৯৪৭ চনত তেখেতে কলিকতা বিশ্ববিদ্যালয়ৰ পৰা গ্ৰন্থাগাৰ বিজ্ঞানৰ ডিপ্লমা পাঠ্যক্ৰম সমাপ্ত কৰে আৰু ১৯৪৮ চনত সেই একেখন বিশ্ববিদ্যালয়ৰ পৰা সুখ্যাতিৰে সংস্কৃত বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। এইদৰেই তেখেতে শিক্ষা জীৱনৰ এটা অধ্যায় শেষ কৰি গুৱাহাটীলৈ উভতি আহিয়েই গুৱাহাটী উচ্চ ন্যায়ালয়ৰ গ্ৰন্থাগাৰিকৰূপে নিযুক্তি লাভ কৰি কৰ্মজীৱন আৰম্ভ কৰে। কৰ্মজীৱনৰ কৰ্মব্যস্ততাৰ মাজতো তেখেতে সংস্কৃত বিষয়ত গৱেষণা কৰি ১৯৭৬ চনত সন্মানীয় ডক্টৰেট ডিগ্ৰী লাভ কৰে।

১৯৪৮ চনৰ ২৬ জানুৱাৰীত প্ৰতিষ্ঠা হয় গুৱাহাটী বিশ্ববিদ্যালয়ৰ আৰু তাৰ এবছৰ পিছতেই ১৯৪৯ চনত তেখেত গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথম গৰাকী গ্ৰন্থাগাৰিক হিচাপে যোগদান কৰে। ১৯৬৬ চনত গুৱাহাটী বিশ্ববিদ্যালয়ত গ্ৰন্থাগাৰ বিজ্ঞানৰ পাঠ্যক্ৰম আৰম্ভ হোৱাত তেখেতেই আছিল প্ৰতিষ্ঠাপক মুৰব্বী অধ্যাপক আৰু অৱসৰৰ দিনলৈ তেখেতে বিভাগত মুৰব্বী হিচাপে সেৱা আগবঢ়াইছিল। সেইকালৰ পৰা চাব গ'লে ড° যোগেশ্বৰ শৰ্মাই আছিল উত্তৰ-পূৰ্বাঞ্চলত গ্ৰন্থাগাৰ বিজ্ঞানৰ বাটকটীয়া। ১৯৬৬ চনত উপাচাৰ্য ড° মথুৰা নাথ গোস্বামীৰ কাৰ্যকালত তেখেতেই আছিল দিল্লী বিশ্ববিদ্যালয়ৰ আৰ্হিত গুৱাহাটী বিশ্ববিদ্যালয়ত গ্ৰন্থাগাৰ বিজ্ঞানৰ স্নাতক ডিগ্ৰীৰ পাঠ্যক্ৰম প্ৰৱৰ্তন কৰোতা। তেখেতৰ দিনতেই ১৯৭৯ চনত গ্ৰন্থাগাৰ বিজ্ঞান বিভাগত গ্ৰন্থাগাৰ বিজ্ঞানৰ স্নাতকোত্তৰ শ্ৰেণীও আৰম্ভ হয়।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ গ্ৰন্থাগাৰটিক উত্তৰ-পূৰ ভাৰতৰ বৃহত্তম গ্ৰন্থাগাৰৰূপে গঢ়ি তোলাত ড° যোগেশ্বৰ শৰ্মা দেৱৰ বৰঙণি শলাগ লবলগীয়া। তেখেতৰ কাৰ্যকালতে ডেৰলাখতকৈ অধিক গ্ৰন্থ গ্ৰন্থাগাৰলৈ ক্ৰয় কৰা হৈছিল আৰু সেইবোৰ যথাবিধি যথাযথভাৱে প্ৰতিটো শ্ৰেণীতে বিভাজিত কৰি সংৰক্ষণ কৰা হৈছিল। ১৯৮২ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথমগৰাকী উপাচাৰ্য পণ্ডিত কৃষ্ণকান্ত সন্দিকৈদেৱে দান দি যোৱা বহু সংখ্যক অমূল্য গ্ৰন্থ ড° যোগেশ্বৰ শৰ্মাই সন্দিকৈদেৱৰ বাসস্থান যোৰহাটৰ পৰা আনি গুৱাহাটী বিশ্ববিদ্যালয়ৰ গ্ৰন্থাগাৰত বিজ্ঞানসন্মতভাৱে সংৰক্ষণ কৰাৰ ব্যৱস্থা কৰে। এইজনা বিশিষ্ট গ্ৰন্থাগাৰিক আৰু গ্ৰন্থাগাৰ বিজ্ঞানী ড° যোগেশ্বৰ শৰ্মাই ব্যক্তিগত জীৱনত অতি সহজ-সৰল জীৱন যাপন কৰি ১৯৮৩ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰে। অৱসৰ গ্ৰহণ কৰাৰ পিছত ভাৰত চৰকাৰৰ নিমন্ত্ৰণক্ৰমে তেখেতে ১৯৮৪ চনৰ পৰা ১৯৮৮ চনলৈ নতুন দিল্লীৰ সাহিত্য একাডেমীৰ 'Encyclopaedia of Indian Literature' ৰ সহকাৰী সম্পাদকৰ গুৰুদায়িত্ব পালন কৰিছিল।

অসমীয়া ভাষা- সাহিত্যলৈ তেখেতৰ বৰঙণি আছিল অতুলনীয়। তেখেতৰ প্ৰকাশিত গ্ৰন্থসমূহ আছিল- ১) কালিদাস আৰু তপস্যা ২) কালিদাসৰ প্ৰতিভা ৩) শব্দাৰ্থ বিজ্ঞান আৰু মহাভাষ্যৰ প্ৰথম আহ্নিকৰ অনুবাদ ৪) ভগৱান আদি শংকৰাচাৰ্য ৫) The Philosophy of Education in the Upanisadas। তদুপৰি ইংৰাজী আৰু অসমীয়া দুয়োটা ভাষাতে তেখেতৰ ভালে সংখ্যক গৱেষণামূলক প্ৰবন্ধ প্ৰকাশ হৈছে। তেখেতে লাভ কৰা বঁটা আৰু সন্মান সমূহ আছিল-

(১) জগদ্ধাত্ৰী হৰমোহন দাস সাহিত্য বঁটা ২) অসম চৰকাৰৰ সাহিত্যিক পেন্সন ১৯৯১-১৯৯২) ,আনন্দৰাম বৰুৱা বঁটা, ১৯৯৯। গোটেই জীৱন গ্ৰন্থাগাৰ বিজ্ঞানৰ চৰ্চা আৰু গ্ৰন্থাগাৰৰ সম্প্ৰসাৰণ, সংৰক্ষণ আৰু সুপৰিচালনাৰ অৰ্থে আৰু বিশেষকৈ অসমীয়া ভাষা-সাহিত্য সংস্কৃতিলৈ ড° যোগেশ্বৰ শৰ্মাদেৱে যি অৱদান আগবঢ়ালে তাৰবাবে তেখেত চিৰস্মৰণীয় হৈ থাকিব। ২০১৪ চনৰ ১৮ জানুৱাৰীত বাৰ্দ্ধক্যজনিত কাৰণত ৯৫ বছৰ বয়সত নিজ বাসগৃহতেই ড° যোগেশ্বৰ শৰ্মাদেৱৰ মৃত্যু হয়। ■



## কবিতা পিতান

# Fragrance of the Soul

■ **Dr. Ranjan Bhuyan**
*Vice-Principal*



Gradually my body is getting fragile
Weariness is speedily encompassing
Deterioration in vission, and hearing impaired.
Limbs often betray my disposed body
Stumble and fall, as I incline to walk
Drag my feeble body with acute discomfort
Crawl beneath the unseen sky with wearied head.

From dawn to dusk, sit detached.
It's me and my collision thoughts
share the ageing wooden bed,
The testimony bearer, of jubilant youth
All keep apart; my wife, my children, my friends.....
Unexpected silence predominate the shelter
The ambiance of house looks strange and solemn,
May be I should just stop thinking

Fluttering of window screen reminds my existence
Fraction of past memories pursue relentlessly
Accidently, I may remember, and forget instantly
Mystical voice whisper me invariably
Shadowy figures peep at my segregated body
Does it symptom, my final sink?
Am I heading for eternal sleep?

Who would recall me when I am gone away!
Delighted, presuming of a new identity
The corpse! The corpse! The corpse!
Lying peacefully, in the pyre
Losing my ever so friend, 'the shadow'
predecessors will guide me into the mystic mist

Tomorrow would be a new day,
My portrait with pleasing laughter
May find a corner in the Drawing room
Signifying gleefulness of my life
Waiting impatiently for the summon!
Far away into the silent land;
into the dark territory!!!

Mriyanta jibataha sarbo

(Everything that lives must die) ■

# মই খেতিয়কৰ ছোৱালী



■ মিনা ৰাভা
*স্নাতকোত্তৰ চতুৰ্থ ষাণ্মাসিক*

পৰিচয় মোৰ খেতিয়কৰ ছোৱালী
বাৰিষাৰ পানীবোৰ মোৰ নিচেই চিনাকি
শাওণৰ পথাৰত সেউজীয়া হাঁহি
কোমল কঠীয়াৰ লাহি বুলনি

দোপালপিতা বৰষুণৰ খোজে খোজে
দেউতাই দিলে এঙামুৰি নাঙল যুঁৱলিৰ
বোজা কঢ়িয়াই গৰুহালৰ স'তে
পথাৰৰ বোকাত ভাগৰুৱা উক্তি
ঘূৰ.... ঘূৰ.... ঘূৰি আহ এইফালে
নাঙলৰ ডিলাটিৰ শব্দবোৰ
গৰুহালৰ তেনেই চিনাকি

যৌৱনা বৃষ্টিৰ মেঘৰ গাজনিত
সাৰ পালে দেউতাৰ সোণালী সপোন
দুবেলা দুমুঠি গোটাবৰ বাবে
কৰিবলগীয়া অদম্য কষ্টৰ প্ৰস্তুতি
সোণগুটি সিঁচিবৰ হ'ল কঁকালত টঙালি বান্ধি
ৰ'দৰ তাপ উম লৈ দ-পথাৰৰ বোৱনী
যে ময়ো হ'ম

ভৰ বাৰিষাৰ বৰষুণজাকৰ স'তে খেলি
বোকা গচকাৰ সময় এয়া
পদুলি আহি চোতাল তিয়ালে
দুভৰিত বাৰিষাৰ জীপাল কৌমুদী
মই যে আঁজলি ৰচকী খেতিয়কৰ ছোৱালী
ক্লান্ত জীৱন যদিও হাঁহো প্ৰাণ খুলি
ক্লেশবোৰ দূৰত ৰাখি

# যাত্ৰা

■ নিভা নাথ
*স্নাতকোত্তৰ চতুৰ্থ ষাণ্মাসিক*

এই যাত্ৰা অন্তহীন
বিৰাম বিহীন
পদে পদে পদাঘাত তথাপিও
অনিৰুদ্ধ এই যাত্ৰা
মন ৰণুৱা ঘোঁৰা
দুচকুত বিজয়ৰ ৰত্নধ্বজা
দুবাহুত বল
লক্ষ্য বিশ্ব জয়ৰ
মোৰ এই যাত্ৰা অন্তহীন
বিৰামহীন
পদে পদে পদাঘাত তথাপিও
অনিৰুদ্ধ এই যাত্ৰা।
মোৰ ৰণৰ ঘোঁৰাই
চেঁকুৰি চেঁকুৰি বিলাই ফুৰিছে
বিপ্লৱৰ গান, আৱেগৰ গান
দুবাহুত বল
লক্ষ্য বিশ্ব জিনাৰ
বিশ্বাসৰ গভীৰ পৰ্বত থিয় হৈ
হেঁপাহৰ কাঠগড়াত
প্ৰতিদিন জিলিকিব খোজোঁ
মহানতাৰ এটি নক্ষত্ৰ হৈ। ■



# সময়ৰ গতি



■ দিপান্দীতা দাস
*উঃ মাঃ প্ৰথম বৰ্ষ*

এই যান্ত্ৰিকতাৰ পৃথিৱীখনত
সকলোফালে মাথোঁ প্ৰতিযোগিতাই
তোলপাৰ কৰিছে,
যি, যেনেকৈ পাৰে মাথোঁ
প্ৰতিযোগিতাৰ পিছত দৌৰিছে।
কোনেও, কাৰোলৈ চাবৰ সময় নাই
সকলোৱে কেৱল কেৱাহিকৈ চাই
আকৌ গুচি যায়,
মাথোঁ এজন দৌৰিছে মানে
আনজনো দৌৰিব লাগে।
এতিয়া যেন সুখৰ মাদকতাবোৰ
হেৰাই যাব ধৰিছে,
সকলোৱে কেৱল ব্যস্ততাপূৰ্ণ
জীৱনপথত হেৰুৱাইছে দিক্-বিদিক
এই পৃথিৱীত যেন মানৱতা
বুলিবলৈ একোৱে নাইকিয়া হৈছে। ■

# স্বগতোক্তি

■ পাপৰি ৰাভা
*স্নাতকোত্তৰ চতুৰ্থ ষাণ্মাসিক*

হৃদয়ৰ একোণত অগণন কোলাহল
কোনোবাই জানো শুনিছে
জোৰা-টাপলি দি পিন্ধিছোঁ হাঁহিৰ পোচাক
কোনোবাই জানো দেখিছে
ৰংচঙীয়া খোলাৰে ঢাকি যে ৰাখিছোঁ

ব্যৰ্থতাৰ উত্তপ্ত বতাহত দগ্ধ হৈ
ছাই হ'ব খোজা আশাবোৰ
অহৰহ সুৰৰ বৰ্ষাৰে প্ৰতি নিশা
নুমুৱাবলৈ মাথোঁ যত্ন কৰিছোঁ

এচলু শান্তি বিচাৰি হাঁহাকাৰ কৰা
অশান্ত বিহগ হৈ
ডেউকা কোবাই অলপ উঠি
আকৌ মাটিতে পৰিছোঁ। ■

# অনুভৱ



■ সঞ্জীমা ৰাভা
*স্নাতকোত্তৰ চতুৰ্থ ষাণ্মাসিক*

ক্ৰমশঃ অধীৰ হৈ গৈছো
ধাৰাবাহিকতাৰে আজি
তোমাৰ ফুটা নুফুটা সেই
হৃদয়ৰ নুবুজা শব্দবোৰত,
পাহৰি গৈছো নিজক আজি
মাথোঁ তোমাৰ বাবে।
ক্ষন্তেকতে সেমেকিব ধৰা
তোমাৰ উজ্জ্বল চকুজুৰিয়ে
আজিও কয় মোক বাৰে বাৰে
ভালপোৱাৰ ছবি আঁকিবলে। ■

# অ' ফুলপাহ

■ লুইত কিৰণ দাস
*সহকাৰী অধ্যাপক, অসমীয়া বিভাগ*

শিল বৰষুণৰ ৰাতি খেৰ সৰকা পানী
অ' ফুলপাহ অ' ফুলপাহ

তাই নাই। সাঁচতীয়া সাত শ টকা মুঠিত
দুখন চাদৰ, তোলনীৰ ফুলিজোৰ লৈ তাই পলাই গ'ল

"খোলটোলৈ তোৰ দহো আঙুলিৰ যিমান মৰম
মোবো তোলৈ সিমান মৰম..."
আগ-গুৰি নাভাবি চুলি মেলি ভটিয়াই
ফুলপাহ গুছি গ'ল

শালকঠুৰা দেশৰ আজব নীতি
দিনকণা দেউতাকৰ হাজিৰাই আৰু কিমানদিন!
পইতাভাতৰ গৰাহত উৰণীয়া এটি-দুটি, কণমানি শিলপোৱালি
পুলপাহৰ লঘোণ

য'তেই ভালপোৱা ত'তেই ৰাতিপুৱা, সেউজীয়া।
তিতা বুকুৰ মেঠনিত লুকাই অতীত শোক
মাছ মাছ গোন্ধাই যে তাৰ বুকু, তাতেই তাইৰ চকু

আগদিনা গধূলি গাঁৱৰ তিলকক কৈছিল 'নৈ পাৰ কৰাই দিবি'
ফুলপাহ গ'লগৈ... নিজে নিজক লৈ...

ফুলপাহ অ' ফুলপাহ
বোকামাটিৰ লচ্‌পচী বোৱনি
গেঁৰধৰা ধানৰ ৰাগিলগা বতাহযেন ভালপোৱা তোৰ

নকৈ মেলিছে গছ কুঁহিপাত
ক'তনো থাকে স্বাৰ্থ, জাত-পাত
য'লৈকে বৈ যাব নৈ
তলৈকে যাবি বৈ বৈ

শিলৰ দৰে নহ'লি!
সামৰি-সুতৰি বুকুৰ কত প্ৰতিঘাত
সেউজীয়া কৰিলি স্বপ্নৰ ইতিহাস অ' ফুলপাহ

তোকেই চাই থকিলোঁ অত দুপৰ। আকাশে জিলিকালে
তোৰ সোণালী চুলি... সন্ধিয়াৰ জোনে পিন্ধালেহি
ৰিব্ ৰিব্ জোনাকী... অ' ফুলপাহ... ■



# আন্ধাৰৰ গান

■ কুশল কলিতা
*কাৰ্যালয় সহায়ক*

পাপহীন প্ৰায়শ্চিত্তৰ ক্ৰূৰ আঘাতে
মোক দি যায় জীৱনৰ নতুন গান।

মৃত্যুৰ ন ন আঘাতত, প্ৰতিপল খোল খাব খোজে
মোৰ হাতৰ কঠিন মুঠি।

জানো, সকলো সোণালী অপেক্ষাৰ এদিন অন্ত পৰিব,
মৰুৰ তৃষ্ণাৰ লেলিহান শিখা জ্বলি-পুৰি ছাই হ'ব,
মৃত্যুৰ অটল আন্ধাৰে ঢাকি ধৰিব আকাশ। ■



জাতীয়তাবাদ প্ৰসংগ

# লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্যত জাতীয় চেতনাৰ প্ৰকাশ



■ ড° প্ৰশান্ত বৰা
*সহকাৰী অধ্যাপক, অসমীয়া বিভাগ*

জাতীয় চেতনা শব্দটোৰ অৰ্থ সাধাৰণতে অতি ব্যাপক। সাধাৰণতে ই এটা বৃহৎ জাতি সত্তাৰ সামূহিক চিন্তা-চৰ্চাৰ কাৰ্যকলাপ তথা সামূহিক চেতনাকে ইংগিত কৰে। এটা বৃহৎ জাতি সত্তাই আত্ম পৰিচয়ৰ সন্ধানত ব্ৰতী হৈ বহু কষ্ট ত্যাগ তথা মুক্তি আদৰ্শৰ ভেটিত যি এক সামূহিক অখণ্ডবোধ বা চেতনাৰ জন্ম দিয়ে, সেয়াই জাতীয় চেতনাৰ পটভূমি। এই পটভূমিতে সৃষ্টি হয় মানুহৰ মনত আত্ম অন্বেষণৰ সন্তুষ্টি, দৃঢ় প্ৰত্যয় তথা আত্ম সচেতনতাৰ মনোভাব।

দৰাচলতে জাতীয়তাবাদৰ ধাৰণা এক বিমূৰ্ত ধাৰণা। ধৰ্ম, শাসনতন্ত্ৰ আৰু সময়ৰ পৰিৱৰ্তনে জাতি বা জাতীয়তাবাদৰ উন্মেষৰ একো একোটা কাৰক ৰূপে ক্ৰিয়া কৰে। ঔপনিৱেশিক অসমৰ ভৌগোলিক মানচিত্ৰখনৰ মাজত থকা বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত সৃষ্টি হোৱা উমৈহতীয়া সাংস্কৃতিক পৰিচয় নিৰ্মাণৰ প্ৰচেষ্টাতে সৃষ্টি হৈছিল অসমীয়া সাংস্কৃতিক জাতীয়তাবাদ। বৃটিছ সাম্ৰাজ্যবাদৰ আগ্ৰাসনে অসমীয়া ভাষা-সংস্কৃতিক দুৰৱস্থাৰ মাজলৈ ঠেলি দিয়াতে এচাম অসমীয়াৰ মন-প্ৰাণ দুৰ্বল হৈ উঠিছিল। অসমীয়াৰ স্বকীয় গৰিমা পৰিহাৰ কৰি বঙলা ভাষাৰ প্ৰৱৰ্তনৰ সময়ত যি কেইজন অসমীয়াই স্বতন্ত্ৰতা প্ৰতিষ্ঠাৰ যুঁজত আগবাঢ়ি গৈছিল, সেই কেইজনৰ মূলমন্ত্ৰ আছিল এনেধৰণৰ— 'জাতি যেনে সম্পত্তি, জাতীয় ভাষাও তেনে সম্পত্তি'। এই ভাষিক দুৰৱস্থাৰ সময়ত এচাম অসমীয়াই নিজৰ স্বাভিমান আৰু অস্তিত্বৰ প্ৰতি সন্দিহান হৈ অসমীয়া ভাষা পুনৰ প্ৰতিষ্ঠাৰ সংগ্ৰাম আৰম্ভ কৰিছিল। এই স্বতন্ত্ৰতা প্ৰতিষ্ঠাৰ যুঁজত আগভাগ লৈছিল আনন্দৰাম ঢেকিয়াল ফুকন, গুণাভিৰাম বৰুৱা, হেমচন্দ্ৰ বৰুৱা আদিয়ে। ইয়াৰ পৰৱৰ্তী সময়ত কলিকতাত পঢ়িবলৈ যোৱা শিক্ষাৰ্থীসকলৰ মনতো সৃষ্টি হৈছিল এক ভাষা স্বতন্ত্ৰতাৰ অঘোষিত সংগ্ৰাম। 'আমি অসমীয়া জাতি', আমাৰ সকলো আছে, ভাষা-সাহিত্য, সংস্কৃতি, অতীত গৌৰৱ এই সকলো ফালৰ পৰা চহকী আমাৰ অসমীয়া ভাষা।' সেই উদ্দেশ্য আগত ৰাখিয়েই অসমীয়া সাহিত্যৰ সামগ্ৰিক উত্তৰণমুখী যাত্ৰা তৈয়াৰ কৰিবলৈ কলিকতীয়া শিক্ষাৰ্থীসকল একগোট হৈছিল। ইয়েই হ'ল ঊনবিংশ শতিকাৰ শেষাৰ্ধত সৃষ্টি হোৱা অসমীয়া শিক্ষিত ডেকাৰ জাতীয়তাবোধৰ উকমুকনি। জাতিপ্ৰেম, ভাষাপ্ৰেম আৰু দেশপ্ৰেমৰ ধাৰণাতে এই ডেকাসকলে একত্ৰিত অসমীয়া জাতি সত্তাৰ প্ৰথম ভেটি সৃষ্টি কৰিছিল 'অ-ভা-উ-সা-স' নামেৰে (১৮৮৮) চনত। ইয়াৰ পৰৱৰ্তী বছৰত এই সভাই প্ৰকাশ কৰা মুখপত্ৰ 'জোনাকী'ত অসমীয়া ডেকাসকলৰ মনত উদয় হোৱা জাতীয়তাবোধৰ চিন্তা চেতনাই প্ৰবলৰূপত প্ৰকাশ লভিলে।

অসমীয়া জাতিক আত্ম প্ৰত্যয় আৰু আত্ম বলেৰে স্বাভিমানী কৰি তুলিবলৈ কৰা সংগ্ৰামৰ অন্যতম সেনানীজনেই আছিল লক্ষ্মীনাথ বেজবৰুৱা। অসমীয়া জাতিৰ পূৰ্বৰ ঐতিহ্য সোঁৱৰাই সাৰ-সুৰ নোহোৱা হোৱা সকলক মূৰ দাঙি উঠিবলৈ বেজবৰুৱাই বুজনি দিছিল। এই বুজনিৰ সুৰ আছিল কেতিয়াবা তিতা, কেতিয়াবা আকৌ মিঠা। বেজবৰুৱা আছিল বিশাল অন্তৰৰ এজন ভাৰতীয়। সেয়েহে তেওঁ নিজকে কোনোদিন অসমীয়া জাতীয়তাবোধৰ মাজত সম্পূৰ্ণ নিমজ্জিত কৰা নাছিল। বৃহৎ ভাৰতীয় জাতিৰ অংগীভূত হৈ অসমীয়া জাতিয়েও ভাষা-সাহিত্য-সংস্কৃতি আদি সকলো ক্ষেত্ৰত গৌৰৱেৰে

নিজকে প্ৰতিপন্ন কৰিব লাগিব, এই ধাৰণাই আছিল বেজবৰুৱাৰ জাতীয়তাবোধ। সেয়েহে তেওঁ জোনাকীৰ প্ৰথম বছৰ প্ৰথম সংখ্যাৰ পৰাই জাতীয়তাবোধৰ ধাৰণা অসমত জাগ্ৰত কৰাৰ ক্ষেত্ৰত মুখ্য ভূমিকা গ্ৰহণ কৰিছিল। ইয়াৰ বাবে তেওঁ অসমীয়া সাহিত্যৰ ভেটি সকলো ফালৰপৰা টনকিয়াল কৰিবলৈ নিজেই প্ৰায়বোৰ শাখাতে হাত দিছিল। চিন্তামূলক প্ৰবন্ধ, ব্যংগ ৰচনা, কবিতা, গল্প, নাটক, উপন্যাস, জীৱনী, সমালোচনা আদি সাহিত্যৰ সকলো শাখাত হাত দি বেজবৰুৱাই অসমৰ অধিবাসীসকলৰ মনত জাতি আৰু জাতীয়তাবাদৰ চেতনাৰ উন্মেষ ঘটাবলৈ সক্ষম হৈছিল।

প্ৰকৃতাৰ্থত বেজবৰুৱাৰ সমগ্ৰ সাহিত্যকৃতি জাতীয়তাবোধৰ চিন্তা চেতনাৰে সিক্ত। কবিতাৰ পৰা আৰম্ভ কৰি নাটক আৰু দীঘলীয়া প্ৰবন্ধসমূহতে আমি জাতীয়তাবোধৰ চিন্তা চেতনাৰে মহীয়ান বেজবৰুৱাজনাকে লগ পাওঁ। আনহাতে কৃপাবৰী ৰচনাসমূহো বেজবৰুৱাৰ জাতীয়তাবোধৰ অন্য এক ৰূপান্তৰ। কবিতা হয় যদি হওক, নহয় যদিও নহওক বুলি বেজবৰুৱাই যিখিনি কবিতা ৰচনা কৰিছিল সেইখিনিৰ অধিকাংশ কবিতাই জাতীয়তাবোধৰ চিন্তা চেতনাৰে ভৰপূৰ। 'কদমকলি' নামৰ কবিতা পুথিৰ সন্নিবিষ্ট বেজবৰুৱাৰ কবিতাসমূহত অসমৰ জাতীয় জীৱন, ধৰ্ম, সাহিত্যৰ ঐতিহ্য আৰু অসমৰ বীৰ-বীৰাংগনাসকলৰ শ্ৰৱণ-কীৰ্তন তথা দেশ আৰু মানুহক ভালপোৱাৰ চিন্তা চেতনাক প্ৰতিপাদ্য বিষয় হিচাপে ধৰি লোৱা হৈছে। এই কবিতাসমূহৰ ভিতৰত 'ব্ৰহ্মপুত্ৰ সংগীত', 'বীণ বৰাগী', 'আমি অসমীয়া নহওঁ দুখীয়া', 'মোৰ দেশ' আদি কেইটিমান কবিতা অসমৰ জাতীয় গৌৰৱৰ চানেকি বুলিব পাৰি।

কবিতা হিচাপে বেজবৰুৱাৰ 'বীণ বৰাগী' এটি সাৰ্থক সৃষ্টি। বীণ বৰাগী কবিতাটো পাঁচোটা খণ্ডত বিভক্ত। পাঁচোটা খণ্ডই যেন পঞ্চ অংক যুক্ত একোখন নাটকহে। এই কবিতাটোৰ মাজেদি বেজবৰুৱাৰ অতীতৰ প্ৰতি অসীম শ্ৰদ্ধা লক্ষ্য কৰিব পাৰি। দৰাচলতে ক্ষয়িষ্ণু অসমীয়া জাতিটোক উদ্ধাৰৰ অৰ্থে তেওঁ 'বীণ বৰাগী' কবিতাটোৰ জৰিয়তে জাতীয় শ্ৰমৰ নিভাঁজ অনুভূতি অসমীয়া মানুহৰ অন্তৰলৈ প্ৰেৰণ কৰিব খুজিছিল। জাতিৰ ইতিহাসৰ গৰিমা আৰু ঐতিহ্য সম্বলিত দিশ কিছুমান কবি বেজবৰুৱাই 'বীণ বৰাগী'ৰ জৰিয়তে পোহৰলৈ আনিছিল। বিষয়বস্তুৰ ফালৰপৰাই নহয়, কৌশলৰ ফালৰপৰাও 'বীণ-বৰাগী বেজবৰুৱাৰ সাৰ্থক সৃষ্টি। সমালোচক নন্দ তালুকদাৰে কবিতাটোত প্ৰকাশিত জাতীয়তাবাদ আৰু আশাবাদৰ স্বৰূপ সম্পৰ্কে এনেদৰে কৈছিল— "বীণ-বৰাগী'ৰ নিচিনাকৈ বোধ হয় সুস্থ আশাবাদ কবিৰ আন কোনো কবিতাত প্ৰকাশ হোৱা নাই।" কবিতাটোৰ এফাঁকি— "শুনা অই বৰাগী আনন্দ কাহিনী অসমৰ গুণ ৰাশি হিয়া মোৰ হেৰ বলৱন্ত হোক পৰাণ উথান উলাসি বান, ভগদত্ত নৰকাসুৰ ভীষ্মকৰ গুণ গা ভাস্কৰ বৰ্মাৰ কীৰিতি, কুখ্যাতি শুনো হেৰ বীণ বা।"

কবিতাটিৰ জৰিয়তে কবিয়ে অতীতৰ গৌৰৱোজ্জ্বল ইতিহাসক বাস্তৱৰ মানুহৰ দৃষ্টিগোচৰ কৰিব খুজিছিল। দ'কৈ গমি চালে কবিতাটোৰ মাজত এখোজ বিষাদ থকা যেনো অনুভূত হয় আৰু এই বিষাদ বীণৰ সুৰৰ মূৰ্চ্ছনাত যেন অধিক তীব্ৰতৰ হৈ উঠিছিল।

স্বদেশপ্ৰেম আৰু ভাষাপ্ৰেমৰ নিভাঁজ প্ৰকাশ বেজবৰুৱাৰ দ্বাৰা ৰচিত 'মোৰ দেশ' কবিতাটোত স্পষ্ট। 'বাঁহী' আলোচনীৰ সপ্তম সংখ্যাত 'শ্ৰীকৃপাবৰ' নামৰ প্ৰকাশিত আৰু পৰৱৰ্তী সময়ত 'কদমকলি' কবিতাপুথিত সন্নিবিষ্ট 'মোৰ দেশ' নামৰ গীতি কবিতাটো বিনা দ্বিধাই বেজবৰুৱাৰ স্বদেশপ্ৰেমৰ চূড়ান্ত আৱেগিক উৎসাহৰ ফল বুলিব পাৰি। ১৯২৭ চনত তেজপুৰত অনুষ্ঠিত অসম ছাত্ৰ সন্মিলনৰ অধিৱেশনত অসমৰ জাতীয় সংগীত হিচাপে "অ' মোৰ আপোনাৰ দেশ" নামেৰে পৰিচয় প্ৰদান কৰা এই গীতি কবিতাটিত বেজবৰুৱাই নিজৰ জন্মভূমিক চিকুণী, শুৱলা, সুৰীয়া, সুফলা, সুঁৱদি এই পাঁচ বিশেষণেৰে সন্মান প্ৰদান কৰি ঘোষণা কৰিছে যে এনেখন ঠাই পৃথিৱীৰ ক'তো জনমটো বিচাৰিলেও পোৱা নাযায়। গীতি কবিতাটিৰ প্ৰথম স্তৱকটি এনেধৰণৰ—

*"অ' মোৰ আপোনাৰ দেশ,*
*অ' মোৰ চিকুণী দেশ,*
*এনেখন শুৱলা, এনেখন সুফলা*
*এনেখন মৰমৰ দেশ।"*

মৰমৰ দেশৰ স্বপ্নই দেশবাসীৰ আত্মাক সচেতন কৰিব পাৰিব বুলি বেজবৰুৱাই আশা কৰিছিল। সেই আশা সফল হৈছিল। কোমলতাৰ ফালৰ পৰাও এই গীতি কবিতাটি অসমীয়াৰ প্ৰাণময় সম্পদ ৰূপে গণ্য হৈ আহিছে। দেশৰ প্ৰতি, ভাষাৰ প্ৰতি, জাতিৰ প্ৰতি, ভালপোৱাৰ এনে মনোৰম প্ৰকাশ বিশ্ব সাহিত্যতে বিৰল বুলিব পাৰি।

কলিকতাত পঢ়ি থাকোঁতেই বেজবৰুৱাই ৰচনা কৰিছিল 'অসম সংগীত' নামৰ জাতীয় প্ৰেমৰ প্ৰথম কাব্যিক অভিব্যক্তি স্বৰূপ গীতি কবিতাটি। কবিতাটিৰ আদিৰ পৰা অন্তলৈ দেশপ্ৰেমৰ প্ৰৱাহ মৌন গাম্ভীৰ্যৰে প্ৰৱাহিত হৈ আছে। মৰণোত্তৰভাৱে প্ৰকাশিত কাব্য সংকলন 'পদুমকলি'ত সন্নিবিষ্ট এই অসম সংগীত গীতি কবিতাটিত বেজবৰুৱাই অসমৰ ঐতিহ্যক লৈ অসমৰ ধৰ্ম-সাংস্কৃতিক লৈ গৌৰৱ প্ৰকাশ কৰিছ এনেদৰে—

*"শংকৰে দিলে বিশুদ্ধ ধৰম*
*লাচিতে বাহুত বল।*
*সতী জয়মতী সতীত্বৰ তেজেৰে*
*অসমী আই প্ৰবল।"*

সেয়েহে কবিগৰাকীয়ে গভীৰ ঐতিহ্য প্ৰীতিৰে উদ্বেলিত হৈ এই বুলি ঘোষণা কৰিছিল যে—

*"বাজক দবা বাজক শংখ*



*বাজক মৃদং খোল,*
*অসম আকৌ উন্নতিৰ পথত*
*জয় আই অসম বোল।।"*

"ব্ৰহ্মপুত্ৰ সংগীত" নামৰ কবিতাটিতো বেজবৰুৱাই আৱেগ অনুভূতিৰে ভৰা নিভাঁজ স্বদেশপ্ৰেম বিকশাই তুলিছিল। আজীৱন মাতৃভূমিৰ লগত অবিচ্ছিন্ন আৰু অবিচ্ছেদ্য অংগৰূপে থাকিব বিচৰা কবিগৰাকীয়ে অসমীয়া জনজীৱনৰ প্ৰাণ স্বৰূপ বৰলুইতক উদ্দেশ্য কৰি এনেদৰে কৈছিল—

*"খেলাৰ শেষত তোমাৰ বুকুত*
*মাৰ যাই মোৰ জীৱন তৰণী*
*লুইত হেৰা! তুমিয়েই নে*
*সেই লৌহিত্য নৈখনি।"*

বেজবৰুৱাৰ 'কদমকলি' কবিতা পুথিত সন্নিবিষ্ট আন এটা সৰু কবিতা হ'ল— 'আমাৰ জন্মভূমি'। এই কবিতাটোত বেজবৰুৱাই জন্মভূমি অসমৰ অপৰূপ প্ৰকৃতি আৰু অসমৰ সৌন্দৰ্য সম্পৰ্কে গৌৰৱেৰে কৈ উঠিছিল এনেদৰে—

*"এনে দেশ কতো নোপোৱা হেৰা তুমি।*
*হেৰা আমাৰ জন্মভূমি*
*ক'ত আছে এনে চাউল পানীত দিলে ভাত?*
*ক'ত এনে কুঁজী থেকেৰা টেঙাই যায় দাঁত?*
*ক'ত পাবা পকা খৰিচা, ক'ত ঢেকীয়া শাক?*
*এঠা দৈ' ক'ত এনে নেৱায় ধুলে যাক।"*

যদিওবা এই 'আমাৰ জন্মভূমি' কবিতাটো এটা পেৰডি বা লঘু বৈঠকীমূলক গীতি কবিতাহে, তথাপিও তাৰ মাজেদি বেজবৰুৱাৰ জাতীয় চিন্তা আৰু জাতীয় প্ৰেমৰ অনন্য স্বৰূপ বিকশিত হৈ উঠিছে।

বেজবৰুৱাই ৰচনা কৰা কৃপাবৰী সুৰৰ গীতি কবিতাবিলাকৰ মাজতো জাতীয়তাবাদৰ ৰেঙণি ফুটি উঠিছে। অসমীয়া মালিতাৰ আৰ্হিত ৰচনা কৰা 'ধনবৰ আৰু ৰতনী', 'ৰতনীৰ বেজাৰ' আদি কবিতাত অসমৰ জীৱনৰ পৰিচয় স্বৰূপ বিহু গীত এফাঁকি সংযোজন কৰিহে যেন শান্তি অনুভৱ কৰিছে এনেদৰে—

*'পৰ্বতে পৰ্বতে বগাব পাৰো মই*
*লতা বগাবলৈ টান,*
*ৰতনী সোনাইকে ৰবাব পাৰো মই*
*মাকক বুজাবলৈ টান।।'* (ধনবৰ আৰু ৰতনী)

সেইদৰে বেজবৰুৱাই কৃপাবৰী সুৰতে ৰচনা কৰা 'ধোঁৱা খোৱা', 'পকা চুলি', 'চালনী আৰু বেজী' আদি কবিতাবোৰতো সংস্কাৰধৰ্মী মনোভাৱৰ প্ৰকাশ ঘটিছে। উদাহৰণস্বৰূপে 'চালনী আৰু বেজী' নামৰ কবিতাটোত বেজবৰুৱাই অসমীয়া মানুহৰ ভেম, ভণ্ডামি আৰু অন্যান্য দোষ ত্ৰুটিবোৰ সুন্দৰভাৱে ফঁহিয়াই দেখুৱাইছে।

বেজবৰুৱাৰ সাহিত্যৰ মাজত প্ৰকাশিত জাতীয়তাবাদী ভাবধাৰাই অনন্য ৰূপ লাভ কৰিছে নাট কেইখনৰ মাজতো। প্ৰথম অৱস্থাত বেজবৰুৱাই হাত দিছিল ধেমেলীয়া নাট ৰচনাত, কিন্তু পিছলৈ তেওঁ অসমৰ অতীত গৌৰৱৰ প্ৰতি সচেতন হৈ অসমীয়া জাতিক পুনৰ উদ্ধাৰৰ স্বাৰ্থত গহীন বিষয়ৰ নাটক ৰচনাত হাত দিলে। ১৯১৫ চনত তেওঁ ৰচনা কৰিলে তিনিখন বুৰঞ্জীমূলক নাটক- বেলিমাৰ, জয়মতী কুঁৱৰী, চক্ৰধ্বজ সিংহ। এই গহীন নাটকেইখন ৰচনাৰ মূলতেই আছিল বেজবৰুৱাৰ ইতিহাস চেতনা, জাতীয় চেতনা আৰু স্বদেশ প্ৰেম। ড° বাণীকান্ত কাকতিৰ বেজবৰুৱা সম্পৰ্কীয় এটা উক্তি এইখিনিতে প্ৰনিধানযোগ্য যে— "এই সু-গভীৰ স্বদেশানুৰাগ, স্বদেশ প্ৰীতি বেজবৰুৱাৰ সাহিত্যৰ প্ৰত্যেকটো শব্দৰ ভিতৰেদি প্ৰকাশ পাইছে। তেওঁৰ সকলো ৰচনাৱলী এই স্বদেশানুৰাগৰ বোলেৰে বোলোৱা। তেওঁৰ হাঁহি-ধেমেলীয়া ৰচনাৰ পৰা আৰম্ভ কৰি শেহৰ ডোখৰৰ আধ্যাত্মিক ৰচনাৱলীলৈকে সকলোৰে ঐক্য-সূত্ৰ এই স্বদেশানুৰাগ, এই স্বদেশপ্ৰীতিয়েই। তেওঁৰ ভাব-ভাষা সকলো এই অনুৰাগৰেই অনুৱৰ্তী। স্বদেশ প্ৰীতিয়েই বেজবৰুৱাৰ সাহিত্যৰ মূল মন্ত্ৰ।" এই গভীৰ স্বদেশ প্ৰীতিৰ তাড়ণাতে বেজবৰুৱাই ৰচনা কৰা গহীন নাটক কেইখনৰ সম্পৰ্কত পাতনিত বেজবৰুৱাৰ মন্তব্য আছিল এনেধৰণৰ—

(১) "এই কিতাপ ৰচনা কৰাৰ মোৰ ঘাই উদ্দেশ্য অসমৰ অতীত গৌৰৱ কাহিনী নাটৰ আকাৰেৰে আজিকালিৰ অসমীয়াৰ আগত প্ৰচাৰ কৰাটোহে।" (চক্ৰধ্বজ সিংহ নাটকৰ পাতনি) নাট লেখি যহ আৰ্জিবলৈ যোৱাটো নহয়।

(২) "চিৰকলীয়া সত্য আৰু সকলো দেশৰ সকলো মানুহৰ সাধাৰণ সম্পত্তি মহৎ প্ৰবৃত্তিবোৰ উদগোৱাটোৱে নাটৰ কাৰ্য্য।" (জয়মতী কুঁৱৰী নাটকৰ পাতনি)

(৩) এই নাট ৰচনা কৰাৰ মোৰ ঘাই উদ্দেশ্য ভাস্কৰ বৰ্মা, চক্ৰধ্বজ সিংহ আৰু ৰুদ্ৰ সিংহৰ অসম কেনেকৈ শ্মশান হ'ল তাক দেখুওৱাটো।

তিনিখন নাটৰ পাতনিত যি উদ্দেশ্যৰ বিষয়ে বেজবৰুৱাই নিজেই কৈ থৈ গৈছে তাৰপৰা এই কথা অনুমান কৰিব পাৰি যে অতীতৰ কাহিনীবোৰৰ পুনৰ প্ৰচাৰেৰে তেওঁ সৰ্বসাধাৰণৰ মনত জাতীয় চেতনা জাগৰণ কৰাটোৱেই প্ৰধান কৰ্তব্য বুলি উপলব্ধি কৰিছিল।

গহীন নাটক তিনিওখনৰ কাহিনী, পটভূমি, সংলাপ সকলোবোৰেই তেওঁৰ স্বদেশপ্ৰেম আৰু জাতীয়তাবোধৰ পৰিচায়ক। 'জয়মতী কুঁৱৰী'ত স্বামী আৰু স্বদেশৰ হকে নিজৰ জীৱনকো তুচ্ছ কৰি অকথ্য নিৰ্যাতন ভোগ কৰি নিজৰ জীৱন ত্যাগ কৰা জয়মতীৰ কাহিনীটোৰ পুনৰ প্ৰকাশ ঘটায়। জোনাকী যুগৰ লেখক ৰত্নেশ্বৰ মহন্তৰ জয়মতীৰ আখ্যান নামৰ প্ৰবন্ধৰ পৰা সমল সংগ্ৰহ কৰি বেজবৰুৱাই ৰচনা কৰা এই নাটকখনত 'আহোম ৰমনী' আত্ম

বলিদানৰ কাহিনী পাঁচটা অংক আৰু উনত্ৰিশটা দৰ্শনৰ জৰিয়তে প্ৰকাশ কৰিছে। দেশ আৰু জাতিৰ মংগলৰ কাৰণে নিজৰ জীৱন উৎসৰ্গা কৰা জয়মতী অসমীয়া সতী আৰু সাহসী তিৰোতাৰ যে নিদৰ্শন এই কথাক বেজবৰুৱাই নাটকখনৰ জৰিয়তে প্ৰকাশ কৰি অসমীয়া মানুহৰ অন্তৰত দেশপ্ৰেম আৰু জাতীয়তাবোধ জাগ্ৰত কৰি তুলিছে।

'বেলিমাৰ' নাটকৰ বিষয়বস্তুও প্ৰকৃততে অসমৰ জাতীয় জীৱনৰ এক কৰুণ অধ্যায়ৰ কাহিনী। এই নাটকত অসমীয়া জাতিৰ স্বাধীনতাৰ বেলি অস্ত যোৱাৰ কাৰণ হিচাপে তিনিবাৰকৈ হোৱা মানৰ আক্ৰমণৰ কাহিনী বৰ্ণনা কৰা হৈছে। জাতি এটাৰ আপোন ভুলৰ বাবে কেনেকৈ ধ্বংস হয়, সেই কথাকে নাট্য কাহিনীৰ জৰিয়তে তেওঁ বুজাব খুজিছে।

বেজবৰুৱাৰ 'চক্ৰধ্বজ সিংহ' নাটকখনৰ বিষয়বস্তুও অসম বুৰঞ্জী খ্যাত শৰাইঘাটৰ যুদ্ধ। এই নাটকৰ সমল বেজবৰুৱাই সংগ্ৰহ কৰিছে হেমচন্দ্ৰ গোস্বামীয়ে ৰচনা কৰা 'শৰাইঘাটৰ যুদ্ধ' শীৰ্ষক প্ৰবন্ধৰ পৰা। পাঁচটা অংক আৰু চাৰিশটা দৰ্শনেৰে বিভাজিত এই নাটকখনত আহোম স্বৰ্গদেউ চক্ৰধ্বজ সিংহৰ ৰাজত্বকালত লাচিত বৰফুকনৰ নেতৃত্বত মোগলৰ বিৰুদ্ধে চলোৱা দুটা অভিযানক নাট্য ৰূপ দিয়া হৈছে। এই নাটকখনৰ জৰিয়তে বেজবৰুৱাই এক অসাধাৰণ অসমীয়া বীৰ লাচিত বৰফুকনক ইতিহাসৰ পাতৰ পৰা অসমৰ সমাজলৈ উলিয়াই আনে। লাচিতৰ সেনাপতিত্বত উজনি-নামনি জাতি-বৰ্ণ নিৰ্বিশেষে যুঁজ কৰিবলৈ ওলাই যোৱা আহোম সেনাৰ উদ্যম আৰু সাহসক বেজবৰুৱাই এই নাটকক বিশেষভাৱে গুৰুত্ব দিছে।

'জয়মতী', 'লাচিত বৰফুকন' আদি চৰিত্ৰৰ কাৰ্যকলাপৰ জৰিয়তে যিদৰে বেজবৰুৱাই জাতীয়তাবাদৰ প্ৰকাশ ঘটাব বিচাৰিছিল সেইদৰে বেলিমাৰ নাটকৰ পিজৌ গাভৰু চৰিত্ৰটোৰ জৰিয়তেও প্ৰকৃত দেশপ্ৰেমৰ স্বৰূপ উদঙাই দেখুৱাইছিল। পিজৌ বদনৰ জীয়াৰী আৰু পূৰ্ণানন্দৰ বোৱাৰী আছিল। প্ৰথমতে পিজৌৱে দেউতাক বদন বৰফুকনক গুপুতে গুপুতে সহায় কৰিছিল। কিন্তু যেতিয়া দেউতাকৰ দেশদ্ৰোহিতাৰ ফলত সৃষ্টি হোৱা ভয়াবহ পৰিণাম আৰু মানৰ নিৰ্মম অত্যাচাৰ তেওঁ চকুৰ আগত দেখা পালে, তেতিয়া আৰু তেওঁ সুস্থ হৈ থাকিব নোৱাৰিলে। মানসিক অশান্তি আৰু উদ্বিগ্নতাত ভুগি পিজৌৱে মগজুৰ ভাৰসাম্যকে হেৰুৱাই পেলালে। নাট্যকাৰ বেজবৰুৱাই ইয়াৰ জৰিয়তে এই কথাকে উদঙাই দিব খুজিছে যে পিজৌৰ দৰে এজনী অসমীয়া গাভৰুক স্বদেশ প্ৰেম আৰু জাতীয় চেতনাই প্ৰবলভাৱে ক্ৰিয়া কৰাৰ ফলতেই তেওঁ নিজৰ কৃৎ কৰ্মৰ সংশোধনৰ বাবে সুস্থ হৈ নাথাকিল। আনকি শেষলৈ এই পিজৌ আত্মঘাটিও হৈছে। আত্মোপলব্ধি আৰু আত্মশোধিৰ প্ৰয়াস নাটকেইখনৰ কাহিনী, চৰিত্ৰ চিত্ৰণ আৰু সংলাপত সুন্দৰকৈ ফুটি উঠিছে।

সেইদৰে অসমৰ লোককথা-সাধুকথাৰ আধাৰতে ৰচনা কৰা হাস্যৰসাত্মক নাটক কেইখনতো প্ৰকৃততে বেজবৰুৱাই সমকালিন অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ ফোপোলা আভিজাত্য, অসমৰ মানুহৰ মাজত থকা জাত-পাতৰ বিচাৰ, অন্ধবিশ্বাস, কু-সংস্কাৰ আদিক মুকলিকৈ আলোচনা কৰি সেইধৰণৰ নিম্ন ৰুচিৰ চিন্তা চৰ্চা আৰু বদ্ অভ্যাসবোৰৰ পৰা অসমীয়া জাতিক উদ্ধাৰৰ প্ৰচেষ্টা হাতত লৈছিল। ইয়ো বেজবৰুৱাৰ জাতীয়তাবোধৰ অনন্য পৰিচায়ক।

জাতীয়তাবাদী নাট্যকাৰজনে নাটকেইখনত প্ৰয়োগ কৰা ভাষাৰ অধিকাংশই আছিল জাতে-পাতে অসমীয়া। অসমীয়া ভাষাৰ জতুৱা ঠাঁচ, প্ৰৱচন, পটন্তৰ, খণ্ডবাক্যৰ ব্যৱহাৰ আদি আছিল নাটকেইখনৰ সংলাপৰ আকৰ্ষণীয়তাৰ অন্যতম গুণ। তদুপৰি অসমীয়া সংস্কৃতিক অতিকৈ ভালপোৱা বেজবৰুৱাই নাটকেইখনৰ মাজতো সোণসেৰীয়া অসমৰ লোকগীত, বিহুগীত আদিবো প্ৰয়োগ ঘটাইছিল। উদাহৰণ স্বৰূপে—

(ক) *"পৰ্বতৰ টেঁকীয়া লিহিৰি পতীয়া*
*বতাহত হালেজালে,*
*ক'লা আকাশত বগে জাকে পাতি*
*উৰা মাৰে কৰবালে।"* (জয়মতী কুঁৱৰী নাটক)

(খ) *"বৰচ'ৰাৰ মুৰতে বকুল ফুল ফুলিছে*
*নিতৌ তিনিপাঁহি সৰে,*
*স্বৰ্গদেউ চকুলৈ চাবকে নোৱাৰি*
*হীৰা কি মুকুতা জ্বলে।"* (জয়মতী কুঁৱৰী নাটক)

অসমীয়া সমাজৰ মাজত জাতীয় চেতনা উদ্বেলিত কৰাৰ তাগিদাতে বেজবৰুৱাই সাহিত্যচৰ্চা কৰিছিল বুলি ক'লেও ভুল কোৱা নহয়। প্ৰতিটো সময়তে তেওঁ মনৰ মাজত অসম আৰু অসমীয়াৰ উন্নতিৰ কথাই যেন ঠাই পাইছিল। সেয়েহে তেওঁৰ নাটকসমূহৰ বিষয়বস্তু নিৰ্বাচন, চৰিত্ৰ সৃষ্টি, সংলাপ আদি আছিল জাতীয়তাবাদী ধ্যান ধাৰণাৰে ভৰপূৰ। প্ৰকৃততে তেওঁ যি বিচাৰিছিল সেয়া কেতিয়াবা বহুৱালীৰ মাজতো আওপকীয়াকৈ প্ৰকাশ কৰিছিল। উদাহৰণ স্বৰূপে— 'বেলিমাৰ' নাটকখনৰ কথাকে ক'ব পাৰি। বহুৱালীৰ মাজতে ভুমুক বৰুৱাৰ মুখত দিয়া এই গীতিধৰ্মী সংলাপটোৰ কথা ক'ব পাৰি—

*"বৈকুণ্ঠৰ কৃষ্ণ আৰু কৈলাশৰ শিৱ*
*লাহে লাহে দেশখন (চোৰা) মৰিবলৈ থিয়।*
*নিজৰ ভিতৰতে হিংসা হিংসি,*
*আনক অত্যাচাৰ*
*বাইজে ৰজাৰ কাষলৈ আহি*
*নাপাই সু-বিচাৰ।*
*দুখীয়াক দুখ দি ৰং পায়,*
*প্ৰজাক কৰে ঘিণ।*



*সেই ঘৰ ৰজা, সেইখন দেশৰ*
*আয়ুস কেইদিন?"*

দৰাচলতে এইয়া আওপকীয়াকৈ নাট্যকাৰৰ মনৰে কথা।

জাতীয়তাবাদী ভাৱধাৰাৰ বেজবৰুৱাই অসমীয়া সমাজখন প্ৰাণৱন্ত আৰু সৱল কৰি তুলিবলৈ অতন্দ্ৰ প্ৰহৰীৰ দৰে সাহিত্যৰ কাপেই হাতত তুলি লৈছিল। অসমীয়া মানুহক জগাই তুলি আত্ম প্ৰত্যয় আৰু আত্ম বলেৰে মহীয়ান কৰি তুলিবলৈ চেষ্টা কৰা বেজবৰুৱাই গল্প সাহিত্যৰ মাজেৰে সমকালীন সমাজ বাস্তৱতাৰ চিত্ৰ একোখন তুলি ধৰিছিল। অৰ্থাৎ সমাজৰ ভণ্ডামি, গোৰামি, সমাজৰ অশুভ দিশ, অন্ধবিশ্বাস, কু-সংস্কাৰ আদিক তেওঁ গল্পৰ মাজেৰে পোহৰলৈ আনি ইবোৰৰ সংশোধন কামনা কৰিছিল। বেজবৰুৱাৰ গল্প সংকলন কেইটাৰ ভিতৰত 'সুৰভি' (১৯০৯) য়েই আছিল প্ৰথম। ইয়াৰ পিছত ১৯১০ চনত 'সাধুকথাৰ কুকি', ১৯১৩ চনত 'জোনবিৰি' আৰু 'কোহোঁকলি' নামৰ গল্প সংকলন দুটা প্ৰকাশ পায়।

অসমীয়া সমাজত জাত-পাতক লৈ যি মনোভাৱ অতীতৰ পৰা চলি আহিছিল, সেই সম্পৰ্কে বেজবৰুৱাই গল্পৰ মাজেৰে সজোৰ প্ৰতিবাদ দাঙি ধৰিব খুজিছিল। এইক্ষেত্ৰত বেজবৰুৱাই ৰচনা কৰা 'নিস্তাৰিণী দেৱী বা ফাতেমা বিবি', 'লম্বোদৰ ডেকা' আৰু 'জাতিবামৰ জাত' আদি গল্পৰ কথা ক'ব পাৰি। 'নিস্তাৰিণী দেৱী বা ফাটেমা বিবি' নামৰ গল্পত হিন্দু-মুছলমানৰ মাজত তথাকথিত বিদ্বেষৰ মনোভাৱক উদঙাই দেখুওৱাৰ লগতে এগৰাকী নাৰীৰ জীৱন এই পৰিস্থিতিত কিদৰে বিপন্ন হৈ উঠিছে তাকে প্ৰকাশ কৰিছে। অৰ্থাৎ ধৰ্মীয় ৰক্ষণশীলতাই সমাজক কেনে অৱস্থালৈ লৈ গৈছে সেই কথাকে বেজবৰুৱাই উপলব্ধি কৰি 'ফাতেমা বিবি' চৰিত্ৰটোৰ মুখেৰে সমাজৰ সংস্কাৰধৰ্মী মনোভাৱ প্ৰকাশ কৰিছে এনেদৰে— "আমাৰ দেশখন জাতেই খালে, জাত-পাতলৈ ইটোৰে সিটোক ঘীণায়, হিন্দু-মুছলমান বুলি এটা ধৰমৰ মানুহে আনটোক ছেই ছেই কৰি মিছাতে আমাৰ দেশখন জহনামে নিলে। আল্লাৰ আগত সকলো জাতৰ, সকলো ধৰমৰ মানুহ সমান হুজুৰ।"

সেইদৰে 'লম্বোদৰ ডেকা' নামৰ গল্পটোত দুখীয়া লম্বোদৰে বিজাতীয় মানুহৰ ঘৰত ভাত খোৱাৰ ফলত জাত গ'ল বুলি যি ধৰণৰ বিভেদৰ সৃষ্টি হোৱা বুলি দেখুওৱা হৈছে তাৰ জৰিয়তেও বেজবৰুৱাই এই কথাকে বুজাব বিচাৰিছে যে ধৰ্ম, জাত-পাত ইত্যাদিতকৈ মানুহ উৰ্দ্ধত। 'জাতিবামৰ জাত' নামৰ গল্পত গল্পকাৰে ক্ষুদ্ৰ সমাজ এখনত জাতি আৰু কুলৰ ভেদাভেদৰ কাৰণ, পৰিণতি সুন্দৰভাৱে উপস্থাপন কৰি গল্পটোৰ মাজেৰে সমাজ সংস্কাৰৰ আদৰ্শ এনেদৰে প্ৰকাশ পাইছে— "আজিকালিৰ যি নিয়মৰ জাত, তাক মানুহে পতাহে। ঈশ্বৰে চৰ্জা নহয়। এইটো ধ্ৰুৱ, তেহেলৈ আপোনালোকে যিমানলৈ শাস্ত্ৰৰ পাত লুটিয়া-লুটি কৰক।"

আনহাতে 'ধোৱা-খোৱা', "আমাৰ কানিয়া সভাৰ এক অধিবেশন' নামৰ গল্প দুটাৰ জৰিয়তে গল্পকাৰ বেজবৰুৱাই কানি ৰৰবিহৰ অপকাৰিতা উদঙাই দেখুৱাই অসমীয়া জনজীৱনক জাগ্ৰত কৰিব খুজিছে।

বেজবৰুৱা নিজেই জীৱনৰ বেছিভাগ সময় বিদেশত কটালেও তেওঁ কিন্তু জাতে-পাতে, কামে-কাজে আছিল অসমীয়া। সেয়েহে আধুনিক ইংৰাজী শিক্ষাৰ কবলতাত পৰি নিজৰ ভাষা-সংস্কৃতিক জলাঞ্জলি দি পৰৰ ৰীতি-নীতিক আঁকোৱালি লোৱাজনৰ প্ৰতি বেজবৰুৱাৰ সৃষ্টি হৈছিল মনত তীব্ৰ বিদ্বেষ। সেয়েহে বেজবৰুৱাই জাতিৰ মঙ্গলৰ স্বাৰ্থতে 'মলক গুইন-গুইন', 'ভোকেন্দ্ৰ বৰুৱা', 'জগৰামগুলৰ প্ৰেমাভিনয়' আদি গল্প ৰচনাৰে সেই শ্ৰেণীটো উপলুঙা কৰিছিল। বেজবৰুৱাৰ প্ৰকৃত উদ্দেশ্য আছিল সমাজ সংস্কাৰহে। কেই শ্ৰেণীমান উচ্চ শিক্ষা গহণ কৰিয়েই তৰাং পাশ্চাত্য জীৱনধাৰাৰ প্ৰতি আকৰ্ষিত হোৱা 'ভোকোন্দাই' চৰিত্ৰৰ জৰিয়তে প্ৰকৃততে বেজবৰুৱাই অসমীয়া ভাষা-সংস্কৃতি পাহৰি যাবলৈ খোজাসকলক এক প্ৰকাৰৰ তাগিদা দিছিল। ওপৰে ওপৰে গল্প কেইটাত হাস্য ৰসৰ অৱতাৰণা হৈছে যদিও ভিতৰি ভিতৰি বেজবৰুৱাৰ তীব্ৰ শ্লেষ আৰু ব্যঞ্জনা গল্পকেইটাৰ মূল বস্তু হৈ ধৰা দিছে।

বেজবৰুৱাৰ চিন্তাত প্ৰতিফলিত এনেধৰণৰ আধুনিক মনোভাৱে তেওঁৰ জাতীয় চেতনাক সৱল কৰাৰ লগতে সমাজৰ সকলোধৰণৰ সংকীৰ্ণতাবোধকো এক প্ৰকাৰ মুক্ত কৰিছিল।

অসমীয়া সমাজত সেই কালত প্ৰচলিত বাল্য বিবাহ আৰু বিভিন্ন কু-সংস্কাৰৰ অন্ত পেলোৱাৰ উদ্দেশ্যে বেজবৰুৱাই ৰচনা কৰিছিল 'সেউতী', 'লাওখোলা' আদিৰ দৰে গল্প। বিয়া কি বস্তু সেই কথা বুজি নৌ পাওঁতেই বিধৱা হোৱা নলিনীৰ ওপৰত সমাজখনে যিবোৰ পৰম্পৰা জাপি দিছিল, সেইবোৰে নলিনীৰ শৈশৱক এক প্ৰকাৰ মৰিমুৰ কৰি পেলাইছিল। বয়সৰ জোখেৰে বিয়া সম্পৰ্কে কোনো ধাৰণাই নথকা নলিনীৰ বিয়া সম্পৰ্কে নিজৰ ধাৰণাও আছিল এনেধৰণৰ— "বিয়া মোৰ ধেমালিৰ পুতলাৰ দৰা-কইনাৰ বিয়া নিচিনা বুলি সদাই ভাবিছিলো। হঠাতে এদিন স্বামী ঢুকোৱাৰ বাতৰিয়ে তাইৰ মনৰ মাজলৈ আনন্দহে কঢ়িয়াই আনিছিল। কিয়নো তাইক আৰু কোনেও তেতিয়াৰ পৰা মাক-বাপেকৰ লগ আৰু ঘৰ এৰি যোৱাৰ কথা নকয়। কিন্তু এই ঘটনাই তাইৰ জীৱনলৈ নমাই আনিলে দুৰ্বিসহ যন্ত্ৰণা। নিজৰেই ঘৰৰ মানুহে কঁপালৰ সেন্দুৰ মচি, হাতৰ খাৰু ভাঙি যেতিয়া তাইক অলেখ নতুন নিয়ম কানুনেৰে মেৰিয়াই পেলালে তেতিয়াহে তাই উপলব্ধি কৰিলে- নাৰী জীৱনৰ বাস্তৱতাৰ অন্য এটা দিশৰ কাৰুণ্য। জীৱনৰ এই বাস্তৱতাক অনুধাৱন কৰিবলৈ নিশিকা মানৰ জীৱনৰ এই কাৰুণ্যই গল্পটোৰ মুখ্য বিষয়বস্তু। অসমীয়া সমাজৰ মাজত প্ৰচলিত হৈ থকা কু-সংস্কাৰ আৰু বিধৱা বিবাহৰ বিৰুদ্ধে জাতীয়তাবাদী বেজবৰুৱাৰ এই গল্পটো প্ৰত্যুত্তৰ স্বৰূপ।

একেধৰণৰ সামাজিক দায়বদ্ধতা বেজবৰুৱাই পুনৰ প্ৰকাশ কৰিব খুজিছে 'সেউতী' নামৰ গল্পটোৰ জৰিয়তেই। সমাজৰ ভণ্ডামি আৰু উৰলি যাব খোজা ধ্যান ধাৰণাৰ বশৱৰ্তী হৈ এচাম মানুহে সেউতীক যি অপবাদ জাপি দিলে সেই অপবাদেই তাইৰ মৃত্যুৰ কাৰণ হ'ল। কু-সংস্কাৰেৰে আৱৰা সমাজখনৰ প্ৰতি চৰম ঘৃণা প্ৰকাশেৰে বেজবৰুৱাই এই গল্পটোত অসমীয়া মানুহৰ সংস্কাৰধৰ্মী প্ৰৱণতাক জগাই তুলিব বিচাৰিছিল।

ঘণ্টাকৰ্ণ শৰ্মা, নাঙলুচন্দ, ভেমপুৰীয়া মৌজাদাৰ, ভোম কেৰেলা, মলক গুইন গুইন, মিলাৰামৰ আত্মজীৱনী, ভোকেন্দ্ৰ বৰুৱা, ধৰ্মধ্বজ ফৈচালা নৱীজ, জগৰামগুলৰ প্ৰেমাভিনয় আদিৰ দৰে গল্পৰ মাজেদিও বেজবৰুৱাই সমকালীন সমাজৰ ফোপোলা মানসিকতা তথা ৰীতি-নীতিক তীব্ৰ ব্যংগ আৰু ক্ষোভেৰে উদঙাই সংস্কাৰধৰ্মী প্ৰৱণতা প্ৰকাশ কৰিব খুজিছিল।

বেজবৰুৱাৰ জাতীয়তাবাদীৰ উদ্দেশ্য যিহেতু অসমীয়া জাতিৰ উন্নতিয়েই আছিল, সেয়েহে বেজবৰুৱাই, অসমৰ মানুহৰ সন্মিলিত শক্তিক অধিক সবল কৰি তুলিবলৈ যত্ন কৰিছিল। তাৰ বাবেই বেজবৰুৱাই অসমীয়া জাতীয় জীৱনৰ বিভিন্ন ঘটনা পৰম্পৰাক আলম কৰি সাহিত্য ৰচনাৰে বৃহৎ অসমীয়া জাতি সত্তাৰ ভেটি নিৰ্মাণত অধিক গুৰুত্ব দিছিল। তেওঁৰ একমাত্ৰ উপন্যাস 'পদুম কুঁৱৰী' অষ্টাদশ শতিকাৰ উত্তৰ কামৰূপৰ দন্দুৱাদ্ৰোহৰ ঘটনাৰ আলমত ৰচিত যদিও তাৰ মাজেৰেই বেজবৰুৱাই উজনি-নামনিৰ মানুহৰ ঐক্য প্ৰতিষ্ঠাৰ যত্ন কৰিছিল। আহোম ৰজাৰ নামনিৰ প্ৰতিনিধি বৰফুকনে কামৰূপীয়া প্ৰজাৰ প্ৰতি যি অৱজ্ঞাৰ ভাৱ পোষণ কৰিছিল সেই অৱজ্ঞাই উজনি-নামনিৰ বিদ্বেষৰ ভাৱ পূৰ্বতকৈ দুগুণে বঢ়াই তুলিছিল। হৰদত্তৰ ঘৰৰ কামৰূপী ডেকা সূৰ্য্যকুমাৰৰ প্ৰেমত পৰি বৰফুকনৰ জীয়ৰী পদুমে উজনি-নামনিৰ মিলনত আশা সঞ্চাৰ কৰিছিল। কিন্তু পদুমৰ কামৰূপ বিদ্বেষী পিতৃয়ে সেই বিয়াত বাধা কৰিছিল। কিন্তু দিয়াৰ বাবেই অৱশেষত দুই প্ৰেমিকক মৃত্যুমুখলৈ ঠেলি দিলে। কিন্তু কামৰূপ বিদ্বেষী ৰাজ প্ৰতিনিধিয়ে তেওঁৰ হাউলীতে মৃত্যুবৰণ কৰা দুই প্ৰেমিক-প্ৰেমিকাক একেলগে সমাধিস্থ কৰিলে। অৰ্থাৎ উজনিৰ ৰজাৰ নামনি বিদ্বেষৰ সমাধিত উজনিৰ কইনা পদুম কুঁৱৰীয়ে নিজৰ প্ৰাণ বিসৰ্জন দি ঐক্যৰ পদুম ফুল ফুলালে। সেয়েহে ড° গোবিন্দ প্ৰসাদ শৰ্মাই বেজবৰুৱাৰ উজনি-নামনিৰ আঞ্চলিক বৈষম্য দূৰ কৰাৰ এই কাহিনীটোৰ সন্দৰ্ভত এনেদৰে মন্তব্য দিছিল— "পদুম কুঁৱৰী উপন্যাসৰ নায়িকা- চৰিত্ৰৰ যোগেদি জাতীয় ঐক্যৰ মসৃন প্ৰতিফলন ঘটিছে। উজনি-নামনিৰ মাজৰ বিদ্বেষ আৰু শত্ৰুতাৰ এই সমাধিত এনেকৈয়ে যেন প্ৰেমৰ ফুলি উঠিল।"

লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰবল ঐতিহ্য চেতনা আৰু জাতীয় দায়বদ্ধতাৰ স্বৰূপ ধৰা পৰিছিল তেওঁৰ ৰচনা কৰি থৈ যোৱা বিশাল প্ৰবন্ধৰাজিৰ মাজতো। অসমীয়া সমাজ তথা জাতিটোক প্ৰতিটো সময়তে সজাগ কৰি ৰাখিবলৈ বেজবৰুৱাই যিসমূহ তথ্যপূৰ্ণ প্ৰবন্ধ ৰচনা কৰিছিল, সেইসমূহক প্ৰধানত (ক) পোনপটীয়া ভাষাৰ বিশ্লেষণমূলক প্ৰবন্ধ আৰু (খ) পৰোক্ষ সমালোচনামূলক অথবা ব্যংগ ভাৱৰ সমালোচনামূলক প্ৰবন্ধ এই দুটা ভাগত ভগাব পাৰি।

গভীৰ যুক্তিনিষ্ঠতা, তথ্য নিৰ্ভৰ চিন্তাশীলতা তথা নতুন নতুন ভাৱাদৰ্শৰ সমাগম, গভীৰ সমাজ চেতনাৰ অৱতাৰণা আদিয়েই এই প্ৰবন্ধসমূহৰ ঘাই দিশ আছিল। জাতীয়বাদী বেজবৰুৱাজন যেন সম্পূৰ্ণ ৰূপত পোহৰলৈ আহিছিল এই তাত্বিক প্ৰবন্ধসমূহৰ জৰিয়তে। শংকৰদেৱ চৰ্চা আছিল বেজবৰুৱাৰ জাতীয়তাবোধৰ অন্যতম দিশ। গভীৰ অন্তদৃষ্টিৰে তেওঁ শংকৰদেৱৰ সাহিত্য, দৰ্শন আদিৰ মূল্যায়ন কৰি যুগনায়ক শংকৰদেৱক আধুনিক দৃষ্টিৰে অসমীয়াৰ হৃদয় আৰু বৌদ্ধিক জগতত প্ৰতিষ্ঠা কৰিছে। বেজবৰুৱাৰ শংকৰদেৱ অধ্যয়নৰ মূল উদ্দেশ্য আছিল অসমীয়া জাতীয়তাৰ ভেটি গঢ়াত শংকৰী সাহিত্যৰ অৱদান বা গুৰুত্ব বিচাৰ কৰাৰ লগতে সৰ্বভাৰতীয় ভক্তি আন্দোলনত শংকৰদেৱৰ স্থান নিৰ্ণয় কৰি যোৱা।

বেজবৰুৱাই শৈশৱতে শংকৰদেৱৰ সংস্কৃতিৰ উমান পাইছিল। পিতৃ ডাঙৰীয়া দীননাথ বেজবৰুৱাৰ সহযোগত বেজবৰুৱাই ঘৰুৱা বৈষ্ণৱ পৰম্পৰাৰ যিদৰে সোৱাদ পাইছিল, সেইদৰেই সত্ৰ, নামঘৰ ইত্যাদিতো বিভিন্ন উপলক্ষ্যত অংশগ্ৰহণ কৰিও তেওঁ বৈষ্ণৱ ধৰ্মৰ পৰম্পৰা-আদৰ্শৰ প্ৰতি গভীৰভাৱে আকৰ্ষিত হৈছিল। পিছলৈ অসমৰ জাতীয় জীৱনত শংকৰদেৱৰ যি আধ্যাত্মিক আৰু সাহিত্যিক বৰঙণি, সেয়া সঠিক মূল্যায়ন কৰিবলৈকে বেজবৰুৱাই হাত দি প্ৰকৃতাৰ্থত শংকৰদেৱক ধৰ্মীয় গুৰুৰ স্থানৰ পৰা ভক্তিভাৱে বাহিৰৰ জগতখনলৈ উলিয়াই আনিলে। সেইদৰে সংস্কৃতিৰ বৰচ'ৰাত শংকৰদেৱৰ প্ৰাপ্ত সন্মান প্ৰদান কৰাত বেজবৰুৱাই সম্পাদনা কৰা 'বাঁহী' আলোচনীৰ ভূমিকাও আছিল অন্যতম। এই আলোচনীতেই নিজে শংকৰদেৱৰ বিৰোধী অপশক্তিৰ বিৰুদ্ধে বেজবৰুৱাই মত প্ৰকাশ কৰি অনেক লেখা লিখিছিল। আনহাতে মাধৱদেৱ সম্পৰ্কীয় চিন্তা-চৰ্চাৰো এজন অন্যতম বাটকটীয়া আছিল বেজবৰুৱা। বিভিন্ন সময়ত বেজবৰুৱাই ৰচনা কৰা শংকৰ-মাধৱ সম্পৰ্কীয় ৰচনাসমূহ আছিল এনেধৰণৰ— শ্ৰীশ্ৰীশংকৰদেৱ (১৯১১), মহাপুৰুষ শ্ৰীশ্ৰীশংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱ (১৯১৪) তত্ত্বকথা (১৯৬৩) (মৰণোত্তৰ কালত প্ৰকাশিত)।

বেজবৰুৱাৰ শংকৰদেৱ অধ্যয়ন বিষয়ক প্ৰথম গ্ৰন্থখন অৰ্থাৎ "শ্ৰীশ্ৰী শংকৰদেৱ" নামৰ জীৱনীখন ১৯১১ চনত প্ৰকাশিত হৈছিল। এই গ্ৰন্থৰ ৰচনাৰ ঘাই উদ্দেশ্য আছিল অসমৰ মানুহৰ মন শংকৰী আদৰ্শ আৰু ধৰ্মৰ প্ৰতি আকৰ্ষণ কৰাটোৱেই। বেজবৰুৱাই প্ৰকৃতাৰ্থত এই গ্ৰন্থখন গুৱাহাটীৰ 'অসমীয়া ভা-উ-সা-স'ৰ প্ৰশ্ন কিছুমানৰ উত্তৰ স্বৰূপেহে লিখিছিল। তথাপিও এই গ্ৰন্থখনেই অসমৰ জাতীয় জীৱনৰ কৰ্ণধাৰ শংকৰদেৱৰ ধৰ্ম দৰ্শনৰ ফালে সমগ্ৰ অসমীয়াৰ মন আকৰ্ষণ



কৰাত সফল হৈছিল। গ্ৰন্থখন ৰচনাৰ পূৰ্বতে শংকৰদেৱ সম্পৰ্কে অসমত দুই এখন চৰিত পুথি ৰচিত হৈছিল। এই চৰিত পুথি অধ্যয়নৰ লগতে পিতৃ দীননাথ বেজবৰুৱাই ৰচনা কৰা 'গুৰু চৰিত' নামৰ শংকৰদেৱ-মাধৱদেৱ পুথিখনৰ আলম লৈ বেজবৰুৱাই 'শ্ৰীশ্ৰী শংকৰদেৱ' গ্ৰন্থ লিখাৰ কথা গম পোৱা যায়। গ্ৰন্থখনত ২৫ টা অধ্যায়ত শংকৰদেৱৰ জীৱনৰ কিছুমান কথা সংক্ষেপে আলোচনা কৰি পিছৰফালে শংকৰদেৱৰ অমূল্য গ্ৰন্থৰাজিৰ মাজত নিহিত থকা তত্ব, উপদেশ আৰু সাহিত্যিক সৌন্দৰ্য্যৰ বিষয়ে বহলাই আলোচনা কৰিছে। দৰাচলতে শংকৰদেৱ যে এজন ধৰ্ম প্ৰচাৰকেই নাছিল তেওঁ বহু উচ্চ খাপৰ সাহিত্যৰ জনকো আছিল। সেই দিশটোক উদঙাই দেখুৱাবলৈ বেজবৰুৱাই অনবৰতে প্ৰয়াস কৰিছিল। শংকৰদেৱৰ সাহিত্যৰ সম্পৰ্কেও তেওঁ যিবিলাক মন্তব্য কৰিছিল, সেই মন্তব্যবোৰেও অসমীয়া মানুহৰ মনত শংকৰদেৱৰ ভাৱমূৰ্তি আৰু বৈষ্ণৱ ধৰ্মৰ মহত্বকে উজলাই তুলিছিল। উদাহৰণ স্বৰূপে- শংকৰদেৱৰ কীৰ্তন সম্পৰ্কে তেওঁ এই ধৰণে মন্তব্য কৰিছে যে— "ভাষাৰ ললিতা, ছন্দৰ ঝংকাৰ, সুৰৰ লাৱণ্য, ভাৱৰ মাধুৰ্য্য, ভক্তিৰ দৃঢ়তা, চিন্তাৰ তুচ্ছতা আদিৰ সমষ্টিৰে শংকৰদেৱৰ কীৰ্তন চৰিত।" আকৌ কীৰ্তনৰ ভাষা সম্পৰ্কে বেজবৰুৱাৰ মন্তব্য এনেধৰণৰ— "যি আসাম দেশত কীৰ্তন পুথিৰ নিচিনা গ্ৰন্থৰ জনম, সেই আসাম দেশ সাহিত্যত কেতিয়াও দুখীয়া হ'ব নোৱাৰে, যি ভাষা এনে ৰত্নৰে খচিত এই ভাষা চিৰ উজ্বল।" এইটোৱেই আছিল বেজবৰুৱাৰ জাতীয় দায়বদ্ধতাৰ অন্য এটা দিশ।

শংকৰদেৱে ৰচনা কৰি থৈ যোৱা 'ৰুক্মিণী হৰণ' কাব্যখনৰ সম্পৰ্কেও বেজবৰুৱাই উচ্চ খাপৰ সমালোচনা কৰি 'ৰুক্মিনী হৰণ' কাব্য সম্পৰ্কে তেওঁ মত পোষণ কৰিছে এনেদৰে— "ৰুক্মিণী হৰণ' অসমীয়া মতা মানুহৰ কাণৰ লংকেৰু, হাতৰ গাম খাৰু, আঙুলিৰ বাখৰ পতোৱা আঙুঠি আৰু তিৰোতা মানুহৰ দিঙিৰ কুট মণি, গলপতা আৰু সাতসৰী হাৰ। শংকৰদেৱৰ যতবিলাক সুমধুৰ ললিত ৰচনা আছে সেইবোৰৰ ভিতৰত 'ৰুক্মিণী হৰণ' শ্ৰেষ্ঠ।"

শংকৰ-মাধৱৰ জীৱনৰ আধাৰত ৰচনা কৰা দ্বিতীয়খন গ্ৰন্থ অৰ্থাৎ "শ্ৰীশ্ৰী শংকৰদেৱ আৰু শ্ৰীশ্ৰী মাধৱদেৱ" বেজবৰুৱাৰ শংকৰদেৱ-মাধৱদেৱ চৰ্চাৰ অন্যতম নিদৰ্শন। এই গ্ৰন্থত বেজবৰুৱাই পাতনিতে শংকৰদেৱ সম্পৰ্কে এনেদৰে মন্তব্য কৰিছিল— "চোৱাচোন শংকৰদেৱৰ কি ন্যায়-নিষ্ঠা, স্বাৰ্থ ত্যাগ আৰু স্বধৰ্মত ৰতি। তেওঁ শিৰোমণি ভূঞা ৰজাৰ নিচিনা, তেওঁৰ ক্ষমতা, ঐশ্বৰ্য্য, দাস-দাসী সম্পদেৰে পৰিবৃত্ত। তেওঁৰ কিহৰ অভাৱ আছিল যে এনে সুখ, সম্পদ, সম্ভ্ৰমৰ জীৱন, পৰিত্যাগ কৰি বিপদ সংকুল ধৰ্মপ্ৰচাৰকৰ জীৱন অৱলম্বন কৰি দুখীয়া ছাল ছিগা ভিকহু সৰ্বজয়, বলৰাম, পৰমানন্দৰ নিচিনা ভকতক গোট বান্ধি লৈ ফুৰি দৰিদ্ৰৰ কঠোৰ অৱস্থাক অৱলম্বন কৰি নিজেই দৃঢ় বিশ্বাস কৰা ধৰ্মক পৰৰ উপকাৰৰ নিমিত্তে ব্যৱহাৰ কৰাটো....।"

শংকৰদেৱৰ লগতে মাধৱদেৱৰ আত্ম ত্যাগ, গুৰু ভক্তি আদি দিশকো বেজবৰুৱাই আলোচ্য গ্ৰন্থখনত উদঙাই আজীৱন শংকৰদেৱ আৰু কৃষ্ণৰ ওচৰত আত্ম সমৰ্পন কৰি ধৰ্ম প্ৰচাৰ আৰু সাহিত্যিক অৱদানেৰে অসমীয়া জাতিক প্ৰাণ প্ৰতিষ্ঠা কৰা বুলি দৃঢ় মত পোষণ কৰিছে।

শংকৰদেৱক অসমৰ জাতীয় জীৱনৰ মহানায়ক হিচাপে অভিহিত কৰি তেওঁ সমগ্ৰ অসমীয়া মানুহলৈ এই আহ্বান জনাইছিল যে শংকৰদেৱে যিদৰে স্বেচ্ছাচাৰী ৰজাৰ তলত থাকিও পণ্ডিত ব্ৰাহ্মণৰ বিৰুদ্ধবাদী হৈ আচলৰ গাঠিত জীৱনটো বান্ধি ধৰ্মমত প্ৰচাৰ কৰিছিল সেয়া অনুভৱ কৰিব পাৰিলেহে প্ৰকৃত অসমীয়া হিচাপে নিজক চিনাকি দিব পৰা যাব।

'বাঁহী' আলোচনীৰ পাততো বেজবৰুৱাই শংকৰী ধৰ্ম, সাহিত্য-সংস্কৃতিক বিশ্লেষণ কেইবাবাৰো আগবঢ়াইছিল। 'বাঁহী' আলোচনীৰ ষষ্ঠ বছৰৰ দ্বিতীয় সংখ্যাত তেওঁ এই বুলি কৈ থৈ গৈছে যে - 'অসমীয়া জাতীয়তাবাদ গঠন কৰিবৰ নিমিত্তে যি যি বস্তুৰ আৱশ্যক, সেই সকলো মহাপুৰুষ শংকৰদেৱে দান কৰি থৈ গৈছে।' আকৌ 'বাঁহী' আলোচনীৰ ষষ্ঠ বছৰৰ দশম সংখ্যাত শংকৰদেৱ আৰু তেওঁৰ ৰচনা কৰা 'কীৰ্তন' পুথিৰ গৌৰৱ গাথা বেজবৰুৱাই এনেদৰে প্ৰকাশ কৰিছিল— "পৃথিৱীৰ য'তবোৰ সুন্দৰ গ্ৰন্থ আছে, আমাৰ শংকৰদেৱ বিৰচিত 'কীৰ্তন' সেই সকলোবোৰৰ ভিতৰত শিৰৰ মুকুট। সেইবাবে আমি প্ৰত্যেক অসমীয়াই এই নগণ্য অকিঞ্চিতকৰ জীৱন পৰ্যন্ত পাত কৰি আসামৰ অতীত গৌৰৱ কাহিনীৰ বিজয় স্তম্ভৰ ওপৰত থকা শংকৰদেৱ পতাকা ৰক্ষা পৰিল।"....

তদুপৰি 'বাঁহী' আলোচনীত বেজবৰুৱাই নিজৰ কঠোৰ ভাষাৰে যুক্তি দাঙি ধৰি অসমৰ জাতীয় জীৱনৰ কৰ্ণধাৰ শংকৰদেৱ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰাত আগভাগ ল'ব লগা হৈছিল।

প্ৰকৃতাৰ্থত বেজবৰুৱাই শংকৰদেৱক এজন সমাজ সংস্কাৰক আৰু ধৰ্ম সংস্কাৰক হিচাপে পোহৰলৈ আনি শংকৰদেৱ বিৰোধীসকলক কঠোৰ ভাষাৰে মৰিমূৰ কৰি তুলিছিল 'বাঁহী' আলোচনীৰ বুকুত। সেয়েহে বেজবৰুৱাৰ শংকৰদেৱ অধ্যয়নৰ দ্বাৰা অসমৰ জনসাধাৰণে শংকৰদেৱ সম্পৰ্কে নতুন ধাৰণা এটা গ্ৰহণ কৰিবলৈ সক্ষম হ'ল। বৈজ্ঞানিক দৃষ্টিৰে শংকৰদেৱৰ ধৰ্ম আৰু সাহিত্যৰাজিৰ যি নিৰ্মূল বিশ্লেষণ বেজবৰুৱাই আগবঢ়ালে, সেয়াই অসমৰ জাতীয় গৌৰৱৰ প্ৰতীক হিচাপে শংকৰদেৱক গঢ়ি তোলাত গুৰুত্বপূৰ্ণ অৰিহণা যোগালে। আনহাতে বেজবৰুৱাৰ শংকৰদেৱ অধ্যয়নে আধুনিক অসমীয়া সাহিত্যত বিষয় সম্পৰ্কে ক্ষেত্ৰত নতুনত্বৰ সন্ধান, গভীৰতা আৰু বিস্তৃতি প্ৰদান কৰিলে।

বেজবৰুৱাৰ দ্বাৰা সম্পাদিত 'বাঁহী' নামৰ আলোচনীখন অসমীয়া জাতীয় জীৱনৰ নেতৃত্ব বহনকাৰী এখন আলোচনী হিচাপে

পৰিচিত। বিংশ শতিকাৰ প্ৰথম তিনিটা দশকৰ সময়চোৱাত এই 'বাঁহী' আলোচনীৰ অসমীয়া সমাজ আৰু ভাষা সাহিত্যক এক প্ৰকাৰ বৌদ্ধিক নেতৃত্ব প্ৰদান কৰিছিল। প্ৰকৃতাৰ্থত 'বাঁহী' আছিল জাতীয়তাবাদী বেজবৰুৱাৰ মানৰ পুত্ৰ। হৃদয়ত এক প্ৰবল জাতীয় উত্তাপ ধাৰণ কৰি বেজবৰুৱাই অলেখ কষ্টৰ মাজেৰে নিজৰ সম্পাদনাত, নিজৰ খৰচত 'বাঁহী' উলিয়াবলৈ সিদ্ধান্ত লয়। অসমৰ জনজীৱনৰ প্ৰতি তেওঁৰ দায়বদ্ধতা তথা ভাষা-সাহিত্য-সংস্কৃতিৰ উত্তোৰণৰ ক্ষেত্ৰত 'বাঁহী'এ প্ৰবল ভূমিকা লৈছিল। বেজবৰুৱাৰ সম্পাদনাত প্ৰকাশিত ১৯০৯ চনৰ পৰা ১৯৩৪ চনলৈ 'বাঁহী' সংখ্যাসমূহ আছিল অসমৰ জাতীয় জীৱনৰ বাবে গতি নিৰ্দেশক বৌদ্ধিক সমল। বেজবৰুৱাই 'বাঁহী'ত ৬৪ টা সম্পাদকীয় প্ৰবন্ধ লিখি অসমীয়া ভাষা-সাহিত্য, ধৰ্ম-বিজ্ঞান, স্বাস্থ্য, ধৰ্মীয় বিতৰ্ক আদিক পাঠকৰ দৃষ্টিগোচৰ কৰিছিল। এই 'বাঁহী' অসমীয়া ভাষা-সাহিত্যলৈ যুগান্তকাৰী অৱদানসমূহ হ'ল— চিন্তা গধুৰ প্ৰবন্ধসমূহ, নতুন ৰূপৰ কবিতাসমূহ, ভাষাতাত্ত্বিক বিতৰ্কসমূহ, জাতিভেদ প্ৰথাৰ বিৰোধ কৰা আলোচনাসমূহ আৰু যুক্তিশীল চিন্তাৰ সমাহাৰ ঘটা গ্ৰন্থ সমালোচনাসমূহ। দৰাচলতে 'বাঁহী'য়ে সমকালীন অসমীয়া মানুহৰ মাজত ভাষিক, সামাজিক, সাংস্কৃতিক আৰু আধ্যাত্মিক জাগৰণ সৃষ্টি কৰিছিল। 'বাঁহী'ৰ সম্পাদকীয় ৰচনাতে বেজবৰুৱাই অধিক গুৰুত্ব দিছিল ধৰ্মীয় বিতৰ্ক আৰু আলোচনাক। সেইসমূহ আছিল এনেধৰণৰ— শংকৰদেৱ আৰু মাধৱদেৱৰ সৃষ্টিৰাজিৰ সাহিত্যিক মূল্যায়ন, শংকৰদেৱ আৰু দামোদৰদেৱৰ ধৰ্মমতৰ মাজত থকা আদৰ্শগত অভেদৰ বিষয়ে আলোচনা, শংকৰী ধৰ্মত মানৱীয়তাৰ সন্ধানসূচক আলোচনা, সামাজিক ঐক্য সাধন কৰাত নৱ-বৈষ্ণৱ ধৰ্মৰ গুৰুত্ব, ভূমিকা আৰু প্ৰাসংগিকতাৰ আলোচনা, শংকৰদেৱৰ জীৱনৰ মূল্যায়ন বিষয়ক আদি শংকৰদেৱৰ ধৰ্ম দৰ্শনত তাত্ত্বিক দিশৰ বিচাৰ সম্পৰ্কীয় আলোচনা আৰু নাম ধৰ্মৰ মাহাত্ম্য বিচাৰ আদি দিশৰ আলোচনা ইত্যাদি। 'বাঁহী'ৰ ধৰ্মমতৰ তৰ্ক-বিতৰ্কই অসমত শংকৰদেৱৰ ধৰ্ম সম্পৰ্কে প্ৰধান বুনিয়াদ ৰচনা কৰি দিছিল বুলিলেও বঢ়াই কোৱা নহয়।

'বাঁহী'ত বেজবৰুৱাৰ ভাষা ভিত্তিক চেতনাও প্ৰবল ৰূপত প্ৰকাশিত হৈছিল। দৰাচলতে বেজবৰুৱাৰ অন্যতম এটি ৰূপ কৃপাবৰে অসমীয়া জাতীয় জীৱনৰ প্ৰতিটো দিশলৈ চকু ৰাখিছিল কৰবাত এচুলি মানুহ খেলিমেলি হোৱা দেখিলেই কৃপাবৰৰ সংস্কাৰকামী মনটো ক্ৰোধান্বিত হৈ উঠিছিল। অসমীয়া ভাষাৰ যতেই ভুল প্ৰয়োগ ঘটিছিল ততেই তেওঁ নিৰ্মম হৈ উঠিছিল। অসমীয়া ভাষাক প্ৰকৃতাৰ্থত আধুনিক আৰু প্ৰকাশিকা শক্তি সম্পন্ন কৰি তুলিবলৈ 'বাঁহী'ৰ যোগেদিয়েই বেজবৰুৱাই এক প্ৰকাৰৰ সংগ্ৰাম চলাইছিল। উদাহৰণস্বৰূপে 'বাঁহী'ৰ প্ৰথম বছৰ নৱম সংখ্যাৰ পৰা দ্বাদশ সংখ্যালৈ তেওঁ 'অসমীয়া গৌৰীপুৰত বঙ্গলা সাহিত্য সভা' নামেৰে যি দীঘলীয়া প্ৰবন্ধ লিখিছিল তাত অসমীয়া ভাষা যে বঙালী ভাষাৰ পৰা পৃথক সেই কথা ৰাৰুকৈয়ে প্ৰতিপন্ন কৰিছিল। উল্লেখযোগ্য যে অসমৰ গৌৰীপুৰ অঞ্চলৰ প্ৰভাত চন্দ্ৰ বৰুৱা নামৰ ব্যক্তিজনে বংগীয় সাহিত্য পৰিষদৰ বিষয়ববীয়াসকলক নিমন্ত্ৰণ জনাই পতা এখন সভাত কটন কলেজৰ অধ্যাপক পদ্মনাথ বিদ্যাবিনোদে অসমীয়া ভাষাক বঙালী ভাষাৰ এটা ৰূপহে বুলি মন্তব্য কৰিছিল। সেয়েহে বিদ্যাবিনোদৰ এই মন্তব্যক প্ৰতিহত কৰিবলৈ তেওঁ এই দীঘলীয়া প্ৰবন্ধটো লিখি বঙালী পণ্ডিতৰ ভাষা আগ্ৰাসনৰ বিৰুদ্ধে এক প্ৰকাৰ হুমকি কৰিছিল এনেদৰে— 'অসমীয়া আখৰকেইটা বঙালী আখৰৰ নিচিনা হোৱা বাবেই জগৰ লাগিল নেকি? তোমালোকৰ ল'ৰালি দেখি এনেহে মনে ধৰে নে ৰোমান বৰ্ণমালাৰ যদি দৈবাৎ, তোমালোকৰ বৰ্ণমালাৰ সৈতে সাদৃশ্য থাকিলেহেঁতেন তেন্তে ইংৰাজী, ফ্ৰেন্স, জাৰ্মানি আদি গোটেই ইউৰোপী ভাষায়ে তোমালোকৰ ভাষাৰ অপভ্ৰংশ বুলি তোমালোকৰ কাকতত প্ৰবন্ধ লিখিলাহেঁতেন।"

তদুপৰি বঙলা ভাষাক অন্ধভাৱে সমৰ্থন কৰা অসমীয়া মানুহকো বেজবৰুৱাই কথাৰে আক্ৰমণ কৰি ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰিছিল, যাতে সোনকালে তেওঁবিলাকক তেওঁ সুমতি প্ৰদান কৰে।

এইয়া জাতিপ্ৰেমী কৃপাবৰীৰূপী বেজবৰুৱাৰ অসমীয়া ভাষাৰ প্ৰীতিৰ অনন্য নিদৰ্শন। অসমীয়া মানুহৰ মাজত উজনি আৰু নামনিৰ ভাষাৰ পাৰ্থক্যই যাতে অসমীয়া ভাষাৰ গুৰিত বিভেদৰ সৃষ্টি নকৰে, তাৰ প্ৰতিও বেজবৰুৱাই দৃষ্টি ৰাখিছিল। 'বাঁহী' আলোচনীৰ প্ৰথম বছৰ দ্বিতীয় সংখ্যাত 'অসমীয়া ভাষাৰ সম্পৰ্কে আৰু দুআষাৰমান কথা' শীৰ্ষক লেখাত জাতিপ্ৰেমী বেজবৰুৱাই সমগ্ৰ অসমৰ অসমীয়াক এই বুলি আহ্বান জনাইছিল— "অসমীয়া ভাষা উজনিৰো অকলশৰীয়া ভাষা নহয়, ভাটীৰো অকলশৰীয়া ভাষা নহয়, সি গোটেই অসমৰ ভাষা। শংকৰ-মাধৱ আৰু কণ্ডলীসকলৰ দিনৰে পৰা আজিলৈকে যি ভাষাত কিতাপ পুথি ৰচি আহিছে, যি ভাষাত অসমৰ মানুহে ঘাইকৈ ওপৰ খাপৰ মানুহে ইজনে সিজনৰ ভিতৰত দিনৌ মনৰ ভাৱ সলনা-সলনি কৰি আহিছে আৰু কৰে; সেইটোৱেই অসমৰ ভাষা। সেই ভাষাটোত উজনিৰ প্ৰাধান্য থাকিব পাৰে, উজনিৰ মাত-কথা প্ৰকাশ কৰিবৰ ভংগী সৰহীয়াকৈ থাকিব পাৰে আৰু ভাতিৰ তাকৰিয়াকৈ থাকিব পাৰে। কিন্তু সি যে অসমৰ আচল অসমীয়া ভাষা তাত সন্দেহ নাই।"

সেযেহে তেওঁ ভাষাৰ নামত উজনি-নামনি খুচৰিবলৈ যোৱাটোক অশোভনীয় কৰ্ম বুলি কৈ কৈছিল - 'উজনি ভাটী একেটা হৈ অসমীয়া জাতি আৰু অসমীয়া ভাষা। যাক লৈ অসমীয়া ভাষাৰ গৌৰৱ, যাৰ অমৃতময়ী লেখনিয়ে অসমীয়া ভাষাক অমৰ কৰিলে, সেই শংকৰদেৱ মাধৱদেৱৰ প্ৰধান কৰ্মস্থান ভাটীহে আছিল।...সেইদেখিহে কওঁ এতিয়া এনে দিনত অসমৰ উজনি ভাটী বিচাৰি ভিন্ন ভাৱ খুচৰিবলৈ যোৱাটো বৰ অশোভন কাৰ্য্য! আৰু



খোচৰাসকল কেতিয়াও কৃতকাৰ্য্য নহয়।'

আধুনিক অসমীয়া সাহিত্যৰ ভেটি মজবুত কৰা প্ৰবল জাতীয়তাবাদী বেজবৰুৱাই সমগ্ৰ অসমৰ মানুহৰ হীনমান্যতাক নাশ কৰিবলৈও অহৰহ যত্ন কৰিছিল। আনৰ বস্তু ভাল, নিজৰ বেয়া, এনে মনোভাৱক সেয়ে তেওঁ কৃপাবৰৰ ভূমিকাৰে তীব্ৰ সমালোচনা কৰিছিল। সেয়েহে অসমীয়া শিক্ষিত মানুহক তেওঁ সম্বোধন কৰি এই বুলি কৈছিল— "অসমীয়া শিক্ষিত ভাই যিয়েই যিহকে কওক সেইবিলাক কথালৈ আওকাণ কৰি, আহা আমি অসমীয়া সাহিত্যৰ উন্নতিৰ অৰ্থে দিনে ৰাতিয়ে পৰিশ্ৰম কৰি কিতাপ লেখোঁ, কাকতত সাৰুৱা প্ৰবন্ধ লেখা, সভাত অসমীয়া পাঠ ৰচনা কৰোঁ, অসমীয়াৰে বক্তৃতা দিবলৈ শিকোহ'ক, ইংৰাজী আদি ভাষাৰ পৰা ভাল ভাল সাৰুৱা পুথি আমাৰ ভাষালৈ ভাঙি আমাৰ ভাষাক শকত আৱত কৰোঁহ'ক।" কেৱল ইমানেই নহয় অসমীয়া ভাষাৰ ভৱিষ্যত সম্পৰ্কেও তেওঁ মন্তব্য কৰিছিল এনেদৰেহে— " এই তেজ থকালৈকে জাতি থাকিব। এই জাতি থকালৈকে ভাষা থাকিব।" অৰ্থাৎ বেজবৰুৱাৰ বিশ্বাস আছিল সৰু হ'লেও অসমীয়া জাতি নমৰে।

বেজবৰুৱাৰ পত্ৰলেখাসমূহৰ মাজতো প্ৰবল জাতীয়তাবাদৰ চেতনা প্ৰৱাহিত হৈ আছিল। প্ৰকৃতাৰ্থত বেজবৰুৱাই বিভিন্ন সময়ত, বিভিন্ন জন ব্যক্তিলৈ দিয়া (পঠিওৱা) পত্ৰসমূহৰ মাজত স্বদেশ আৰু স্বজাতিৰ প্ৰতিও গভীৰ মৰম আৰু দায়বদ্ধতা স্বৰূপ প্ৰকাশ পাইছে। জাতীয় চেতনাৰ সদা জাগ্ৰত প্ৰহৰী বেজবৰুৱা ব্যক্তিগত জীৱনৰ গুৰুত্বপূৰ্ণ কথাৰ লগতে পত্ৰসমূহত জাতীয় জীৱনৰ ৰূপান্তৰ কামনাও কৰিছিল। এই মনোভাৱ সৃষ্টিৰ অন্তৰালত ক্ৰিয়া কৰিছিল অসমৰ ঐতিহ্যৰ প্ৰতি সচেতন মনোভাৱ, মহাপুৰুষসকলৰ প্ৰতি ঐকান্তিক শ্ৰদ্ধা আদি। তেওঁক অসমীয়া ভাষা-সাহিত্যক বিকৃত কৰা কাৰ্য্যক যে কোনো ৰকমে সহজভাৱে ল'ব পৰা নাছিল আৰু তেনে কাৰ্য্যৰ পৰা সকলোকে আঁতৰি থাকিবলৈ যে আহ্বান জনাইছিল সেই কথা এখন পত্ৰত ধৰা পৰিছিল এনেদৰে— "পুৰণি অংকীয়া নাটৰ ভাষাত আমাৰ হাত দিবৰ কোনো অধিকাৰ নাই। বিদ্যাপতিৰ ব্ৰজাৱলীত গীত মাত যেনে আছে তেনেকৈ নিখুতকৈ ৰাখিহে তাৰ অভিনয় আৰু গীত কৰা হয়। আধুনিক অসমীয়া ভাষাত নকৈ সুকীয়া নাটক লিখক, নাট্যকাৰে পুৰণিক হাত নিদিব, যেনে আছে তেনেকৈয়ে তাক ৰখক।"

ঐতিহ্যৰ প্ৰতি এই ধৰণৰ শ্ৰদ্ধা আৰু সচেতন মনোভাৱৰ বাবেই তেওঁ মুছলমানে মহম্মদক, খ্ৰীষ্টানে যিশুখ্ৰীষ্টক ষ্টেজত নুতোলাৰ দৰে আমাৰ শংকৰদেৱ মাধৱদেৱকো ষ্টেজত তোলাটো উচিত নহ'ব বুলি কৈছিল। আনহাতে পত্ৰৰ জৰিয়তেই অসমীয়া শিক্ষিত সমাজৰ প্ৰাণত জাতীয় চেতনাৰ মনোভাৱ বৃদ্ধি কৰিবলৈ এই বুলি আহ্বান জনাইছিল— "আমাৰ শিক্ষিতসকলে অংকীয়া নাটৰ ভাষাত হাত নিদি বৰ্তমান কালৰ উপযোগী আহিলা পাতিৰ আৰু গঢ়েৰে যদি তাক থিয়েটাৰত অভিনয় কৰিবলৈ ধৰে, তেন্তে সি অকল অসমীয়াৰে নহয়, ভাৰতৰ আন জাতিৰ মানুহৰো দৃষ্টি আকৰ্ষণ কৰিব।"

স্বদেশ আৰু স্বজাতিৰ উন্নতিৰ প্ৰতি দায়বদ্ধ সকলো সাহিত্য তথা শিল্প-কৰ্মৰে শলাগ লোৱাটো বেজবৰুৱাৰ পত্ৰৰ অন্যতম দিশ আছিল। এই কথা বেজবৰুৱাই প্ৰাথমিক দায়িত্ব বুলি জ্ঞান কৰিছিল। দেশ-জাতি-মাটিৰ বাবে মহৎ কৰ্ম কৰাৰ বাবে উঠি অহা চামক অনুপ্ৰেৰণা যোগাবলৈ আগবাঢ়ি অহাটো বেজবৰুৱাৰ জাতীয় চেনাৰেই নামান্তৰণ আছিল।

বেজবৰুৱাই জ্যোতিপ্ৰসাদ আগৰৱালালৈ লিখা এখন চিঠিত বেজবৰুৱাৰ এনে স্বৰূপ ধৰা পৰিছিল এইদৰে— "তোমাৰ ৰেকৰ্ডে গতানুগতিকভাৱে বঙলাৰ খোজে খোজ দি নগৈ প্ৰকৃত অসমীয়া জাতীয় সুৰ আৰু মাত-কথাৰ জোকাৰ সকলোৱে লগত প্ৰকাশ কৰি দিছে। আকৌ কওঁ— "I am proud of your achievement"।" অৰ্থাৎ চেনোলা কোম্পানীৰ পৰা জ্যোতিপ্ৰসাদৰ জয়মতীৰ ৰেকৰ্ডখন ওলোৱাৰ পিছতে সেইখন শুনি এই চিঠিৰে জ্যোতিপ্ৰসাদৰ শলাগ লৈছিল বেজবৰুৱাই।

তেনেদৰে নিজৰা কবি শৈলধৰ ৰাজখোৱাৰ 'নিজৰা' নামৰ কবিতা পুথিখন পঢ়িও শলাগ আৰু অনুপ্ৰেৰণাৰ সুৰত বেজবৰুৱাই পত্ৰ লিখিছিল এনেদৰে— "প্ৰিয় ৰাজখোৱা, আপোনাৰ 'নিজৰা' পাই পঢ়ি আপোনাৰ শলাগ লৈছোঁ। নিশ্চয় 'নিজৰা' ওখ শাৰীৰ খণ্ড কবিতাৰ সমষ্টি। কিতাপখন পঢ়ি শেষ কৰি উঠি মোৰ মনটো এনে সূচী আৰু ফৰকাল লাগিল- ঠিক যেন নিজৰাৰ নিৰ্মল পানীত গা ধুই আৰু সেই পানী পান কৰি উঠি বৰপেটাৰ কীৰ্তন ঘৰত নাম ল'বলৈহে গৈছোঁ।"

বেজবৰুৱাই আনকি অসমৰ মানুহৰ মাজত জ্ঞানৰ বতৰা বিলোৱা কাকত, আলোচনীসমূহৰ প্ৰকাশক, সম্পাদক আদিকো অনুপ্ৰেৰণাৰ খাতিৰত পত্ৰ লিখি তেওঁলোকক উজ্জীৱীত কৰি তুলছিল। মাতৃভাষাৰ উন্নতিৰ বাবে নিজে যেনেকৈ সুদূৰ কলিকতাৰ পৰা 'বাঁহী' ছপা কৰিছিল সেইদৰে 'অসমীয়া' নামৰ কাকতখনো যে সময়ত অসমীয়াৰ গৌৰৱৰ প্ৰতীক হৈ উঠিব সেই কথা যতীন্দ্ৰনাথ দুৱৰালৈ পত্ৰযোগে লিখিছিল এনেদৰে— "১০ম সংখ্যা 'বাঁহী' আদি তোমালৈ পঠিয়ালোঁ, বন্ধাই থৰা, তোমাৰ ওচৰত সি থাকক। শান্তি পাব। এখন এখন 'বাঁহী' এই নিঃকিনৰ হিয়াৰ এডোখৰ এডোখৰ।" (বাঁহীৰ সন্দৰ্ভত লিখা চিঠি)

"অসমীয়া কাকতখন খুউব ভাল হৈছে। মন দি লাগি যোৱাহক। শ্ৰীঘ্ৰে অসমত এটা পাৱাৰ হৈ উঠিব। (অসমীয়া কাকত সন্দৰ্ভত)

বেজবৰুৱাই আত্মজীৱনীত 'মোৰ জীৱন সোঁৱৰণ' খনৰ পাতে পাতেও বেজবৰুৱাৰ স্বদেশমুখী চিন্তা চেতনাৰ প্ৰতিফলন ঘটিছে।

যদিও এই আত্মজীৱনীখন বেজবৰুৱাৰ ব্যক্তিগত জীৱনৰ আত্ম কথন, তথাপিও ইয়াৰ মাজে মাজে বিবৃত হৈছে বেজবৰুৱাৰ সমাজ সচেতনতা আৰু সামাজিক দায়বদ্ধতাৰ কথা, তীব্ৰ স্বদেশাত্মক ভাৱধাৰা, মাতৃভাষাৰ প্ৰতি সচেতনতা, সংস্কাৰমুখী মন তথা প্ৰবল জাতীয়তাবাদ। বেজবৰুৱাই বৰ অসমৰ সমাজ-সংস্কৃতিক 'জীৱন সোঁৱৰণ'ৰ মাজেৰে উজ্জ্বলাই ৰাখিছে। অৰ্থাৎ গ্ৰন্থখনৰ পাতে পাতে তেওঁ স্বভাৱজাত বৰ্ণনাৰে দেশৰ স্বাভীমান আৰু গৌৰৱক ব্যঞ্জিত কৰি থৈ গৈছে। কেতিয়াবা অসমৰ মানুহক ভালপোৱাৰ যদি দীঘলীয়া বৰ্ণনা 'জীৱন সোঁৱৰণ'খনত আছে, আন কেতিয়াবা আকৌ বৰ অসমৰ বৰ্ণীল সংস্কৃতিৰ নিদৰ্শনো ফুটি উঠিছে। এইক্ষেত্ৰত শিৱসাগৰৰ দৌল-দেৱালয়সমূহৰ বৰ্ণনা, মাজুলীৰ বৈষ্ণৱ সত্ৰৰ পৰম্পৰাসমূহৰ বৰ্ণনা, তেজপুৰৰ নিকামুই সত্ৰৰ বৰ্ণনা, বৰপেটাৰ কীৰ্ত্তনঘৰৰ বৰ্ণনা আদিয়েই অন্যতম।

মাতৃভাষাৰ প্ৰতি সচেতনতা বেজবৰুৱাৰ 'জীৱন সোঁৱৰণ'ৰ মাজতো ধৰা পৰিছে। অসমীয়া জাতিক গঢ় দিবলৈ বৰ অসমৰ খনিকৰ শংকৰদেৱে যি বিশাল বৈষ্ণৱ সাহিত্যক অসমীয়া ভাষাত এৰি থৈ গৈছে সেইসমূহৰ চৰ্চা আৰু অনুশীলনে যে অসমীয়া জাতিটোক বহু হাজাৰ বছৰলৈ গঢ় দি থাকিব, সেয়া 'জীৱন সোঁৱৰণ'ৰ মাজত বেজবৰুৱাই কামনা কৰি থৈ গৈছে। বেজবৰুৱাৰ এই মাতৃভাষাৰ প্ৰতি সচেতনতা, যিদৰে জোনাকীত ধৰা পৰিছিল সেইদৰে 'জীৱন সোঁৱৰণ'ৰ মাজত ধৰা পৰাটো প্ৰকৃত জাতীয়তাবাদৰ প্ৰেমৰ নিদৰ্শন।

এনে প্ৰবল জাতীয় ভাৱৰ পৰাই বেজবৰুৱাৰ মনত সৃষ্টি হৈছিল বা জাগি উঠিছিল সংস্কাৰৰ ধাৰণাটো। জাতীয় দোষ-গুণবোৰ তেওঁ হাস্য-ব্যংগৰ অৱতাৰনাৰে যিদৰে শুধৰাবলৈ যত্ন কৰিছিল সেই স্বৰূপটো 'মোৰ জীৱন সোঁৱৰণ'টো ধৰা পৰিছে। 'জীৱন সোঁৱৰণ'ৰ শেষৰফালে সংযোজিত 'মোৰ মাতৃমুখ দৰ্শন' নামৰ খণ্ডিত বেজবৰুৱাই নাৰী সম্পৰ্কীয় সংস্কাৰৰ ধাৰণা বা চেতনাৰ সুন্দৰ প্ৰতিফলন ঘটিছে। তথা ব্যথিত ধ্যান ধাৰণাৰ বসৱৰ্ত্তি হৈ অসমীয়া সমাজত সংস্কৃত এশাৰী শ্লোক— "পথে নাৰী বিৱৰ্জ্জিতা" চলি আহিছিল। বেজবৰুৱাই এই তথাকথিত ধাৰণাটোৰ প্ৰতি তীব্ৰ বিশোদগাৰ প্ৰকাশ কৰিছিল এনেদৰে— "মানুহৰ মুখে মুখে প্ৰচলিত একাষাৰ সংস্কৃত শ্লোক আছে যে, পথে নাৰী বিৱৰ্জ্জিতা। ক'ব নোৱাৰো সেই শ্লোক কোনে কৰিছিল, নিশ্চয় শ্লোক কৰোতাই তিৰোতাক গলগ্ৰহ বুলি ভাবি সেই শ্লোক ৰচনা কৰিছিল। মই কওঁ মোৰ বহু দৰ্শনত পথে নাৰী বিৱৰ্জ্জিতা নহয়, সম্পূজীত্য হে।"

বেজবৰুৱাই 'জীৱন সোঁৱৰণ'ৰ মাজত সমসাময়িক সমাজত প্ৰচলিত কু-সংস্কাৰ, অন্ধবিশ্বাস আদি দূৰ কৰি অসমীয়া মানুহৰ মানসিকতা পৰিশোধনৰ বাবে চেষ্টাও চলাইছিল। তদুপৰি বিভিন্ন কাৰণত অসমীয়া সমাজ জীৱন জৰাজীৰ্ণ হৈ পৰাটো বেজবৰুৱাই কঠোৰ ভাষাৰে নিন্দা কৰি অসমীয়া মানুহক দেশ তথা সমাজৰ প্ৰতি দায়বদ্ধ কৰি তুলিছিল।

বেজবৰুৱাৰ জাতীয় চেতনাৰ আন এক নিদৰ্শন হ'ল অসমৰ লোক-সংস্কৃতিৰ বিশাল এক অংগ 'সাধুকথা' সমূহক পৰৱৰ্তী অসমীয়া মানুহৰ বাবে সংৰক্ষণ কৰি থৈ যোৱাটো। অসমৰ বিভিন্ন ঠাইত জাতি-ধৰ্ম-গোষ্ঠী নিৰ্বিশেষে যিবোৰ সাধু প্ৰচলিত হৈ আহিছিল সেই সাধুকথাসমূহক প্ৰথমে সংগ্ৰহ কৰি লিখিত ৰূপ প্ৰদান কৰিছিল বেজবৰুৱাই। বুঢ়ী আইৰ সাধু, ককাদেউতা আৰু নাতি ল'ৰা। এই দুয়োখন সাধুকথা পুথি প্ৰকৃতাৰ্থত আধুনিক অসমীয়া শিশু সাহিত্যৰ প্ৰকৃত আৰম্ভণি ঘটালে। দৰাচলতে বেজবৰুৱাই অসমৰ বিভিন্ন অঞ্চল আৰু বিভিন্ন অঞ্চলৰ মানুহৰ মন যে একেই, কল্পনা যে একেই, সেই ধাৰণা প্ৰকাশ কৰি সাধুৰ মাজেদিও অসমীয়া জাতিক একতাৰ জৰীৰে বান্ধিব বিচাৰিছিল। সাধুবোৰ অসমীয়া জাতীয় জীৱনৰ লিখিত বুৰঞ্জীৰ দৰে হৈ উঠাৰ লগতে অসমীয়া কিশোৰ-কিশোৰীসকলৰ মানসিক জ্ঞান তথা আনন্দ প্ৰদানৰ বহুৰো হৈ উঠিছিল।

দেখা যায় অসমৰ জাতীয় জীৱনৰ প্ৰায়বিলাক দিশক বেজবৰুৱাই সাহিত্যৰ মাজলৈ টানি আনি আধুনিক অসমীয়া মানুহৰ মানসিকতাক পুনৰ গঠন কৰিব বিচাৰিছিল। বেজবৰুৱাই অসমীয়া মানুহৰ মাজত সাহিত্য চৰ্চাৰ মাজেৰে যি জাতীয়তাবোধ জাগ্ৰত কৰিলে সেয়া সমগ্ৰ অসমবাসীৰ বাবে গৌৰৱৰ বিষয়। প্ৰকৃততে অসমীয়া সাহিত্যৰ আধুনিক আৰ্হিৰ মাজেৰে বেজবৰুৱাই শংকৰদেৱৰ পিছতে জাতীয় জীৱনক শক্তিশালী কৰি তুলিলে। এনে দিশৰ আধাৰতে বেজবৰুৱাক আধুনিক অসমীয়া সাহিত্যৰ অগ্ৰদূত আৰু জাতীয়তাবাদৰ স্থাপতিবিদ আখ্যা দিব পাৰি। ■


গ্ৰন্থপঞ্জী ঃ

বৰা, ৰমানন্দন (মুখ্য সম্পা.) ঃ অ' মোৰ আপোনাৰ দেশ ঃ সাহিত্যৰথী শ্ৰদ্ধাৰ্ঘ্য, যোৰহাট জিলা সাহিত্য সভা, প্ৰথম প্ৰকাশ, ২০১৩

বৰা, ত্ৰিদিব (মুখ্য সম্পা.) ঃ স্ৰষ্টা আৰু দ্ৰষ্টা লক্ষ্মীনাথ বেজবৰুৱা লক্ষ্মীনাথ বেজবৰুৱা ডেৰশ বছৰীয়া জন্ম জয়ন্তী, যোৰহাট, প্ৰথম প্ৰকাশ, ২০১৫

শৰ্মা, বাণীকান্ত (সম্পা.) ঃ বেজবৰুৱাৰ সাহিত্য প্ৰতিভা, সবিতা সভাৰ গৈ টেকনো এড্ পাব্লিকেশ্বন, প্ৰথম প্ৰকাশ, ২০০৮






# অম্বিকাগিৰী ৰায়চৌধুৰীৰ গীতত দেশীবাদ


■ মধুস্মিতা দাস
স্নাতকোত্তৰ দ্বিতীয় ষাণ্মাসিক


দেশীবাদ বহিৰাগতসকলৰ স্বাৰ্থৰ বিপৰীতে থলুৱা বা খিলঞ্জীয়া জনসাধাৰণৰ আৰ্থ-সামাজিক, সাংস্কৃতিক দিশৰ সৈতে গভীৰভাৱে সম্পৰ্কিত এক ধাৰণা, অৰ্থাৎ দেশীবাদ এক বিস্তৃত বিষয়, ইয়াৰ সৈতে থলুৱা জনসাধাৰণৰ স্বাৰ্থ আৰু বহিঃসংস্কৃতি সম্প্ৰসাৰণৰ পৰা থলুৱা সংস্কৃতিক সংৰক্ষিত কৰি ৰখাৰ উদ্দেশ্য নিহিত হৈ আছে।

ঊনবিংশ শতিকাৰ আশীৰ দশকৰ পৰা ভাৰতবৰ্ষত দেশীবাদ সম্পৰ্কত চিন্তা চেতনা প্ৰবলভাৱে জাগি উঠা লক্ষ্য কৰিব পাৰি। দেশীবাদৰ ইংৰাজী প্ৰতিশব্দ হিচাপে 'নেটিভিচ', 'নেটিভিষ্ট' আৰু 'নেটিভিজিম' আদি ব্যৱহাৰ কৰা দেখা যায়।

লক্ষ্মীনাথ বেজবৰুৱা, জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভা, হীৰেণ ভট্টাচাৰ্য আদি লোকসকলৰ ৰচনাৰাজিত দেশীবাদৰ সুৰ প্ৰতিফলিত হোৱা দেখা যায়। ঠিক তেনেদৰে অম্বিকাগিৰী ৰায়চৌধুৰীৰ গীতবোৰতো দেশীবাদৰ সুৰ ফুটি উঠিছে। অম্বিকাগিৰী ৰায়চৌধুৰী আছিল 'অসম কেশৰী' নামে জনাজাত। তেওঁৰ বাবে আছিল দেশেই ভগৱান স্বৰূপ। দেশৰ মংগলৰ বাবে তেওঁ অশেষ যত্ন কৰিছিল। 'ধৰ ঝাডু ধৰ ভাই', 'মই বিপ্লৱী, মই তাণ্ডৱী' আদিত ৰায়চৌধুৰীৰ গভীৰ দেশীবাদী চিন্তাৰ পৰিচয় পোৱা গৈছে। তেখেতৰ দেশীবাদী চিন্তা ফুটি উঠা এটি গীত হ'ল—

*'আজি বন্দো কি ছন্দেৰে সমাগত বিৰাট*
*নৰ-নাৰায়ণ ৰূপ, নৰ-নাৰায়ণ ৰূপ*
*পংকিল পৰাধীন কুণ্ঠিত চিত মন*
*নাই ফুল চন্দন ধূপ - নাই ফুল চন্দন ধূপ।'*

ৰায়চৌধুৰীয়ে অসহযোগ আন্দোলন, কংগ্ৰেছ অধিৱেশন আৰু অসম এছোচিয়েশ্যন আদিৰ বাবে কিছুমান স্বদেশ প্ৰেমমূলক গীত ৰচিছিল। তাৰ মাজৰ এটি গীত হৈছে—

*'শুনিবি ভাই*
*দেশৰ কথা কওঁ*
*বুকু ভৰা মোৰ*
*বেথাৰ বোজা*
*নমাই পাতল হওঁ।'*

ৰায়চৌধুৰী জেলত থকা সময়ত ৰচা গীতবোৰ অভিনৱ আৰু ৰোমাঞ্চকৰ। বিশেষকৈ নিস্বাৰ্থ দেশপ্ৰেমৰ সবল আৰু কৰুণ অনুভূতিৰ পৰা এই গীতবোৰৰ ভাব আৰু সুৰৰ জন্ম। এই গীতসমূহৰ জন্মৰ কাহিনী ৰায়চৌধুৰীয়ে নিজে বৰ্ণনা কৰিছে। জেলৰ নিৰ্মম শাস্তি অকাতৰে গ্ৰহণ কৰিও জেলৰ কৰ্তৃপক্ষৰ বিৰুদ্ধে কয়েদীসকলক সচেতন কৰি শিল ভঙা, নিৰ্জন কাৰাবাস খটা, ভাণ্ডাবেড়ী ক্ৰচবাৰ থিয় হোৱা, মৰাপাতৰ থৈলাৰ কাপোৰ পিন্ধা, হাতবেড়ীৰ পীড়ন সহা আদি শাসন বহন কৰাৰ সময়ত বহুতো গীত ৰচনা কৰিছিল। তাৰ ভিতৰত এটি হৈছে—

*"ভাঙিব লাগিব শিল*
*তই ভাঙিব লাগিব শিল*
*নোৱাৰোঁ বুলিলে নহ'ব যে ভাই*
*তিলতে পৰিব চিল।"*

এই অভিনৱ গীতবোৰৰ লগতে ১৯২৬ চনৰ কংগ্ৰেছ অধিৱেশনৰ বাবে ৰচা সমৱেত সংগীতবোৰকো ধৰিব পাৰি। তেওঁ এই সময়ত 'জাতীয় কবি' খ্যাতি পায়। ৰায়চৌধুৰী অহিংস জাগৰণৰ প্ৰতীক হৈ পৰিছিল গানবোৰৰ যোগেদি। জেলত ৰচা গীতবোৰত জীৱন্ত স্বহীদৰ কেঁচা তেজৰ তপত উম পোৱা যায়। কিছু পৰিমাণে ৰাজহুৱা সন্মিলনবোৰৰ বাবে ৰচা গীতবোৰতো প্ৰাণৰ মুক্তিৰ আৱেগ প্ৰকাশ পাইছে।

এনেদৰে অম্বিকাগিৰী ৰায়চৌধুৰীৰ গীতবোৰত দেশীবাদৰ সুৰ ফুটি উঠা দেখা যায়। ■

# ভূপেন হাজৰিকাৰ গীতত দেশপ্ৰেম

■ শিখা ভাগৱতী
স্নাতকোত্তৰ দ্বিতীয় ষাণ্মাসিক



**দে**শপ্ৰেম গীতৰ এটি প্ৰধান বিষয়। দেশপ্ৰেম এক গভীৰ অৰ্থবোধক অভিধা; য'ত নিহিত হৈ থাকে দেশৰ প্ৰতি শ্ৰদ্ধা, ভক্তি আৰু আনুগত্য। অসমৰ জাতীয় জীৱনৰ গুৰি ধৰোতা তথা অসমীয়া ভাষা-সাহিত্যৰ ক্ষেত্ৰখনত অনবদ্য অৱদান আগবঢ়োৱা তথা কলা-সংস্কৃতিৰ মাজেৰে সমাজ গঢ়া শ্ৰীমন্ত শংকৰদেৱৰ দৰে ভূপেন হাজৰিকাদেৱেও এখন সংগীতৰ সমাজ গঢ়িছিল। জাতিৰ বাবে, সমাজৰ বাবে গীত গোৱা তেওঁৰ গীতসমূহৰ মাজত সিঁচৰতি হৈছিল প্ৰেম, ভালপোৱা, প্ৰকৃতি, সংগ্ৰাম, সমাজ চেতনা, দেশপ্ৰেম আদিৰ ছবি। গীতিকাৰ, সুৰকাৰ, সংগীত শিল্পী ভূপেন হাজৰিকাদেৱৰ জন্মভূমিৰ প্ৰতি আছিল অপৰিসীম শ্ৰদ্ধা। অসমী আইৰ বিনন্দীয়া ৰূপত মোহিত হোৱা তেওঁ নিজ মাতৃভূমিৰ সৌন্দৰ্য সুষমা বৰ্ণনা কৰিছে এনেদৰে—

*"অসম আমাৰ ৰূপহী*
*গুণৰো নাই শেষ*
*ভাৰতৰে পূৰ্ব দিশত সূৰ্য উঠা দেশ।"*

সমগ্ৰ জীৱন যাযাবৰী হৈ পাৰ কৰা হাজৰিকাদেৱে ৰূপহী অসমী আইক কিন্তু বুকুৰ উম দি এক নতুন ৰূপত জগাই তুলিছিল। তেওঁৰ দৃষ্টিত অসম দেশ বৰ্তমানৰ ৰাজনৈতিক অসম নহয়, বিশাল ভাৰতবৰ্ষৰ উত্তৰ-পূব দিশত অৱস্থিত তেওঁৰ প্ৰাণৰো প্ৰাণৰ সেইখন দেশ, য'ত মাউৰা সন্তানেও পাই মাতৃৰ কোলাৰ উম।

দেশৰ অন্যায়, হিংসা, শোষণ আদি দেখি তেওঁ যেন জ্বলি উঠিছিল। জনতাৰ কোলাহল দেখি এই অত্যাচাৰী দমনকাৰীসকলৰ বিৰুদ্ধে থিয় হৈ আশাবাদৰ পোষকতা কৰি নতুন দেশ গঢ়াৰ চেষ্টাৰ ছবি ফুটি উঠিছে তেওঁৰ গীতত এনেদৰে—

*"অগ্নি যুগৰ ফিৰিঙতি মই*
*নতুন ভাৰত গঢ়িম*
*সৰ্বহাৰাৰ সৰ্বস্ব*
*পুনৰ ফিৰাই আনিম*
*নতুন অসম গঢ়িম।"*

কেৱল নিজৰ প্ৰাপ্য বিচাৰি নিজৰ স্বাৰ্থত দৌৰি ফুৰা জনগণে নিজকেই যেন নিচিনা হৈছে। ৰসাতলে যাব ধৰা অসমৰ জনগণৰ স্বাৰ্থপৰতাত তেওঁ ক্ষুব্ধ হৈ পৰিছে। নিজৰ দেশৰ প্ৰতি, নিজৰ জাতিটোৰ প্ৰতি সজাগ কৰি তুলিবলৈ কৰা তেওঁৰ যেন এয়া এক অনন্য চেষ্টা—

*"আমি অসমীয়া নহওঁ দুখীয়া*
*বুলি সান্ত্বনা লভিলে নহ'ব*
*আজিৰ অসমীয়াই নিজক নিচিনিলে*
*অসম ৰসাতলে যাব।"*

ভূপেন হাজৰিকাৰ গীতত দেশপ্ৰেমৰ ছবি প্ৰধানকৈ ফুটি উঠিছে প্ৰতিবাদৰ গীতবোৰত। এই প্ৰতিবাদ সমাজৰ প্ৰতি, শোষণৰ প্ৰতি এক প্ৰত্যাহ্বান স্বৰূপ। ভালেসংখ্যক গীততে বিদ্ৰোহ, অগ্নি, বিপ্লৱ, তেজ আদি শব্দৰ ব্যৱহাৰৰ প্ৰাচুৰ্য্য লক্ষ্য কৰা যায়। তেওঁৰ গীতৰ মাজত সোমাই থকা এই দেশপ্ৰেম এক বিশ্লেষণৰ বিষয়, যি নতুন প্ৰজন্মৰ এক আদৰ্শময় বাহক হ'ব পাৰে। ■



# লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্যত দেশীবাদ

■ ডলী কুমাৰী
স্নাতকোত্তৰ দ্বিতীয় ষাণ্মাসিক

দেশীবাদ এক বিস্তৃত বিষয়। ইয়াৰ সৈতে থলুৱা জনসাধাৰণৰ স্বাৰ্থ আৰু বহিঃসংস্কৃতিৰ সম্প্ৰসাৰণৰ পৰা থলুৱা সংস্কৃতিক সুৰক্ষিত কৰি ৰখাৰ উদ্দেশ্য অন্তৰ্নিহিত হৈ আছে। দেশীবাদে কোনো এখন ঠাইত বসবাস কৰা সকলো স্তৰৰ মানুহৰ সন্মিলিত অতীত আৰু বৰ্তমানৰ সমস্ত জীৱন প্ৰবাহৰ ইঙ্গিত বহন কৰে লগতে সামাজিক আৱেগৰ প্ৰকাশ সূচায়।



কুৰি শতিকাৰ পঞ্চাশ আৰু ষাঠী দশকত বহুতো ভাৰতীয় লেখকৰ সাহিত্যত ঔপনিৱেশিক আন্তঃৰাষ্ট্ৰীয়তাবাদীৰ চিন্তা প্ৰকাশ ঘটা দেখা যায়। মাৰাঠী লেখক তথা সমালোচক ভালচন্দ্ৰ নেমাড়েৰ ৰচনাতেই দেশীবাদী ধাৰণাৰ বীজ ভাৰতীয় সাহিত্যত ৰোপিত হয় বুলি সমালোচকে মন্তব্য কৰিছে। তেওঁৰ মাৰাঠী ভাষাত ৰচিত 'Nativisim in Literature' (১৯৮৩) নামৰ ৰচনাতেই প্ৰথম দেশীবাদ সম্পৰ্কীয় ধাৰণাই প্ৰকাশ লাভ কৰে। ভাৰতীয় সাহিত্যত ভালচন্দ্ৰ নেমাড়ে দেশীবাদী চিন্তাৰ সম্প্ৰসাৰণত গ্ৰহণ কৰা ভূমিকাৰ লেখিয়াকৈ অসমৰ লক্ষ্মীনাথ বেজবৰুৱা, অম্বিকাগিৰী ৰায় চৌধুৰী প্ৰভৃতি সাহিত্যিকৰ ৰচনাৰ অন্তৰালত জাতীয় গৰিমা পুনৰুদ্ধাৰৰ প্ৰয়াসেৰে দেশীবাদী চিন্তাৰ প্ৰকাশ ঘটাতো লক্ষ্য কৰিব পাৰি।

লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্যৰাজিৰ অধিকাংশই আছিল প্ৰবল জাতীয়তাবোধ আধাৰিত সাহিত্য। কবিতা, নাটক, প্ৰবন্ধ, গল্প আদিৰ মাজেৰে বেজবৰুৱাই অসমীয়া জাতিৰ চিন্তা-চেতনা, মহত্ব আদিবোৰক প্ৰতিষ্ঠা কৰি থৈ গৈছে। আনকি শংকৰদেৱ আৰু বৈষ্ণৱ সাহিত্যক পুনৰ প্ৰতিষ্ঠিত কৰি বেজবৰুৱাই অসমীয়া মানুহক এক নতুন গৌৰৱৰ চেতনাৰে সঞ্জীৱিত কৰি থৈ গ'ল। পৃথিৱীৰ বিভিন্ন ধৰ্মৰ ধৰ্মগ্ৰন্থসমূহৰ তুলনাত শ্ৰীমন্ত শংকৰদেৱৰ ৰচিত কীৰ্ত্তন যে সকলোতকৈ শ্ৰেষ্ঠ ৰচনা আৰু ইয়াৰ মৰ্যাদা ৰক্ষা কৰাতো প্ৰতিজন অসমবাসীৰে যে দায়িত্ব সেই কথা তেওঁ 'বাঁহী' আলোচনীৰ পাতত স্পষ্টভাৱে কৈ থৈ গৈছিল এনেদৰে— "পৃথিৱীৰ যতবোৰ সুন্দৰ ধৰ্মগ্ৰন্থ আছে, আমাৰ শংকৰদেৱৰ বিৰচিত কীৰ্ত্তন সেই সকলোৰে ভিতৰত শিৰৰ মুকুট। সেইবাবে আমি প্ৰত্যেক অসমীয়াই এই নগণ্য অকিঞ্চিতকৰ জীৱন পৰ্য্যন্ত পাত কৰি আসামৰ অতীত গৌৰৱ কাহিনীৰ বিজয় স্তম্ভৰ ওপৰত থকা শংকৰদেৱৰ পতাকা ৰক্ষা কৰিম।"

বেজবৰুৱাই শংকৰদেৱক এগৰাকী ধৰ্ম প্ৰচাৰকৰ বিপৰীতে জাতীয় নেতাৰ দৃষ্টিৰে পৰ্যবেক্ষণ কৰি বৈষ্ণৱ আন্দোলনৰ নেতৃত্ব প্ৰদান কৰা শংকৰদেৱক মধ্যযুগত অসমীয়া জাতীয়তাবাদৰ নৱ অভ্যুত্থান ঘটোৱা বুলি মত প্ৰকাশ কৰিছে। বেজবৰুৱাৰ ভাষাত— "জাতীয়তা গঠন কৰিবৰ নিমিত্তে যি যি আৱশ্যক সেই সকলোবোৰ সেই মহাপুৰুষে দান কৰি গৈছে।"

বেজবৰুৱা আছিল উদাৰ জাতীয়তাবাদী আৰু অসমীয়া ভাষাক বিশ্বৰ বৰঘৰলৈ নিবলৈ চেষ্টা কৰা দেশপ্ৰেমিক অসমীয়া। অসমীয়া ভাষা বিদ্বেষী বহুখিনি চক্ৰান্তক বেজবৰুৱাই নিজৰ কলমেৰে নাশ কৰিছিল। অসমীয়া ভাষাৰ সুঁৱদি-সুৰীয়া মাতৰ তাৎপৰ্য্য উপলব্ধি কৰিছিল। তেওঁ মানুহজন য'তেই নাছিল কিয়, মনটো আছিল কিন্তু অসমত। অসমৰ কাহুদি খাৰলিৰ সোৱাদ তেওঁ আন ক'তো বিচাৰি নাপাইছিল। "ব্ৰহ্মপুত্ৰৰ সংগীত", "অসম সংগীত", "মোৰ দেশ" ইত্যাদি কবিতা বেজবৰুৱাৰ জাতি প্ৰেমৰ আৰু দেশপ্ৰেমৰ ভাৱনাৰ ফচল। ■

# জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৰচনাত দেশীবাদ



■ নিকুমণি কলিতা
*স্নাতকোত্তৰ দ্বিতীয় ষাণ্মাসিক*

*"গছে গছে পাতি দিলে ফুলৰে শৰাই*
*ৰাম ৰাম ফুলৰে শৰাই*
*ফুলৰে শৰাই*
*ফুলৰে শৰাই*
*কলীয়া বোমোৰা গুঞ্জৰী আহে*
*গোন্ধকে খিয়ায়*
*ৰাম ৰাম*
*গোন্ধকে খিয়ায়*
*গোন্ধকে খিয়ায়"*

উনবিংশ শতিকাৰ ৮০ দশকৰ পৰা ভাৰতবৰ্ষত দেশীবাদ সম্পৰ্কত চিন্তা চেতনা প্ৰবলভাৱে জাগি উঠা লক্ষ্য কৰিব পাৰি। কুৰি শতিকাৰ ৫০ আৰু ৬০ দশকত বহুতো ভাৰতীয় লেখকৰ সাহিত্যত দেশীবাদী চিন্তাৰ প্ৰকাশ লক্ষ্য কৰা দেখা যায়।

ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰায়বোৰ গীত, নাটক আৰু সংস্কৃতি বিষয়ক ৰচনাত দেশীবাদী চিন্তাৰ পৰিচয় স্পষ্ট। জ্যোতিপ্ৰসাদ আগৰৱালাই 'শোণিত কুঁৱৰী' নাটকত গীত ৰচনা কৰোঁতে সেই গীতৰ সুৰ অসমীয়া আইনাম, বিয়ানামৰ আৰ্হিত ৰচনা কৰিছিল। উদাহৰণস্বৰূপে— 'গছে গছে পাতি দিলে ফুলৰে শৰাই' গীতটিৰ কথা ক'ব পাৰি। সেইদৰে অসমীয়া সংস্কৃতিত থলুৱা উপাদানৰ প্ৰসংগ সম্পৰ্কে কৈ থৈ যোৱা কথাবোৰ অতিশয় দেশাত্মবোধৰ পৰিচয়। প্ৰথম অসমীয়া চলচিত্ৰ 'জয়মতী'ৰ কাহিনী অসমৰ ইতিহাসত এটি উল্লেখযোগ্য ঘটনাৰ আধাৰত নিৰ্মিত। এই চলচ্চিত্ৰৰ বাবে 'চিত্ৰবন' প্ৰতিষ্ঠা কৰি অসমীয়া নায়ক-নায়িকা বিচাৰি যি জাতি প্ৰেমৰ পৰিচয় তেওঁ দাঙি ধৰিছিল তাতেই তেওঁৰ দেশীবাদী চিন্তাৰ প্ৰভাৱ পোৱা যায়। মুঠতে জ্যোতিপ্ৰসাদৰ সংগীত, নাটক, চলচ্চিত্ৰ আদি সকলোখিনি আছিল তেওঁৰ গভীৰ দেশীবাদী চিন্তাৰ ফলশ্ৰুতি। ■





# "দক্ষিণ ছয়গাঁও অঞ্চলৰ ৰাভা লোকসংস্কৃতি"

■ প্ৰস্তুতি ৰাভা
*স্নাতকোত্তৰ চতুৰ্থ ষাণ্মাসিক*

ছয়গাঁও চহৰৰ দক্ষিণাঞ্চলক দক্ষিণ ছয়গাঁও বুলি জনা যায়। পূবে কুলচী নদী, পশ্চিমে বামুণীগাঁও, উত্তৰে ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ আৰু দক্ষিণে মেঘালয়। এয়া হৈছে দক্ষিণ ছয়গাঁওৰ চাৰিসীমা। দক্ষিণ ছয়গাঁও অঞ্চলত প্ৰধানকৈ মংগোলীয় বংশোধৰ পাতি ৰাভাসকল বাস কৰে। বড়ো, গাৰো আৰু অন্যান্য জনগোষ্ঠীৰ কিছু লোকো ইয়াত বাস কৰে। এই অঞ্চলৰ লোকসকলৰ মাজত কোনোধৰণৰ লিখিত সামাজিক বিধি ব্যৱস্থা নাই। লোক-সংস্কৃতিত তেওঁলোক বেচ চহকী। লোক-সাহিত্যত 'লোক' শব্দৰে সৰ্বসাধাৰণ জনসমষ্টিক বুজোৱা হয়। এটা অঞ্চলত বাস কৰা পৰম্পৰাগত ৰীতি-নীতি বা জীৱন ধাৰণত বিশ্বাস কৰা সমাজখনক 'লোক' বুলি ক'ব পাৰি। আনহাতে, জীৱন ধাৰণৰ বাবে জন্মৰ পৰা মৃত্যুলৈ দৈনন্দিন জীৱনত লোক সমাজৰ সদস্যসকলে যিবোৰ ক্ৰিয়া-কলাপৰ লগত জড়িত হৈ থাকে সেয়াই হ'ল লোক-সংস্কৃতি। এচাম জনসমূহৰ খোৱা-বোৱা, পিন্ধন-উৰণ, চাল-চলন, নৃত্য-গীত, কথা-বতৰা, বিশ্বাস-অন্ধবিশ্বাস আদিক সাঙুৰি লোক-সংস্কৃতিৰ সৃষ্টি হয়। তলত দক্ষিণ ছয়গাঁও অঞ্চলৰ ৰাভা লোক-সংস্কৃতিৰ চমু আভাস এটি দিবলৈ প্ৰয়াস কৰা হ'ল—

**(ক) বসবাস, জীৱনধাৰণ ঃ** ৰাভাসকলৰ চোতালৰ চাৰিওদিশে চাৰিটা ঘৰ থকা পৰিয়াল এটাক শুভ বুলি বিবেচনা কৰা হয়। উত্তৰ দিশৰ ঘৰটো মূল ঘৰ বুলি কোৱা হয়। সাধাৰণতে এই ঘৰটোত পৰিয়ালৰ মূৰব্বী লোক বাস কৰে। গোহালি ঘৰ, ভঁৰাল ঘৰ, ঢেঁকীশাল আৰু আন বয়-বস্তু আদি ৰাখিবলৈ সুবিধা অনুযায়ী ঘৰ সাঁজি লোৱা হয়। সময়ৰ লগে লগে বাঁহ-খেৰৰ পৰিৱৰ্তে টিনপাতে ঠাই লৈছে। পৰিয়ালৰ প্ৰয়োজন অনুসৰি ফল-মূল, আঞ্জা-পাচলি, তামোল-পাণ, শালি ধানৰ উপৰিও আহু আৰু বৰো ধানৰ খেতি কৰে। কল-তামোল উৎপাদনৰ বাবে অঞ্চলটো বিখ্যাত। প্ৰতিঘৰ পৰিয়ালতে গৰু, গাহৰি, ছাগলী, হাঁহ-কুকুৰা আদি পালন কৰে।

**(খ) খাদ্যাভাস ঃ** পাতি ৰাভাসকলৰ প্ৰধান খাদ্য হ'ল ভাত। ভাতৰ লগত পিঠাগুৰি দিয়া খাৰ আঞ্জা তেওঁলোকৰ অতিকৈ প্ৰিয়। ফাগুন-চ'ত মাহত আঠীয়া কলৰ গা-গছ আৰু আলু কাটি ৰ'দত শুকাই জুইত পুৰি গোটেই বছৰটোৰ বাবে খাৰ প্ৰস্তুত কৰি লয়। তেওঁলোকে প্ৰায়বোৰ প্ৰয়োজনীয় শাক-পাচলি, আদা-নহৰু, হালধী, সৰিয়হ আদি ঘৰুৱাভাৱে সংগ্ৰহ কৰে। ৰাভাসকলৰ মাছ আৰু গাহৰিৰ মাংস প্ৰিয়। তেওঁলোকৰ খাদ্য তালিকাত গাহৰি মাংস, কুকুৰাৰ মাংস, সিন্দল (শুকান মাছৰ গুৰি), শামুক, কুচীয়া, কেঁকোৰা, ফালপোকা, কড়েপোকা, লেটা আদি। তেওঁলোকে পুৰি, সেকদ দি, ভাপত দি, চুঙাত দি খাই ভাল পায়। পৰম্পৰাগতভাৱে তৈয়াৰী সুৰা প্ৰিয় পানীয়। বৰা চাউলৰ পৰা তৈয়াৰী কেচা মদ অতিকৈ প্ৰিয়। মদৰ বাবে যিকোনো চাউল ব্যৱহাৰ কৰিব পাৰে। কাম-সকাম, তিথি-পৰ্বত মদৰ প্ৰচলন হয়।

**(গ) সাজ-পোছাক ঃ** জ্যেষ্ঠ পুৰুষসকলে আঠুলৈকে পৰা ভিন্ন ৰঙৰ বা পখৰা গামোচা পিন্ধে। শৰীৰৰ ওপৰ অংশত গেঞ্জি পিন্ধে বা উকা গাৰেও থাকে। জ্যেষ্ঠ মহিলাসকলে কাম-বন কৰাৰ সময়ত বা ঘৰত সাধাৰণতে বুকুত মেখেলা পিন্ধি থাকে। মহিলাসকল বোৱা-কটাত কাঁজী। জীয়ৰী-বোৱাৰীসকলে বুকুত বা কঁকালত মেখেলা পিন্ধি থাকে। শৰীৰৰ ওপৰ অংশত ব্লাউজ পিন্ধে আৰু চাদৰ মেৰিয়াই লয়। অৱশ্যে সামাজিক অনুষ্ঠানত মেখেলা-চাদৰ, ৰাভা জাতীয় সাজ-পাৰ ৰিফান, কাম্বাং, পাজাৰ আদি পৰিধান কৰে। তেওঁলোকে অসমীয়া সাজ-পাৰৰ উপৰিও শাৰী, চুৰিদাৰ, লংপেণ্ট আদি পৰিধান কৰে।

**(ঘ) ধৰ্মীয় বিশ্বাস ঃ** ৰাভাসকল ধৰ্ম পৰায়ণ। দক্ষিণ ছয়গাঁও অঞ্চলৰ ৰাভাসকলৰ প্ৰধান উপাস্য দেৱতা হ'ল শিৱ। জনজাতি সমাজত শিৱক লাঙা, লাঙমাৰ, বুঢ়া গোসাঁই নামেৰে পূজা কৰা হয়। এই অঞ্চলৰ গাঁওসমূহত বছৰেকীয়া সবাহ পাতি মহাদেৱক পূজা কৰা হয়। এই সবাহত কেঁচাইখাইতী গোঁহানীবো পূজা কৰা হয়। ৰাভাসকল শৈৱ, শাক্ত আৰু জড় এই তিনি ধৰণৰ উপাসক হিচাপে পোৱা যায়। আধুনিক চিকিৎসা বিজ্ঞানত বেমাৰ-আজাৰ নিৰাময়ৰ বিজ্ঞানসন্মত ব্যৱস্থা আছে যদিও ৰাভাসকলে সৰহ সংখ্যক

বেমাৰ-আজাৰ, অপায়-অমঙ্গল নাশৰ বাবে প্ৰচলিত জনবিশ্বাস অনুসৰি ভূত-প্ৰেত, ঘৰগোসাঁনী, কুবেৰ, বীৰা, পাহন, গৰখীয়া গোসাঁই আদিক পূজা কৰে। বৰ্তমান সময়ত দুৰ্গাপূজা, কালীপূজা, শিৱৰাত্ৰি আদি পূজা কৰা দেখা যায়। বহু সংখ্যক ৰাভা লোকে বৰ্তমান শংকৰী ধৰ্মত দীক্ষিত হৈ সেই আচাৰ নীতি পালন কৰিছে। আন কিছুমান লোকে খ্ৰীষ্টান ধৰ্মৰ প্ৰতিও আকৰ্ষিত হৈছে।

**(ঙ) লোকাচাৰ ঃ**

**(১) জন্ম আৰু জাতকৰ্ম ঃ** প্ৰাচীন কালত ৰাভাসকলে গৰ্ভৱতী মহিলাৰ প্ৰসৱৰ কাৰণে দেৱী পূজা কৰিছিল বুলি জনা যায়। ৰাভাসকলে বিশ্বাস কৰে যে গৰ্ভৱতী মহিলাৰ পেটৰ সোঁফালে সন্তান লৱচৰ কৰিলে ল'ৰা আৰু বাওঁফালে লৱচৰ কৰিলে ছোৱালী সন্তান জন্ম হয়। সন্তান জন্মৰ পাঁচ বা তিনি দিনত অশৌচ খেদোৱা হয়। এই কাৰ্য্যত পৰিয়ালৰ সদস্যই ব্যৱহাৰ কৰা কাপোৰ-কানি, বয়-বস্তু আদি ধুই-পখালি, ঘৰ-কাঠি চাফ-চিকুনকৈ মচি-কাচি সুচি হয়। ঈশ্বৰৰ নামত নৈবেদ্য আগবঢ়াই নৱজাতক জাতিকাৰ মংগল কামনা কৰা হয়।

**(২) বিবাহ ঃ** ৰাভাসকলৰ মাজত প্ৰধানকৈ চাৰি ধৰণৰ বিবাহৰ প্ৰচলন দেখা যায়—

(i) দৰা-কইনা উভয় পক্ষৰ আলোচনা মৰ্মে অনুষ্ঠিত বিবাহ। দৰা যেতিয়া সাজি-কাঁচি ৰাইজ সহিতে কইনা নিবলৈ আহে তেনে বিবাহক ডাঙৰ বিয়া আৰু দৰা নহাকৈ কইনা দি পঠাই দিলে ঘৰতোলা বিয়া বুলি কোৱা হয়।

(ii) বলেৰে ছোৱালী হৰণ কৰি নি কৰোৱা বিবাহ। বিয়া-সবাহলৈ যাওঁতে বা মিতিৰ-কুটুমৰ ঘৰলৈ যাওঁতে কোনো ডেকাই গাভৰু ছোৱালীক পচন্দ কৰি হৰণ কৰি বিবাহ পাতে। ইয়াক টানি নিয়া বিয়া বোলে। ই প্ৰায় লুপ্ত হৈ পৰিছে।

(iii) পলুৱাই নি পতা বিবাহ। ল'ৰা-ছোৱালীয়ে ইজনে সিজনক পচন্দ কৰিলে কেতিয়াবা ঘৰখনে বিভিন্ন কাৰণত এই সম্পৰ্কক স্বীকৃতি নিদিয়ে। এনে পৰিস্থিতি ল'ৰাই ছোৱালীক পলুৱাই নি বিয়া পাতে।

(iv) ৰাভা সমাজত ঘৰ জোঁৱাই (ঘৰ্জা) বা চপনীয়া ৰাখি বিবাহ পতা প্ৰথাৰো প্ৰচলন আছে। কোনো পৰিয়ালত পুত্ৰ সন্তান নাথাকিলে কোনো ল'ৰাই ঘৰ্জা থাকিলে সি পৈতৃক সম্পত্তিৰ অধিকাৰৰ পৰা বঞ্চিত হ'ব লগা হয়।

**(৩) সৎকাৰ, শ্ৰাদ্ধাদি ঃ** ৰাভাসকলে বয়সীয়াল লোক ঢুকালে শটো পোৰে আৰু সৰু ল'ৰা-ছোৱালী ঢুকালে পুতি থয়। কোনো মানুহৰ মৃত্যু হ'লে মৃতকৰ সৎকাৰৰ বাবে অহা গাঁৱৰ লোকসকলে চাউল, মদ, সৰু চৰে (কুকুৰা), কণী, কাপোৰ, পইচা, ধূপ আদি লৈ আহে। মৃতকক গা ধোৱাই ন-কাপোৰ পিন্ধোৱা হয়। মৃত ব্যক্তিজনে ভালপোৱা বস্তুবোৰে এসাজ বান্ধি মৃতকলৈ আগবঢ়োৱা হয়। চিতাখন এৰা সূতাৰে পাঁচ বা সাত পাক মেৰিওৱা হয় আৰু মৃতকৰ শটোও সিমান পাক ঘূৰাই চিতাত তুলি দিয়া হয়। গৃহস্থই ৫/৭ দিনৰ পিছত 'দাহা' কৰ্মলৈ ৰাইজক নিমন্ত্ৰণ জনায়। তাৰ পিছত তেওঁলোকে নৈ-নিজৰাত গা ধুই একুৰা জুইৰ ওপৰেৰে পাৰ হৈ শুচি হয়। দাহাৰ দিনা 'আঙাৰা কোচোৱা', 'গুৰখা ধৰা', 'মেমাং বাৰাৱা' পৰ্ব শেষ কৰি পৰিয়ালৰ পুৰুষ সদস্যসকলে দাড়ি-চুলি খুৱাই শুচি হয়।

শ্ৰাদ্ধানুষ্ঠানৰ দিনা সমস্ত জাতি-কুটুম্বক নিমন্ত্ৰণ কৰা হয়। শ্ৰাদ্ধলৈ আহোঁতে প্ৰতিগৰাকী ব্যক্তিয়ে গৃহস্থৰ বাবে চাউল, আঞ্জা-পাচলি লৈ অহা পৰম্পৰা আছে। শ্ৰাদ্ধৰ দিনা ৰাইজৰ বাবে ৰন্ধা-বঢ়া কৰাৰ আগতে মৃতকলৈ সুকীয়াকৈ বান্ধি এসাজ আগবঢ়োৱা হয়। সেইদিনা ৰাইজৰ বাবে গৃহস্থই মদো আগবঢ়ায়। ৰাইজৰ বাবে ৰন্ধা ভাত, মাংস, দালি আদি গৃহস্থ আৰু বান্ধনিয়ে ৰাইজলৈ আগবঢ়াই সেৱা জনায়। সেইদিনাৰ পৰা সমজুৱা গোসাঁইঘৰ, পূজা-পাঠ আদিত পৰিয়ালৰ সদস্যসকল ভাগ ল'বলৈ শুদ্ধ হোৱা বুলি গণ্য কৰা হয়।

**(চ) গীত-পদ ঃ** লোকগীতসমূহ লোক-সাহিত্যৰ অমূল্য সম্পদ। মৌখিকভাৱে চলি অহা এই গীত-পদসমূহত লোক জীৱনৰ সুখ-দুখ, ৰাগ-অনুৰাগ, বিশ্বাস-অন্ধবিশ্বাস আদি প্ৰতিফলিত হয়। ইয়াত কোনোধৰণৰ কৃত্ৰিমতা নাথাকে। সেয়ে হয়তো লোকগীতৰ সুৰ-তালে সকলোকে মতলীয়া কৰে।

দক্ষিণ ছয়গাঁওৰ লোকগীতৰ ভিতৰত বগেজাৰী গীত অন্যতম। বগেজাৰী গীতৰ সাংগীতিক অভিব্যক্তি, সুৰ-লয়, উপমা আদি অতি সুন্দৰ আৰু কাব্যিক। তাৰোপৰি হানাঘোঁৱা গীত, মাৰে গীত, বিয়া-সবাহত বা দেৱ-দেৱীৰ পূজাৰ সময়ত মহিলাসকলে গোৱা গীত-মাত আদি যথেষ্ট শ্ৰুতিমধুৰ। ঢুলীয়া অভিনয় আৰু নৃত্য-গীততো এই অঞ্চল চহকী। দক্ষিণ ছয়গাঁও অঞ্চলত ব'হাগ বিহুৰ সময়ত গাঁওসমূহত ৰঙালী বিহু সন্মিলন আয়োজন কৰা দেখা যায়।

সময় গতিশীল। সময়ৰ গতিত সকলো এদিন সলনি হৈ পৰে। লোক-সংস্কৃতিৰ ক্ষেত্ৰখনো ইয়াৰ বিপৰীত নহয়। সময়ৰ পৰিৱৰ্তনৰ লগে লগে আমাৰ সংস্কৃতিৰ কিছুমান অমূল্য প্ৰথা হেৰাই যোৱাৰ উপক্ৰম হৈছে। টকা-পইচা সৰ্বোচ্চ বস্তুবাদী চিন্তাৰ বিপৰীতে এনেবোৰ সংস্কৃতিয়ে সমাজখনৰ মৰম-চেনেহৰ বান্ধোনক অধিক সুদৃঢ় কৰিব পাৰে। আশাকৰোঁ লোক-সংস্কৃতিয়ে আমাৰ সমাজখনক চিৰদিন সজীৱ কৰি ৰাখিব আৰু মৰম-চেনেহৰ এনাজৰীৰে বান্ধি ৰাখিব। ■





# দেৱকান্ত বৰুৱাৰ 'সাগৰ দেখিছা' ঃ এক আলোচনা

■ সংগীতা নাথ
*অংশকালীন অধ্যাপিকা, অসমীয়া বিভাগ*

অসমীয়া সাহিত্যৰ কম সংখ্যক কবিতা ৰচনাৰে যিসকল কবিয়ে সাহিত্য জগতত বিশিষ্ট আসন লাভ কৰিব পাৰিছে, তাৰ ভিতৰত কলংপৰীয়া কবি 'দেৱকান্ত বৰুৱা' অন্যতম। দেৱকান্ত বৰুৱাই অকল সাহিত্য ক্ষেত্ৰখনৰ লগত জড়িত থকা নাছিল, তাৰ বাহিৰেও বৰুৱাই ছাত্ৰাৱস্থাৰে পৰা সক্ৰিয় ৰাজনীতিত যোগদান কৰি কংগ্ৰেছকৰ্মী হিচাপে কাৰাবাস খাটিব লগা হৈছিল যদিও, ৰাজনীতিৰ ক্ষেত্ৰখনে তেওঁক অসম বিধান সভাৰ অধ্যক্ষ হোৱাৰ উপৰিও কিছুকাল তেওঁ অসমৰ শিক্ষামন্ত্ৰী আছিল। এইবোৰৰ উপৰিও বৰুৱা ১৯৪৪-৪৫ চনত নতুন অসমীয়া আৰু দৈনিক অসমীয়া কাকতৰ সম্পাদকৰ দায়িত্ব বহন কৰিছিল।

কলংপৰীয়া কবি দেৱকান্ত বৰুৱা যুগসন্ধিৰ কবি। কিয়নো, বৰুৱা অসমীয়া ৰোমাণ্টিক আৰু আধুনিক কবিতাৰ মাজত সেতু স্বৰূপ। নন্দ তালুকদাৰৰ ভাষাত দেৱকান্ত বৰুৱা 'পেটমোচা' কবি। ড° মহেন্দ্ৰ বৰাৰ ভাষাত বৰুৱা 'আমি দুবাৰ মুকলি কৰো নতুন কবিতাৰ কঁপালত ৰঙা সেন্দুৰৰ অকণি তিলক'। গতিকে, দেৱকান্ত বৰুৱাৰ হাততে ৰোমাণ্টিক আন্দোলনে যেনেদৰে পৰিপূৰ্ণতা লাভ কৰিছে, তেনেদৰে আধুনিক কবিতাৰ দুৱাৰো মুকলি হৈছে।

দেৱকান্ত বৰুৱা ৰোমাণ্টিক কবি সাগৰ দেখিছা (১৯৪৮) দেৱকান্ত বৰুৱাৰ একমাত্ৰ কবিতাপুথিৰ সংকলন। এই সংকলনখনত মাত্ৰ একুৰি পোন্ধৰটা (৩৫) কবিতাৰ সমষ্টি। বৰুৱাৰ এই কবিতা কেইটা প্ৰকাশ হৈছিল আৱাহন কাকতৰ পিছৰ দশকত ৩১ টা, ৫০ দশকত ৪ টা কবিতাৰে তৃতীয় প্ৰকাশৰ পৰা সৰ্বমুঠ ৩৫ টা কবিতাৰ সংকলন। দেৱকান্ত বৰুৱাৰ 'সাগৰ দেখিছা' কবিতাপুথিখনৰ অন্তৰ্গত কবিতাকেইটিৰ ভিতৰত থকা ভাব, বিষয়বস্তু, ভাষা, প্ৰেম আদিৰ বিষয়ে এটি পৰিচয়মূলক আলোচনা তলত আগবঢ়োৱা হ'ল, এনেদৰে—

এখন মাত্ৰ কবিতাপুথিৰে কবি জীৱন আৰম্ভ কৰা দেৱকান্ত বৰুৱা প্ৰেমৰ কবি, যৌৱনৰ কবি। ভালপোৱা যৌৱনৰ ধৰ্ম। যৌৱনৰ বেদনাই জীৱনলৈ আনিব বিচৰা বেদনাখিনিক প্ৰশ্ৰয় নিদি যি দৃঢ়তাৰে তেওঁ দিঠকৰ বুকুত থিয় দিছে, তাতে তেওঁৰ পৌৰুষৰ সাৰ্থকতা আৰু সেয়ে বৰুৱাৰ কবিতাৰ শ্ৰেষ্ঠ আকৰ্ষণ। দেৱকান্ত বৰুৱাৰ কাব্যধাৰাৰ উৎস কোনো এক গাভৰু, তেওঁৰ প্ৰিয়া, লাহৰী, সখী বা মনোৰমা। প্ৰেম ব্যৰ্থ হ'লেই জীৱন ব্যৰ্থ নহয়; ৰক্ত-মাংসৰ যৌৱন কেৱল দেহাতীত প্ৰেমতেই তৃপ্ত হ'ব নোৱাৰে। "গাভৰুৰ ওঁঠৰ লালিমা"ৰ অবিহনে জীৱন যৌৱন দুয়োটাই অসাৰ্থক। এইবোৰ বাস্তৱৰ চৰম সত্যক কবি দেৱকান্তই কবিতাৰ ৰূপ দিছে। কবিৰ বাবে দেহ আৰু মন দুয়োটাই সঁচা। শাৰীৰিক সৌন্দৰ্যৰে সৈতে যোগ হৈ প্ৰেমিকাৰ হিয়াৰ সৌন্দৰ্যই কবিৰ সৰু জীৱনলৈ ৰস আনিছে। সেয়ে কবিৰ অকপট অনুভৱ—

*"নিপোটল বুকু, লাটুমণি ওঁঠ*
*দুপাৰি দাঁত ডালিম গুটি*
*মৰুময় মোৰ জীৱন*
*তুমি কবিতাৰ একেটি সুঁতি।"* (মনোৰমা)

তেজ-মঙহৰ সামান্য এটি পুতলা হ'লেও, মৰতৰ মৃত্যুশীল ফুল হ'লেও কবিৰ প্ৰেয়সী বিজুলীৰ ক্ষন্তেকীয়া শোভা নহয়; যৌৱনৰ অক্ষম দীপালীহে। কবিৰ বাবে সংসাৰ অনিত্য যদিও তাৰ মাজতে অন্তহীন সুখৰ খনি আছে। কবিৰ জীৱনত পোৱাতকৈ নোপোৱাৰ সংখ্যাই সৰহ। কিন্তু যিকণ পোৱা গৈছে, তাৰো অসীম মূল্য। সঁচা মিছাৰ মায়াজালেৰে ভৰা, পংকিলতাৰে পূৰ্ণ জীৱন। এইবাবেই ইয়াত আছে ওঁঠত লগাই ওঁঠ পদুমৰ দৰে ফুলিবলৈ দুখন একেসুৰী হিয়া। কবিৰ ভাষাত হ'ব পাৰে প্ৰেমৰ আনন্দ ক্ষন্তেকীয়া, কিন্তু ক্ষণিকৰ মাজতে প্ৰেমে হৃদয়ত যি ছবি আঁকে সি কেতিয়াও মোহাৰি নাযায়। সেয়েহে কবিয়ে কৈছে—

*"তোমাৰ বিয়ালৈ আৰু কেইদিন বাকী? দহদিন?*
*মাথোঁ দহদিন আছে?*
*এনে দশ নিশা, তুমি যাবা তোমাৰ বাটেদি,*
*মই যাম মোৰ বাটে বাটে।"* (কলংপাৰৰ মাজনিশা)

কবিৰ মানসপটত মনোৰমা নানাৰূপা। তেওঁ চঞ্চলা হৈ কবিক আহ্বান কৰে, তৰা হৈ মন আকাশত জিলিকনি তোলে, মেটেকাৰ বিহফুল হৈ বাসনা প্ৰলুব্ধ কৰে। হিয়াহীনা সেই প্ৰিয়াই কিন্তু দেখা

নাই কবিৰ সাগৰৰ দৰে নীলা বেদনাৰে ভৰা হিয়াখন। কবিৰ প্ৰেমত উচ্ছলতা থাকিলেও গাঢ়তা হয়তো কম। সেয়ে, কবিয়ে আক্ষেপেৰে 'সাগৰ দেখিছা' কবিতাটিৰ এটা স্তৱকত এনেদৰে কৈছে—

*"তুমি নুবুজিবা সখী*
*কিনো বেদনাত*
*যষ্ঠীত প্ৰতিষ্ঠা কৰা দেৱীক বিসৰ্জো আমি বিজয়াৰ*
*বিফল সন্ধ্যাত।"* (সাগৰ দেখিছা)

প্ৰেৰণাময়ী বাণী, কবিৰ কাৰণে পূজাৰ দৰে পবিত্ৰ। ইয়াৰ দেশৰ আঙুৰ গোলাপ বাগ, মৰুভূমিৰ নিজান মৰুদ্যান, পাতালপুৰীত নিবিড় অন্ধকাৰ, ক'তোৰেই সেই মায়াবতীৰ বাবে উপযুক্ত স্থান কবিয়ে বিচাৰি পোৱা নাই। কবিৰ কাৰণে সেই প্ৰেয়সী একালে সুকোমল হৃদয়া, আনফালে নিৰ্দয়া, তেও জীৱন্ত কামনা। চিৰন্তনী নাৰী তেওঁ, যাৰ ওঁঠৰ লালিমাত বিহফুলীয়া বিষাক্ত হাঁহি যাৰ আকৰ্ষণ এৰাব নোৱাৰি। ভায়ে ভায়ে কৰিছে সংগ্ৰাম। তেওঁৰ উপমা কিহত নাই। চেতাবৰ মধুৰ গুঞ্জৰণত তৰাৰ জেউতিত, বুভুক্ষ দেৱতা, কামৰ পূজাৰ অঞ্জলিত তেওঁৰেই প্ৰকাশ। তেওঁ কোমলতাৰ অংশ, কঠোৰতাৰ অংশ সকলোৰে সাৰভাগ লৈয়েই তেওঁৰ সৃষ্টি—

*"দৃপ্তফনা কালনাগ, বিহ উগাৰত যাৰ নীলকণ্ঠ ভোলানাথ।*
*তুমি তাৰ মণি।।*
*উৎপীড়িত বেদনাৰ চিৰন্তন বিদ্ৰোহৰ গগন উতলা কৰা*
*তুমি তূৰ্যধ্বনি।।"* (তিলোত্তমা)

প্ৰেমৰ কবিতাৰ উপৰিও নিঃসন্দেহে দেৱকান্ত বৰুৱাৰ মনোভাৱত দেহবাদী চিন্তা যথেষ্ট প্ৰভাৱশালী আছিল। অথচ দেহবাদক নিৰুদ্বেগচিত্তে বৰুৱাই গ্ৰহণ কৰিবও পৰা নাছিল। অৰ্থাৎ দেৱকান্ত বৰুৱাক তেওঁৰ কবিতাৰ আঙ্গিকৰ পৰিচিত ভংগীৰ বাবেই পোণতেই 'ৰোমাণ্টিক' বুলি চাব, মোহৰ মৰাটো বুদ্ধিমানৰ কাম হ'ব নোৱাৰে। বৰং ৰোমাণ্টিক খোলাৰ মাজত তেওঁ কিছু পৰিমাণে বিদ্ৰোহী আধুনিকতাৰ আগৰণুৱা আছিল বুলি কোৱাহে উচিত হ'ব। এই ক্ষেত্ৰত দেৱকান্ত বৰুৱাৰ কবিতাত স্বকীয় বৈশিষ্ট্য মূৰ্ত হৈ উঠা নাই। কিন্তু এনে ভাবাৰেই সময়ে সময়ে কবিয়ে সৃষ্টি কৰিছে চমকপ্ৰদ অৰ্থবৈভৱ—

*"পদুমৰ পাহি সৰে, বসন্ত লেৰেলি পৰে,*
*মাৰ যায় তৰা,*
*হাঁহি আৰু মৰণৰ অপূৰ্ব আভাৰে দীপ্তা*
*এই বসুন্ধৰা।"* (পৃথিৱী)

উক্ত স্তৱকটিৰ প্ৰথম শাৰীত বসন্তক এপাহ ফুলৰ লগত তুলনা কৰাত কিছু নতুনত্ব আছে, নহ'লে ইয়াৰ ভাষা ৰীতি সুপৰিচিত। অথচ, মাৰ যোৱা তৰা আৰু সৰি পৰা ফুলৰ মাজত কবিৰ উপলব্ধিয়ে যেতিয়া আবিষ্কাৰ কৰিছে অপ্ৰথাগত, অপৰিচিত ভাব সমাৱেশ হাঁহি আৰু মৰণৰ অপূৰ্ব আভাৰে দীপ্তা তেতিয়া পৰিচিত ভাষাই অৰ্জন কৰিছে অভিনৱ ভাৱঘন ব্যঞ্জনা। ইয়াত মৰণ নহয়। মৰণৰ কবলত থকা জীৱনৰ হাঁহি জিলিকনিয়েই কবিতা ফাঁকিৰ সাৰকথা। সৰে, লেৰেলি পৰে, মাৰ যায় পিছত নিৰ্ভীক দুঃসাহস আৰু বিক্ৰমেৰে উদ্ভাসিত হোৱা হাঁহিৰ অভিনৱ স্বাক্ষৰ এই ফাঁকি কবিতাৰ মাজত পৰিলক্ষিত হয়। 'অপূৰ্ব আভাৰে দীপ্তা, এই বসুন্ধৰা, অনুপ্ৰাসৰ ধ্বনিৰে সেই হাঁহিৰেই গৌৰৱ প্ৰতিষ্ঠা কৰিছে।'

দেৱকান্ত বৰুৱাই তেওঁৰ কবিতাত প্ৰেম আৰু দেহবাদৰ উপৰিও ভৱিষ্যতলৈ আহিবলগীয়া নতুন প্ৰজন্মৰ কবিসকলৰ বিষয়ে অনুভৱ কৰি কবিতা লিখিছে এনেদৰে— কলংৰ নিজান পাৰত বহি কবি দেৱকান্তৰ অন্তৰলৈ বহুতো ভাৱৰ জোঁৱাৰ আহিছে। বিনন্দীয়া পৃথিৱীৰ বুকুত কবিৰ ব্যৰ্থতাৰ তুচ্ছ ইতিহাসখন কবিতাৰ পূৰ্ণতাৰে প্ৰকাশ কৰিব নোৱাৰি সোণালী যৌৱনৰ কালছোৱা, বনৰীয়া বিহ মেটেকাৰ দৰে উটি ভাহি ফুৰা বাবে কবিয়ে আক্ষেপ কৰিছে। হয়তো কোনোবা নতুন কবিয়ে এই কলংপাৰতে জীৱনৰ জয়মাল্য ৰচনা কৰি ভৱিষ্যতৰ সুমহীয়ান কৰি যাব, কবিৰ কাৰণে—

*"আমাক পাহৰি যাব অনাগত ভৱিষ্যই, মানুহৰ*
*মিছা ইতিহাস।"* (কলংপাৰত)

এই স্তৱকটিক কবিৰ বীণত অন্তৰৰ পৰিপূৰ্ণ বাণী বাজি উঠিছে। বহুতো সমালোচকে এই কবিতাটিৰ শেষ স্তৱকটিক এক অদৃষ্টবাদী হতাশা ফুলি ওলাইছে বুলি উল্লেখ কৰিছিল যদিও, পুনৰ পৰীক্ষা (Context) কৰোঁতে সমালোচকসকলে উপলব্ধি কৰিছে যে ব্যৰ্থ অবৰুদ্ধ প্ৰেমৰ বাবেহে কবিৰ মনত মানুহৰ সমসাময়িক ইতিহাস মিছা ইতিহাস ৰূপে প্ৰতিভাত হোৱা দেখা গৈছে।

কবি বৰুৱাৰ আন এটি জনপ্ৰিয় স্মৰণীয় কবিতা হ'ল 'দেৱদাসী'। এই দেৱদাসী কবিতাটিত দেৱদাসীজনী মানুহৰ এক ব্যৰ্থ অনন্তৰ ব্যৰ্থ আৰাধনাৰ মাজেৰেই ফুটি উঠে মানুহৰ ক্ষণিক গৌৰৱ। কিন্তু শেহান্তৰত মানুহে কল্পনাৰ দেৱত্ব লাভ কৰিব নোৱাৰে। মানুহৰ দেৱত্ব বাঞ্চা দেৱদাসীৰ প্ৰেমৰ দৰে নিষ্ফল—

*"হিয়া নিয়া আমাৰ ধেমালি মাথোঁ, ভগা হিয়া মানুহৰ*
*নিজস্ব গৌৰৱ;*
*বিৰহৰ চকুপানী মৰতৰ মন্দাকিনী, প্ৰেম তাৰ*
*মন্দাৰ সৌৰভ।"* (দেৱদাসী)

দেৱদাসী কবিতাটিত কবিৰ বিপৰীত অৱস্থাৰ, বিৰোধৰ কল্পনা শেষৰফালে ভয়;শংকা, অনুভূতি প্ৰবল কৰি তুলিছে। প্ৰেমৰ জৰিয়তে মানুহৰ সৃজনী ক্ষমতাক প্ৰকাশ কৰে।

কবি দেৱকান্ত বৰুৱাই কল্পনাৰে প্ৰিয়াৰ বাবে ফুলৰ মালা গাঁথ, কিন্তু সেই ফুল প্ৰিয়াৰ ডিঙিত পৰে মানে শুকাই লেৰেলি যায়। কবিৰ মতে মালাধাৰী গাথোঁতেই যি ক্ষন্তেকৰ বাবে আনন্দ পোৱা যায়। অৰ্থাৎ আনন্দ বা সৌন্দৰ্য্য ক্ষন্তেকীয়া। কিন্তু তাৰ বেদনা যুগমীয়া। কবিয়ে প্ৰকৃতি জগতৰ বিভিন্ন উপাদান, গছ, লতা, ফুলত প্ৰিয়াৰ পৰশ পাবলৈ ব্যাকুল, কিন্তু সেই প্ৰচেষ্টাও ব্যৰ্থ। প্ৰকৃতিয়ে যিদৰে কবিৰ হৃদয়ৰ দুখ বুজিব নোৱাৰে তেনেদৰে তেওঁৰ প্ৰেয়সীয়েও বুজিব নোৱাৰে। অথচ ব্যাকুলতাৰে কবিয়ে বিচাৰে প্ৰিয়তমাৰ সান্নিধ্য আৰু এনেদৰেই অপেক্ষাৰত কবিৰ জীৱনলৈ নামি আহে মৃত্যুৰ ছাঁ। মৃত্যুৰ উপলব্ধিয়ে কবিক জীৱনৰো ক্ষণস্থায়ীত্ব উপলব্ধি কৰাইছে—

*"পোহৰত হাঁহি নাচি উঠে যি পৃথিৱীখনি, সৌন্দৰ্যৰ*
*পিন্ধি পুষ্পহাৰ,*
*নিৰলে লেৰেলি পৰে যেতিয়া মৰণ ছাঁ লাহে লাহে*
*নামে সন্ধিয়াৰ।"* (অসাৰ্থক)

দেৱকান্ত বৰুৱাৰ অসাৰ্থক কবিতাটি ভাববাদী, ৰোমাণ্টিক কবিতা। কবিতাটিত ব্ৰাউনিঙৰ নাটকীয় একোক্তিৰ (Dramatic Monelogue) প্ৰয়োগ আছে।

'সাগৰ দেখিছা'ৰ কবিতাপুথিৰ অন্তৰ্গত প্ৰায়বিলাক কবিতাতে ফুটি উঠিছে কবিৰ গভীৰ ভালপোৱাৰ ভাবাবেগ আৰু কবিয়ে নিজৰ অন্তৰৰ কোনো কথাকে প্ৰাণখুলি ক'বলৈ সংকোচ কৰা নাই। প্ৰিয়াৰ লগত দৈহিক মিলন বা পোৱা নোপোৱাৰ দুখ বিষাদৰ সলনি গভীৰভাবে উপলব্ধি কৰিব পৰাটোৱে কবিৰ প্ৰেমৰ সাৰ্থকতা। এইবোৰ ভাবাবেগ ৰোমাণ্টিক কবিতাৰ লক্ষণ। কবি বৰুৱাৰ 'লাচিত বৰফুকন' কবিতাৰ মাধ্যমেৰে জাতীয় জীৱনৰ স্বৰূপটো ফহিয়াই চালে অসমীয়া মানুহৰ স্বাৰ্থপৰতা, নীচতা, হীনতাৰ প্ৰতি তীব্ৰ সমালোচনা কৰি কবিয়ে কৈছে এনেদৰে—

*"শাস্ত্ৰৰ তলি উদি হৈ গ'ল, নেলাগিল মাথো থিত*
*মৰা আউসীত হাল বালে লাগে কেই ধেনু পৰাচিত।"*
(লাচিত বৰফুকন)

দেৱকান্ত বৰুৱাই 'মোৰ দেশ মানুহৰ দেশ' কবিতাটিত মাতৃভূমিৰ মহিমা প্ৰকাশ কৰিছে। কিয়নো, দেশ মাতৃৰ ৰক্ষাৰ বাবে কতো মানুহক মৃত্যুৱে বাৰে বাৰে আহ্বান কৰে। মৃত্যুৰ আহ্বান থাকিলেহে মানুহবোৰে ভয়, শংকা নকৰি গাৰ তেজেৰে মাটি সেমেকাই তুলি যুদ্ধ কৰিবলৈ আগবাঢ়ি আহে, আৰু এইবোৰ কথাকে মানুহে নিজ ইচ্ছাৰে গ্ৰহণ কৰিছে কেবল মাত্ৰ দেশভক্তি, দেশ মাতৃৰ বাবে কবিয়ে এই দেশৰ মানুহৰ ত্যাগ আৰু দেশপ্ৰেমৰ মৰণ বিজয়ী অভিমানৰ কথা শ্ৰদ্ধাৰে সোঁৱৰণ কৰিছে—

*"জীৱনৰ মৃত্যুঞ্জয়ী আকুল আহ্বানে বাৰে বাৰে*
*মাতিছে আমাক*
*তেজেৰে আমাৰ*
*পাণিপথ, হলদীঘাট, পলাশীৰ, শৰাইঘাটৰ*
*মাটি সেমেকাই*
*আমি তাক কৰিছো গ্ৰহণ।"* (মোৰ দেশ মানুহৰ দেশ)

কবি বৰুৱাৰ কবিতাৰ ভাব আৰু প্ৰকাশভংগী আন কবিৰ পৰা সম্পূৰ্ণ পৃথক। তেওঁৰ কবিতাৰ কল্পচিত্ৰসমূহ নিমজ আৰু হৃদয়স্পৰ্শী লগতে শব্দ বাছনি আৰু কথনভংগী অপূৰ্ব। মুখ্যতঃ দেৱকান্ত বৰুৱা প্ৰেমৰ কবি হ'লেও তেওঁৰ কবিতাত প্ৰেমৰ মূৰ্চ্ছনাই এটি স্বকীয়ভংগী লাভ কৰিব পাৰিছে। কবি বৰুৱা প্ৰেমৰ ক্ষেত্ৰত সফল নে বিফল তেওঁৰ কবিতাত অস্পষ্ট। কিন্তু কবি পলায়নবাদী মনোবৃত্তিৰ উপাসক নহয়, সেই কথা স্পষ্ট। দেৱকান্ত বৰুৱাই শেষ কালত নৱন্যাস আন্দোলনৰ গুৰি ধৰি সাহিত্য ক্ষেত্ৰৰ পৰা আঁতৰি গ'ল। আনহাতে তেঁৱেই নতুন কবিতাৰে দুৱাৰ মুকলি নকৰিলেও স্বাগত জনালে—

*"জীৱনৰ উদ্‌ভ্ৰান্ত ছন্দৰ তালে*
*উতলা কৰিছে মোক।*
*জানো মোৰ গতি নাই গতিৰ বাহিৰে।"*
(আমি দুৱাৰ মুকলি কৰোঁ)

গতিকে, দেৱকান্ত বৰুৱাৰ প্ৰেমৰ কবিতাই মনলৈ যি ভাব আনে, সি হ'ল এক পৌৰুষদীপ্ত প্ৰেমিকাৰ অহংকাৰ ভৰা যৌৱনৰ প্ৰেমৰ জগতৰ বাস্তৱ অভিজ্ঞতা। এই অভিজ্ঞতা কল্পনাৰ বোলেৰে ৰঙীন আলসুৱা নহয়, দিঠকৰ মাটি আৰু বতাহৰ গোন্ধহে ইয়াত বেছি স্পষ্ট।

ওপৰোক্ত আলোচনাৰ পৰা আমি ইয়াকে উপলব্ধি কৰিলোঁ যে কবি দেৱকান্ত বৰুৱা সম্পূৰ্ণ ব্যক্তিকেন্দ্ৰীক কবি। ৰোমাণ্টিক যুগৰ শেষ কবি হ'লেও দেৱকান্ত বৰুৱাৰ কবিতাতেই ৰোমাণ্টিক আন্দোলনে পৰিপূৰ্ণতা লাভ কৰিছে। 'সাগৰ দেখিছা' পেটমোচা, কংলেপৰীয়া, যুগসন্ধিৰ কবি বুলি খ্যাত দেৱকান্ত বৰুৱাই জীৱন আৰম্ভ আৰু শেষ কৰিছিল ব্যক্তি স্বাতন্ত্ৰতাৰ মাজেদিয়েই। ■


সহায়ক গ্ৰন্থপঞ্জী ঃ

১। ডেকা হাজৰিকা, কৰবী ঃ অসমীয়া কবিতা
২। বৰুৱা, দেৱকান্ত ঃ সাগৰ দেখিছা
৩। তালুকদাৰ, নন্দ ঃ কবি আৰু কবিতা
৪। মজুমদাৰ, বিমল ঃ অসমীয়া কবিতাৰ বিচাৰ
৫। গোহাঁই, হীৰেণ ঃ নিৰ্বাচিত সমালোচনা

# গভীৰ জীৱনবোধৰ উপন্যাস বকুল ফুলৰ দৰে ঃ এক চমু আলোকপাত

■ মানবেন্দ্ৰ দাস
*অংশকালীন অধ্যাপক, অসমীয়া বিভাগ*




**আৰম্ভণি ঃ**

'বকুল ফুলৰ দৰে' ড° মৃণাল কলিতাৰ দ্বাৰা ৰচিত প্ৰথমখন উপন্যাস। ২০১৫ চনৰ নৱেম্বৰ মাহত বান্ধৱ প্ৰকাশনে এই উপন্যাসখন প্ৰকাশ কৰি উলিয়ায়। ২০২১ চনৰ ডিচেম্বৰ মাহৰ ৩০ তাৰিখে এই উপন্যাসখনৰ বাবে ড° মৃণাল কলিতাই সাহিত্য একাডেমিৰ 'শিশু সাহিত্য বঁটা' লাভ কৰে।

এই উপন্যাসখন এখন অত্যন্ত উপযোগী আৰু মননশীল উপন্যাস। যাৰ প্ৰকাশভংগী অতি সহজ-সৰল যদিও গভীৰ জীৱনবোধ ইয়াত অন্তৰ্নিহিত হৈ আছে। এজন ছাত্ৰ আৰু এগৰাকী প্ৰকৃত শিক্ষকৰ সম্বন্ধ কেনে হোৱা উচিত এই গ্ৰন্থখনে বুজাই দিব। এগৰাকী শিক্ষকে কেনেকৈ দৰিদ্ৰ ঘৰৰ এজন ছাত্ৰক উত্তৰণৰ বাট দেখুৱাব পাৰে, কেনেদৰে সমাজখন নিকা কৰি তুলিব পাৰে সেইয়া দুজন অন্তৰংগ বন্ধুৰ সম্বন্ধৰ মনোৰম কাহিনীৰে বৰ্ণনা কৰিছে।

**কাহিনীৰ চমু অৱলোকন ঃ**

কাহিনীৰ কেন্দ্ৰবিন্দু— অসীম। শূন্যৰ দিশে গতি কৰা জীৱন এটিক এগৰাকী প্ৰকৃত বন্ধু আৰু এগৰাকী শিক্ষকে কিদৰে তাক এক নতুন জীৱন প্ৰদান কৰিব পাৰে তাৰেই সুন্দৰ উপস্থাপন কৰিছে। কাহিনীভাগৰ আৰম্ভ হৈছে নৱম শ্ৰেণীৰ বছৰেকীয়া পৰীক্ষাৰ ফলাফল ঘোষণাৰ দিনটোৰ পৰাই। স্কুলৰ গেটৰ কাষত থকা বকুলজোপাৰ তলত বহি অসীমে অনুভৱ কৰিছে যে লাহে লাহে তাৰ পঢ়াৰ ধাউতি কমি আহিছে। এনেকৈ সি লাহেকৈ ফলাফলৰ ব'ৰ্ডখনলৈ দৃষ্টি নিক্ষেপ কৰি দেখিলে যে উত্তীৰ্ণৰ তালিকাত শেষৰফালে তাৰ নামটো লিখা আছিল। সেই মুহূৰ্তত সি দুখেই অনুভৱ কৰিব নে সুখেই কৰিব সি একো ভাবি পোৱা নাছিল। তেনেতে সিহঁতৰ স্কুলৰ গণিতৰ শিক্ষক মহেন্দ্ৰ মাষ্টৰে অসীমক মতাই আনি এটা জোৰকৈ চৰ শোধাই গালি পাৰিলে। আচলতে এসময়ত অসীম স্কুলখনৰ সাংঘাতিক মেধাৱী ল'ৰা আছিল। কিন্তু ঘোৰ মদাহী বাপেকৰ বাবে ঘৰৰ আৰ্থিক দুৰৱস্থাৰ বাবে তাৰ পঢ়াৰ মনোযোগ কমি আহে আৰু সেইদিনা সি গণিতৰ মাষ্টৰৰ পৰা শাস্তি পাই স্কুল এৰাৰ সিদ্ধান্ত লয় আৰু আনৰ ঘৰত কাম কৰা মাকৰ আৰু ঘৰত থকা ভনীয়েক আজলীৰ কিছু সকাহ হওঁক বুলি সি পাহাৰৰ দাঁতিত শিল ভাঙিবলৈ লৈছিল। কিন্তু তাৰ এই সিদ্ধান্তত একমাত্ৰ বন্ধু নিৰ্মলে সন্মতি দিয়া নাছিল বৰঞ্চ সি পুনৰ ভালকৈ স্কুলত পঢ়ি প্ৰথম স্থানত অহাটো কামনা কৰিছিল। পিছে বহু চেষ্টা কৰিও নিৰ্মলে তাক মনাব পৰা নাছিল। সেই সময়তে সিহঁতৰ স্কুলত অনুভৱ মাষ্টৰে যোগদান কৰিলে। তেওঁ স্কুলত সোমায়েই অতি কম সময়ৰ ভিতৰতে ছাত্ৰ-ছাত্ৰীৰ গণিতৰ প্ৰতি থকা ভয়ভাৱ আঁতৰ কৰাত সক্ষম হয়। উপন্যাসখন পঢ়ি আমাৰ এনে অনুভৱ হ'ব যে আমি প্ৰত্যেকেই বিচৰা অংকৰ শিক্ষকজন এনেকুৱাই হ'ব লাগিছিল নেকি। তেনেকৈয়ে অনুভৱ মাষ্টৰে লাহেকৈ কিছুদিন পিছত স্কুল এৰি যোৱা অসীমৰ কথাও গম পায় আৰু অসীমৰ বন্ধু নিৰ্মলৰ পৰা সকলো জানিবলৈ উৎসুক হয়। সকলো কথা জানি বুজি লৈ শেষত তাৰ সমিধান বিচাৰি উলিয়াই অনুভৱ মাষ্টৰ আৰু নিৰ্মলে অশেষ প্ৰচেষ্টা অব্যাহত ৰাখি প্ৰায় ৩ মাহৰ মূৰত অসীমক পুনৰ স্কুললৈ ঘূৰাই আনিবলৈ সক্ষম হয়। তেনেকৈ নিৰ্মলে অসীমক নিঃস্বাৰ্থভাৱে সহায় কৰি গৈছে। পিছে শাৰীৰিকভাৱে নিৰ্মল সুস্থ নাছিল। জন্মৰ পৰাই তাৰ হৃদযন্ত্ৰটো বিকাৰগ্ৰস্ত আছিল। মেট্ৰিক পৰীক্ষালৈ কিছুদিন থাকোঁতেই নিৰ্মল পুনৰ অসুস্থ হৈ পৰে। চিকিৎসালয়ৰ পৰা আহিও বহুদিন ধৰি বিছনাত পৰি থাকিব লগা হয়। তেনেদৰে অসীমে নিৰ্মলৰ বিছনাৰ কাষত বহি পঢ়ি গৈছিল আৰু নিৰ্মলে শুনি গৈছিল। এনেদৰেই দুয়ো পঢ়াৰ প্ৰস্তুতি চলাই গৈছিল। শেষত দুয়ো নানা বাধা অতিক্ৰম কৰি মেট্ৰিক পৰীক্ষাত বহিল। ইমান অসুবিধা, সমস্যা, কষ্ট, খেলিমেলিৰ বাবে কোনেও সিহঁতৰ পৰা বৰ বেছি ভাল আশা কৰা নাছিল। বৰঞ্চ সকলো হতাশহে হৈছিল। নিৰ্দিষ্ট দিনত ফলাফল ঘোষণা কৰিলে। দেখা গ'ল অসীম আৰু নিৰ্মল দুয়োজনেই প্ৰথম বিভাগত উত্তীৰ্ণ হৈছে। অসীমে ৭ নম্বৰত আৰু নিৰ্মলে ৩ নম্বৰত ষ্টেণ্ড কৰিছে। অসীমৰ ভাল ফলাফলৰ খবৰটো শুনি মদাপী পিতৃয়ে পুত্ৰৰ সাফল্যত আনন্দিত হৈ চিৰদিনৰ বাবে মদ ত্যাগ কৰিম বুলি শপত লয়। এই শুভবাৰ্তা প্ৰদান কৰিয়েই উপন্যাসৰ কাহিনীটোৰ সামৰণি ঘটে।

**উপন্যাসখনৰ ভাল লগা দিশসমূহ ঃ**

ভাল লগা দিশৰ ভিতৰত পোনপ্ৰথমে আমি উপন্যাসখনৰ মূল চৰিত্ৰকেইটাৰ কথা ক'ব পাৰো। কাৰণ মুখ্য চৰিত্ৰ অসীম আৰু নিৰ্মলৰ যোগেদি লেখকে দুজন দুৰন্ত কিশোৰক চিত্ৰিত কৰিছে। যাৰ এজনে চৰম দৰিদ্ৰতাৰ বিৰুদ্ধে কঠোৰ সংগ্ৰাম কৰিছে আৰু আনফালে এজনে জীৱন-ব্যাধিৰ বিৰুদ্ধে নিৰন্তৰ যুঁজি গৈছিল। বহুতো চোকা ল'ৰাৰ দৰে নিৰ্মল কিন্তু স্বাৰ্থপৰ নহয়। সি নিজে প্ৰথম স্থানত থাকিও অসীমৰ শৈক্ষিক উত্তৰণত সহায়ৰ হাত আগবঢ়াই আহিছে। ইয়াৰ পিছত আমি নাম ল'ব পাৰো অনুভৱ মাষ্টৰৰ কথা। অনুভৱৰ জৰিয়তে উপন্যাসখনত এগৰাকী প্ৰকৃত শিক্ষকৰ দায়িত্ব, কৰ্তব্যবোধ আৰু ত্যাগৰ যি ধাৰণা আগবঢ়াইছে, সেই ধাৰণাই শিক্ষা সমাজত এক ধনাত্মক প্ৰভাৱ পেলাইছে। উপন্যাসৰ মাজত অনুভৱ মাষ্টৰৰ দ্বাৰা যি অংক শিকোৱাৰ সৰলীকৰণ পদ্ধতি ছাত্ৰ-ছাত্ৰীক দেখুৱালে সেইয়া অতি প্ৰশংসাজনক। লেখকে ইয়াত এজন আদৰ্শ শিক্ষক হিচাপে উপস্থাপন কৰাত সফল হৈছে।

দ্বিতীয়তে আমি ক'ব লাগিব উপন্যাসখনত ব্যৱহৃত সংলাপৰ কথা। প্ৰতিটো সংলাপৰ অন্তৰালত সোমাই আছে গভীৰ অৰ্থপূৰ্ণতাৰ এটি আভাস। যাৰ যোগেদি এক নতুন চিন্তাৰ বাট বিচাৰি পোৱা যায়। বিফলতাৰ মাজতো সফলতাৰ বাট দেখুৱাই অনুভৱ মাষ্টৰে মেট্ৰিকত ফেইল কৰা সীমান্তক বাঁহী বজোৱা গুণৰ বাবে প্ৰশংসা কৰি কৈছিল যে— 'অকল তুমিহে ইমান ধুনীয়াকৈ বাঁহী বজাব পৰা সীমান্ত। আমাৰ স্কুলৰ কোনেও তোমাৰ দৰে বাঁহী বজাব নাজানে।' ইয়াতেই অনুভৱ মাষ্টৰৰ অনুভূতিশীল, উদাৰ ব্যক্তিত্বৰ পৰিচয় পোৱা গৈছে।

তৃতীয়তে আমি ক'ব লাগিব উপন্যাসখনৰ সহজ-সৰল ভাষা আৰু মনোৰম বৰ্ণনা তথা সৰল উপস্থাপনৰ কথা। যাৰবাবে শিশুৰ পৰা বৃদ্ধলৈকে সকলোৱে পঢ়ি এক পৰম সন্তোষ লাভ কৰিছে। বিশেষভাৱে এই উপন্যাসখন ছাত্ৰ-ছাত্ৰীয়ে পঢ়াটো খুবেই প্ৰয়োজন। প্ৰকাশৰ দিনৰ পৰাই এই উপন্যাসখনে পাঠক সমাজত এক বিশেষ মৰ্যাদা লাভ কৰিবলৈ সক্ষম হৈছে যি লেখকগৰাকীৰ বাবে এক সুখপ্ৰাপ্তি।

সদৌ শেষত গ্ৰন্থপ্ৰেমিক ৰাইজলৈ এটাই অনুৰোধ উপন্যাসখন এবাৰ আপোনালোকে পঢ়াৰ লগতে নিজৰ সন্তানকো এবাৰ পঢ়িবলৈ প্ৰেৰণা যোগাওঁক। এই জীয়া সংগ্ৰামৰ কাহিনীয়ে হেজাৰজনৰ দৰে আপোনাসবৰ হৃদয়তো এক গভীৰ চেতনাবোধ জন্মাব বুলি আমাৰ এক বিশ্বাস। ■

■ ■ ■

ভ্ৰমণ কাহিনী

# A Travel Down the Memory Lane : Mandu

■ **Chinmoyee Chetia**
*Assistant Professor, Department of History*

Mandu, a small town in Madhya Pradesh, is a place rich in history and beauty. The town is renowned for its ancient forts and palaces. The Jahaz Mahal, resembling a ship floating on water, is a notable attraction. Another impressive site is the Hindola Mahal, known for its distinctive sloping walls. Mandu's history is deeply embedded in its numerous archaeological sites. The town is home to several significant structures from different periods, showcasing the architectural brilliance of the time. The Rani Roopmati Pavilion offers stunning views of the Narmada River and the surrounding landscape. This structure, associated with the romantic tale of Rani Roopmati and Baz Bahadur, adds an element of legend to the town's archaeological significance. Another key site is the Baz Bahadur Palace, a testament to the town's royal heritage. The palace, with its expansive courtyards and beautiful terraces, reflects the grandeur of Mandu's past. The Hoshang Shah's Tomb, considered India's first marble edifice, is another important site. It is believed to have inspired the design of the Taj Mahal, highlighting its architectural significance. The Jami Masjid, inspired by the great mosque of Damascus, is a stunning example of Afghan architecture. Its grand scale and intricate design make it a must-visit for those interested in historical structures. The mosque stands as a testament to the town's diverse cultural influences over the centuries.

Surrounded by scenic hills and lush greenery, Mandu offers breathtaking views from its hilltops. One can see the Narmada River winding through the valley, enhancing the town's charm. Mandu is also famous for its romantic tales, particularly the story of Baz Bahadur and Rani Roopmati, which adds a magical touch to its history. The town boasts a rich cultural heritage, visible in its local music, dance, and festivals. Visiting Mandu feels like stepping back in time. The residents of Mandu are warm and welcoming, making the visit even more enjoyable. Sampling the local cuisine is a must, as it offers a variety of delicious dishes that reflect the region's culture and history.

I had the opportunity to visit Mandu during the summer of 2021 for an archaeological project known as the MANDU Project. Our group of four traveled from Assam to Mandu, supervised by three esteemed scholars. Dr. Supriya Verma, Dr. Jaya Menon, and Dr. Hemanth Kadami. All are revered experts in the history and archaeology of the subcontinent. Their guidance was invaluable and will continue to benefit me. I am very grateful for their mentorship, which fostered a personal connection to the place. During our field survey, we began our work at 4Ê.30 am and returned by 12 pm or 1 pm to avoid the unbearable midday heat. The food and culture in Mandu were different from what we were accustomed to, but the people were exceptionally generous and supportive. This experience was a significant learning opportunity. Mandu is a hidden gem that everyone should visit at least once. Mandu offers a unique blend of history, culture, and natural beauty. Visiting Mandu is like traveling back in time, making it an unforgettable experience. ■



গল্প পিতান

# আই

■ প্ৰস্তুতি ৰাভা
*স্নাতকোত্তৰ চতুৰ্থ ষাণ্মাসিক*



বাৰাণ্ডাখন চিকুণাবলৈ মই বাঢ়নীটাৰ হাতত তুলি ল'লো। এনেতে চাফ কৰি থাকোঁতেই ম'বাইল ফোনটোৰ মাত ক্ৰিং..... ক্ৰিং..... ক্ৰিং......। মইয়ো লৰি-ঢপলি গৈ শোৱা কোঠালী পালোগৈ, দেখিলো কোনোবা অচিনাকি নম্বৰ। ইমান হেঁপাহেৰে ফোন ক'লটো ৰিচিভ কৰিবলৈ আহিছিলোঁ যে তাতোকৈ দুখ মনেৰে কোঠালীটোৰ ভিতৰৰ পৰা ওলাই আহিলোঁ। ভাবিছিলোঁ মাজনীৰ ফোন ক'ল হ'ব। কতা নাই, এনেয়েই মিছা ভ্ৰম। বাবুৰটো খবৰ খাটি নাইয়েই। কৰ্মসূত্ৰে সি আমেৰিকাত থাকে। ইহঁত কেইজন নোহোৱা হোৱাৰ পৰা বৰ অকলশৰীয়া হৈ পৰিলোঁ। মাজনীবোনো মোলৈ মনত নপৰেনে? ইমান ব্যস্ততা। বিয়া হোৱাৰ পৰা মাত্ৰ এবাৰ ঘৰত আহিছে। এইবোৰ কথা ভাবি থাকোঁতেই হঠাৎ আকৌ এবাৰ ফোনটোৰ মাত আহিল। ফোনটো দেখি মিঠা হাঁহি মাৰি ৰিচিভ কৰিলোঁ— 'মাজনী, মাজনী ভালে আছানে তই?'

"মা, কিনো বাৰ বাৰ ফোন কৰি থাকা, মই কামৰ পৰা আজৰি হৈ তোমাক ফোন কৰিম নহয়।"

মই যেন ক'ৰবাত অসহায় হৈ পৰিলোঁ, এই মাজনীৰ দুশাৰী বাক্য শুনি। নিজৰ মাককো কোনে বাৰু ইমান অৱহেলা কৰিব পাৰে। আজিৰ আৰু আমাৰ দিনৰ সময় অৱশ্যে কিছু বেলেগ আছিল। কিন্তু মোৰ লগতো যে তাইৰ ইমান সময় নহয়নে? ময়ো বাৰু মোৰ আইৰ মাজতো এনেকুৱা প্ৰশ্নৰ উদয় কৰাইছিলো নেকি? কাৰণ মইয়ো এওঁৰ কৰ্মসূত্ৰে বিদেশত হৈ আছিলোঁ। ঘৰত বছৰত দুবাৰমান যোৱা হয়। আজি কিন্তু মোৰ আইলৈ বৰকৈ মনত পৰিছে। আই এৰি যাবৰ আজি সাত বছৰ হ'ল। এহ.... ময়ো কি যে ভাবি আছো পুৰণা কথাবোৰ। আজি আৰু কালিৰ মাজত বহুত পাৰ্থক্য আহিছে। কিমান কাম ভিতৰত পৰি আছে কৰোঁগৈ। এনেতে চাফ-চিকুণ কৰি থাকোঁতে পুৰণা বাকচটোত হাতখন গ'ল। বাকচটো খুলি চাই দেখিলো আয়ে মোলৈ উপহাৰ দিয়া ৰিহা-মেখেলা চাদৰযোৰ। কিন্তু মোৰ ৰিহাখন মেখেলাখনতকৈ বহু প্ৰিয় আছিল। আজি এই কাপোৰযোৰ চুই অনুভৱ কৰিব পাৰিছো যে সন্তান আৰু মাৰ বান্ধোন কিমান মৰমৰ। আজি যেন এই কাপোৰৰ মাজত মই মোৰ মাক বিচাৰি পাইছোঁ। এবাৰ যেন আইক সাৱটি ল'ব বিচাৰোঁ। ■

# বকুলৰ সুবাসৰ হাঁহি

■ চিত্ৰলেখা বাভা

*স্নাতক চতুৰ্থ ষাণ্মাসিক*

গোলাপ নে তগৰ? এইবাৰ ৰাণীৰ পাল। ময়ে হৈছিলো ৰাণী। ঘপকৈ তগৰ বুলি ক'লে আশা কৰা ধৰণে মৰমৰ বান্ধৱী তাৰাই। এনেকৈয়ে ভাগ-বতৰা হৈছিল আমাৰ মাজত। ভাগ বতৰাৰ পিছতেই দুটা দলৰ মাজত কাবাডী খেল আৰম্ভ। উফঃ খেল খোলোতে যে মোৰ কিমানবাৰ আঠুত ছাল গৈছিল। খেলি খেলি সন্ধিয়া হৈ যায় তাৰ পিছতো সিহঁতৰ লগত আমনি নালাগে। সন্ধিয়া ঘৰলৈ আহি আইৰ গালি খাওঁ। পঢ়িবলৈ ক'লে জ্বৰ উঠা বুলি বাহানা মাৰি শুই থাকোঁ। সেইবাবেই চাগৈ মেট্ৰিকত তৃতীয় স্থান হে পাইছিলোঁ। হঠাৎ বকুল ফুলৰ গোন্ধ এটা নাকত আহি লাগিল। আমাৰ গাঁৱৰ খেলপথাৰৰ কাষতে থকা বকুলজোপা ৰাতিপুৱাতে উঠি কোনে কিমান বুটলি মালা গাঁঠিব পাৰে তাৰেইতো প্ৰতিযোগিতা চলিছিল আমাৰ মাজত। তাৰা, জোনাকী, সোণপাহি আটাইৰে মুখত আখৈ ফুটা কথাবোৰে বৰ আমনি কৰে।

এতিয়া কোন ক'লৈ গ'ল। সকলো বেলেগ বেলেগ ঠাইত।

বকুলৰ সুবাস বিচাৰি থাকোঁতে কিবা এটা গোন্ধ নাকত লাগিল.....।

হেৰি কি হৈছে তোমাৰ মাছৰ আঞ্জা দাইল কি ভাবি আছানো একেথৰে....।

ইমান কাণসাৰ নাই নে তুমিয়ে খোৱা সেইসোপা এতিয়া।

মোৰ স্বামীৰ মাতত মই বৰ্তমানলৈ ঘূৰি আহিলোঁ। একোৱেই নাই বকুলৰ সুবাস, ৰজা-ৰাণী, গোলাপ-তগৰ, তাৰাহঁত কোনোৱেই নাই কাষত। তাৰাতাৰিকৈ দহা মাছৰ আঞ্জাখিনি পেলাই দিলে মালবিকাই। বকুলৰ সুবাসৰ লগত দহা আঞ্জাৰ গোন্ধ একেবাৰেই নিমিলে।

মালবিকাৰ মনত হেজাৰটা স্মৃতিয়ে আকৌ দহবিয়াবলৈ ধৰিলে।

স্বামীৰ গালিবোৰ নুশুনা হৈ গ'ল তাই। ল'ৰালিৰ লগৰীয়াৰ জাউৰিয়ে জাউৰিয়ে হাঁহিবোৰ আহি কাণত পৰিল.... মুহূৰ্তৰ বাবে মনটোত উপচি পৰিল আনন্দৰ এজাক বৰষুণ.... য'ত তাই নাচি নাচি ভাগৰি পৰা নাই। ■

# কবিৰ মনেৰে

■ ডিউলী কলিতা

*স্নাতক চতুৰ্থ ষাণ্মাসিক*

কবিৰ মনত হেনো সকলো সম্ভৱ। আহকচোন কবিৰ মনৰ ভিতৰলৈ সোমাবলৈ অলপ চেষ্টা কৰো।

সপোনক কলমৰ সহাৰিবে বাস্তৱত ৰূপান্তৰিত কৰাৰ ক্ষমতা হেনো কবিসকলৰ আছে। কি এক ঐশ্বৰ্যশীল শক্তি আছে তেওঁলোকৰ মনত। কোনো হেনো প্ৰকৃতি প্ৰেমী, কোনো হেনো কাল্পনিক জগততেই মগ্ন, আন কোনোবাই হেনো নিজৰ প্ৰেয়সীৰ ঐশ্বৰ্যক চিৰদিনৰ বাবে বিৰাজমান কৰিব বিচাৰে তেওঁৰ সেই চিৰযুগমীয়া কবিতাৰ চেনেহত। সাধাৰণ লোকৰ দৰে তেওঁলোকৰ জীৱন যান্ত্ৰিকতাতে বিৰাজমান হৈ নাথাকে। এই নিষ্ঠুৰ নিসংগহীন পৃথিৱীত উৰি ফুৰে তেওঁলোকৰ মন। কোনোৱে হেনো মানৱ নিৰ্মিত কলাৰ মাজৰ পৰা লিখি উলিয়াই একো একোটা কবিতা। এটি সাধাৰণ নদীক সৰগৰ পৰীসকলৰ মৌনতাৰ নদীলৈ ৰূপান্তৰিত কৰাৰ ক্ষমতা আছে সেই চিৰযুগমীয়া কবিসকলৰ। কোনোৱে হেনো কাঞ্চনজংঘা আন কোনোৱে হেনো লণ্ডন ব্ৰীজ, সকলোতে বিচাৰি উলাই এক প্ৰেম, যিটো সকলোৱে সম্ভৱ নহয়। কবিসকলৰ মাথো এটাই আশা, নিজকে মৃত্যুৰ পিছতো কবিতাৰ মাজত অমৰ কৰি ৰখাৰ। অমৰ কবি ৰখাৰ সেই সপোনবোৰ যিবোৰ কেৱল মনৰ কাল্পনিকতাত সম্ভৱ, বাস্তৱত নহয়। অমৰ কবি ৰখাৰ সেই সপোনবোৰ যিবোৰতেই তেওঁলোকে নিজৰ সমস্ত কাল্পনিকতাৰ চহৰখনত উৰি ফুৰে। কবিবোৰ জীয়াই থাকক, কবিবোৰ জীয়াই থাকক। তেওঁলোকৰ অতুলনীয় কবিতাত।

আজি তেনে এজন কবি গ'লগৈ, কোনোদিন উভতি নহা বাটেৰে।

হাতত থকা কিতাপখনত চকু ফুৰাই ইমান সময় এইবোৰকেই ভাবি আছিলোঁ। ■



# SURESH KUMAR

■ **Priya Sharma**

*B.A 4th Sem.*

The plot opens with a boy seen having a interaction with the almighty (that is praying to God). He was paning through a tough phase of his life, when he was the eldest of the two boys of his family and was pressurised by his family to earn money. He was submitted his biodata in many companies but was not able to get any of then because of his qualification, belonging to a poor family he was not able to get education in a proper way. No one was there for him to help him go or with his studies and so he became a boy who have qualified only till II standard. Praying to God was a part of his daily routine and he was being witnessed by his mother. His mother got into the room in which he was praying and abused him because she always thought that his prayers are only a way that he has found believing that god will help him to get him work. But he continued with his prayers and his mother left the room. He went out of the house of the prayer search for job and again came home failing. It became a habit of him a many months paned by.

After 3 moths, he got a job and gave his everything in his job but he never liked when someone rebuck him and that happened in his first job and he left. Coming to home the day he left his job he got a phone call from his mother saying that his father has met an accident and has been admitted in the J.C.U Suresh Kumar, he was broken he didn't had money with him and angrily he stop praying to god. After six or seven days he got a job call and he agreed as he was in a urgent need of a job to pay the money of or his father operation. He kept working hard, excluding praying to god from his daily routine. Again, after some days he got a call which would pay him more money for his efficiency. Suresh Kumar's life started turning to a normal path and he started living happy. Now he smiles lough which he probasly lost in his hard days.

A night sleeping, he saw a dream, a dream in which Suresh Kumar was having interaction with his almighty. And in the throughout conversation when he wake up he only remembered the word "Work Hard" keep patience. Every has their good time of their part. I am surely there, but to only see you work hard, being happy. Blessing you always. Suresh get up to of his bed did prayer and left for his job. Smiling on the way. ■

# Superstisious belief

■ **Nishita Sharma**

*B.A 4th Sem.*

It was a day of summer, my mother come home with a dull face. She was returning from her sister's home because they had arranged a party for her daughter who got her first period. father asked mother what happen. She answered nothing. But it was visible on her face that there was something which she doesn't want to share. But because it was painful for him to her painful face he asked her again. She replied with a painful voice that though her sister's family gave a party for their daughter but their daughter was not able to go there because their daughter again get her period on the day of the party and because their family belief in rituals she couldnot able to thouch things for somedays and she stays in the home alone on the day of the party which was arranged for her. No one can understand with how much pain she and her family were dealing with. She couldnot go to the party because society will not accept that. Everyone who had gone to the party return with a dull face. No one was happy. ■

(Moral of the story is society makes some unusual rules and they believe on superstisious belief for which they themselves have to suffer)

# সৰস্বতী পূজা

■ ড° নৰকান্ত অধিকাৰী
*অধ্যক্ষ*

সৃষ্টিকৰ্তা ব্ৰহ্মাৰ মুখৰ পৰা সৌন্দৰ্যময়ী অপৰূপা এক দেৱীৰ সৃষ্টি হৈছিল। তেঁৱেই প্ৰজ্ঞা আৰু বিদ্যাৰ অধিস্থাত্ৰী দেৱী সৰস্বতী, বাগদেৱী বাক্ আৰু শব্দৰ দেৱী। সৰস্বতীক ভাৰতী, শতৰূপা, সাৰদা, বাগিশ্বৰী আদি নামেৰে জনা যায়। ঋক্‌বেদত পোনপ্ৰথমে সৰস্বতীৰ উল্লেখ পোৱা যায়। পৰৱৰ্তী ভাৰতীয় ধৰ্মীয় গ্ৰন্থত সৰস্বতীক সংস্কৃত ভাষাৰ সৃষ্টিকাৰী ৰূপে পোৱা যায়। তেওঁ কলা আৰু বিজ্ঞানৰো পৃষ্ঠপোষক। জনা যায় যে সৰস্বতীয়ে গণেশৰ হাতত কাপ আৰু মহী তুলি দিছিল। প্ৰজ্ঞা, সংগীত কলা, জ্ঞান, বিদ্যা আৰু পবিত্ৰতাৰ হিন্দু দেৱী সৰস্বতী। তেওঁ (ত্ৰিদেৱী সৰস্বতী, লক্ষ্মী আৰু পাৰ্বতী)ৰ এক অংশ। জগতৰ সৃষ্টি, স্থিতি আৰু লয়ৰ দেৱতাত্ৰয় ব্ৰহ্মা, বিষ্ণু আৰু শিৱক এই ত্ৰিদেৱীয়ে পূৰ্ণ সহযোগিতা আগবঢ়াইছিল। ঋক্‌বেদৰ যুগৰ পৰা আজিলৈকে সৰস্বতীয়ে হিন্দু ধৰ্মীয় পৰম্পৰাগত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আছে। ■

# জ্ঞানৰ মহত্ব

■ অলকা দাস
*সহকাৰী অধ্যাপিকা, দৰ্শন বিভাগ*

সনাতন ধৰ্মত মাঘ মাহৰ শুক্লাপক্ষৰ পঞ্চমী তিথিত জ্ঞানৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতীৰ পূজা-অৰ্চনা অনুষ্ঠিত হয়। বেদত পূজিত একাধিকা দেৱীৰ ভিতৰত সৰস্বতী দেৱী অন্যতম। অন্তৰীক্ষত তেওঁ দেৱী আৰু মৰ্ত্ত্যত তেওঁ এখন নদী ৰূপে প্ৰৱাহিত হৈছে। পুৰাণত সৰস্বতীক সংগীতৰ দেৱী ৰূপে স্বীকৃতি দিয়া হৈছে। তেওঁ জ্ঞান, বুদ্ধি, সংগীত আৰু কলাৰ দেৱী। সৰস্বতী দেৱীক বীণাপাণি, বাগদেৱী, শ্ৰীপঞ্চমী আদি নামেৰেও জনা যায়। দেৱী সৰস্বতীৰ আশীৰ্বাদ অবিহনে জ্ঞান-বিদ্যা, কলা, সংগীত লাভ কৰিব নোৱাৰি বুলি বিশ্বাস কৰা হয়। তেওঁ যথাৰ্থ সাধক ব্ৰহ্মবিদ্যা, ঋষিত্ব আৰু উত্তম জ্ঞান প্ৰদান কৰে বুলি কোৱা হয়। জ্ঞান মানৱ জাতিৰ প্ৰতি সৃষ্টিকৰ্তাৰ এক পৰম আশীৰ্বাদ। জ্ঞানৰ অবিহনে নিজক আৰু জগতক সঠিকভাৱে বুজিব নোৱাৰি। জ্ঞানৰ সুপ্ৰয়োগ আৰু দুৰ্প্ৰয়োগ দুই ধৰণেৰে হ'ব পাৰে। জ্ঞানৰ সুপ্ৰয়োগ যেনেদৰে মানৱ সভ্যতাক উন্নতিৰ চৰম শিখৰত আৰোহণ কৰাইছে তেনেদৰে ইয়াৰ দুৰ্প্ৰয়োগ মানৱ সভ্যতাক চৰম বিপৰ্যয়ৰ মাজলৈ থেলি দিব পাৰে। ভাৰতীয় দৰ্শনতো যথাৰ্থ জ্ঞানক এক মহৎ স্থান দিয়া হৈছে। সত্যৰ প্ৰকৃত জ্ঞান আহৰণক মানৱ জীৱনৰ চৰম লক্ষ্য বুলি বিবেচনা কৰা হৈছে। জীৱ আৰু জগতৰ প্ৰকৃত সত্যক এক প্ৰজ্ঞাত্মক অৰ্ন্তদৃষ্টিৰে লাভ কৰাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। জ্ঞান আহৰণ কাৰ্য অতি সৎ, শ্ৰদ্ধাপূৰ্ণ আৰু মহৎ আকাঙ্খা বুলি কোৱা হয়। অজ্ঞতা হৈছে আন্ধাৰ আৰু জ্ঞান হৈছে পোহৰ। জ্ঞানৰ আলোকেৰে উজ্জ্বলিত হ'লে জীৱনত পৰম সুখ আৰু আনন্দ আহৰণ কৰিব পাৰি। গ্ৰীক দাৰ্শনিক ছক্ৰেটিছে সদ্‌গুণ আৰু জ্ঞান সমাৰ্থক বুলি কৈছিল। ছক্ৰেটিছে কৈছে যথাৰ্থ জ্ঞানৰ অভাৱত মানুহে অপকৰ্ম কৰে। গতিকে যথাৰ্থ জ্ঞান লাভ কৰাজন প্ৰকৃততে সদ্‌গুণৰ অধিকাৰী। জ্ঞান আহৰণ কাৰ্য আৰু ইয়াক প্ৰয়োগ কৰা কাৰ্য যথাৰ্থতে সৎ হ'ব লাগে বুলি কোৱা হয়। নিজক উন্নত আৰু সমৃদ্ধিশালী কৰাৰ ক্ষেত্ৰত জ্ঞানতকৈ ডাঙৰ আন একো নাই। ■



# সৰস্বতী পূজাৰ মহত্ব

■ ড° হৰেণ চন্দ্ৰ কলিতা
*সহকাৰী অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ*

আদিম যুগৰ পৰা মানৱ সমাজে নানা উৎসৱ পালন কৰি আহিছে। সৰস্বতী বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী। তেওঁক বাগদেৱী বীণাপাণি বুলিও কোৱা হয়। মাঘ মাহৰ পঞ্চমী তিথিত পূজা-অৰ্চনাৰ বাবে এই উৎসৱ পাতে। সৰস্বতীৰ আন নাম 'বাণী'। বাণী জ্ঞান আৰু বিদ্যাৰ প্ৰতীক। বিদ্যাক আৰ্য ঋষি-মুনিসকলে শুক্ল ৰূপে বৰ্ণনা কৰিছিল। কাৰণ বিদ্যাই মানুহৰ অন্তৰৰ অন্ধকাৰ দূৰ কৰি জ্ঞান-পবিত্ৰতাৰে শুদ্ধতাৰে কৰে। সেই দেখি বোধহয় এইজনা দেৱীক বস্ত্ৰ পৰিধান কৰাই শ্বেত পদ্ম আসনত বহুৱাই হংসবাহন দি পূজা-অৰ্চনা কৰে। সৰস্বতী পূজাক শ্ৰীপঞ্চমী পূজা বুলিও কোৱা হয়।

সৰস্বতী অকল ছাত্ৰ-ছাত্ৰীৰে দেৱী তেনে নহয়। কিয়নো দেৱীৰ হাতত থকা বীণা আৰু কিতাপে জ্ঞান, বিদ্যা আৰু সংগীতৰ মাজত যে এক গভীৰ সম্বন্ধ আছে তাকে বুজাইছে। সাহিত্য, সংগীত আৰু আন সুকুমাৰ কলা এডাল সূতাৰে গঁথা এটাক বাদ দি আনটো সম্পূৰ্ণ নহয়। সেইবাবে কবি, সাহিত্যিক, চিত্ৰকৰ, গীতিকাৰ, গায়ক, শিক্ষক, ছাত্ৰ-ছাত্ৰীয়ে ভক্তি আৰু শ্ৰদ্ধাৰে তেওঁক পূজা অৰ্চনা কৰে। ■

# নমামী মাতৃ বাগদেৱী সৰস্বতী

■ জিনু দাস
*সহযোগী অধ্যাপিকা, অৰ্থনীতি বিভাগ*

হে বাগদেৱী সৰস্বতী
তোমাৰ ভূৱন ভুলোৱা বীণাৰ সুৰত
মহাবিদ্যালয়ৰ বাকৰি আজি মুখৰিত
ভক্তিৰসেৰে আপ্লুত
মায়াময়, ৰূপময়, ছন্দময়
ৰূপৰ পৰশত
নিমজ্জিত আজি তোমাৰ প্ৰশস্তিত
আই তোমাৰ বন্দনাত-
"জয়তু জয় শুভ জ্ঞানময়ী।
জগদম্বে শাৰদা মাতা।।"
হে বাগদেৱী সৰস্বতী
তোমাৰ জ্ঞানৰ মহিমাৰে মহিমামণ্ডিত
আজিৰ বসন্ত পঞ্চমীত
নিবেদিছোঁ ভক্তি পুষ্পাঞ্জলি
তোমাৰ চৰণত। ■

# শিপা

■ ড° জাহ্নৱী দেৱী
*সহযোগী অধ্যাপিকা, অসমীয়া বিভাগ*



পূজা পূজা খেলাৰ চলেৰে
ডে' চেলিব্ৰেচন কৰো আহা!
শ্ৰীপঞ্চমী তিথিনো কি
এক পৰম্পৰা!
পুৰণিকলীয়া
চেলিব্ৰেচনত থাকে উন্মাদনা
আছে নতুনত্ব
ফেচনেবল কিবা এটা...
গা ৰাইজাই কৰা

বিদ্যাৱন্ত ৰাৰবেলা কালবেলা
সকলো এলান্ধুকলীয়া
আইতাৰ ওঁঠত শুকাল
জুহালৰ মিঠা মিঠা নৈ
সোণাৰুবুলীয়া

তিথি বনাম ডে'
মন আৰু বিবেকৰ দ্বন্দ্ব
ঐতিহ্যৰ সংকট

শিপাৰ খোপনি আৰু
শিপা হেৰুওৱাৰ ব্যাকুলতা

আহা!
আমি পূজা পূজা নেখেলো
মাটিত বিচাৰোঁ আইতাৰ ছাঁ
ওখ ওখ গছবোৰ বোওঁ
সাৰ-পানী দিওঁ
শিপাবোৰ চাওঁ....
কিজানি বিচাৰি পাওঁ
হেৰোৱা সোণৰ সোলেং! ■

# DIFFERENT ACTIVITIES OF N.S.S. UNIT : 2022-2023

**Celebration of Mahabir Lachit Barphukan Diwas (21-11-2022)**

The NSS Unit and IQAC of Dakshin Kamrup Girls' College, Mirza celebrated the 400th Birth Anniversary of Mahabir Lachit Barphukan on 20th of November 2022 with day long activities.

As a part of the week long celebration of 400th birth anniversary of Mahabir Lachit Barphukan.

A rally was organised by the Unit followed by sapling plantation and cleaning drive around the campus.

The participation of Dr.Narakanta Adhikary, Principal of the college along with the faculty members and students made the event a grand success. Teaching Programme organized by NSS unit of Dakshin Kamrup Girls' College Mirza.



NSS volunteers of Dakshin Kamrup Girls' college, Mirza participated in the teaching programme organized by the Unit. It is a part of the Community Outreach Program that engages in various similar activities all year long, in an attempt to develop service learning and social responsibility. While the volunteers work with individuals and groups in their communities they use a range of formal and informal methods.

**Celebration of Farmers Day (23-12-2022)**

"Once in your life you need a doctor, a lawyer, a policeman, a preacher but everyday 3 times a day you need a farmer"--Brenda Schoepp.

The NSS Unit of Dakshin Kamrup Girls' college Mirza in association with the Career Guidance Cell celebrated the 'Farmers Day' on 23-12-2022 to pay respect and gratitude to the farmers who save us from starving.

Along with plantation and signage hanging students were taken to a nearby village Nahira to visit local farms and to felicitate the dedicated farmer for 6 decades Sri

Kameswar Das.

Students were very much inspired by the life story of Sri kameswar Das as a good human being and as a successful farmer.

Training Programme on SIPRD, Kahikuchi

The NSS Programme Officer of Dakshin kamrup Girls' College Mirza, Dr.Mitali kathkatia participated in the two day training programme on "An approach to Rural Development through Localizing sustainable Development Goals" held at State Institute of

Panchayat & Rural Development (SIPRD), Kahikuchi Campus, Guwahati – 781017, Assam



from19th to 20th December, 2022.

**Prize distribution Ceremony of Sontola Primary School (30-12-2022)**

Dr. Mitali Kathkatia and Dr. Minakshi Bairagi took part in the Cultural Programme and Annual prize distribution Ceremony of Sontola Primary School, at Sontola, the adopted village of NSS Unit of Dakshin Kamrup Girls' College on 30.12.2022 as invited guests.

Thanks to the school authority for offering this opportunity to the faculty members to experience the well-organized and disciplined programme of the small children.

**Anti-Rabies Vaccination camp on (25-01-2023)**

"Until one has loved an animal, a part of one's soul remains unawakened." Anatole France. So let's be alert, be aware and be alive. Always get your pets vaccinated. Let's unite to fight against rabies...with this motto the NSS Unit of Dakshin Kamrup Girls' College Mirza undertook an awareness drive from 18-01-2023 to 21-01-2023 to make people aware about the importance of Anti-Rabies vaccination for their pets.

The unit also made them aware about the free Anti-Rabies vaccination camp to be held on 25-01-2023 at Upahali, Mirza organised by the Sudhriti Veterinary clinic,Sarpara, Mirza in association with the NSS Unit of Dakshin Kamrup Girls college.

**Anti- Rabies Vaccination Camp at Uparhali, Mirza (25-01-2023)**

Rabies is almost always fatal once symptoms start to appear. Vaccination is the best way to stay safe while continuing to treat dogs and cats with kindness.

The NSS Unit of Dakshin Kamrup Girls' college, Mirza along with the Programme Officer Dr.Mitali kathkatia participated in the free Anti-Rabis vaccination camp held in Uparhali Mirza on 25-01-2023.

The camp was organized by Dr.Utpal Das in association with the NSS unit DKGC Mirza.

**Workshop on Borgeet and Jyotisangeet**

Some moments of the Day I of the Two-day workshop on 'Borgeet' and 'Jyotisangeet' organised by 'Utkarsha', Department of English in association with the Student Union and the NSS Unit of Dakshin Kamrup Girls' College, Mirza.

The program was inaugurated by Dr. Ranjan Bhuyan, the Vice Principal of the college.

The Resource Persons were Sri Sarbeswar Kalita and Sri Kabindra Patoari.

The two-day workshop on 'Borgeet' and 'Jyoti sangeet' concluded successfully today (02-02-23).

**NSS Seven Day special camp from 30.01.23 to 05.02.23**

The NSS Unit of Dakshin Kamrup Girls' College, Mirza has been trying to follow and nurture the ideology of NSS in a manner that ensures meaningful participation of all stakeholders.

The activities carried out in this Seven Day camp have served as an eye opener for the young NSS volunteers about the contemporary problems that our society is facing. The special initiatives on Health and hygiene awareness, self defence ,awareness on Swachhta , plantation ,vocational training, enterprenureship training and various workshops undertaken during the camp have served as a milestone in fostering social responsibility and nationalism among young NSS volunteers. With commitment toward the service of the society and with deep sense of gratification, we take pride in the successful completion of the camp by the NSS volunteers of the College.

We take this opportunity to express our gratitude to Dr. Narekanta Adhikary, Principal of the college for his valuable inputs and support

throughout the year. We congratulate and extend our best wishes to NSS volunteers, teaching and Non Teaching staff of the college and all the teachers students and staff of Sontola primary school who have made this journey a success.

The NSS Unit of Mirza is very happy to help the family of Miss Gitanjali Das and Chayanika Das. Gitanjali and Chayanika both are meritorious and talented students of Santola ME School. They come from a very underprivileged home consisting of - disconnected electricity, an ailing father and a daily wage earner mother. Despite these tragic conditions, the two girls have always put their best efforts to learn and excel in various roles in their school.

In an attempt to help and support these girls, the NSS Unit decided to come forward and provide electricity to their home. After an initial round of investigation, it was found out that their electricity had been disconnected by the board due to non payment of bills, long back. The volunteers of the unit quickly came to action to gather the funds and do the needful. Within two days, electricity was restored at their home. The cooperation of the teaching staff of Sontola school was truly great.

This Samaritan and helpful act of the volunteers is highly acknowledged and appreciated.

**The International Women's Day,2023**

The International Women's Day,2023 was celebrated by the NSS unit of Dakshin Kamrup Girls' College Mirza in collaboration with the Dept.of English and the Dept. of Education DKGC Mirza at Sontola ME school Sontola village. 13 Women Self help group of the village ware invited and were felicitated for their outstanding contribution and dedication towards the upliftment of the women folk of Sontola village by making them self reliant and financially independent.

Sri Alaka Boro "Poxu Xakhi" of Maliata Gaon Panchayat and Chayani Borduar block shared her motivational story about how she inspired the village women to attain financial independence.



Dr.Mitali kathkatia PO NSS Unit.Dr Minakshi Bairagi, (HOD Dept.of English) ,Habibur Rahman (HOD,Dept of Education and Rita Bhattacharya also delivered speech on women entrepreneurship and its significance in present day senerio.The Head master and teaching staff of thr school were also present in the event.

Congratulations to Dr. Mitali Kathkatia, Programme Officer, NSS Unit of Dakshin Kamrup Girls' College, Mirza.

Dr Mitali kathkatia attended the National Level Master Trainers' Training Programme on "Survey of Youth Not in Formal Education Or Regular Employment".

The program was organized by Ministry of Youth Affairs and Sports, Directorate of NSS, New Delhi at Dr. Ahmedkar International Centre, New Delhi on 15th & 16th March, 2023.

**Menstrual Hygiene Awareness Programme**

Menstruation is not a problem but poor menstrural hygiene is a problem.

Poor menstrual hygiene, however, can pose serious health risks, like reproductive and urinary tract infections which can result in future infertility



and birth complications.

Keeping in mind the significance of the issue, the NSS Unit supported and co-ordinated an Awareness programme on Menstrural Hygiene organised by the Foundation of Research and reforms in association with the Govt. Ayurvedic College and Hospital Ghy.



The resource persons were Sri Subhasish Das, president,Foundation for Research and Reforms, Journalist, TV producer & Director and CSR Consultant.Prof (doctor) Yanbeni Humtsoe. HOD , Dept.of Prasuti Tantra and Stree Rog .Govt.Ayurvedic College and Hospital, Dr. Anudeepa Nath and B. Dr.Anita Basumatary, Research Scholars of the Ayurvedic College and Hospital Ghy.

Faculty members and students of the college actively participated in the interaction session of the programme.

Survey on"Youth not in Formal Education and Regular Employment" By the NSS Unit Dakshin Kamrup Girls' college Mirza at the Adopted Village Sontola.

**North East NSS Festival, (31-03-2023 to 04-04-2023)**

North East NSS festival was organized by the Ministry of Youth Affaires and Sports,Regional Directorate of NSS NER Guwahati in association with Gauhati University NSS Cell from 31-03-2023 to 04-04-2023 at Gauhati University.

The 5 day long Festival was graced by many dignitaries. Honorable Minister ,Govt.of Assam Sri Jayanta Malla Baruah Dept.of PHE ,Tourism snd Skill Entrepreneurship Development . Sri Gitartha Goswami, Honourable member Secretary , State Level Advisory Committee for Youth and Students Welfare Govt.of Assam. Kumar Padmapani Bora IRS secretary to Govt of Assam,Dept. Of Tourism Dispur and MD ATDC.

Prof. H.Nath ,Register Gauhati University. Dr.Numal Momin , Honorable Deputy Speaker ,Assam Legislative Assembly Govt of Assam. Sri Dipak Kumar, Regional Director NSS NER Guwahati.Sri Pratha Sarathi Mahanta , DIG[Admin] Assam Police, Govt. of Assam. Sri Sunil Basumatary, Motivational speaker and life coach. Ms Ratna Singh,Educationist and motivational speaker. Sri Dipankar Bhattacharya, life skills trainer graced the event by their valuable presence, and inspiring speeches.

Dr Ranjan Kakoty , Director Students' Welfare GU and Dr.Rituparna Bora ,NSS Programme Officer Gauhati University very gracefully co-ordinated the entire event.

**National Tobacco Control Programme (12-05-2023)**

Dr.Mitali kathkatia,Programme Officer,NSS Unit of Dakshin Kamrup Girls college Mirza participated in the State level Stakeholders workshop on Tobacco Control organized by the International Union Against Tuberculosis and Lung Diseases in collaboration with State Tobacco control Cell,National Tobacco Control Programme ,Assam on 12-05-2023.

■ ■ ■

## ২০২৩ ইং বৰ্ষৰ "শংকৰদেৱৰ তিথি" উপলক্ষে
## অসমীয়া বিভাগৰ দ্বাৰা আয়োজন কৰা
## ৰচনা প্ৰতিযোগিতা

**প্ৰথম স্থানপ্ৰাপ্ত**

# শিল্পী সাহিত্যিক হিচাপে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ

■ মৌচুমী বেগম
*স্নাতক তৃতীয় ষাণ্মাসিক*



**আৰম্ভণি :** পৃথিবীত যেতিয়া অন্যায় অনীতিয়ে গা কৰি উঠে, যেতিয়া ধৰ্মৰ ওপৰত অধৰ্মই প্ৰভুত্ব বিস্তাৰ কৰে, তেতিয়াই ভগৱানে পৃথিবীলৈ একো একোজন মহান ব্যক্তি প্ৰতিনিধি স্বৰূপে পঠিয়ায়। খ্ৰীষ্টীয় চতুৰ্দশ আৰু পঞ্চদশ শতাব্দীৰ মাজ ভাগত অসমত ধৰ্মৰ বিপৰ্যয় ঘটিছিল। ধৰ্মৰ নামত চৌদিশে অন্ধবিশ্বাস, কু-সংস্কাৰ আদিয়ে সমাজক বিপথে পৰিচালিত কৰিছিল। তেনে দুৰ্যোগৰ সময়তে অৰ্থাৎ ১৪৪৯ খৃষ্টাব্দত আহিন মাহৰ শুক্লা দশমী তিথিত বৰদোৱাৰ আলিপুখুৰী গাঁৱত এইজনা মহাপুৰুষৰ আৱিৰ্ভাৱ হয়। ভাৰতবৰ্ষৰ উত্তৰ-পূৱত অৱস্থিত অসম আৰু অসমীয়া জাতিক আধ্যাত্মিক, সামাজিক, সাংস্কৃতিক আৰু বৌদ্ধিকভাৱে জগাই তুলি মানৱতাবাদ আৰু প্ৰায়োগিকবাদেৰে পৰিস্ফুত কৰাৰ লগতে অসমক বিশ্বৰ ভিতৰত চিনাকি দিবলৈ অৱদান দি থৈ যোৱা এই মানৱ গৰাকীয়েই হৈছে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ।

**জন্ম :** ১৪৪৯ খৃষ্টাব্দত আহিন মাহৰ শুক্লা দশমী তিথিত বৰদোৱাৰ আলিপুখুৰী গাঁৱত এইজনা মহাপুৰুষৰ আৱিৰ্ভাৱ হয়। এইগৰাকী মহান ব্যক্তিৰ পিতা আছিল কুসুম্বৰ ভূঞা আৰু মাতৃ আছিলে সত্যসন্ধা। শৈশৱতে তেওঁ পিতৃ-মাতৃক হেৰুওৱাত বুঢ়ী মাক খেৰসুতিৰ আদৰ যত্নেৰে লালিত-পালিত হৈ ধুলি-ধেমালিৰ আনন্দ মধুৰ দিনবোৰ লগৰীয়াৰ লগত অতিবাহিত কৰিছিল।

**শিক্ষা :** মহেন্দ্ৰ কন্দলীৰ টোলত তেওঁ শিক্ষা গ্ৰহণ কৰিছিল। অতি কম সময়ৰ ভিতৰতেই শংকৰদেৱে শিক্ষাৰ ক্ষেত্ৰত পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হৈ অ-ফলা, ক-ফলা শিকিয়ে স্বৰ-চিহ্ন বিহীন এটি সুন্দৰ কৃষ্ণ বন্দনাৰে নিজ কাব্য প্ৰতিভাৰ উজ্জ্বলতম কিৰণ দেখুৱাইছিল। তলত উল্লেখ কৰা হ'ল—

কৰতল কমল কমল দল নয়ন।
ভৱদৱ দহন গহন বন শয়ন।।
নপৰ নপৰ পৰ সতৰত গময়।
সভয় মভয় ভয় মমহৰ সততয়।।
খৰতৰ বৰ শৰ হতদশ বদন।
খগচৰ নগধৰ ফণধৰ শয়ন।।
জগদঘ মপহৰ ভৱভয় তৰণ।
পৰ পদ লয় কৰ কমলজ নয়ন।।

শিক্ষা সাং কৰাৰ পিছত কিছুদিন ভূঞা ৰাজ্যৰ দায়িত্বও বহন কৰিব লগা হৈছিল। কিন্তু ধৰ্ম সংস্থাপনৰ বাবেই যাৰ অৱতাৰ, তেওঁক ৰাজকাৰ্য, ভোগ বিলাসে বন্দী কৰি ৰাখিব নোৱাৰে। সকলো জলাঞ্জলি দি তেওঁ একনিষ্ঠভাৱে শাস্ত্ৰ চৰ্চা আৰু আধ্যাত্মিক সাধনাত নিমগ্ন হৈ পৰে।

**সাংসাৰিক জীৱন :** শিক্ষা সমাপ্ত কৰি সূৰ্যৱতীক বিবাহ কৰি গৃহাশ্ৰম ধৰ্ম পালন কৰে। এটি কন্যা জন্ম দি সূৰ্যৱতীৰ কেইবছৰমানৰ ভিতৰতে মৃত্যু হোৱাত বৈৰাগ্য উপজি ১২ বছৰ ভাৰতৰ বিভিন্ন তীৰ্থ পৰ্যটন কৰি, নানা সন্ত সাধুৰ সংস্পৰ্শত আহি আৰু নানা সম্প্ৰদায়ৰ কাৰ্যকলাপ দৰ্শন কৰি তেওঁ ঘৰলৈ উভতি আহে।

**মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অসমীয়া সাহিত্য-সংস্কৃতিলৈ অৱদান :**

"জয় গুৰু শংকৰ সৰ্ব্বগুণাকৰ
যাকেৰি নাহিকে উপাম,
তাহেৰি চৰণকু ৰেণু শত কোটি
বাৰেক কৰোঁহো প্ৰণাম।"

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ বহুমুখী প্ৰতিভাৰ আকৰ স্বৰূপ। মাধৱদেৱৰ ভাষাত মহাপুৰুষ শংকৰদেৱ আছিল— "সৰ্ব গুণাকৰ যাকেৰি নাহি উপাম"। মহাপুৰুষ শংকৰদেৱে ধৰ্ম প্ৰচাৰ, শিক্ষা, চিত্ৰবিদ্যা, সমাজ সংস্কাৰ, সাহিত্য সৃষ্টি, সংগীত, অভিনয় সকলো বিষয়তে অসমীয়া জাতি আৰু অসমীয়া ভাষা সাহিত্যক জীৱনী শক্তি প্ৰদান কৰি থৈ গৈছে।

**শিল্পী সাহিত্যিক হিচাপে শ্ৰীমন্ত শংকৰদেৱ :** শিল্পী সাহিত্যিক হিচাপে শ্ৰীমন্ত শংকৰদেৱৰ অৱদান অতুলনীয়। শংকৰদেৱৰ সাহিত্য প্ৰধানত শ্ৰীমদ্ভাগৱতৰ ওপৰত আধাৰিত। ধৰ্ম প্ৰচাৰৰ বাহক হিচাপে তেওঁ সাহিত্য ৰচনা কৰিছিল। তেওঁ ৰচিত নামপুথি, কীৰ্তনঘোষা সাহিত্যক প্ৰতিভাৰ উজ্জ্বল নিদৰ্শন আৰু অসমীয়া সাহিত্য মন্দিৰৰ এগছি উজ্জ্বল বন্তি স্বৰূপ।

শংকৰদেৱ আছিল এগৰাকী সু-সাহিত্যিক আৰু সুনিপুণ চাৰুকলা শিল্পী। এইজনা মহাপুৰুষে অসমীয়া সমাজৰ সকলো ক্ষেত্ৰলৈকে দি গৈছে ঐশ্বৰ্য অৱদান। এই অৱদানসমূহ কেৱল বহুমুখী অৱদানেই নহয়, ই এক অনন্তমুখী অৱদান। কিয়নো যি দিশেৰেই বা যি দৃষ্টিকোণেৰে তেওঁক চোৱা হয় সেই দিশেৰেই গুৰুজনাক আৱিষ্কাৰ কৰিব পাৰি নতুন নতুন দৰ্শনেৰে। ভাষা বিজ্ঞানী শিৱনাথ বৰ্মনদেৱে কোৱাৰ দৰে "এনে ব্যক্তিৰ জীৱন একোটা কেলিডস্ক'প যন্ত্ৰৰ নিচিনা, যি কোণৰ পৰা ইচ্ছা সেইমতে যন্ত্ৰটো ঘূৰাই বিভিন্ন ৰূপৰ সমাৱেশ দেখা পোৱা যায়।" শ্ৰীমন্ত শংকৰদেৱৰ এনে বৰ্ণাঢ্য ব্যক্তিত্বক আমি যি দৃষ্টিকোণেৰে অৱলোকন কৰো তাতেই বহু মূল্যৱান মণি-মুকুতা পাব পাৰোঁ। য'ত আছে বিভিন্ন জ্ঞানৰ সমাৱেশ।

**অসমীয়া ভাষা সাহিত্যৰ ক্ষেত্ৰলৈ অৱদান :** শ্ৰীমন্ত শংকৰদেৱৰ সাহিত্যৰ মাধ্যম আছিল তিনিটা ভাষাত : পুৰণি অসমীয়া, ব্ৰজাৱলী আৰু সংস্কৃত। অসমীয়া সমাজখন আটকধুনীয়াকৈ সজাই পৰাই, বৈষ্ণৱ ধৰ্মৰ মহিমাৰে পৱিত্ৰ কৰি, ভাষা সাহিত্য, সংস্কৃতিৰ বৰঘৰ শুৱনি কৰি, অসমীয়াৰ কণ্ঠত গৌৰৱৰ, গৰিমাৰ জয়মালা পিন্ধায়।

অসমীয়া সাহিত্যত শংকৰদেৱৰ লেখাসমূহক এনেদৰে বিভক্ত কৰিব পাৰি। তলত উল্লেখ কৰা হ'ল—

(১) **কাব্য :** শংকৰদেৱৰ ৰচিত কাব্য হ'ল হৰিশ্চন্দ্ৰ উপাখ্যান, ৰুক্মিণী হৰণ, অজামিল উপাখ্যান, গ্ৰাহ গজেন্দ্ৰৰ যুদ্ধ, অমৃত মন্থন, বলিছলন আৰু কুৰুক্ষেত্ৰ। শংকৰদেৱৰ ৰচিত কেইখনমান কাব্যৰ বিষয়ে বহলভাৱে আলোচনা কৰা হ'ল—

**হৰিশ্চন্দ্ৰ উপাখ্যান :** মহাপুৰুষ গুৰু শ্ৰীমন্ত শংকৰদেৱে ৰচিত অসমীয়া ভাষাৰ হৰিশ্চন্দ্ৰ উপাখ্যান পুথিখনি প্ৰথম। এই পুথিত মহা ধৰ্মশালী হৰিশ্চন্দ্ৰ ৰাজাই ৰাজসূয় যজ্ঞ কৰি ত্ৰিভূৱনক যশস্যা ৰাখে, সেয়ে বিশ্বামিত্ৰ ঋষিক সৰ্ব্বস্ব দান কৰি ৰাজ্যত্যাগী স্থানান্তৰী হৈ দক্ষিণাৰ অৰ্থে ব্ৰাহ্মণৰ ঘৰত পত্নী ভাৰ্য্যাক বিক্ৰী কৰে।

**ৰুক্মিণী হৰণ :** কাব্যখন ভাগৱত আৰু হৰিবংশৰ পৰা কাহিনী সংগ্ৰহ কৰি ৰচনা কৰিছিল। প্ৰেম আৰু মিলন, বিবাদেই হৈছে এই

কাব্যখনৰ মূল সমল। কুণ্ডলৰ ৰজা ভীষ্মকে কন্যা ৰুক্মিণীক কৃষ্ণৰ হাতত সমৰ্পন কৰাৰ ইচ্ছা কৰিছিল। কিন্তু জ্যেষ্ঠ ভাতৃ ৰুক্মবীৰে কৃষ্ণৰ পৰিবৰ্তে ছেদীৰাজ শিশুপাললৈ ৰুক্মিণীক বিয়া দিয়াৰ ব্যৱস্থা কৰে। শেষত কৃষ্ণই ৰুক্মিণীক বিবাহ কৰে।

**অমৃত মন্থন ঃ** অসমীয়া সাহিত্য-সংস্কৃতিলৈ শংকৰদেৱৰ অৱদানৰ ফালৰ পৰা অমৃত মন্থন এখন আকৰ্ষণীয় কাব্য।

**(২) ভক্তি তত্ত্ব ঃ** (ক) ভক্তি প্ৰদীপ (খ) ভক্তি ৰত্নাকৰ (গ) নিমি-নৱসিদ্ধ সংবাদ (ঘ) অনাদি পাতন।

**(৩) অনুবাদমূলক ঃ** (ক) ভাগৱতৰ ১ম, ২য়, ৬ষ্ঠ, ১১শ আৰু ১২শ স্কন্ধ (খ) উত্তৰাকাণ্ড ৰামায়ণ।

**(৪) অংকীয়া নাট ঃ** (ক) পত্নী প্ৰসাদ (খ) পাৰিজাত হৰণ (গ) ৰুক্মিণী হৰণ (ঘ) ৰাম বিজয় (ঙ) কেলি গোপাল (চ) কালিয় দমন।

**(৫) গীত ঃ** (ক) বৰগীত (খ) ভটিমা (গ) টোটয় (ঘ) চপয়। তলত গীতসমূহৰ বিষয়ে আলোচনা কৰা হ'ল—

শংকৰদেৱ আৰু মাধৱদেৱৰ দ্বাৰা ৰচিত গীতসমূহক বৰগীত বুলি কোৱা হয়।

শংকৰদেৱে ৰচনা কৰা মুঠ ৩৪ টা গীতৰ সংগ্ৰহ পোৱা যায়। চৰিত পুথি মতে, তেখেতে বাৰ কুৰি (দুশ চল্লিশ) বৰগীত ৰচনা কৰিছিল। কিন্তু দুৰ্ভাগ্যক্ৰমে বনপোৰা জুয়ে সেই বৰগীতসমূহ নষ্ট কৰে। মাধৱদেৱে বাৰকুৰি (দুশ চল্লিশ) গীত ৰচনা কৰিছিল বুলি প্ৰবাদ আছে যদিও বৰ্তমান সৰ্বমুঠ ১৫৭ টা মাত্ৰ গীতহে উপলব্ধ।

শংকৰদেৱে ৰচনা কৰা বৰগীতসমূহৰ ভিতৰত (১) গোবিন্দ গুণ মনলাগি (২) আনন্দে গোবিন্দে ৰায় বৃন্দাবনে বেণু (৩) জয় জয় যাদৱ, জলনিধি যাদৱ ধাতা (৪) বালক গোপালে কৰতৰে কেলি (৫) বেসায়ো ভাৰন্তে হাট।

শংকৰদেৱে দুই ধৰণৰ গীত ৰচনা কৰিছিল। বৰগীতবোৰ ব্ৰজাৱলী ভাষাত ৰচিত এবিধ অতি গাম্ভীৰ্যপূৰ্ণ ভাৱৰ গীত। ভটিমাবোৰো স্তুতি আৰু প্ৰশস্তিমূলক গীত।

**(৬) নাম-প্ৰসংগ ঃ** (ক) কীৰ্তন (খ) গুণমালা

**(ক) কীৰ্তন ঘোষা ঃ** কীৰ্তন ঘোষা মহাপুৰুষৰ সাহিত্যিক কীৰ্তিস্তম্ভ। অসমত নৱবৈষ্ণৱ ধৰ্মৰ মহাপুৰুষজনাৰ কীৰ্তন ঘোষাৰ প্ৰতি আদৰ সাদৰ জনপ্ৰিয়। কীৰ্তন ২৭ টা স্বয়ংপূৰ্ণ খণ্ডৰ সমষ্টি। আকৰ্ষণীয় বিষয়বস্তু আৰু মনোৰম প্ৰকাশে, ছন্দৰ বৈচিত্ৰ্য আৰু লালিত্যই আধ্যাত্মিক ভাব উজ্জীৱিত কৰা কীৰ্তনখনক ল'ৰা, ডেকা আৰু বুঢ়া সকলো শ্ৰেণীৰ লোকে সমাদৰ কৰে।

শংকৰদেৱৰ কাব্যিক সংবেদনশীলতাই মানুহৰ হৃদয়ক আধ্যাত্মিক উপলব্ধিৰ স'তে একাত্ম হ'বলৈ যেন সহজ কৰি দিলে। কেইবাখনো গ্ৰন্থৰ সংমিশ্ৰণত সৃষ্টি কৰা 'কীৰ্তন' পুথিখনেই হ'ল শংকৰদেৱৰ কাব্যিক প্ৰতিভাৰ শ্ৰেষ্ঠ নিদৰ্শন। এই পুথিখন পুৰাণ গীতা, ভাগৱতৰ আখ্যান-উপাখ্যানেৰে ভৰা প্ৰধানকৈ ভক্তি ধৰ্মৰ পুথি হ'লেও ইয়াত প্ৰতিফলিত হৈ আছে বাস্তৱ জীৱনৰ ছবি। একো একোটা আখ্যান অতি কম পৰিসৰতে কাব্যিক অনুভূতিৰে সজাই পৰাই পাঠকৰ হৃদয় আলোড়িত কৰাৰ যি কৃতিত্ব সেইয়া অতি অনন্য।

শ্ৰীমন্ত শংকৰদেৱৰ ৰচনাৰ ক্ষেত্ৰত অতি সমৃদ্ধ আৰু বিচিত্ৰ ৰূপটো হৈছে, ইয়াৰ শব্দ ৰাজি আৰু শুদ্ধ ব্যাকৰণৰ প্ৰয়োগ। এইখিনিতে এটি কথা উল্লেখযোগ্য যে, অসমীয়া সাহিত্যৰ জগতখনলৈ তেখেতে আগবঢ়োৱা ইমানখিনি অনবদ্য আৰু অতি সুন্দৰ অৱদানৰ সকলোখিনিকে উল্লেখ নকৰাকৈ যদি কেৱল কীৰ্তন পুথি ভাগকে উল্লেখ কৰা যায় তেন্তেও দীপ্তমান শ্ৰীমন্ত শংকৰদেৱ হৈ থাকিব সাহিত্যৰ বিশাল পথাৰৰ বিস্ময় আৰু ভোটা তৰা।

**(খ) গুণমালা ঃ** গুণমালা পুথিখনত গুৰুজনাৰ বৰ্ণনা শক্তিৰ পৰিচয় পোৱা যায়। ভাগৱতৰ সাৰ পৰা সংগ্ৰহ কৰা ছয় আখৰীয়া কুসুমমালা ছন্দত ৰচনা কৰা ৩৩৭ টা পদৰ অকণমান গ্ৰন্থ।

এইজনা মহাপুৰুষে অসমীয়া সমাজৰ সকলো ক্ষেত্ৰলৈকে দি গৈছে ঐশ্বৰ্য অৱদান। এই অৱদানসমূহ কেৱল বহুমুখী অৱদানেই নহয়, ই এক অনন্তমুখী অৱদান। কিয়নো যি দিশেৰেই বা যি দৃষ্টিকোণেৰে তেওঁক চোৱা হয় সেই দিশেৰেই গুৰুজনাক আৱিষ্কাৰ কৰিব পাৰি নতুন নতুন দৰ্শনেৰে।

শংকৰদেৱৰ সুদূৰ প্ৰসাৰী বহুমুখী দান উপলব্ধি কৰিয়েই ড° বাণীকান্ত কাকতিয়ে এনেদৰে মন্তব্য কৰিছে, "বহু দেৱতাৰ মাজত প্ৰধান দেৱতাৰ সন্ধান দান, বহু সত্যৰ ভিতৰত সনাতন সত্যৰ উপলব্ধিৰ প্ৰতি আমাৰ সামাজিক চৈতন্যৰ জাগৰণ, আমাৰ জাতীয় আধ্যাত্মিক ক্ষেত্ৰত মহাপুৰুষৰ প্ৰধান দান।

প্ৰতিমাৰ খনিকৰ চন্দ্ৰকুমাৰ আগৰৱালাদেৱৰ ভাষাৰে ক'ব পাৰি, "সাহিত্যৰ গুৰু শ্ৰীমন্ত শংকৰদেৱ, সাহিত্য ৰাজ্যৰ ৰজা শংকৰদেৱ, সমাজ গঢ়োতা শংকৰদেৱ, সমাজৰ নেতা শংকৰদেৱ।"

শংকৰদেৱৰ এক শৰণ ভাগৱতী ধৰ্ম ভাৰতীয় ইতিহাসত অনন্য আৰু ভাৰতীয় আধ্যাত্মিকতাত ই এক বিৰল অৱদান। জীৱিত কালতেই শংকৰদেৱৰ যশস্যা চৌদিশে বিয়পি পৰাৰ প্ৰমাণ আছে। কবিৰে (১৩৯৯-১৫১৮) তেওঁৰ ৰচনাত লিখিছিল—

"হামু কবিৰা হাৰামাখুৰি
চৌদিকে শংকৰ গেলা বিচুৰি
হমাৰা জীৱন দিন হীন ভেলি
হমাৰা বেটিকা জীৱন সম্ফলী
ত্ৰিভুৱন পতি দৰ্শন ভেলী"

শ্ৰীমন্ত শংকৰদেৱৰ বাবে মহাপুৰুষৰ অভিধা সঁচাকৈ সাৰ্থক বুলি বিবেচিত হৈছিল। অসমৰ যশস্বী সাহিত্যিক ড° নগেন শইকীয়াই



পৃথিৱীৰ মহাপুৰুষসকলৰ লগত তুলনা কৰি শংকৰদেৱৰ প্ৰতিভা এনেদৰে বৰ্ণনা কৰিছে— "একোটি ব্যক্তিত্বৰ মাজত তত্ত্বজ্ঞ দাৰ্শনিক, শাস্ত্ৰজ্ঞ পণ্ডিত, অপূৰ্ব বস্তু নিৰ্মাণক্ষম প্ৰজ্ঞাৰ অধিকাৰী, কবি, নৃত্য-গীত-বাদ্য এই তিনিবিধ তত্ত্ব আৰু প্ৰয়োগত পাৰংগত এগৰাকী প্ৰতিভাধৰ, নাট্যকাৰ আৰু অভিনেতা, পৰ্যটক, সংস্কাৰক আৰু সংগঠক, এগৰাকী চিত্ৰকৰ আৰু সৰ্বোপৰি নৱ-বৈষ্ণৱ আন্দোলনক দাস্য ভক্তিৰ প্ৰাধান্যৰে এক শক্তিশালী নতুন মাত্ৰা দিওঁতা সমগ্ৰ বিশ্বৰ কোনো সন্তৰ মাজত এনে গুণ, প্ৰতিভা আৰু দক্ষতাৰ একত্ৰ সমাৱেশ এতিয়ালৈকে হোৱা নাই। এইজনা মহাপুৰুষেই অসমীয়া জাতিৰ অন্তৰ্জীৱন আৰু বহিৰ্জীৱনত প্ৰভাৱ, বিস্তাৰ কৰি অসমীয়াৰ জাতীয়ত্বত প্ৰাণ প্ৰতিষ্ঠা কৰি গ'ল।"

**"মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ সাহিত্যৰ বৈশিষ্ট্য আৰু ইয়াৰ ভৱিষ্যত" ঃ** মধ্য যুগৰ শেষৰ ফালে পৱিত্ৰ ভাৰত ভূমিৰ ইমূৰৰ পৰা সিমূৰলৈ নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰৰ এক আন্দোলন গঢ়ি উঠিছিল। সেই সময়ত বঙ্গ দেশৰ চৈতন্যদেৱ, মহাৰাষ্ট্ৰৰ নামদেৱ, জ্ঞানেশ্বৰ আৰু তুকাৰাম, গুজৰাটৰ মীৰাবাঈ, উত্তৰ প্ৰদেশৰ তুলসী দাস, কবীৰ দাস, উৰিষ্যাৰ বলোৰাম দাস, জগন্নাথ দাস আৰু অসমৰ শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰী মাধৱদেৱ আদি উল্লেখযোগ্য।

অসমত নৱ বৈষ্ণৱ ধৰ্ম প্ৰচাৰক তথা একশৰণ হৰি নাম ধৰ্মৰ প্ৰৱৰ্তক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ হাতৰ পৰশতে পঞ্চদশ শতিকাৰ শেষৰ ফালে অসমীয়া বৈষ্ণৱ-সাহিত্যৰ এক যুগান্তৰৰ সৃষ্টি হৈছিল।

পৃথিৱীৰ ক'ৰবাত অসমৰ অতীত আৰু বৰ্তমানৰ চিনাকি দিবলৈ আমাৰ কি সম্বল আছে? কিবা আছেনে? একোৱেই নাইনে? কাৰ চিনাকিৰে আমাৰ চিনাকি থম? আছে! জগতৰ আগত মূৰ দাঙি থিয় হ'বলৈ, বুকু ফিন্দাই ক'বলৈ আমাৰ এটাই পৰিচয় আছে। আমি শংকৰদেৱৰ দেশৰ মানুহ, তেওঁৰেই সতি-সন্ততি আমি তেওঁৰেই অনুগামী। আমি প্ৰতিজনে এই চিনাকিৰে গৰ্ব অনুভৱ কৰিব পাৰোঁ।

**সামৰণি ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আছিল এক ঐক্যকামী শক্তি। তেওঁ আছিল ধৰ্ম গুৰু, ভাষা-সাহিত্য-সংস্কৃতিৰ গুৰু। আমাৰ সত্তাত আমাৰ স্বপ্নত শ্ৰীমন্ত শংকৰদেৱ এনেভাৱে সংপৃক্ত হৈ আছে যে এনে এটা দিন নাই য'ত শংকৰদেৱৰ দুটা পদ মনলৈ নহাকৈ আছে। তেওঁৰ সৃষ্টিৰ মহিমাত আমি নিজকে স্ব-জ্ঞানে সমৰ্পন কৰিছোঁ। শ্ৰীমন্ত শংকৰদেৱ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ পুৰুষ।

শ্ৰীমন্ত শংকৰদেৱ আছিল সংস্কৃতিৰ পূজাৰী। সেই সময়ত প্ৰচলিত ধৰ্মান্ধতা, গোড়ামিৰ প্ৰতি জেহাদ ঘোষণা কৰি শংকৰদেৱে সাংস্কৃতিক অভিযান চলাইছিল। যি সাংস্কৃতিক অভিযান আছিল দুস্কৃতিক দমন কৰি মানুহৰ মন জয় কৰাৰ অভিযান।

বৰগীত মহাপুৰুষৰ অন্যতম অৱদান। ড° কাকতিয়ে বৰগীতবোৰক Noble Numbers বুলিছে। কালিৰাম মেধিয়ে Songs Celestial আৰু দেৱেন্দ্ৰনাথ বেজবৰুৱাই Holy Songs বুলি আখ্যা দিছে।

বিষ্ণুপ্ৰসাদ ৰাভাই শংকৰদেৱক লিওনাৰ্ডো দ্যা ভিন্সিৰ একে শাৰীত ঠাই দিছিল আৰু কৈছিল— "আজি শংকৰদেৱৰ যিকোনো কৃষ্টি বা সাহিত্য বাদ দিলে অসমীয়া জাতিৰ মৃত্যু হ'ব। শংকৰ নেথাকিলে অসমীয়াৰ একোৱেই নাই।" শংকৰদেৱে কি নাজানিছিল আৰু কি দিয়া নাছিল আমাক! ভাষা-সাহিত্য-সংস্কৃতিৰ পৰা জীৱন নিৰ্বাহৰ পদ্ধতিলৈকে পথ দেখুৱাই এটা জাতিৰ মূল ভেটি গঢ় দিছিল।

১৫৬৮ চনত ১১৯ বছৰ বয়সত শংকৰদেৱৰ কোচবিহাৰত ইহলীলা সম্বৰণ কৰে।

এই মহান গুৰুজনালৈ আমাৰ শত কোটি প্ৰণাম জনাই বনফুলৰ কবি যতীন্দ্ৰ নাথ দুৱৰাৰ এটি পংক্তিৰে সামৰিছোঁ—

"তোমাৰ জীৱনী দেৱ
লিখে এনে সাধ্য কাৰ
গোটেই অসমভূমি
বিস্তৃত জীৱনী যাৰ।"

■ ■ ■

দ্বিতীয় স্থানপ্ৰাপ্ত

# শিল্পী সাহিত্যিক হিচাপে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ

■ ধৰিত্ৰী দাস
উঃ মাঃ প্ৰথম বৰ্ষ

**আৰম্ভণি ঃ** শ্ৰীমন্ত শংকৰদেৱ একাধাৰে ধৰ্ম প্ৰচাৰক, সমাজ সংগঠক, গায়ক, নৰ্তক, অভিনেতা, কবি, চিত্ৰকৰ আছিল। শংকৰদেৱ অসমীয়া জাতি-সাহিত্য-সংস্কৃতিৰ নিৰ্মাতা। সেইবাবেই তেওঁৰ প্ৰিয়তম শিষ্য মাধৱদেৱে শংকৰদেৱক "সৰ্বগুণাকৰ" শব্দৰে অভিহিত কৰিছিল। তেওঁ সাংস্কৃতিক প্ৰমূল্যবে নৱবৈষ্ণৱ ধৰ্ম অথবা একশৰণ ধৰ্ম প্ৰচাৰ কৰি অসমীয়া সমাজ জীৱনক একত্ৰিত আৰু সংহত কৰিছিল। অসমীয়া তথা ভাৰতীয় সাংস্কৃতিক জীৱনলৈ তেওঁ যি অৱদান আগবঢ়াই গ'ল, তাৰ বাবে তেওঁক মহাপুৰুষ আৰু অৱতাৰী পুৰুষৰূপে আখ্যা দিয়া হয়। তেওঁ মানুহৰ আধ্যাত্মিক উত্তৰণৰ কাৰণে ভক্তি ধৰ্মৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। সাধাৰণ অনাখৰী মানুহেও যাতে ভাৰতীয় দৰ্শনৰ জটিল তত্ত্বসমূহ সহজে অনুভৱ কৰিব পাৰে সেই উদ্দেশ্য আগত ৰাখি তেওঁ সহজ-সৰল ভাষাৰে বেদ পুৰাণৰ তত্ত্ব কথাৰে নানা শাস্ত্ৰ ৰচনা কৰিছিল। মহাত্মা গান্ধীয়ে শংকৰদেৱৰ প্ৰসঙ্গত কৈছিল, 'যি ধৰ্ম অৱলম্বন কৰি মই ৰামৰাজ্যৰ কল্পনা কৰিছোঁ, তাতোকৈও সুন্দৰ আৰ্হি শংকৰদেৱে অসমবাসীক দি গৈছে।'

**পূৰ্বপুৰুষ আৰু জন্ম ঃ** খ্ৰীষ্টীয় চতুৰ্দশ শতিকাত গৌড় ৰাজ্যৰ ৰজা ধৰ্ম নাৰায়ণে তেওঁৰ বন্ধু কমতা ৰাজ্যৰ ৰজা দুৰ্লভ নাৰায়ণৰ অনুৰোধ মৰ্মে কমতা ৰাজ্যলৈ সাতঘৰ বিশিষ্ট ব্ৰাহ্মণ আৰু সাতঘৰ কায়স্থ মানুহ পঠিয়াইছিল। ব্ৰাহ্মণ কেইজনৰ নাম আছিল ক্ৰমে- কৃষ্ণপণ্ডিত, ৰঘুপতি, ৰামবৰ, লোহাৰ, বৰণ, ধৰম আৰু মথুৰা। কায়স্থ কেইজন আছিল চণ্ডীবৰ, শ্ৰীধৰ, হৰি, শ্ৰীহৰি, শ্ৰীপতি , চিদা আৰু সদানন্দ। দুৰ্লভ নাৰায়ণে বৰ আদৰ-সাদৰ কৰি তেওঁলোকৰ নিজৰ ৰাজ্যত থাকিবলৈ দিছিল। কায়স্থ সাতঘৰৰ ভিতৰত চণ্ডীবৰ নামে এজন বিদগ্ধ পণ্ডিত আছিল। ৰজা দুৰ্লভ নাৰায়ণে তেওঁক শিৰোমণি ভূঞা উপাধি দি হাজোৰ ওচৰৰ মাগুৰী নামে ঠাইত স্থানীয় শাসক পাতিছিল। কিছুদিন সেই কাম সুকলমে কৰি শেষত ভোটবিলাকৰ উপদ্ৰৱত থাকিব নোৱাৰি তেওঁ বৰ্তমান নগাওঁ জিলাৰ বৰদোৱা নামে ঠাইলৈ গৈ তাতে স্থায়ীভাৱে বাস কৰিছিল। তেওঁৰ বংশতে বৰ্তমানৰ বৰদোৱাৰ আলিপুখুৰীত ১৩৭১ শকত (১৪৪৯ খ্ৰীষ্টাব্দ) আহিন-কাতি মাহত শংকৰদেৱৰ জন্ম হয়। শংকৰদেৱৰ জন্ম তাৰিখ সম্বন্ধে কেইবাটাও মতবাদ চলি আছে। কথা গুৰু চৰিতৰ মতে, "কাৰ্তিকৰ সংক্ৰান্তি ঃ বাৰ বৃহস্পতি ঃ তিথি পূৰ্ণিমা ঃ শ্ৰৱণা নক্ষত্ৰ মধ্য নিশা জ্যোতিষক (১৩৭১ ঃ তেৰশ একসত্তৰ শকত)। আন কোনো কোনোৰ মতে, আহিন মাহৰ পাঁচ দিন যোৱাত শুক্লা দশমী তিথি শুকুৰবাৰ, ৰাতি চাৰি দণ্ড যোৱাত ১৩৭১ শকত শংকৰদেৱৰ জন্ম হয়। ৰামচৰণ ঠাকুৰে লিখিছে—

"আশ্বিন প্ৰৱেশি বহি গৈলা
সেহি দিনা শঙ্কৰদেৱৰ জন্ম ভৈলা
শুকুলা দশমী আসি ভৈল শুক্ৰবাৰে......"

চৰিতকাৰ দৈত্যাৰি ঠাকুৰ, ৰামানন্দ দ্বিজ আৰু ভূষণ দ্বিজে তাৰিখৰ উল্লেখ নকৰাকৈ মাত্ৰ জন্ম মাহৰ উল্লেখ কৰিছে। 'বাঁহী'ত প্ৰকাশিত এটি মত, উল্লেখ কৰিছে। "বাঁহী"ত প্ৰকাশিত এটি মত, ১৩৭১ শকৰ কাৰ্তিক সংক্ৰান্তিৰ অমাৱস্যা তিথিৰ বৃহস্পতিবাৰে মাজনিশা শঙ্কৰদেৱৰ জন্ম ১৩৭১ শকৰ কাতি নাইবা আহিন নাইবা ফাগুনৰ বৃহস্পতিবাৰে মাজনিশা বুলি মানিব পাৰি। শঙ্কৰৰ পিতাকৰ নাম কুসুম্বৰ ভূঞা আৰু মাকৰ নাম সত্যসন্ধা দেৱী।

**বাল্যকাল আৰু শিক্ষা-দীক্ষা ঃ** সৰু হৈ থাকোঁতে পিতৃ-মাতৃৰ বিয়োগ ঘটাত বুঢ়ীমাক খেৰসুতীয়ে তেওঁক লালন-পালন কৰে। সৰুতে তেওঁৰ পঢ়াৰ প্ৰতি বিশেষ ধাউতি নাছিল। লগৰ সমনীয়া শিশুসকলৰ সৈতে ধেমালি কৰি কাল কটাওঁতে শংকৰদেৱৰ শৈশৱ পাৰ হৈছিল। তেওঁৰ বাল্যবন্ধুসকল আছিল জয়ৰাম, তিতাৰাম, কেতাই, সনাতন, হৰিবৰ, সতানন্দ, ৰামৰাম, ৰামৰায়, বিতোপন, চান্দ, ভেকুৰি আদি। ল'ৰালি কালতে তেওঁ আন সাধাৰণ শিশুৰ দৰেই গছৰ ফল-ফুল বুটলি, কোটোৰা খেল, ঘিলা খেল, ভণ্টাগুটি খেল, লুকাভাকু খেল, দৌৰাদৌৰি কৰা আদি খেলি আৰু চাপৰি বজাই হৰিধ্বনি কৰা, বটা চৰাই বিচাৰি ধৰা আৰু মুকলি কৰি দিয়া, শিয়াল খেদা, নদীত সাঁতুৰি জলক্ৰীড়া কৰা আদি কৰিয়েই কাল নিয়াইছিল। পিছত, খেল-ধেমালিতে কাল কটোৱা শংকৰক বাৰ বছৰ বয়সত বুঢ়ীমাকে মহেন্দ্ৰ কন্দলি নামে অধ্যাপক এজনৰ টোলত নাম লগাই দিয়ে। ভাদ মাহৰ কোনো এটা বৃহস্পতিবাৰে শুভলগ্ন চাই শংকৰৰ বিদ্যাৰম্ভ কৰা হ'ল। কিন্তু শংকৰৰ খেলা-ধূলাৰ প্ৰতি মন সহজে আঁতৰাব পৰা নাছিল। তাৰ প্ৰমাণ স্বৰূপে শংকৰে ঘৰৰ পৰা ৰূপ দুই টকা আৰু কাপোৰ দুখন মনে মনে নি গুৰুক ভেটি দিয়াৰ কথা চৰিত পুথিসমূহত পোৱা যায়। কিন্তু বিদ্যা শিক্ষাত মনোযোগ দিয়া আৰম্ভ কৰাৰ পাছতেই শঙ্কৰে অ-আ-ক-খ শিকিয়েই ভগৱান শ্ৰীকৃষ্ণৰ ভক্তি বিষয়ক কবিতা 'কৰতল কমল' ৰচনা কৰি সকলোকে অভিভূত কৰে। ইয়াৰ পিছতে অধ্যাপক কন্দলিয়ে শংকৰক 'দেৱ'



উপাধি প্ৰদান কৰি সকলোৰে ওপৰত ওজা ছাত্ৰ পাতে। মহেন্দ্ৰ কন্দলিৰ টোলত দুবছৰ পঢ়ি চাৰিবেদ, চৈধ্যশাস্ত্ৰ (শিক্ষা, কল্প, জ্যোতিষ, ৰীতি, নীতি, নিৰুক্ত, ছন্দঃ শ্ৰুতি, স্মৃতি, মীমাংসা, তৰ্ক, কলাপ, তৃক, ন্যায়), ওঠৰ পুৰাণ (মৎস্য, শিৱ, বিষ্ণু, স্কন্দ, বৰাহ, কুৰ্ম, গৰুড়, মাৰ্কণ্ডেয়, বামন, লিঙ্গ, ভৱিষ্য, ব্ৰহ্মাণ্ড, বৈৱৰ্ত্ত, পদ্ম, নাৰদী, বৃহত, অগ্নি, ভাগৱত), অষ্টাদশ ভাৰত, নানা কাব্য, সংহিতা, ব্যাকৰণ, দৰ্শন আদি বিভিন্ন শাস্ত্ৰত পাৰ্গত হৈ উঠে। টোলত থাকোঁতেই তেওঁৰ প্ৰথম অনুবাদ কবিতা হৰিশ্চন্দ্ৰ উপাখ্যান লিখি উলিয়ায়। তেওঁ এজন ধীৰ-স্থিৰ, গুণী-জ্ঞানী ব্যক্তি হৈ সকলোতে বিদগ্ধ পণ্ডিত হৈ পৰে। প্ৰায় ১৭ বছৰ বয়সত শংকৰদেৱ ঘৰলৈ উভতি আহে।

**বৈবাহিক জীৱন ঃ** শংকৰদেৱৰ একৈশ বছৰ বয়সত তেওঁ নিজ কান্ধত থকা শিৰোমণি ভূঞাৰ দায়িত্বভাৰে ককাক জয়ন্ত দলৈ আৰু মাধৱ দলৈক অৰ্পণ কৰিবলৈ ইচ্ছা কৰি নিজে একান্তভাৱে শাস্ত্ৰ চৰ্চাত নিয়োজিত হ'বলৈ মন মেলিলে। পৰকালৰ বাবে শাস্ত্ৰ জ্ঞান আহৰণ কৰি ধৰ্ম কৰাৰ প্ৰয়োজনীয়তাৰ কথা তেওঁ ককাকৰ আগত ব্যক্ত কৰিলে। অন্যথা সংসাৰৰ অৰ্থ নাই। ইয়াতে নাতিয়েকৰ সংসাৰৰ প্ৰতি বিৰাগ জন্ম বুলি চিন্তিত হৈ দুই পিতামহে চাই-চিতি হৰিবৰগিৰি নামৰ এজন ভূঞাৰ সূৰ্যৱতী নামৰ কন্যাৰ লগত ২০ বছৰ বয়সতে শংকৰদেৱৰ বিয়া পাতি দিয়ে। সেয়া আছিল ১৩৯২ শক। বিবাহৰ তিনি বছৰ পাছত ভাৰ্যা সূৰ্যৱতীৰ গৰ্ভত শংকৰদেৱৰ এটি কন্যা সন্তানৰ জন্ম হয়। কন্যাটিৰ নাম থ'লে 'মনু'। দুৰ্ভাগ্যৱশতঃ মনুৰ বয়স ন মাহ হওঁতেই সূৰ্যৱতীৰ অকাল বিয়োগ ঘটে। তাৰ পিছত তেওঁ সংসাৰৰ প্ৰতি বিৰাগ জন্মাত বাৰজন সংগীৰ সৈতে পশ্চিম দিশলৈ তীৰ্থ ভ্ৰমণলৈ যায়। সংগীসকল আছিল- ৰামৰাই, সৰ্ব্বজই, পূৰ্ণানন্দ, বলোৰাম, বলোভদ্ৰ, গোবিন্দ, নাৰায়ণ, বৰচিৰাম, গোপাল, ঢেটি বলোৰাম, মুকুন্দ আৰু মুৰাৰি। তীৰ্থ ভ্ৰমণৰ পৰা উভতি অহাৰ পাছত দুকুৰি চৈধ্য বছৰ বয়সত সকলোৰে মতৰ সাপেক্ষে শংকৰদেৱে ৰাম ভূঞাৰ কন্যা কালিন্দীক পুনৰ বিবাহ কৰে।

**তীৰ্থ ভ্ৰমণ ঃ** ১৪০৩ শকত (১৪৮১ চনত) ৩২ বছৰ বয়সতে শংকৰদেৱে জোঁৱায়েক হৰিৰ হাতত ঘৰ-বাৰী সপি দি প্ৰথমবাৰৰ বাবে তীৰ্থলৈ যায়। আন সোতৰজন তীৰ্থযাত্ৰী শংকৰদেৱৰ লগত যাত্ৰাৰ সংগী হ'ল। এই সকলৰ ভিতৰত ৰামৰাম, সৰ্ব্বজয়, পৰমানন্দ, বলোভদ্ৰ, বলোৰাম, মুকুণ্ড, মুৰাৰি, হৰিদাস, দামোদৰ আৰু আন দুজনমান এই দলৰ সদস্য আছিল। শংকৰদেৱে অনুগামীসকলৰ সৈতে গংগাৰ পৰা স্নান দৰ্শনেৰে আৰম্ভ কৰি জগন্নাথ-পুৰী, সীতাকুণ্ড, উত্তৰ বাহিনী গংগা, বৰাহক্ষেত্ৰত, পুষ্কৰিণী তীৰ্থ, মথুৰা, বৃন্দাবন, দ্বাৰকা, কাশী, বাৰানসী, প্ৰয়াগ, নেপাল, নিষধ, কৈকেয়, কোশল, অযোধ্যা হস্তিনাপুৰ, পাঞ্চাল, শ্বেতদ্বীপ, কৰ্মনাশা, কেশৰী, কাবেৰী, মাৰ্গকাশী, বিন্দুকাশী, কৈশিত তীৰ্থ, মুকুন্দ আশ্ৰম, পুষ্পভদ্ৰা, সোণাৰু, কপিল, গণ্ডকী নদী, উপ দ্বাৰকা, অঙ্গদ নগৰ, ৰামেশ্বৰম সেতু খণ্ড, সুবাহু নগৰ, বিদিশা নগৰ, দণ্ডকা, ৰামেশভ্ৰ সেতু খণ্ড, সুবাহু নগৰ, বিদিশা নগৰ, দণ্ডকা বন, চিত্ৰকূট পৰ্বত, গোদাবৰী, গোমতী, পঞ্চৱতী আশ্ৰম, ঋষ্যমূক পৰ্বত, কিষ্কিন্ধ্যা, পুষ্কৰাৱতী, ভৱদ্বাৰ, হৰিদ্বাৰ, জয়দ্বাৰ, নৰ্মদা, মহানন্দা কটক নগৰ, বদৰিকাশ্ৰম আদি প্ৰায়বোৰ তীৰ্থক্ষেত্ৰ আৰু ঐতিহাসিক স্থান ভ্ৰমণ কৰিলে। এই তীৰ্থযাত্ৰাৰ সময়তে বদৰিকাশ্ৰমত শংকৰদেৱে তেওঁৰ জীৱনৰ প্ৰথমটো বৰগীত ৰচিছিল। ১২ বছৰৰ পাছত (তেওঁৰ অনুপস্থিতিত তেওঁৰ পৰিয়াল বৰদোৱাৰ পৰা ঘূৰি আহিছিল।) আলিপুখুৰীৰ ঘৰলৈ উভতি আহিছিল। তীৰ্থযাত্ৰাৰ সময়ত তেওঁ এটা সৰ্বভাৰতীয় ভক্তি আন্দোলনৰ অংশ হৈ সেই ভক্তি আন্দোলনক বিকশিত হৈ উঠাত সহায় কৰিছিল। ১৫৫০ শকৰ আঘোণ মাহত শংকৰদেৱৰ ৯৭ বছৰ বয়সত সংগী ভকতসকলৰ সৈতে তেওঁ পুনৰ তীৰ্থলৈ যায়।

**কৰ্ম জীৱন ঃ** শিক্ষা সমাপ্ত কৰি গুৰুগৃহৰ পৰা ঘৰলৈ ঘূৰাৰ পাছত শংকৰদেৱৰ ওপৰত সংসাৰৰ গুৰু দায়িত্ব কিছুমান পৰিবলৈ ধৰে। তেওঁ নথকা অৱস্থাত শিৰোমণি ভূঞাৰ দায়িত্বভাৰ লৈ থকা ককাদেউতাক জয়ন্ত দলৈয়ে প্ৰথমেই শিৰোমণি ভূঞাৰ বিষয়ভাৰ শংকৰদেৱৰ ওপৰত অৰ্পণ কৰিলে। তেনেই কম বয়সতে ভূঞাসকলৰ শ্ৰেষ্ঠ সন্মান লাভ কৰা আৰু শ্ৰেষ্ঠ দায়িত্ব পোৱাৰ বাবে তেওঁৰ নাম ডেকাগিৰি হ'ল। শংকৰদেৱে দক্ষতাৰে শাসন কাৰ্য চলাবলৈ ধৰাৰ লগতে ধৰ্ম কথাও চৰ্চিবলৈ ধৰিলে। শংকৰদেৱে শিৰোমণি ভূঞাৰ দায়িত্ব লোৱাৰ কিছুদিন পিছৰে পৰা কছাৰীসকলে আলিপুখুৰী অঞ্চলত বসবাস কৰি থকা ভূঞা আৰু ব্ৰাহ্মণসকলৰ ওপৰত ঘনে ঘনে উপদ্ৰৱ কৰিবলৈ ধৰে। সকলোৰে অনুৰোধ আৰু কছাৰীসকলৰ উপদ্ৰৱলৈ লক্ষ্য ৰাখি শংকৰদেৱে পৰিয়াল আৰু আন আন সকলৰ সৈতে আহি বৰদোৱাৰ কুসুমতলিত ঘৰ-দুৱাৰ কৰি থাকোঁতে শংকৰদেৱে ৰামৰাম গুৰুৰ লগত আলোচনা কৰি তাত এটি দেৱ মন্দিৰ নিৰ্মাণ কৰাৰ সিদ্ধান্ত ল'লে। মন্দিৰৰ ভেটি তুলিবৰ সময়তে মাটি খান্দোতে কোৰৰ চাৰত শিলত কটা চতুৰ্ভুজ বিষ্ণুমূৰ্ত্তি এটা পালে। সেই বিষ্ণুমূৰ্ত্তিটোক সাতখলপীয়া সিংহাসনৰ ওপৰত প্ৰতিষ্ঠা কৰিলে। প্ৰথমবাৰ তীৰ্থ ভ্ৰমণ কৰোঁতে ভগৱান শ্ৰীকৃষ্ণৰ বিভিন্ন লীলাৰ লগত সম্পৰ্কিত প্ৰায়বোৰ স্থান ভ্ৰমণ কৰি ভক্তি ৰসেৰে আপ্লুত হৈ শংকৰদেৱে চিন্তাধাৰা আৰু দৃষ্টিভংগীক বিস্তৃত আৰু গভীৰ কৰি তুলিলে। ভাৰতবৰ্ষৰ বিভিন্ন ঠাইৰ কৃষ্টি-সংস্কৃতিৰ মুকুতা বুটলি নিজ মাতৃভূমিত এক নতুন ধৰ্ম-সংস্কৃতিৰ বীজ ৰোপণ কৰাৰ মানসেৰে বাৰ বছৰৰ মূৰত বিস্তৃত ভ্ৰমণসূচী সামৰি সংগীসকলৰ সৈতে ১৪১৫ শকত (১৫৯৩ খ্ৰীঃ) নিজ গৃহলৈ ঘূৰি আহিল। শংকৰদেৱে তীৰ্থ ভ্ৰমণ কৰাৰ সময়ত সমগ্ৰ ভাৰতবৰ্ষত ভক্তি আন্দোলনৰ ঢৌৱে ধুৱাই গৈছিল। তেওঁ ভক্তি আন্দোলনৰ মতবাদৰ সৰলতা আৰু কাৰ্যকাৰিতাত অতিকৈ মুগ্ধ হৈছিল। নিজৰ ৰাজ্যৰ মানুহখিনিৰ মাজত এই সহজ-সৰল ধৰ্মীয় মতবাদ প্ৰচাৰৰ বাবে শংকৰদেৱৰ মনত হাবিয়াস জন্মে। সেই সময়ত অসম ৰাজ্যখনত বিভিন্ন ধৰ্মীয় মতবাদ

প্ৰচলিত আছিল। ভগৱানক উপাসনা কৰাৰ কোনো নিৰ্দিষ্ট নিয়ম বা পন্থা নাছিল। অসংখ্য দেৱ-দেৱীৰ পূজা, প্ৰকৃতি পূজা আদি জনসাধাৰণৰ মাজত ব্যাপকভাৱে প্ৰচলিত আছিল। দেৱ-দেৱীৰ সন্তুষ্টিৰ অৰ্থে মানুহে বিগ্ৰহৰ আগত পশু বলি দিছিল; আনকি নৰবলি পৰ্যন্ত চলিছিল। ধৰ্মীয় আচাৰ-বিধিবোৰ সাধাৰণতে সহজ নাছিল। শংকৰদেৱৰ মনত একান্ত বিশ্বাস জন্মিছিল যে ভক্তি ধৰ্মই ভিন ভিন ধৰ্মীয় বিশ্বাসৰ মানুহবোৰক একগোট কৰিব পাৰিব বা একগোট কৰি ৰাখিব পাৰিব। সকলো লোককে এটি মাথোন ধৰ্মীয় বিশ্বাসৰ অধীনলৈ এই ভক্তি ধৰ্মই হ'ব সৰ্বোত্তম পন্থা। এনে ব্যৱস্থাতে উচ্চ-নীচ, ধনী-দুখীয়াৰ প্ৰভেদ নাথাকিব। ধৰ্মীয় অনুষ্ঠানত কোনো জাকজমকতা আৰু ব্যয় বহুলতা নাথাকিব। তীৰ্থ ভ্ৰমণ কৰা কালত লাভৰ সহজ পথৰ সন্ধান দিলে ভাগৱতৰ ভক্তি আৰু গীতৰ একশৰণ একত্ৰ কৰি তেওঁ অসমত একশৰণ ভাগৱতী বৈষ্ণৱ নামধৰ্মৰ খুটি পুতিলে। শংকৰদেৱে প্ৰচাৰ কৰা এই ধৰ্ম বা মহাপুৰুষীয়া ধৰ্ম বুলিও কোৱা হয়। শংকৰদেৱে ধৰ্ম প্ৰৱৰ্তন আৰু প্ৰচাৰ কৰিছিল সাধাৰণ মানুহৰ আধ্যাত্মিক সান্ত্বনা আৰু সামাজিক উন্নতিৰ বাবে শংকৰদেৱে প্ৰচাৰ কৰা এই ধৰ্মৰ মূল আধাৰ হ'ল 'দ্বাদশ স্কন্ধ ভাগৱত' গ্ৰন্থ। এই ধৰ্ম মতত ক্ৰিয়াকাণ্ডৰ ব্যায়বহুলতা, বলি-বিধান, যাগ-যজ্ঞ, পূজা-পাতল, মূৰ্ত্তি-উপাসনা আদি নাই। কেৱল 'এক দেৱ, এক সেৱ, এক বিনে নাই কেৱ' অৰ্থাৎ কায়মনো বাক্য হৰিৰ নাম শ্ৰৱণ-কীৰ্তন কৰা। শংকৰদেৱে সৃষ্টিকৰ্তা ভগৱান বিষ্ণুৰ মহান গুণৰাশি জনসাধাৰণৰ মাজত প্ৰচাৰ কৰিবলৈ এক অভিনৱ নাট্যাভিনয়ৰ আয়োজন কৰিছিল। সেই ন্যাট্যাভিনয় কোৱা হৈছিল চিহ্ন যাত্ৰা (চিহ্ন = চিত্ৰ, যাত্ৰা = নাটক)। এনেদৰেই অসমত নাট্যকলাৰ জন্ম হয় শংকৰদেৱৰ হাতত। প্ৰথমবাৰ তীৰ্থযাত্ৰাৰ পৰা উভতি আহি গুৰুগৃহত থাকি অধ্যয়ন কৰোঁতে লাভ কৰা নাটকৰ জ্ঞান আৰু তীৰ্থভ্ৰমণ কালত লাভ কৰা অভিজ্ঞতাক ভেটি কৰি শংকৰদেৱে 'চিহ্নযাত্ৰা'ৰ অভিনয় কৰে। কেৱল সপ্ত বৈকুণ্ঠৰ চিত্ৰপটত আঁকি ঘোৰা, ভটিমাৰে নৃত্য-গীতৰ দ্বাৰা এই নাট্যাভিনয় কৰা হৈছিল, শংকৰদেৱে নিজেও ইয়াত অভিনয় কৰিছিল। এই নাট্যাভিনয় কৰিবলৈ প্ৰয়োজন হোৱা খোল বাদ্য শংকৰদেৱে কপিলীমুখৰ কলগুৰ কাষৰ পৰা মাটি আনি ডাইনা সাত আঙুল, বেএগ তেৰ আঙুল দি গঢ়াইছিল। শংকৰদেৱৰ নাট্য প্ৰতিভাৰ প্ৰথম স্বাক্ষৰ পোৱা যায় চিহ্ন যাত্ৰাত। সংলাপহীন এই নাটকখনিৰ অভিনয় বৰদোৱাত চাৰিদিন সাত ৰাতি হৈছিল বুলি কথিত। চিহ্নযাত্ৰাৰ "দেৱ-ধেমালি"ত শংকৰদেৱে অকলেই নটা খোল বজাইছিল বুলি চৰিত পুথিসমূহে কয়। নৃত্য-গীত আৰু চৰিত্ৰৰ সমাৱেশেৰে ই ৰাইজক চমৎকৃত কৰিছিল। চিহ্নযাত্ৰাৰ ৰচনা কাল ১৪৬৮ খ্ৰীষ্টাব্দত বুলি জনা যায়।

**শংকৰ-মাধৱৰ মহামিলন ঃ** ১৪৪৪ শকৰ (১৫২২ খ্ৰীষ্টাব্দ) সময়খিনি সমগ্ৰ অসমৰ বাবে আৰু সমগ্ৰ ভক্তি আন্দোলনৰ বাবে অতি স্মৰণীয় আৰু গুৰুত্বপূৰ্ণ আছিল। কাৰণ শংকৰদেৱ বেলগুৰিত থাকোঁতেই অসমৰ আন এজন মহাপুৰুষ মাধৱদেৱে প্ৰথম শংকৰদেৱক লগ পায়। মাধৱদেৱ আছিল শাক্ত ধৰ্মী। পূজা-পাতল, বলি-বিধান আদি মানি চলিছিল তেওঁ। কিছুদিন পূৰ্বেই পিতৃ বিয়োগৰ শোক পাহৰিব নোৱাৰাতেই মাতৃৰ টান। নৰিয়া হোৱাৰ খবৰ পোৱাত মাধৱদেৱে মাক আৰু পৰিয়ালৰ আশু আৰোগ্য কামনা কৰি আগন্তুক দুৰ্গা পূজাত গোসাঁনীলৈ বুলি এযোৰ বগা পঠা ছাগলী মনতে আগবঢ়ায়। যথা সময়ত বলি দিবৰ নিমিত্তে বৈনায়েক ৰামদাসক ছাগলী আনিবলৈ পঠালে। কিন্তু ৰামদাসে ইতিমধ্যেই শংকৰদেৱৰ ওচৰত শৰণ লৈছিল। সেয়ে তেওঁ মাধৱক দেৱীৰ আগত জন্তু বলি দিয়া কাৰ্য ধৰ্মমতৰ পৰিপন্থী বুলি বুজালে। তাকে শুনি মাধৱৰ খং উঠিল আৰু দুয়োৰে মাজত বিতৰ্ক আৰম্ভ হ'ল আৰু এই বিতৰ্কৰ সমাধানকল্পে দুয়ো শংকৰদেৱৰ ওচৰলৈ গ'ল। যথা সময়ত শংকৰদেৱৰ লগত মাধৱৰ তৰ্কযুদ্ধ আৰম্ভ হ'ল। গুৰুজনে নিবৃত্তি, ভক্তি মাৰ্গ আৰু প্ৰবৃত্তি মাৰ্গৰ প্ৰমাণ দি তৰ্ক কৰিবলৈ ধৰিলে। কাৰো হাৰ-জিত নাই। সুদীৰ্ঘ ন-ঘন্টা ধৰি দুয়োৰে মাজত যুক্তি তৰ্ক চলাৰ পাছত শংকৰদেৱ ভাগৱতৰ চতুৰ্থ স্কন্ধৰ পৰা এটি শ্লোক উল্লেখ কৰি নিবৃত্তি পথ আৰু ভক্তি মাৰ্গৰ শ্ৰেষ্ঠতা প্ৰমাণ কৰিলে আৰু বিতৰ্কৰ অন্ত পেলালে। শ্লোকটি হ'ল—

"যথাতৰোৰ্মূল নিষচনেন,/ তৃপ্যন্তি তত্স্কন্ধ বুজোপশাখাঃ
প্ৰাণোপহ্মাৰাচ্চ যথেন্দ্ৰিয়ানাং/তথাচ সৰ্বাচৰ্নমচ্যতেঙ্গ্যা।"

একেজন ঈশ্বৰ কৃষ্ণক পৰম আৰাধ্য দেৱতা বুলি গ্ৰহণ কৰি সেইদিনাৰ পৰা শাক্তপন্থী মহাতান্ত্ৰিক মাধৱ হ'ল বৈষ্ণৱসকলৰ শিৰোমণি মহাপুৰুষ শ্ৰীমাধৱদেৱ। মাধৱদেৱে শংকৰদেৱৰ ওচৰত শৰণ ল'লে। 'শংকৰ'-'মাধৱ' এই গুৰু-শিষ্যৰ সম্পৰ্ক হৈ পৰিল অভিন্ন আৰু তুলনা বিহীন। শংকৰ-মাধৱ এই মহামিলনক মণি-কাঞ্চন সংযোগ বোলা হয়।

**শংকৰদেৱৰ সাহিত্য ঃ** সেই সময়ত সকলো শাস্ত্ৰই সংস্কৃত ভাষাত থকাৰ কাৰণে সাধাৰণ মানুহে তাক পঢ়ি জ্ঞান অৰ্জন কৰিব নোৱাৰিছিল। সেই অসুবিধা দূৰ কৰি সৰ্বসাধাৰণে বুজিব পৰাকৈ তেওঁ বহু সংস্কৃত গ্ৰন্থ অসমীয়ালৈ অনুবাদ কৰাৰ লগতে তাৰ সাৰ সংগ্ৰহ কৰিও বহু অসমীয়া গ্ৰন্থ ৰচনা কৰে। জনসাধাৰণক জ্ঞান আৰু আনন্দ প্ৰদানৰ চলেৰে ধৰ্ম প্ৰচাৰ কৰা আছিল তেওঁৰ ৰচনাৰ মূল অৰ্থ। সেইবাবে তেওঁ সাধাৰণ অসমীয়া ভাষাত গীত, পদ, নাট ৰচনা নকৰি 'ব্ৰজাবলী' নামৰ ভাষাত ৰচনা কৰিছিল। কাৰণ এই ভাষাই সাধাৰণ মানুহৰ কৃষ্ণ ভক্তিৰ প্ৰতি মন আকৃষ্ট কৰাত সহায় কৰিছিল। শ্ৰীশ্ৰীশংকৰদেৱৰ গ্ৰন্থসমূহক কেইবা ভাগত ভগাব পাৰি।

**নাট ঃ** শংকৰদেৱে ৰচনা কৰা নাটৰ সংখ্যা ছয়খন।

**পত্নীপ্ৰসাদ ঃ** নাটখনিৰ ৰচনাকাল ১৫২৬ খৃষ্টাব্দ। ভাগৱতৰ পৰা কাহিনী সংগ্ৰহ কৰি নাটখনত কৃষ্ণ ভক্তি ৰস প্ৰতিপন্ন কৰিছে।

**কালিয় দমন ঃ** ভাগৱতৰ দশম স্কন্ধৰ ষোড়শ, সপ্তদশ অধ্যায়ৰ ভেটিত কালিয় দমন নাট ৰচনা কৰা হৈছিল। কালি হ্ৰদত



কালি নামৰ নাগে বাস কৰাৰ ফলত হ্ৰদৰ পানী বিষাক্ত হৈ পৰে। এদিন বিষাক্ত পানী সেৱন কৰাৰ ফলত গোপবালকসকল অচেতন হৈ মৃত্যুমুখত পৰে। কৃষ্ণই নিজৰ ঐশ্বৰিক শক্তিৰে কালি নাগক পৰাস্ত কৰি সেই হ্ৰদ এৰি যাবলৈ বাধ্য কৰে আৰু সকলো গোপবালকক জীৱন দান দিয়ে। এই কাহিনী ভাগকেই ইয়াত অংকন কৰা হৈছে।

**কেলি গোপাল ঃ** কেলি গোপাল নাটখন ভাগৱতৰ ৰাস পঞ্চ অধ্যায়ৰ আলমত ৰচনা কৰিছিল। শৰতৰ ৰাতি কৃষ্ণৰ বাঁহীৰ সুৰত আকৰ্ষিত হৈ গোপীসকলে বৃন্দাবনলৈ ঢপলিয়াই আহে। মূলতঃ শ্ৰীকৃষ্ণ আৰু গোপীসকলৰ ৰাসলীলাই এই নাটৰ মূল বিষয়বস্তু।

**ৰুক্মিণী হৰণ ঃ** ৰুক্মিনী হৰণ নাটকখন ভাগৱতৰ মূল সংগ্ৰহ কৰি ৰচনা কৰা হৈছিল। পিতাক ভীষ্মকে কন্যা ৰুক্মিণীক কৃষ্ণৰ হাতত সমৰ্পণ কৰাৰ ইচ্ছা কৰিছিল যদিও জ্যেষ্ঠ ভাতৃ ৰুক্মবীৰে কৃষ্ণৰ পৰিৱৰ্তে ছেদীৰাজ শিশুপাললৈ ৰুক্মিণীক বিয়া দিয়াৰ ব্যৱস্থা কৰে। ইফালে ৰুক্মিণীয়ে কৃষ্ণতেই মন প্ৰাণ সপি দিয়ে। ভাতৃ শিশুপালক প্ৰকাশ্যে বিৰোধ কৰিব নোৱাৰি ৰুক্মিণীয়ে বেদনিধি বিপ্ৰৰ জৰিয়তে কৃষ্ণলৈ বাৰ্তা পঠায় যে তেওঁক যিকোনো উপায়ে পলুৱাই নিব লাগে আৰু সেইয়া কিদৰে সম্ভৱ হ'ব তাৰ দিহা-পৰামৰ্শও তেওঁ চিঠিত উল্লেখ কৰি দিয়ে। এই সমস্ত ঘটনাৱলীকে ৰুক্মিণী হৰণ নাটত ফুটাই তোলা হৈছে।

**পাৰিজাত হৰণ ঃ** শংকৰদেৱৰ দ্বাৰা ৰচিত শ্ৰেষ্ঠ নাট— পাৰিজাত হৰণ। বিষ্ণু পুৰাণ, ভাগৱত পুৰাণ আৰু হৰিবংশৰ পৰা মুল আখ্যানভাগ আহৰণ কৰি কৃষ্ণৰ শ্ৰেষ্ঠত্ব পতিপন্ন কৰিছে।

**ৰাম বিজয় ঃ** ৰামায়ণৰ আদিকাণ্ডৰ সাৰ গ্ৰহণ কৰি শংকৰদেৱে ৰাম বিজয় নাট ৰচনা কৰিছিল। কেনেকৈ ৰামে হৰধনু ভাঙি সীতাক লাভ কৰে আৰু অযোধ্যালৈ যাত্ৰা কৰোঁতে বাটত পৰশুৰামক যুদ্ধত পৰাস্ত কৰে এই সমস্ত ঘটনাৱলীয়ে এই নাটৰ মূল আধাৰ।

**গীত ঃ**

বৰগীত - (ৰাব কুৰি বৰগীতৰ ভিতৰত ৩৪ টাহে পোৱা যায়।)

ভটিমা - (দেৱভটিমা, নাটভটিমা, ৰাজভটিমা)

টোটয়

চপয়

**নাম প্ৰসংগৰ গ্ৰন্থ ঃ** কীৰ্তন, গুণমালা

শ্ৰীশ্ৰী শংকৰদেৱ এজন বহুমুখী প্ৰতিভা সম্পন্ন লোক আছিল। ৰূপ, বল, গুণ তিনিও দিশতে তেওঁ মানুহক চমকিত কৰিছিল বুলি কোৱা হয়। যাঁড় গৰুক পৰাস্ত কৰি, ভাদমহীয়া দুপাৰ উপচি পৰা ব্ৰহ্মপুত্ৰ নদী সাঁতুৰি বল-বীৰ্য্যৰ পৰিচয় দিছিল। আনপিনে তেওঁ আছিল ধৰ্ম প্ৰচাৰক, সমাজ সংগঠক, সু-গায়ক, নৰ্তক, অভিনেতা, কবি, চিত্ৰকাৰ। তেওঁ নাটক ৰচনা কৰিয়েই ক্ষান্ত থকা নাছিল; সেইবোৰক অভিনয়ৰ দ্বাৰা মানুহৰ মন নৱবৈষ্ণৱ ধৰ্মৰ প্ৰতি আকৰ্ষণ কৰিবলৈ চেষ্টা কৰিছিল। অভিনয়ত তেওঁ নিজেও ভাও লৈছিল। সেই সময়ত তেওঁ মানুহক সাত বৈকুণ্ঠৰ পট আঁকি চিহ্নযাত্ৰা ভাওনা কৰি দেখুৱাইছিল। শংকৰদেৱৰ নৱবৈষ্ণৱ ধৰ্মৰ মূল মন্ত্ৰ আছিল 'এক দেৱ, এক সেৱ, এক বিনে নাই কেৱ' অৰ্থাৎ কেৱল নামৰ দ্বাৰাই পৰম ভগৱন্তক লাভ কৰি ইহ সংসাৰৰ পৰা উদ্ধাৰ হোৱাৰ উপায় তেওঁ ৰচনা কৰিছিল। তেওঁৰ ধৰ্মত কোনো জাতি-ভেদ, উচ্চ-নীচ, ধনী-দুখীয়াৰ প্ৰভেদ নাছিল। অসমৰ বিভিন্ন ঠাইত সত্ৰ, নামঘৰ অনুষ্ঠান পাতি ধৰ্ম প্ৰচাৰৰ বাবে তেওঁ ব্যৱস্থা কৰিছিল। আজিৰ পৰা পাঁচশ বছৰৰ আগতে শংকৰদেৱে উদাৰ মনোভাৱেৰে সমগ্ৰ অসমীয়া সমাজক একতাৰ জৰীৰে বান্ধিছিল।

বিদ্যা শিক্ষা আৰম্ভ কৰিয়ে শংকৰদেৱে আ-কাৰ, ই-কাৰ নথকা এটা কবিতা ৰচনা কৰিছিল। তেওঁ ১২ বছৰ বয়সতে এই কবিতাটো লিখি উলিয়াইছিল। তেখেতৰ এই কবিতাটো হ'ল—

কৰতল কমল কমল দল নয়ন।
ভবদব দহন গহন বন শয়ন।।
নপৰ নপৰ পৰ সতৰত গময়।
সভয় মভয় ভয় মমহৰ সততয়।।
খৰতৰ বৰশৰ হতদশ বদন।
খগচৰ নগধৰ ফণধৰ শয়ন।।
জগদঘ মপহৰ ভৱভয় তৰণ।
পৰ পদ লয় কৰ কমলজ নয়ন।।

**তিৰোভাব ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে জীৱনৰ অন্তিম সময়লৈকে ধৰ্ম প্ৰচাৰ কাৰ্য চলাই আছিল। মৃত্যুৰ সময়ত চৰিত পুথি মতে, ৰজা নৰনাৰায়ণে শংকৰদেৱত শৰণ ল'বলৈ বাঞ্ছা কৰাত শংকৰদেৱে প্ৰবৃত্তি মাৰ্গত থাকি ৰাজধৰ্ম পালন কৰি ৰজাই কিদৰে নিবৃত্তি মাৰ্গত চলিব পাৰিব বুলি কৈছিল, "ৰজাৰ স্ত্ৰীৰ কৰ্মকাণ্ডী ব্ৰাহ্মণৰ গুৰু নহএ ই তিনিৰ" বুলি শৰণ দিবলৈ অস্বীকাৰ কৰিছিল। তাৰ পিছতো ৰজাই প্ৰয়োজন হ'লে দেৱ-দেৱী সবাকো এৰিব বুলি শংকৰদেৱক নেৰানেপেৰাকৈ শৰণ দিবলৈ জোৰ কৰি থকাত তেওঁ ৰজাক ক'লে, "বোলে কালৈ অহা জাব। জকগে এতিয়া" (কথা গুৰুচৰিত) বুলি উপবাসে থাকি পিছদিনা আহিবলৈ ক'লে। পিছদিনা শৰণ লোৱাৰ সকলো ব্যৱস্থা কৰি শংকৰদেৱক আদৰি আনিবলৈ যাওঁতে গম পোৱা গ'ল, তেওঁৰ আঙুলিত বিহ ফোঁহা এটি হৈছে আৰু তাৰে বিষত তেওঁ ৰজাৰ ওচৰলৈ যাব নোৱাৰে। কম সময়ৰ ভিতৰতে বিষ বাঢ়ি আহিল। শংকৰদেৱে কমণ্ডলুৰ পৰা পানী লৈ মুখ ধুই নতুন কাপোৰ পিন্ধি পদ্মাসনত বহি ধ্যানস্থ হ'ল। আৰু তাৰ পিছত উপস্থিত সকলোকে মাত-বোল লগাই বহাতে তেওঁ ঢলি পৰিল। ১৫৬৮ খ্ৰীষ্টাব্দত (১৪৯০ শক, ২১ ভাদ) শুক্লা দ্বিতীয়া তিথিত ১১৯ বছৰ বয়সত তেওঁ কোচবিহাৰত থকা মধুপুৰ সত্ৰত ইহলীলা সম্বৰণ কৰে।

**সামৰণি ঃ** মুঠতে গুৰুজনাই ছকুৰি বছৰীয়া মানৱ লীলাৰ

কালছোঁৱাত অসমীয়া সমাজখন আটক-ধুনীয়াকৈ সজাই-পৰাই, বৈষ্ণৱ ধৰ্মৰ মহিমাৰে পবিত্ৰ কৰি, ভাষা-সাহিত্য, সংস্কৃতিৰ বৰঘৰ গুৰনি কৰি, অসমীয়াৰ কণ্ঠত গৌৰৱ, গৰিমাৰ, মহিমাৰ জয়মালা পিন্ধাই থৈ গ'ল। একেজন পুৰুষেই ধৰ্ম, ভাষা, সাহিত্য-সংস্কৃতি আৰু সমাজবাদ প্ৰতিষ্ঠাত ইমানবোৰ অৱদান দি যাবলৈ সক্ষম হোৱা মহাপুৰুষ ভাৰত কিয়, পৃথিৱীৰ বুৰঞ্জীত শ্ৰীমন্ত শংকৰদেৱৰ বাদে দ্বিতীয় এজন অৱতাৰ হোৱা নাই। তেওঁ মানৱ লীলা সম্বৰণ কৰোঁতেও এপাহ পদুম ফুলৰ ৰূপতহে অৱশিষ্ট ৰাখি থৈ গৈছিল। ■

তৃতীয় স্থানপ্ৰাপ্ত

## শিল্পী সাহিত্যিক হিচাপে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ

■ নুৰেশ্মা বেগম

*উঃ মাঃ প্ৰথম বৰ্ষ*

**আৰম্ভণি ঃ** মহা মহা পুৰুষৰ চানেকিৰে জীৱনৰ
আমিও কৰিব পাৰো জীৱন গঢ়িত;
অভিনয় শেষ হ'লে আয়ুবেলি মাৰ গ'লে
থৈ যাব পাৰো খোজ সময় বালিত।

অসমীয়া সাহিত্যৰ ভাঙনি কোঁৱৰ আনন্দ চন্দ্ৰ আগৰৱালা দেৱে 'জীৱন সংগীত' নামৰ কবিতাত মহাপুৰুষৰ জীৱন আৰ্হিৰে আমি কেনেকৈ জীৱন গঢ়িব পাৰোঁ তাৰ ইংগিত দিছে।

**জীৱন আৰু কৃতি ঃ** শ্ৰীমন্ত শংকৰদেৱ আছিল অসমৰ এগৰাকী ক্ষণজন্মা মহাপুৰুষ। নগাঁৱৰ বৰদোৱাৰ ওচৰত আলিপুখুৰী নামৰ গাঁৱত ১৪৪৯ খ্ৰীঃত মহাপুৰুষ শ্ৰীশ্ৰীশংকৰদেৱৰ জন্ম হৈছিল। দেউতাক আছিল কুসুম্বৰ ভূঞা আৰু মাক আছিল সত্যসন্ধ্যা। শংকৰৰ জন্মৰ কিছুদিনৰ পিছতে মাকৰ মৃত্যু হয় আৰু আইতাক খেৰসুঁতিয়ে ডাঙৰ-দীঘল কৰে। ১২ বছৰ বয়সলৈ খিতিঙালি কৰি ফুৰা শংকৰক আইতাকে গুৰু মহেন্দ্ৰ কন্দলিৰ পঢ়াশালিত ভৰ্তি কৰাই দিছিল। কিন্তু মহেন্দ্ৰ কন্দলিৰ পঢ়াশালিত ভৰ্তি কৰাই দিয়াৰ পিছত শংকৰে মনোযোগেৰে অধ্যয়ন কৰিবলৈ লৈছিল। অতি কম দিনৰ ভিতৰত চাৰি বেদ, চৈধ্য শাস্ত্ৰ আৰু ওঠৰ পুৰাণৰ জ্ঞান লাভ কৰি সকলোকে চমক লগাই দিছিল।

কুসুম্বৰ ভূঞাৰ মৃত্যুৰ পিছত জ্ঞাতি-কুটুমে লগলাগি শংকৰক বাৰভূঞা বিষয় দিছিল। বিষয়-সংসাৰ চলোৱাত শংকৰক লগোৱাৰ বাবেই সূৰ্য্যৱতী আইৰ লগত শংকৰৰ বিয়া পাতি দিছিল। কিন্তু মনু নামৰ কন্যা এটি জন্মৰ পিছত সূৰ্য্যৱতী আইৰ মৃত্যু হোৱাত শংকৰৰ বিষয়-বাসনাৰ প্ৰতি বৈৰাগ্য ওপজে। মনু কন্যাক হৰি ভোঁৰাইলৈ বিয়া দিয়াৰ পিছত শংকৰদেৱে খুড়াকক ভূঞাৰ বিষয়বাব চমজাই দি তীৰ্থ ভ্ৰমণলৈ যায়। বাৰ বছৰ ধৰি গংগা, গঞ্জা, কাশী, মথুৰা বৃন্দাবন আদি তীৰ্থ ভ্ৰমণ কৰি নিজ দেশলৈ ঘূৰি আহি তীৰ্থ ভ্ৰমণৰ অভিজ্ঞতাৰে নিজৰ প্ৰতিভা সংযোগ কৰি শংকৰদেৱে অসমত ভাগৱতী বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ অভিযান চলায়। ক্ৰমাৎ ব্যভিচাৰী হৈ পৰা অসমীয়া সমাজখনক পুনৰ প্ৰতিষ্ঠা কৰাৰ বাবে মহাপুৰুষজনাই অসমৰ ইমুৰৰ পৰা সিমুৰলৈ ভ্ৰমণ কৰি মাধৱদেৱ প্ৰমুখ্যে শিষ্যসকলৰ সহযোগত সত্ৰ আৰু নামঘৰ প্ৰতিষ্ঠা কৰি বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰে।

কীৰ্তন দশমৰ দৰে ভক্তি গ্ৰন্থ ৰচনা কৰি সত্ৰ-নামঘৰত পাঠ কৰি ভক্তসকলক ধৰ্মৰ ব্যাখ্যা শুনাইছিল। ধৰ্ম প্ৰচাৰত ভাওনা সকলোতকৈ ফলদায়ক উপায় জানি ভাওনাৰ যোগে ধৰ্মৰ জয় আৰু অধৰ্মৰ পৰাজয় দেখুৱাইছিল। সেই উদ্দেশ্য মহাপুৰুষে চিহ্নযাত্ৰা, ৰামবিজয়, কেলি গোপাল, পত্নীপ্ৰসাদ, ৰুক্মিনী হৰণ, কালিয় দমন আৰু পাৰিজাত হৰণ আদি নাট লিখিছিল। কেৱল ধৰ্ম প্ৰচাৰকেই নহয়, শংকৰদেৱ আছিল এজন তুলনাবিহীন সাহিত্যিক। মহাপুৰুষজনা অসমীয়া নাট আৰু গদ্য সাহিত্যৰ জনক আছিল। ভ্ৰষ্টাচাৰী হৈ পৰিব ধৰা অসমীয়া সমাজখনক মহাপুৰুষ জনাই কেৱল ধৰ্মৰ ক্ষেত্ৰতে নহয়, সাহিত্য-সংস্কৃতি, গীত-ভাওনা সকলো ক্ষেত্ৰতে দৃঢ়ভাৱে প্ৰতিষ্ঠা কৰি থৈ গৈছে। মহাপুৰুষজনাৰ জীৱনৰ কীৰ্তি-কাহিনীৰ অন্ত নাই। মহাপুৰুষৰ বিস্তৃত কাহিনী কৈ শেষ কৰিব নোৱাৰা জীৱনৰ বিষয়ে কবিয়ে লিখিছে—

মহাপুৰুষৰ জীৱনী লিখে এনে সাধ্য কাৰ
গোটেই অসম জুৰি বিস্তৃত জীৱনী যাৰ। (কবি দুৰৱা ঃ শ্ৰীশংকৰদেৱ কবিতা)

কবিৰ এনে উক্তিৰ পৰা মহাপুৰুষ শ্ৰীশ্ৰীশংকৰদেৱৰ বিশাল ব্যক্তিত্ব আৰু প্ৰতিভাৰ উমান পাব পাৰি। অসমীয়া জাতিয়ে মহাপুৰুষজনাক কেতিয়াও পাহৰিব নোৱাৰে।

**সামৰণি ঃ** মহাপুৰুষজনাৰ নিৰ্দেশিত পথেৰে চলিলে ব্যক্তি, সমাজ আৰু দেশৰ মংগল সাধিত হ'ব। ল'ৰা-বুঢ়া, ডেকা-ডেকেৰী, জীয়াৰী-বোৱাৰী সকলোৱে মহাপুৰুষৰ আদৰ্শ আগত ৰাখি জীৱনৰ কৰ্তব্য পালন কৰিলে সকলোৱে শান্তিৰে কাল যাপন কৰিব পাৰিব। ■



# ২০২৩ ইং বৰ্ষৰ মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত কৰা সাহিত্য আৰু আলোচনী বিভাগৰ প্ৰতিযোগিতাত স্থানপ্ৰাপ্ত লেখা

## থিতাতে লিখা ৰচনা প্ৰতিযোগিতা

প্ৰথম স্থানপ্ৰাপ্ত

## পৰিৱেশ সুৰক্ষাত আমাৰ দায়িত্ব

■ মনালিছা দাস

*উঃ মাঃ দ্বিতীয় বৰ্ষ*

**আৰম্ভণি ঃ** "পৰিৱেশ সুৰক্ষা হ'লেহে মানুহ সুৰক্ষিত হ'ব"। আমি থকা গ্ৰহটোৰ নাম হ'ল— পৃথিৱী। আমি থকা পৃথিৱীখন আগতে ইমান লেতেৰা নাছিল। এতিয়া আমাৰ পৃথিৱীখন ইমানে প্ৰদূষিত হৈছে আৰু তাৰ কাৰণ হৈছে জীৱ শ্ৰেষ্ঠ মানৱ। আমাৰ চাৰিওফালে থকা মাটি, পানী, বায়ু আৰু গছ-গছনিকে ধৰি আমাৰ পৰিৱেশ গঠন হয়। আজিকালিৰ দিনত মানুহে ইমান গছ-গছনি কাটি পৰিৱেশ ধ্বংস কৰিছে। গছ-গছনি কাটি মানুহে নিজৰ কিছুমান প্ৰয়োজন পূৰণ কৰিছে। গছ এডাল কটাৰ আগতে মানুহে দহডাল গছ লগাব লাগিব। তেতিয়াহে আমাৰ এই পৃথিৱী 'শুৱনি ধৰণী' হৈ থাকিব। অসমত এজন মানুহ আছে যাৰ নাম হৈছে যাদৱ পায়েং। তেখেতক অৰণ্য মানৱ হিচাপেও জনা যায়। তেখেতে এই পৰিৱেশ সুৰক্ষাৰ কাৰণে নিজে এখন অৰণ্যৰ সৃষ্টি কৰিছে। তেখেতে তেওঁৰ এই অৰণ্যখনত বহুত মূল্যবান গছ ৰোপণ কৰিছে। তেওঁৰ অৰণ্যত বহুতো জীৱ-জন্তুও আছে। তেখেতৰ এই সু-কামৰ বাবে তেওঁ যথেষ্ট সন্মানও লাভ কৰিছে। আজিৰ দিনত ইমান কল-কাৰখানা, উদ্যোগ স্থাপন হৈছে যাৰ ফলত পৰিৱেশত প্ৰদূষণ বহুত বাঢ়িছে। কল-কাৰখানাৰ পৰা ওলোৱা ধোঁৱা আৰু উদ্যোগৰ পৰা ওলোৱা লেতেৰা পানীয়ে নদী প্ৰদূষণ কৰে। যমুনা নদীৰ ওচৰত থকা উদ্যোগৰ পৰা ওলোৱা বৰ্জিত পদাৰ্থৰ ফলত যমুনা নদীৰ অৱস্থা বহুত বেয়া হৈছে। গাড়ী-মটৰৰ ফলতো শব্দ প্ৰদূষণ, বায়ু প্ৰদূষণ হয়। মানুহে নিজৰ প্ৰয়োজন পূৰণ কৰিবলৈ পৰিৱেশ ধ্বংস কৰি গৈ আছে। আৰু ডাঙৰ ডাঙৰ অট্টালিকা বনাই গৈ আছে। এতিয়া ভাৰতবৰ্ষত কিছু বছৰ আগৰ পৰা গৰম বহুত বৃদ্ধি হৈছে। যাৰ কাৰণ হৈছে গোলকীয় উষ্ণতা। এতিয়া আমাৰ দেশৰ উষ্ণতা ক্ৰমে বৃদ্ধি হৈ গৈ আছে। এতিয়া দিল্লীৰ উষ্ণতা প্ৰায় ৫৩° ছেলছিয়াছ। পৰিৱেশ ধ্বংস হোৱাৰ কাৰণ হ'ল মানুহ।

**সামৰণি ঃ** এতিয়া ভাৰতবৰ্ষক আৰু বহুতো গছৰ প্ৰয়োজন। গোলকীয় উষ্ণতাৰ বৃদ্ধিৰ ফলত বৰফ গলি গৈ বানপানী হোৱাৰো সম্ভাৱনা আছে। পৃথিৱীখনত জনসংখ্যা বৃদ্ধি ইমানে হৈছে যে যাৰ ফলত কম সময়ত বেছি বস্তু উৎপাদন কৰিবৰ কাৰণে মাটিত বহুত ৰাসায়নিক সাৰ প্ৰয়োগ কৰি শস্য উৎপাদন কৰে। যাৰ ফলত মাটি প্ৰদূষণ হয় আৰু মানুহবো বেমাৰ বৃদ্ধি পাইছে। পৰিৱেশ সুৰক্ষাৰ কাৰণে মানুহে ৫ জুন তাৰিখে বিশ্ব পৰিৱেশ দিৱস পালন কৰাৰ কথা ভাবিলে। ■

দ্বিতীয় স্থানপ্ৰাপ্ত

## পৰিৱেশ সুৰক্ষাত আমাৰ দায়িত্ব

■ ভনিতা কলিতা

*স্নাতক চতুৰ্থ ষাণ্মাসিক*

পৰিৱেশ বুলি ক'লে আমাৰ চাৰিওফালে থকা-গছ-গছনি, ঘৰ-দুৱাৰ, ৰাস্তা-ঘাট ইত্যাদিক বুজায়। পৰিৱেশ অবিহনে কোনো জীৱই জীয়াই থাকিব নোৱাৰে।

পৰিৱেশ হৈছে মানুহৰ নিৰ্মল অনুভূতি। এটা সুস্থিৰ বাতাৱৰণ, শান্তি, জীয়াই থকাৰ প্ৰধান আহিলা। পৰিৱেশ অবিহনে কোনো জীৱই জীয়াই থকা সম্ভৱ নহয়। সেয়েহে পৰিৱেশ সুৰক্ষাত আমাৰ দায়িত্ব অধিক। পৰিৱেশে মানুহৰ লগতে সকলো জীৱৰ জীয়াই থকা লগতে এই পৃথিৱীত বাস কৰাৰ আহিলা।

পৰিৱেশ সুৰক্ষাত সকলো মানুহে সমানে গুৰুত্ব দিয়া উচিত। পৰিৱেশ সুৰক্ষাৰ ক্ষেত্ৰত আমি বিভিন্ন ধৰণৰ পদক্ষেপ হাতত ল'ব

পাবো। যেনে— সপ্তাহত এডাল হ'লেও গছ পুলি ৰোপণ কৰিব। সপ্তাহত নহ'লেও মাহত এডাল হ'লেও গছ পুলি ৰোপণ কৰিব পাৰোঁ। পৰিৱেশ সুৰক্ষা কেৱল গছ পুলি ৰুলেই কৰিব নোৱাৰি। বিভিন্ন ধৰণৰ কাৰ্যকলাপ আছে সেই সমূহ আমি অৱলম্বন কৰিলেহে পৰিৱেশ সুৰক্ষা কৰিব পাৰিম। যেনে— বিভিন্ন ধৰণৰ প্লাষ্টিক আমি য'তে-ত'তে পেলাই নিদি পুৰি পেলাব লাগে। খেতি পথাৰত বিভিন্ন ধৰণৰ কীটনাশক ব্যৱহাৰ নকৰি জৈৱিক সাৰ ব্যৱহাৰ কৰিব লাগে। এনেধৰণৰ কাৰণৰ পৰাও পৰিৱেশ প্ৰদূষণ হয়। বিশেষ কাৰণ হৈছে— গোলকীয় উত্তাপ বৃদ্ধি। সেয়েহে এই চাৰিওফালৰ দিশৰ সমস্যাসমূহ আগতে আমি ঠিক কৰিব লাগিব। তেতিয়াহে আমি পৰিৱেশ সংৰক্ষণ কৰিব পাৰি। অশিক্ষিত লোকক পৰিৱেশৰ বিষয়ে সজাগ কৰি লগতে গাঁওৰ মানুহৰ মাজলৈ গৈ মানুহৰ মাজত পৰিৱেশ সাপেক্ষে অৱগত কৰিব লাগিব। যেনে পৰিৱেশখন ভালে ৰাখিলেহে আমাৰ জীৱন সংৰক্ষণ কৰি ৰাখিব পাৰিম। পৰিৱেশ থাকিলেহে সকলো জীৱৰ লগতে মানুহৰ জীৱন সংৰক্ষণ হ'ব। জধে-মধে গছ নাকাটি তাক সংৰক্ষণ কৰিব লাগিব। এইটো সঁচা যে সকলো মানুহকে জীয়াই থাকিবলৈ গছ লাগে লগতে বসবাস কৰিবলৈও গছ কটা প্ৰয়োজন। কিন্তু এডাল গছ কটাৰ বিপৰীতে দহ ডাল গছ ৰোপণ কৰাটো আমাৰ কৰ্তব্য। গছ-গছনি থাকিলে বৰষুণ হ'ব যাৰ ফলত আমাৰ পৰিৱেশখন সংৰক্ষণ হৈ থাকিব।

সেয়েহে মানুহৰ মাজত সজাগতা সৃষ্টি কৰিবলৈ গোটেই বিশ্বতে ৫ জুন তাৰিখে বিশ্ব পৰিৱেশ দিৱস পালন কৰা হয়। পৰিৱেশ সংৰক্ষণ কৰাৰ দায়িত্ব আমাৰ সদায় থাকে আৰু সদায় অলপ সময় হ'লেও পৰিৱেশৰ নামত দিব লাগে। কিন্তু মানুহক সজাগ কৰিবলৈ। পৰিৱেশৰ কথা অশিক্ষিত মানুহৰ আগত প্ৰকাশ কৰিবলৈ এই বিশেষ দিনটো পালন কৰা হয়।

পৰিৱেশ বিনষ্ট হ'লে আমাৰ জীৱনত অন্ধকাৰ নামি আহিব। সেয়েহে পৰিৱেশ সুস্থ আৰু সেউজ কৰি ৰাখিবলৈ আমি আমাৰ কৰ্তব্যসমূহ পালন কৰিব লাগিব। এই পৃথিৱীৰ পানী যেনে- নদ-নদী, খাল-বিল। এই পৃথিৱীৰ সেউজীয়া বাতাৱৰণ, নিৰ্মল বায়ু, এইবোৰ ৰক্ষা কৰাটো আমাৰ কৰ্তব্য। সেয়েহে আমি আমাৰ পৰিৱেশ প্ৰদূষিত নহ'বৰ বাবে বিভিন্ন ধৰণৰ গছ পুলি ৰোপন কৰাটো আমাৰ দায়িত্ব। এখন সুস্থ পৃথিৱীত বা এখন সুস্থ সমাজত বাস কৰিবলৈ হ'লে আমাৰ প্ৰধানকৈ পৰিৱেশৰ অতি প্ৰয়োজন। চৰাই-চিৰিকটি, জন্তু, মানুহ, উদ্ভিদ সকলোবোৰেই পৰিৱেশৰেই অংগ। পৰিৱেশ থাকিলেহে মানুহ থাকিব আৰু সেই পৰিৱেশখন ৰক্ষা কৰাটো আমাৰ কৰ্তব্য। সেই পৰিৱেশ ৰক্ষা কৰিবলৈ আমি গছ অধিক ৰোপণ কৰিব লাগিব।

সেয়েহে প্ৰত্যেক মানুহে নিজৰ নিজৰ পৰিৱেশৰ ওপৰত ল'ব লগা কৰ্তব্য আৰু দায়িত্বসমূহ পালন কৰি এখন সুস্থ সেউজী পৃথিৱী গঢ়ি তোলাৰ প্ৰধান দায়িত্ব।

সেয়েহে পৰিৱেশৰ ওপৰত বিভিন্ন বাণীও পোৱা যায়। সেয়েহে কেইটামান বাণী মই নিজৰ মতে তলত উল্লেখ কৰিছো—

১। গছ থাকিলেহে পৰিৱেশ থাকিব আৰু পৰিৱেশ থাকিলেহে মানুহ থাকিব।
২। সুস্থ পৰিৱেশে মানুহৰ জীৱন সুস্থ কৰি ৰাখে।
৩। পৰিৱেশ সংৰক্ষণৰ ফলত মানুহৰ জীৱন সংৰক্ষণ হৈ থাকে। ■

---

তৃতীয় স্থানপ্ৰাপ্ত

## পৰিৱেশ সুৰক্ষাত আমাৰ দায়িত্ব

■ তৰালী কুমাৰী
*উঃ মাঃ দ্বিতীয় বৰ্ষ*

পৰিৱেশ থাকিলেহে মানুহ জীয়াই থাকিব। আমাৰ চাৰিওফালে থকা মাটি, পানী, গছ-গছনি, নদ-নদী, এইবোৰেই হৈছে পৰিৱেশ। পৰিৱেশ বিনষ্ট হ'লে আমাৰ ক্ষতি হয়। পৰিৱেশ শুদ্ধ কৰি ৰাখিবলৈ হ'লে আমি গছ পুলি ৰোপণ কৰিব লাগিব। গছ কাটিলে পৰিৱেশ প্ৰদূষিত হয়।

গতিকে আমি পৰিৱেশৰ ওপৰত সজাগ হ'ব লাগে। আজিৰ এই আধুনিক জগতত গছৰ ব্যৱহাৰ বিভিন্ন ধৰণেৰে কৰিব পাৰি। সেইবাবে আমি গছ কাটিবও লাগিব, কিন্তু যিমান পাৰে তাৰ উচিত ব্যৱহাৰ কৰিব লাগে। আমি যিমান গছ কাটিম সিমান পুটিবও লাগিব, নহ'লে আমাৰ পৰিৱেশত মানুহ জীয়াই থাকিব নোৱাৰিব।

আজিৰ এই পাৰ্থিত জীৱনত মানুহে নিজৰ স্বাৰ্থৰ বাবে পৰিৱেশক ব্যৱহাৰ কৰে। জধে-মধে গছ কাটি কল-কাৰখানা বনাই আছে। এইবোৰ হোৱাৰ পৰা আমি সুৰক্ষিত হ'বলৈ গছ পুলি ৰোপণ কৰিব লাগিব। অৰণ্যৰ গছবোৰ জধে-মধে কাটি নষ্ট কৰাতকৈ আমি গছ পুলি ৰোপণ কৰিলে পৰিৱেশ সুৰক্ষিত হ'ব। গতিকে আমি যিমান পাৰো গছ পুলি ৰোপণ কৰিব লাগে আৰু সকলোকে এই কথা জনাব লাগে যাতে আমাৰ পৰিৱেশ সুৰক্ষিত হওঁক। পৰিৱেশ সুৰক্ষিত হ'লে আমাৰ মানুহৰেই লাভ হ'ব। বতাহ শুদ্ধ হ'ব আৰু পানী পৰিষ্কাৰ



হ'ব। এইবোৰ আমাৰ দেহত সেৱন কৰিলে আমি বেমাৰ মুক্ত হৈ থাকিব পাৰিম।

কল-কাৰখানাৰ ধোঁৱাই আমাৰ পৰিৱেশৰ বায়ু নষ্ট কৰে। বৰ্জিত পদাৰ্থই আমাৰ পানী নষ্ট কৰে। গাড়ীৰ ধোঁৱাই পৰিৱেশ প্ৰদূষিত কৰে। পৰিৱেশ প্ৰদূষণ ৰক্ষা কৰিবলৈ হ'লে আমি গাড়ীৰ ঠাইত চাইকেল ব্যৱহাৰ কৰিব লাগিব। কল-কাৰখানা, উদ্যোগ আদি নিৰ্মাণ কমাব লাগিব। উদ্যোগৰ পৰা ওলোৱা লেতেৰা পানীয়ে নদী প্ৰদূষণ কৰে। নদীৰ ওচৰত থকা উদ্যোগৰ পৰা ওলোৱা বৰ্জিত পদাৰ্থৰ ফলত যমুনাৰ পানী প্ৰদূষিত হৈছে। যমুনাৰ পাৰত মানুহে ঘৰৰ অলাগতিয়াল সামগ্ৰী পেলাই আৰু বিভিন্ন গেলি-পচি যোৱা সামগ্ৰী সমূহ পেলায়। যমুনাৰ দৰে শুদ্ধ নদীত মানুহে লেতেৰা বৰ্জিত পদাৰ্থ পেলাই লেতেৰা কৰি দিছে। গোলকীয় উষ্ণতা বৃদ্ধিৰ ফলত বৰফ গলি বানপানীৰ সৃষ্টি হৈছে। পৰিৱেশ প্ৰদূষণ নোহোৱাৰ বাবে আমি যথেষ্ট সংখ্যক গছ ৰোপণ কৰিবই লাগিব। ■

# ৰস ৰচনা প্ৰতিযোগিতা

প্ৰথম স্থানপ্ৰাপ্ত

## হিয়া বিউটি পাৰ্লাৰ

■ হিমাদ্ৰী কলিতা
*স্নাতক ষষ্ঠ ষাণ্মাসিক*

মোৰ নাম হিয়া বিউটি পাৰ্লাৰ। মোৰ ইয়াত আহে সকলোৱে নিজক সজাবলৈ। সকলোৱে বিচাৰে ধুনীয়া হ'বলৈ , সেয়েহে আহে পাৰ্লাৰলৈ। ইয়াত আহি সকলোৱে হৈ পৰে ধুনীয়া। তাৰ ফলত কিছুমান অসুন্দৰীয়েও হৈ পৰে ধুনীয়া সুন্দৰী ৰূপৱতী। কিছুমানৰ বাবে পাৰ্লাৰত গৈ ধুনীয়া হোৱাই কাম। হিয়া বিউটি পাৰ্লাৰত সকলো ধৰণৰ কামেই কৰি দিয়া হয় যিয়ে যি বিচাৰে! যেনে ভুৰ প্লাক, চুলিৰ কাট সকলো ধৰণৰ, মেক-আপ, চুলিৰ ষ্ট্ৰেইটৰ পৰা আদি কৰি তাৰবাবেই আহে নিজক সজাই চাবলৈ। লগতে ইয়াতো বিউটিচিয়ান শিকোৱাৰ পৰা আদি কৰি সকলো ধুনীয়াকৈ শিকাই দিয়া হয় উচিত বিনিময়ত লগতে ধুনীয়াকৈ চাৰ্টিফিকেতো প্ৰদান কৰা হয়। তাৰ ফলত বহুতো ছোৱালীয়ে নিজৰ জীৱিকাৰে পথ নিজেই উলিয়াই ল'ব পাৰে।

পাৰ্লাৰত আহি নিজৰ ৰূপো সলাই দিব পাৰি। ভাঁজ চুলিৰ পৰা চিধা কৰিব পাৰি। চিধাৰ ভাঁজ কৰিব পাৰি। মুঠতে নানান ধৰণৰ। ইয়াত আহিলেই কিছুমানৰ ভালো বেয়া হয় আৰু বেয়াও ভাল হয়। কিছুমানে নিজৰ সৌন্দৰ্যহি হেৰুৱাই পেলাই আৰু বেলেগ ধৰণৰ ৰূপহে লয়। কিছুমানে পাৰ্লাৰ কম যায় আৰু কিছুমানে বেছি যায়। ■

---

দ্বিতীয় স্থানপ্ৰাপ্ত

## হাৰ্বেল বিউটি পাৰ্লাৰ

■ ডিউলী কলিতা
*স্নাতক চতুৰ্থ ষাণ্মাসিক*

বিউটি পাৰ্লাৰ ছোৱালীবিলাকৰ অতিকৈ প্ৰিয় বস্তু। পানী অবিহনে যেনেকৈ মানুহ জীয়াই থাকিব নোৱাৰে তেনেদৰে বিউটি পাৰ্লাৰ অবিহনে ছোৱালীসকল জীয়াই থাকিব নোৱাৰে। মোৰ এখন বিউটি পাৰ্লাৰ আছে। ইয়াত সদায় বহুতো ছোৱালী আহে আৰু তেওঁলোকক বিভিন্ন ধৰণৰ মেক্‌আপৰ সামগ্ৰীৰে বান্দৰীৰ পৰা সুন্দৰী বনাই মই নিজক লৈ বহুত গৌৰৱ অনুভৱ কৰো। মোৰ পাৰ্লাৰত এনেকুৱা কিছুমান সামগ্ৰী আছে যিয়ে মেগীৰ নিচিনা চুলি ঝাৰুৰ নিচিনা সমান কৰি দিব পাৰে। কিছুমান আকৌ মেগী হেয়াৰ ষ্টাইল হে পছন্দ কৰে সেইটোও মোৰ পাৰ্লাৰত কৰিব পৰা যায়। মোৰ পাৰ্লাৰখনত সৰস্বতী পূজাৰ সময়ত বহুত ছোৱালীৰ সমাগম হয়। ছোৱালীবিলাক কিন্তু বেলেগ ক্ষেত্ৰত চিপছ হয় কিন্তু মোৰ পাৰ্লাৰত সিহঁতে বহুত ব্যয়ৰে নিজৰ মুখখন একদম ঐশ্বৰ্য্যা ৰায়ৰ নিচিনা কৰিব বিচাৰে। কিছুমানে এনেধৰণৰ গ্ৰাহক আছে যাৰ চুলি গোটেই কেইডাল পকা কিন্তু সিহঁতে মোক কয় যে সেই চুলি একেবাৰে তিলৰ নিচিনা

ক'লা কৰি পেলাব পাৰে। বেলেগক সুন্দৰ কৰোঁতে কৰোঁতে মোৰ নিজৰ অৱস্থা একেবাৰে বেয়া হৈ গৈছে বাৰু একো নাই। মোৰ পাৰ্লাৰত hair curl, straightning, facial, threding, spa, manicure-pedicure আদিৰ সুবিধা আছে। আপোনালোকো মোৰ পাৰ্লাৰত আহিব বুলি আশা থাকিল। ব'হাগ বিহু উপলক্ষে অফাৰ চলি আছে সেয়ে আপুনি বা আপোনাৰ বান্ধৱীসকলৰ লগত মোৰ পাৰ্লাৰলৈ যাতে আহে তাকে কামনা কৰিলোঁ। মই মেকআপ আৰ্টিষ্ট মাহি প'লৰ পৰা প্ৰশিক্ষণ লাভ কৰিছোঁ। মোৰ তাত আপুনি পাৰ্টী মেক্‌আপ, 3D মেকআপ, Simple মেকআপ, Bridal মেকআপ আদিৰ সুবিধা লাভ কৰিব। ■

---

(তৃতীয় স্থানপ্ৰাপ্ত)

## দিতি লেডিছ্ বিউটি পাৰ্লাৰ

■ শিখা হাজৰিকা

*স্নাতক ষষ্ঠ ষাণ্মাসিক*

মোৰ এখন পাৰ্লাৰ আছে, যাৰ নাম দিতি লেডিছ বিউটি পাৰ্লাৰ। ইয়াত মই বান্ধৱীৰ দৰে ছোৱালীবোৰকো Angel বনাই পঠিয়াওঁ। আজি কালি মোৰ উপাৰ্জনো চাকৰিয়ালতকৈ কোনো গুণে কম নহয়। সৰস্বতী পূজা, দুৰ্গা পূজা, কলেজৰ নৱাগত আদৰণি সভা সকলোতে মোৰ পাৰ্লাৰ ভৰ্তি। কোনোবাক লাগে নোম উভালি সুন্দৰ ভুৰ বনাব, আকৌ কাৰোবাক লাগে কেকোঁৰা চুলিখিনি Straight কৰি গৰুৰ নেজৰ দৰে বনাব। ইয়াত মই নেইল পলিছ, লিপষ্টিক লগতে নানা ৰকমৰ মুখত লগোৱা ক্ৰীম বিক্ৰি কৰো। Waxing, Threding, Hair Cut, Fecial সকলো কৰোঁ মই এই পাৰ্লাৰখনতে। আজি কালি ছোৱালীবোৰে মোক বৰ ভাল পায় কাৰণ মই নহ'লে সিহঁতৰ যে কিমান অসুবিধা হ'লহেঁতেন। Primer, foundation, compact powder, Bluser সকলো থেপ থেপকৈ লগাই ছোৱালীবোৰৰ অমাৱস্যাৰ দৰে আন্ধাৰ মুখখনতো আনি দিওঁ পূৰ্ণিমাৰ জোনাক। বিয়া বুলিলে কেৱল কইনা নহয় তাইৰ বান্ধৱী, ভনী আনকি মাক, আইতাক সকলোকে মই এই পাৰ্লাৰখনত সুন্দৰী বনাব লাগে। কাজল, আইলিনাৰ সিহঁতৰ চকুত লগোৱাৰ লগতে মই সিহঁতক বিক্ৰীও কৰোঁ। এইখনেই মোৰ পাৰ্লাৰ। ■

## বাতৰি লিখন প্ৰতিযোগিতা

### বিষয় ঃ আজিৰ দিনটোৰ তোমাৰ অঞ্চলৰ বা-বাতৰি

(প্ৰথম স্থানপ্ৰাপ্ত)

■ অনিন্দিতা বাভা

*স্নাতক ষষ্ঠ ষাণ্মাসিক*

<u>দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত উপস্থিত জনপ্ৰিয় অভিনেত্ৰী আইমী বৰুৱা</u>

৯ জানুৱাৰী, কামৰূপ, মিৰ্জা ঃ যোৱা ৮ তাৰিখৰ পৰা দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত অনুস্থিত হোৱা মহাবিদ্যালয় সপ্তাহত আজি দ্বিতীয় দিনা উপস্থিত থাকে অসমৰ জনপ্ৰিয় অভিনেত্ৰী আইমী বৰুৱা। পুৱা প্ৰায় ১১.৩০ বজাত তেখেত মহাবিদ্যালয়ত আহি উপস্থিত হয়। মহাবিদ্যালয় সপ্তাহত অনুষ্ঠানত উপস্থিত থাকি অভিনত্ৰেী গৰাকীয়ে ছাত্ৰীসকলক লৈ বক্তব্য প্ৰদান কৰাৰ লগতে ছাত্ৰীসকলৰ লগত মত বিনিময় কৰে। ছাত্ৰী একতা সভাৰ সদস্যাবৃন্দই ফুলাম গামোচা, শৰাই, মানপত্ৰৰে অভিনেত্ৰীগৰাকীক সম্ভাষণ জনায়। উক্ত অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যক্ষ নৱকান্ত অধিকাৰীয়ে তেখেতৰ নিজে লিখা কেইখনমান পুথি অভিনেত্ৰী গৰাকীক প্ৰদান কৰে। অভিনেত্ৰী গৰাকীয়ে অনুষ্ঠানৰ শেষত এটি নৃত্য পৰিৱেশন কৰি মঞ্চৰ পৰা বিদায় লয়। উল্লেখ্য যে অভিনেত্ৰী আইমী বৰুৱাই মহাবিদ্যালয়খনলৈ অহা ১১ তাৰিখে অহাৰ কথা আছিল কিন্তু উক্তদিনা আহিব নোৱৰাৰ হেতু আজি উপস্থিত থাকে। অভিনেত্ৰী গৰাকী মহাবিদ্যালয়খনৰ পৰা প্ৰায় ২ বজাত বিদায় লয়। ■



(দ্বিতীয় স্থানপ্ৰাপ্ত)

■ জুপিতৰা দাস

*স্নাতক ষষ্ঠ ষাণ্মাসিক*

<u>দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত অভিনেত্ৰী আইমী বৰুৱা</u>

ষ্টাফ ৰিপোৰ্ট- ৯ ফেব্ৰুৱাৰী, দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত আজি উপস্থিত হয় অসমীয়া চিনেমা জগতৰ মোহময়ী অভিনেত্ৰী তথা পৰিচালিকা আইমী বৰুৱা। মহাবিদ্যালয়ৰ বাৰ্ষিক প্ৰতিযোগিতাসমূহৰ মাজত অভিনেত্ৰী গৰাকীক নিমন্ত্ৰণ কৰে আৰু ভাষণ, নাচ-গানৰ মাজত কিছু সময় অতিবাহিত কৰে। দিনৰ প্ৰায় ১২ বজাত তেওঁ আহি মহাবিদ্যালয়ত উপস্থিত হয় আৰু মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীবৃন্দৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে স্বাগতম জনায়। তেখেতক ফুলাম গামোচা, মানপত্ৰ, শৰাই, কিতাপ আদিৰে সন্মান জনায়। অভিনেত্ৰী গৰাকীয়ে ভাষণ ৰাখি কয় যে তেখেতৰ এই ছোৱালী মহাবিদ্যালয়ত আহি খুবেই ভাল লাগিছে। তেখেতে ছাত্ৰীসকলক জীৱনত আগুৱাই যাবলৈ নথৈ শুভেচ্ছা দিয়ে। তেখেতে ছাত্ৰীসকলৰ বাবেও তিনিটা প্ৰশ্ন লৈ আহে আৰু জয়ী ছাত্ৰী তিনিগৰাকীক থিতাতে পুৰস্কাৰ প্ৰদান কৰে। ■

(তৃতীয় স্থানপ্ৰাপ্ত)

■ চিত্ৰলেখা দিয়া

*স্নাতক চতুৰ্থ ষাণ্মাসিক*

<u>দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত বাৰ্ষিক মহাবিদ্যালয় সপ্তাহত আইমী বৰুৱা</u>

মিৰ্জা, পলাশবাৰী- ৯ ফেব্ৰুৱাৰী, দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত অনুষ্ঠিত কৰা বাৰ্ষিক মহাবিদ্যালয় সপ্তাহৰ আজি তৃতীয় দিন। বিভিন্ন ধৰণৰ বৰগীত, বিষ্ণুৰাভা সংগীত, জ্যোতি সংগীতৰ লগতে সাহিত্য বিভাগৰ পৰা আয়োজন কৰা থিতাতে লিখা শ্লোগান প্ৰতিযোগিতা অনুষ্ঠিত হয়। মহাবিদ্যালয়ত দিনৰ ভাগত অসমৰ বিশিষ্ট অভিনেত্ৰী আইমী বৰুৱা উপস্থিত হয়। আইমী বৰুৱাই ভাষণ ৰখাৰ লগতে মহাবিদ্যালয়খনৰ উন্নতিৰ হকে বহু কথা কয়। আইমী বৰুৱাৰ উপস্থিতিয়ে মহাবিদ্যালয়ৰ পৰিৱেশ সুন্দৰ কৰি তোলে। মূল সভাত উপস্থিত থাকে মহাবিদ্যালয়ৰ অধ্যক্ষ, সহঃ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰী-ছাত্ৰীসকল। ■

## থিতাতে লিখা মুকলি চিঠি প্ৰতিযোগিতা

(প্ৰথম স্থানপ্ৰাপ্ত)

প্ৰতি,

অসম চৰকাৰৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়
অসম চৰকাৰ, দিশপুৰ, গুৱাহাটী (অসম)

তাৰিখ ঃ ০৭-০২-২০২৩

বিষয় ঃ বিনামূলীয়া নামভৰ্ত্তি আৰু স্কুটী প্ৰদানৰ বাবে ধন্যবাদ জনোৱাৰ লগতে সাহায্য বিচাৰি আবেদন।

মহোদয়,

বিনীত সন্মানপূৰ্বক নিবেদন, এই যে কিছুদিন পূৰ্বে অসম চৰকাৰে আৰ্থিকভাৱে দুৰ্বল ছাত্ৰ-ছাত্ৰীসকলক বিনামূলীয়া নামভৰ্ত্তিৰ সুযোগ আৰু লগতে মেধাৱী ছাত্ৰী আৰু ছাত্ৰসকলক বিনামূলীয়া স্কুটী প্ৰদান কৰাৰ ফলত মই আৰু মোৰ মহাবিদ্যালয়ৰ ছাত্ৰীসকলে অসম চৰকাৰৰ এই ব্যৱস্থাপনাত অশেষ ধন্যবাদ জনাইছো। মাননীয় মুখ্যমন্ত্ৰীৰ পৰা লাভ কৰা এই জলপানিৰ ফলত ছাত্ৰ-ছাত্ৰীসকল অতিকৈ লাভাৱান্বিত হৈছে। মহোদয় মই স্নাতক চতুৰ্থ ষাণ্মাসিকৰ এজনী ছাত্ৰী হিচাপে ভৱিষ্যতে মই উচ্চ শিক্ষাৰ হেতুকে এখন ভাল মহাবিদ্যালয়ত নামভৰ্ত্তি কৰিম বুলি ভাবিছো। সেয়ে মুখ্যমন্ত্ৰী মহোদয়ে যেন মোৰ নিচিনা আৰ্থিকভাৱে দুৰ্বল ছাত্ৰ-ছাত্ৰীসকলক কিছুমান জলপানিৰ ব্যৱস্থা কৰি দিয়ে যেন। ফলত আমাৰ দৰে ডাঙৰ সপোন দেখা ছাত্ৰ-ছাত্ৰীসকলে নিজৰ সপোনবোৰ ৰচিব পাৰে।

গতিকে, মহোদয়ে যেন মোৰ এই মিনতি মানি লয় আৰু ছাত্ৰ-ছাত্ৰীসকলৰ এক পূণ্য সাধন কৰে, এয়ে মহোদয়ৰ ওচৰত মোৰ সৰল মিনতি। ইতি-

আপোনাৰ বিশ্বাসী—

ডিউলী কলিতা

*স্নাতক চতুৰ্থ ষাণ্মাসিক*

দ্বিতীয় স্থানপ্ৰাপ্ত

প্ৰতি,

মাননীয়,

অসমৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ সমীপেষু

তাৰিখ ঃ ০৭-০২-২০২৩

বিষয় ঃ বিনামূলীয়া নামভৰ্ত্তি আৰু স্কুটী পোৱাৰ পিছত আন সাহায্য বিচাৰি আবেদন।

মহাশয়,

সন্মানপূৰ্বক বিনীত নিবেদন এই যে আমাৰ B.A. 1st Sem. ত Free Admission দিছে অসম চৰকাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়া ড° হিমন্ত বিশ্ব শৰ্মা দেৱক মই অশেষ ধন্যবাদ জ্ঞাপন কৰিছোঁ। মুখ্যমন্ত্ৰী ছাৰ, আপুনি আমাক ছাত্ৰ-ছাত্ৰীক বহু সুবিধা দিছে আমি দুখীয়া ঘৰৰ ছোৱালী। উচ্চ শিক্ষাৰ বাবে মই বহু আগ্ৰহী। মোৰ দৰে হয়তো বহু ছোৱালী আছে যি আৰ্থিক অভাৱৰ বাবে উচ্চ শিক্ষাৰ পৰা বঞ্চিত হৈ আছে। তাৰোপৰি মই B.A. ত Admission পালোঁ কিন্তু মই এতিয়ালৈ কিতাপ কিনিব পৰা নাই, কিতাপৰ বহু দাম। মোৰ মহাশয় ছাৰৰ ওচৰত মিনতি যে আমাক কিছু কিতাপৰ ব্যৱস্থা কৰে যেন।

এয়াই মোৰ মুখ্যমন্ত্ৰী ডাঙৰীয়া ছাৰৰ ওচৰত সৰল মিনতি।

ইতি-

আপোনাৰ একান্ত বাধ্য ছাত্ৰী

**জুপিতৰা দাস**

*স্নাতক ষষ্ঠ ষাণ্মাসিক*

তৃতীয় স্থানপ্ৰাপ্ত

প্ৰতি,

মাননীয় অসমৰ মুখ্যমন্ত্ৰী মহোদয়,

অসম চৰকাৰ

তাৰিখ ঃ ০৭-০২-২০২৩

বিষয় ঃ Free Admission আৰু স্কুটীৰ বাবে ধন্যবাদ জনাই আৰু সাহায্য প্ৰদান কৰাৰ বাবে আবেদন।

মহাশয়,

সন্মান পূৰ্বক বিনীত নিবেদন এই যে মহোদয় মই এজনী স্নাতক চতুৰ্থ ষাণ্মাসিকৰ ছাত্ৰী। মই উচ্চতৰ মাধ্যমিকত ভাল ৰিজাল্ট কৰাৰ বাবে চৰকাৰৰ ফালৰ পৰা এখন স্কুটী পাইছিলো। স্কুটীখন পাই মোৰ বহুতো সুবিধা হৈছে। কলেজত অহা-যোৱা কৰাৰ লগতে অন্য কামো কৰিব পাৰিছোঁ। আৰু কলেজত Free Admission হোৱাৰ বাবে মই আগুৱাই গৈ পঢ়িব পাৰিছোঁ। যিহেতু ঘৰৰ অৱস্থা আমাৰ একেবাৰেই ভাল নহয়। দেউতাই হাজিৰা কৰি খুৱাই আছে। মোৰ বাহিৰে ভন্টিবোৰক পঢ়াব লাগে। গতিকে মহোদয়ৰ ওচৰত এটা সৰল মিনতি জনাওঁ আমাক আৰু অলপ সাহায্য প্ৰদান কৰে যেন। মই পঢ়ি কিবা এটা ভাল কাম কৰিব বিচাৰিছোঁ। এয়ে মোৰ মহোদয়ৰ ওচৰত সৰল মিনতি।

ইতি-

আপোনাৰ বিশ্বাসী—

**সংগীতা দাস**

*স্নাতক চতুৰ্থ ষাণ্মাসিক*



# থিতাতে লিখা কবিতা প্ৰতিযোগিতা

প্ৰথম স্থানপ্ৰাপ্ত

## প্ৰকৃতি

■ **প্ৰিয়ংকা কলিতা**

*স্নাতক চতুৰ্থ ষাণ্মাসিক*

সূৰ্যই দিলে মোক সাহস
হাজাৰ এন্ধাৰ হ'লেও ৰাতিপুৱা,
নতুন আশাৰ পোহৰ অনাৰ।
নদীয়ে দিলে মোক শিক্ষা
সময়ৰ গতিত আগলৈ বৈ যোৱাৰ।
পাহাৰে দিলে মোক শক্তি
কষ্ট আহিলেও লক্ষ্যত স্থিৰ হৈ থকাৰ,
ধৰণীয়ে দিলে মোক বুজনি
ভাল বেয়া নিজৰ মাজত আকোঁৱালি লোৱাৰ। ■

দ্বিতীয় স্থানপ্ৰাপ্ত

## প্ৰকৃতি অবিহনে মানৱ জীৱন

■ **ডিউলী কলিতা**

*স্নাতক চতুৰ্থ ষাণ্মাসিক*

যুগে যুগে বৰ্তি থকা মানুহ আৰু
প্ৰকৃতিৰ এই বিশাল সম্পৰ্ক, সহানুভূতি
আজি ক'ত লুকাই গ'ল?
ক'ত হেৰাই গ'ল ধৰিত্ৰী মাৰ
মন-প্ৰাণ জুৰ পেলোৱা সেউজীয়া ৰূপ?
কেৱল মুখে মুখে চলি থাকিল
প্ৰকৃতি ৰক্ষাৰ শ্লোগানসমূহ।।
প্ৰকৃতিৰ বুকুত এতিয়া কেৱল সৌ
বিশাল অট্টালিকাসমূহ, মানুহে চলোৱা
প্ৰকৃতিৰ ওপৰত অত্যাচাৰসমূহ।।
ব্ৰহ্মপুত্ৰ, বৰাকৰ সেই অপূৰ্ব সৌন্দৰ্য্য
ক'তনো হেৰাল? ক'ত লুকাই গ'ল
ইয়াত থকা শিহুবোৰ?
এয়া কেৱল আমাৰ কৰ্মৰ ফল।
কৰ্মৰ ফল।। ■



তৃতীয় স্থানপ্ৰাপ্ত

## মানুহ আৰু প্ৰকৃতি

■ **চিত্ৰলেখা ৰাভা**

*স্নাতক চতুৰ্থ ষাণ্মাসিক*

শালনিৰ মাজে মাজে
গৈ পাইছিলো
বেলি লহিওৱা পৰত
পকা সমুখিৰা হেন
বেলিটিয়ে
সম্ভাষণ জনাইছিল
সেউজীৰ বুকুত।
কপৌজাক উৰি গৈছিল
কিৰিলি পাৰি
বগলী জাকো ঘৰমুৱা হৈছিল
জাকে জাকে পাখি মেলি।
তেনে সময়তে
প্ৰকৃতিৰ কন্যা
ৰামটেং নিজৰাৰ পাৰত
নিৰিবিলিৰ আভা।
কি অপৰূপা
কি মনোমোহা
চাৰিওফালে যেন
অমিয়া সুৰৰ অন্তৰা। ■

# কবিতা লিখা প্ৰতিযোগিতা (পূৰ্বে জমা দিয়া)

প্ৰথম স্থানপ্ৰাপ্ত

## আহ্বান

■ জুবি মহন্ত
*স্নাতক চতুৰ্থ ষাণ্মাসিক*

হৃদয়ৰ পৰা হৃদয়ৰ গভীৰলৈ
এখন সেঁতু নামৰ বান্ধ বান্ধো আহা
য'ত
মানসিক চিন্তাৰ গোন্ধত
এখন বিবেকৰ সুন্দৰ
পৃথিৱী গঢ়িম।
প্ৰভাতৰ ৰৌদ্ৰজাল বিয়পি নপৰা
দলঙৰ তলৰ
ভোকত আঁতুৰ হৈ পৰি থকা
দুৰ্ভগীয়া শিশুৰ সেই
পেটৰ ভোক গুচাম।
চিকুণ কোমল গালবোৰত পৰা
অসহায়ৰ দাগবোৰৰ বিপৰীতে
ৰঙৰ ব'দালি সিঁচি দিম।
দৰিদ্ৰতাই বান্ধি থোৱা
কোমল দুটি ওঁঠত
বিয়পাই দিম
অ-ফলাৰ
অ, আ।

দ্বিতীয় স্থানপ্ৰাপ্ত

## আবেলিৰ মানস উদ্যান

■ জুপিতৰা দাস
*স্নাতক ষষ্ঠ ষাণ্মাসিক*

ভূটানৰ পাহাৰৰ পৰা নিগৰিছে,
পানীৰ সোঁতৰ নিৰৱচ্ছিন্ন গীত।
দীপক সুৰ বিহীন প্ৰাণ পৰশত
আবেলিৰ সূৰ্যৰ কিৰণত
জিলিকিছে মানসৰ নৈ।
জনাইছে 'শুভ আবেলি'
মানসৰ বন্য পক্ষীজাকে
মানসৰ পৰ্যটক আৰু সমনীয়াক
ঘৰলৈ যোৱা বাটত।
শৰতৰ আগমনক সোঁৱৰাইছে
নৈৰ পাৰত নৃত্য কৰি থকা কঁহুৱা বনে।

পৰ্যটকে ঘনে ঘনে চাইছে
বনৰীয়া ম'হৰ জাকটোৰ পিনে,
শেৱালিৰ সুগন্ধি সুবাস বিয়পিছে
বতাহৰ আঁৰে আঁৰে।
এক সুন্দৰ দৃশ্যাৱলী
মানৱৰ আৱেগ সলোৱা মনোৰম দৃশ্য।
ৰুদ্ধ হ'ল মানসৰ ৰাষ্ট্ৰীয় উদ্যানৰ
প্ৰকৃতিৰ মায়াজালৰ কঁহুৱা নৃত্যত
কেতিয়াবা চৰাইৰ গীত, প্ৰকৃতিৰ গীতৰ সমন্বয়ত
মানসৰ প্ৰেমিক হয় মানৱ। ■

তৃতীয় স্থানপ্ৰাপ্ত

## দক্ষিণ মায়াঙৰ ৰূপহী গাভৰু

■ মিনা ৰাভা
*স্নাতকোত্তৰ দ্বিতীয় ষাণ্মাসিক*

বুকুত মেঠনি পিন্ধা গাভৰুজনী
গাত সৰুকৈ এখনী পাজাৰ
কোমল ওঁঠত লাজুক হাঁহি
নিবৃত্তি চাৱনি

খপিয়া খোজেৰে নামিছে তাই
মূৰত ধৰি লৈ ইটোৰ পৰা সিটো
শিলৈ বুলি খপ্‌জপ্ ভাৱনাত
ৱিৱত হৈ থমকিছে

নিৰ্জন প্ৰকৃতিৰ শ্যামল বননিত
অচিনাকি সুৰ জোৰে
উদ্বেগ মনটো আকৌ নিতাল
হৈ খোজ দিয়ে

মধ্যাহ্ন সময়ৰ নিৰ্জনতাত
হৰিণাৰ চিঞৰ
সুললিত মদনাৰ উৰুলি
মধুমাক্ষিকাৰ গুণগুণনি
ঝৰ্ণাৰ প্ৰতিধ্বনি

তাই অবিৰামভাৱে
মায়াঙৰ পৰা নামি আহিছে
হেমাহিবোৰ দূৰত ৰাখি
ৰঙচুৱা দুগালত ভাগৰুৱা চানেকি
অচিনাকি তাই ৰূপহী লাৱণ্যময়ী
দক্ষিণ মায়াঙৰ গাভৰুজনী। ■



# পেৰডী কবিতা প্ৰতিযোগিতা

প্ৰথম স্থানপ্ৰাপ্ত

## শুৱনি আমাৰ কলেজখনি

■ ডিউলী কলিতা
*স্নাতক চতুৰ্থ ষাণ্মাসিক*

শুৱনি আমাৰ কলেজখনিত
অতি ধুনীয়া ছোৱালীৰে ভৰা
বগা-গেৰুৱা ৰঙৰ পোছাক পিন্ধি আছে
মনবোৰ উলহ-মালহেৰে ভৰা।।
ডাঙৰবোৰে সৰুবোৰক অতি মৰমিয়াল
মাতেৰে মাতে,
সৰুবোৰৰ আকৌ ডাঙৰবোৰক দেখিলে
মনত শ্ৰদ্ধাৰ ভাব জাগে।
শুৱনি আমাৰ কলেজখনিত
অতি ধুনীয়া বাইদেউও আছে
ছাত্ৰীসকলক দেখিলে তেওঁলোকে
হাঁহি বিৰিঙাই মাতে।।
শুৱনি আমাৰ কলেজখনি
ডাঙৰ-ডাঙৰ গছেৰে ভৰা,
শিলিখা আছে আমলখি আছে
আছে বহুতো ফলেৰে ভৰা।। ■

দ্বিতীয় স্থানপ্ৰাপ্ত

## শুৱনি আমাৰ গাঁওখন

■ জুপিতৰা দাস
*স্নাতক ষষ্ঠ ষাণ্মাসিক*

শুৱনি আমাৰ গাঁওখনি অতি
আপা-আপিৰে ভৰা
অ'ত ত'ত ঘূৰি ফুৰে
কাম-বন নাইকিয়া মাখা।

আজি বোলে অমুকৰ ঘৰত
বগৰী চুৰ কৰিবা যায়,
ধৰা পৰিলে গোটেই মাখাই
কাণতলীয়া চৰ খায়।

শুৱনি আমাৰ গাঁওখনি অতি
গৰু-ছাগলীৰে ভৰা
আৰ তাৰ বাৰীত খাই ফুৰে
খেদিলে দৌৰ মৰা।

আমাৰ গাঁওৰ CCTV কেইটাক
পাহৰোনো কেনেকৈ আই
কাৰ ঘৰত কি হৈছে
খুড়ীয়ে খবৰ বিয়পায়।

আমাৰ শুৱনি গাঁওখন
ইমান সুন্দৰ আই,
আন মানুহে গম পালে
কৰিব হায় হায়। ■

# শ্লোগান লিখন প্ৰতিযোগিতা

## বিষয় ঃ পৰিৱেশ সচেতনতা

### প্ৰথম স্থানপ্ৰাপ্ত

■ **চিত্ৰলেখা দিয়া**
*স্নাতক চতুৰ্থ ষাণ্মাসিক*

১। "আমাৰ দেশ আমাৰ মাটি
জীয়াই ৰাখক প্ৰকৃতি"।

২। "গছক ৰক্ষা কৰা দায়িত্ব আমাৰ
আহক আমি সকলোৱে মিলি
গছ-গছনি ৰক্ষা কৰোঁ"।

৩। "বজাই ৰাখক স্বমাটিৰ গান
জীয়াই ৰাখক প্ৰকৃতিৰ মান"।

৪। "আহক আমি পৰিস্কাৰ, পৰিচ্ছন্নতা বজাই ৰাখো"।

৫। "আহক গছ ৰোপণ কৰোঁ"।

### দ্বিতীয় স্থানপ্ৰাপ্ত

■ **অনিন্দিতা ৰাভা**
*স্নাতক ষষ্ঠ ষাণ্মাসিক*

১। গছ থাকিলেহে মানুহ থাকিব
মানুহ থাকিলেহে সমাজ থাকিব।

২। ডাষ্টবিনৰ ব্যৱহাৰ কৰি চৌপাশ
পৰিচ্ছন্ন কৰি ৰাখক আৰু
সুস্থ পৰিবেশৰ গঢ় দিয়ক।

৩। প্ৰত্যেকে একোডালকৈ বৃক্ষ ৰোপণ কৰক
আৰু পৰৱৰ্তী প্ৰজন্মৰ বাবে ভৱিষ্যৎ গঢ়ক।

৪। আজি আপুনি ৰোৱা এডাল গছৰ পুলিয়ে
কাইলৈ আপোনাৰ ভৱিষ্যৎ সুৰক্ষিত কৰিব।

৫। নলা-নৰ্দমাবোৰ পৰিষ্কাৰ পৰিচ্ছন্নকৈ ৰাখক
বিশুদ্ধ পৰিৱেশৰ গঢ় দিয়ক আৰু
সুস্থ-সবল জীৱন জীয়াওক।

### তৃতীয় স্থানপ্ৰাপ্ত

■ **জুপিতৰা দাস**
*স্নাতক ষষ্ঠ ষাণ্মাসিক*

১। পৃথিৱী আইক সেউজী ধৰণী কৰি ৰাখিবলৈ
অধিক গছপুলি ৰুব লাগে।

২। ৰাস্তাৰ নলা-নৰ্দমাবোৰ ঢাকা কৰি ৰাখক
যাতে বেয়া গোন্ধ নোলায় আৰু
পৰিৱেশ ঢাকা হয়।

৩। জাঁবৰ আৰু প্লাষ্টিক পেকেটবোৰ
ৰাস্তাত নেপেলাই ৰাস্তাত থকা ডাষ্টবিন
(USE ME) ব্যৱহাৰ কৰক।

৪। পেলনীয়া আৱৰ্জনাবোৰ নদীত পেলাই দি
নদীৰ পানী লেতেৰা নকৰিব।

৫। চিখৰ, তামোল খাই
ৰাস্তাৰ বেৰত থু নেপেলাব আৰু
পৰিৱেশ চাফা কৰি ৰাখিব।



# বিভাগীয় প্ৰতিবেদন

## সভানেত্ৰীৰ প্ৰতিবেদন



নাৰী শিক্ষাৰ প্ৰাণকেন্দ্ৰ স্বৰূপ, দক্ষিণ কামৰূপ অঞ্চলৰ আগশাৰীৰ শিক্ষানুষ্ঠান দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাৰ আঁৰৰ প্ৰতিগৰাকী মহানুভৱী, ত্যাগী, অক্লান্ত পৰিশ্ৰমী বৰেণ্য ব্যক্তিলৈ সশ্ৰদ্ধ প্ৰণাম জনাই সভানেত্ৰীৰ একলম আগবঢ়াবলৈ লৈছোঁ।

হাজাৰ সপোন বুকুত বান্ধি মহাবিদ্যালয়ত ভৰি দিয়াৰ তৃতীয়টো বৰ্ষত ছাত্ৰীসকলৰ হেঁপাহত মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ সাধাৰণ সম্পাদিকা হোৱাৰ পিছত আকৌ চতুৰ্থটো বৰ্ষত দ্বিতীয় বাৰৰ বাবে ছাত্ৰীসকলৰ অত্যন্ত মৰম, ভালপোৱা আৰু শিক্ষাগুৰুসকলৰ আশীৰ্বাদত সভানেত্ৰী পদত বিনা প্ৰতিদ্বন্দ্বিতাই নিৰ্বাচিত হ'বলৈ সক্ষম হৈছিলোঁ। মহাবিদ্যালয়ৰ প্ৰিয় প্ৰতিগৰাকী ছাত্ৰীলৈ এই ছেগতে মোৰ হিয়াভৰা মৰম, শ্ৰদ্ধা আৰু ধন্যবাদ জ্ঞাপন কৰিলোঁ।

### মোৰ কাৰ্যকালৰ চমু বিৱৰণ ঃ

২২-১০-২০২২ ইং তাৰিখে মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা সাধাৰণ নিৰ্বাচনত নিৰ্বাচিত হোৱা ছাত্ৰী একতা সভাৰ প্ৰতিগৰাকী সম্পাদিকাক লৈ কিছুদিন পিছতেই মহাবিদ্যালয়ৰ অধ্যক্ষ, উপাধ্যক্ষকে ধৰি মহাবিদ্যালয়ৰ বিভাগীয় শিক্ষাগুৰুসকলৰ উপস্থিতিত শপত গ্ৰহণ কাৰ্য সম্পন্ন কৰোঁ।

**সৰস্বতী পূজা উদ্‌যাপন ঃ** ২৬-০১-২০২৩ ইং তাৰিখে অইন বেলিৰ দৰে বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী মা সৰস্বতীৰ পূজাভাগ উলহ-মালহেৰে পালন কৰা হৈছিল। পঞ্চমী তিথিত পতা সৰস্বতী মাৰ পূজাভাগৰ লগত সংগতি ৰাখি সাহিত্য আৰু আলোচনী বিভাগৰ তত্ত্বাৱধায়ক ড° প্ৰশান্ত বৰা ছাৰৰ দিহা-পৰামৰ্শত সাহিত্য আৰু আলোচনী বিভাগৰ সম্পাদিকা অঞ্জলি নাথৰ সহযোগত মহাবিদ্যালয়ৰ ছাত্ৰীসকলে আটকধুনীয়াকৈ শিক্ষাগুৰুসকলৰ লেখাৰে পৰিপূৰ্ণ প্ৰাচীৰ পত্ৰিকা 'শ্ৰীপঞ্চমী'খন প্ৰস্তুত কৰিছিল।

অধ্যক্ষ-উপাধ্যক্ষকে ধৰি শিক্ষক-কৰ্মচাৰীবৃন্দ আৰু ছাত্ৰীসকলৰ সহযোগত প্ৰতিটো কাম নিয়াৰিকৈ পালন কৰা হৈছিল। বং-বিৰঙী কামৰূপাৰে মহাবিদ্যালয়খন চালে চকুৰোৱা হৈ পৰিছিল। এনেদৰেই মাৰ আশিস লৈ ভোগ-প্ৰসাদ গ্ৰহণ কৰি সকলোৱে দিনটো সুকলমে পাৰ কৰে।

**বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ ঃ** বিগত প্ৰতিটো বৰ্ষৰ দৰেই এইবেলিও মহাবিদ্যালয়ৰ সপ্তাহ পতাৰ উদ্দেশ্যৰে এখন সাধাৰণ সভা অনুষ্ঠিত কৰা হৈছিল আৰু সেই আলোচনা মৰ্মে ০৮-০২-২০২৩ ইং তাৰিখৰ পৰা ১১-০২-২০২৩ ইং তাৰিখলৈ মহাবিদ্যালয় সপ্তাহৰ দিন ধাৰ্য কৰা হয় যদিও আগতীয়াকৈ অৰ্থাৎ ০৫-০২-২০২৩ ইং তাৰিখৰ পৰা খেল-ধেমালি অনুষ্ঠানৰ আৰম্ভ কৰা হয়। এনেদৰেই মহাবিদ্যালয় সপ্তাহৰ প্ৰতিটো কাৰ্যসূচী নিয়াৰিকৈ চলিছিল। মহাবিদ্যালয় সপ্তাহ উপলক্ষে আমি বিশেষভাৱে নিমন্ত্ৰণ জনোৱা আইমী বৰুৱা বাইদেউ ০৯-০২-২০২৩ ইং তাৰিখে আমাৰ মাজত উপস্থিত থাকি আমাক আৰু অধিক উৎসাহী কৰি তোলে।

শেষত ১১-০২-২০২৩ ইং তাৰিখে নিমন্ত্ৰিত কণ্ঠশিল্পী অঞ্জলি দাস আৰু আছিফ আচলামৰ গীতৰ শৰাইৰে মহাবিদ্যালয় সপ্তাহৰ সফল সামৰণি ঘটে।

**গ্ৰন্থাগাৰ উন্মোচন ঃ** ০৩-০৮-২০২৩ ইং তাৰিখে মহাবিদ্যালয়ত নতুনকৈ নিৰ্মিত হোৱা গ্ৰন্থাগাৰটো খুব উলহ-মালহেৰে মুকলি কৰা হৈছিল। ইয়াত বিশেষ অতিথিৰ আসন শুৱনি কৰিছিল দাতা অনিল দাস দেৱ আৰু উন্মোচক ৰিণিকি ভূঞা শৰ্মা ডাঙৰীয়ানীয়ে। ইয়াৰ লগতে আৰু বহুজন অতিথিৰে অনুষ্ঠানটো সুকলমে পাৰ হয়।

**নৱাগত আদৰণি সভা উদ্‌যাপন ঃ** প্ৰতিগৰাকী ছাত্ৰীৰে হেঁপাহৰ অনুষ্ঠান নৱাগত আদৰণি সভা। হাজাৰ আশা বুকুত বান্ধি সপোনক বাস্তৱ কৰাৰ আশাৰে আমাৰ মহাবিদ্যালয়ত ভৰি থোৱা কলিবোৰক আদৰাৰ এক আয়োজন। প্ৰতি বৰ্ষৰ দৰেই কোনো ব্যতিক্ৰম নোহোৱাকৈ এইবেলি ১৫-০৯-২০২৩ ইং তাৰিখে নৱাগত আদৰণি সভাখন অনুষ্ঠিত কৰা হয়। ছাত্ৰীসকলে খুব আগ্ৰহেৰে প্ৰতিটো অনুষ্ঠানত অংশগ্ৰহণ কৰিছিল। নৱাগতাসকলৰ লগতে মহাবিদ্যালয়ৰ প্ৰতিগৰাকী ছাত্ৰীৰ আগ্ৰহ আৰু উৎসাহে অনুষ্ঠানটো আৰু অধিক শুৱনি কৰি তুলিছিল। নৱাগত আদৰণি সভাৰ সাংস্কৃতিক অনুষ্ঠানৰ নিমন্ত্ৰিত অতিথি শিল্পীৰূপে উপস্থিত থাকে জনপ্ৰিয় কণ্ঠশিল্পী নিতুল দাধৰা।

**অন্যান্য ঃ** উল্লিখিত অনুষ্ঠানবোৰৰ উপৰি মহাবিদ্যালয়ত আৰু বহুতো অনুষ্ঠান হৈছিল। ২০-০৭-২০২৩ ইং তাৰিখে মহাবিদ্যালয়ৰ নৱনিৰ্মিত কেন্টিন উন্মোচন কৰিছিল।

এইখিনিতে এক বিশেষ বাৰ্তা দিবলৈ পাই আনন্দিত হ'ম যে, মহাবিদ্যালয়ৰ কাম-কাজৰ সুবিধাৰ্থে আমি ছাত্ৰী একতা সভাৰ পুঁজিৰে এটা Generator ৰ ব্যৱস্থা কৰোঁ।

**সামৰণি ঃ** সদৌ শেষত মোক দিহা-পৰামৰ্শ দি সহায় কৰা অধ্যক্ষ তথা তত্ত্বাৱধায়ক ড° নৱকান্ত অধিকাৰী ছাৰলৈ শ্ৰদ্ধা জনাইছোঁ, লগতে উপাধ্যক্ষ ড° ৰঞ্জন ভূঞা ছাৰলৈও মোৰ সেৱা আগবঢ়াইছোঁ। বিভাগীয় শিক্ষাগুৰুসকললৈও মোৰ শ্ৰদ্ধা জনাইছোঁ লগতে মহাবিদ্যালয়ৰ NSS গোটটোলৈ মোৰ শ্ৰদ্ধা আৰু মৰমৰ প্ৰতিগৰাকী ছাত্ৰী বান্ধৱীৰ লগতে ছাত্ৰী একতা সভাৰ সমূহ সদস্যালৈ মোৰ শ্ৰদ্ধাৰ লগতে মৰম আগবঢ়াইছোঁ।

মোৰ কাৰ্যকালত অজানিতে কৰা ভুলবোৰৰ বাবে মই ক্ষমা বিচাৰিছোঁ। সদৌ শেষত মহাবিদ্যালয়ৰ আৰু অধিক উন্নতি কামনাৰে মই মোৰ প্ৰতিবেদন সামৰিলোঁ।

'জয় আই অসম'

'জয়তু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়'

'জয়তু ছাত্ৰী একতা সভা'

ধন্যবাদেৰে—

**হৰ্ষিতা গোস্বামী**

# বিভাগীয় প্ৰতিবেদন



## উপ-সভানেত্ৰীৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল লোকে আমাৰ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয় প্ৰতিষ্ঠা কৰিছিল তেওঁলোকক মোৰ শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু শিক্ষাগুৰুসকললৈ মোৰ শ্ৰদ্ধা আৰু সমূহ ছাত্ৰী বান্ধৱী আৰু লগতে ভন্টিসকলক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰি মোৰ হিয়াভৰা মৰম যাচিলোঁ।

মহাবিদ্যালয়খনত ভৰি দিয়াৰ পৰাই মহাবিদ্যালয়খনৰ হকে কাম কৰাৰ হেঁপাহ এটা মনতেই জাগি উঠিছিল আৰু এই হেঁপাহবোৰেই দায়িত্ব আৰু কৰ্তব্যৰ ৰূপ লৈছিল ২০২২ ইং চনত, যেতিয়া মই এগৰাকী উপ-সভানেত্ৰী পদৰ দায়িত্বভাৰ গ্ৰহণ কৰিছিলোঁ। ২০২১ বৰ্ষত ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ পদৰ পিছত আকৌ এবাৰ উপ-সভানেত্ৰী পদত মোক যোগ্য বুলি ভাবি ইমানখিনি মৰম আৰু সহযোগিতা কৰাৰ বাবে মই প্ৰতিগৰাকী ছাত্ৰী বান্ধৱীক ধন্যবাদ জনালোঁ।

নিৰ্বাচনৰ কিছুদিন পিছত মহাবিদ্যালয়ৰ অধ্যক্ষ-উপাধ্যক্ষ মহোদয়, তত্ত্বাৱধায়ক ছাৰ-বাইদেউসকলৰ লগত শপত গ্ৰহণ কৰা হয়। সেইদিনাখন মই নিজেও শপত লৈছিলো যে মহাবিদ্যালয়ৰ সন্মান সদায় বজাই ৰাখিবলৈ চেষ্টা কৰিম।

### মোৰ কাৰ্যকালৰ কিছু বিৱৰণ ঃ

(ক) সৰস্বতী পূজা ঃ বিগত বছৰৰ দৰে এইবেলিও ২৬-০১-২০২৩ ইং তাৰিখে মহাবিদ্যালয়ত উলহ-মালহেৰে সৰস্বতী পূজা উদ্‌যাপন কৰা হয়। মোৰ ফালৰ পৰা পূজাখন চলাই নিবলৈ সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়াইছিলোঁ।

(খ) মহাবিদ্যালয় সপ্তাহ ঃ বিগত বছৰৰ দৰে এইবেলিও খুব উলহ-মালহেৰে মহাবিদ্যালয় সপ্তাহ আয়োজন কৰা হৈছিল। ০৮-০২-২০২৩ ইং তাৰিখৰ পৰা ১১-০২-২০২৩ ইং তাৰিখলৈ এই মহাবিদ্যালয় সপ্তাহ চলিছিল। এই মহাবিদ্যালয় সপ্তাহত অসমৰ জনপ্ৰিয় অভিনেত্ৰী আইমী বৰুৱা উপস্থিত আছিল।।

(গ) অভিনন্দন অনুষ্ঠান ঃ ০৯-০২-২০২৩ ইং তাৰিখে হেমকোষৰ মুখ্য প্ৰকাশক শ্ৰীযুত জয়ন্ত বৰুৱা দেৱক হেমকোষৰ ব্ৰেইল অভিধানৰ প্ৰকাশক হিচাপে গীনিজ ৱৰ্ল্ড ৰেকৰ্ডত নাম অন্তৰ্ভুক্ত কৰি অসমীয়া জাতিৰ বাবে গৌৰৱ কঢ়িয়াই অনাৰ বাবে পলাশবাৰী আৰক্ষী থানা নাগৰিক সমিতিৰ উদ্যোগত আৰু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ সহযোগত এখনি অনুষ্ঠান আয়োজন কৰি তেখেতক আমাৰ ফালৰপৰা অভিনন্দন জনালোঁ।

(ঘ) মহাবিদ্যালয়ৰ নতুন কেন্টিন উদ্বোধন ঃ ২০-০৭-২০২৩ ইং তাৰিখে আমাৰ মহাবিদ্যালয়ৰ নতুন কেন্টিন উদ্বোধন কৰে মাননীয়—

(ঙ) কেন্দ্ৰীয় গ্ৰন্থাগাৰ উদ্বোধনী সভা ঃ ০৩-০৮-২০২৩ ইং তাৰিখে আমাৰ মহাবিদ্যালয়ৰ কেন্দ্ৰীয় গ্ৰন্থাগাৰ উদ্বোধন কৰা হয়। য'ত উদ্বোধক আছিল অসমৰ বিশিষ্ট সমাজসেৱী তথা প্ৰাইড ইষ্ট এন্টাৰটেইনমেন্টছ প্ৰাঃ লিঃৰ পৰিচালক-সঞ্চালক শ্ৰীৰিণিকি ভূঞা শৰ্মা।

(চ) নৱাগত আদৰণি সভা ঃ মোৰ কাৰ্যকালৰ শেষ কাৰ্যসূচী আছিল এই নৱাগত আদৰণি সভাখন। এই সভাত নতুন ছাত্ৰীক আদৰণি জনোৱাৰ লগতে বহুতো বিশিষ্ট ব্যক্তিৰ বহুমূলীয়া ভাষণ, নৃত্য, গীত, নাটক আদি কাৰ্যসূচী থাকে। সকলোৰে সহায়-সহযোগিতাত আৰু ছাত্ৰী একতা সভাৰ উদ্যোগত এই সভাখন সুচাৰুৰূপে পতা হয়।

সামৰণি ঃ মোৰ কাৰ্যকালৰ সকলো বিষয়তে শুদ্ধ বিচাৰ বিবেচনা আৰু উপদেশ দি সহায় কৰা মহাবিদ্যালয়ৰ অধ্যক্ষ, উপাধ্যক্ষ, মহাবিদ্যালয়ৰ প্ৰতিজন ছাৰ-বাইদেউলৈ মই কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে ছাত্ৰী একতা সভাৰ সকলো সদস্যাই মোৰ সকলো কামত সহায়-সহযোগিতা আগবঢ়োৱা বাবে তেওঁলোকক মোৰ অশেষ ধন্যবাদ জ্ঞাপন কৰিছোঁ। সদৌ শেষত মোৰ কাৰ্যকালছোৱাত যদি অজানিতে কেতিয়াবা ভুল-ত্ৰুটি কৰিছোঁ সকলোৱে যেন ক্ষমা কৰি দিয়ে। আৰু লগতে আমাৰ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি আৰু উজ্জ্বল ভৱিষ্যত কামনা কৰি মই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

'জয় আই অসম'
'জয়তু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়'
'জয়তু ছাত্ৰী একতা সভা'

ধন্যবাদেৰে—
**চাবানা বেগম**

বি ভা গী য় প্ৰ তি বে দ ন



# সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন



পোনপ্ৰথমে দক্ষিণ কামৰূপ অঞ্চলৰ আগশাৰীৰ শিক্ষানুষ্ঠান দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাৰ আঁৰৰ প্ৰতিগৰাকী মহানুভৱী, ত্যাগী, অক্লান্ত পৰিশ্ৰমী বৰেণ্য ব্যক্তিলৈ সশ্ৰদ্ধ প্ৰণাম জনাই সাধাৰণ সম্পাদিকাৰ একলম আগবঢ়াবলৈ লৈছোঁ।

ছাত্ৰীসকলৰ হেঁপাহত মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ সাধাৰণ সম্পাদিকা হিচাপে নিৰ্বাচিত হৈ মহাবিদ্যালয়ৰ সেৱা আগবঢ়োৱাৰ সুযোগ পাই মই নথৈ আনন্দিত। মহাবিদ্যালয়ৰ প্ৰতিগৰাকী ছাত্ৰীলৈ এই ছেগতে মোৰ হিয়াভৰা মৰম, শ্ৰদ্ধা আৰু ধন্যবাদ জ্ঞাপন কৰিলোঁ।

## মোৰ কাৰ্যকালৰ চমু বিৱৰণ ঃ

২২-১০-২০২২ ইং তাৰিখে মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা সাধাৰণ নিৰ্বাচনত নিৰ্বাচিত হোৱা ছাত্ৰী একতা সভাৰ প্ৰতিগৰাকী সম্পাদিকাক লৈ ২৩-১১-২০২২ ইং তাৰিখে মহাবিদ্যালয়ৰ অধ্যক্ষ, উপাধ্যক্ষকে ধৰি মহাবিদ্যালয়ৰ বিভাগীয় শিক্ষাগুৰুসকলৰ উপস্থিতিত শপত গ্ৰহণ কাৰ্য সম্পন্ন কৰোঁ।

**সৰস্বতী পূজা উদ্‌যাপন ঃ** ২৬-০১-২০২৩ ইং তাৰিখে অইন বেলিৰ দৰে বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী মা সৰস্বতীৰ পূজাভাগ উলহ-মালহেৰে পালন কৰা হৈছিল। পঞ্চমী তিথিত পতা সৰস্বতী মাৰ পূজাভাগৰ লগত সংগতি ৰাখি সাহিত্য আৰু আলোচনী বিভাগৰ তত্বাৱধায়ক ড° প্ৰশান্ত বৰা ছাৰৰ দিহা-পৰামৰ্শত সাহিত্য আৰু আলোচনী বিভাগৰ সম্পাদিকা অঞ্জলি নাথৰ সহযোগত মহাবিদ্যালয়ৰ ছাত্ৰীসকলে আটকধুনীয়াকৈ শিক্ষাগুৰুসকলৰ লিখাৰে পৰিপূৰ্ণ প্ৰস্তুত কৰা প্ৰাচীৰ পত্ৰিকা 'শ্ৰীপঞ্চমী'খন উন্মোচন কৰা হৈছিল।

পূজাখনৰ সকলো কাম অধ্যক্ষ-উপাধ্যক্ষকে ধৰি শিক্ষক-কৰ্মচাৰীবৃন্দ আৰু ছাত্ৰীসকলৰ সহযোগত প্ৰতিটো কাম নিয়াৰিকৈ পালন কৰা হৈছিল। ৰং-বিৰঙী কামৰূপাৰে মহাবিদ্যালয়খন চালে চকুৰোৱা হৈ পৰিছিল। এনেদৰেই মাৰ আশিস লৈ ভোগ-প্ৰসাদ গ্ৰহণ কৰি সকলোৱে দিনটো সুকলমে পাৰ কৰে।

**বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ ঃ** এইবেলি মহাবিদ্যালয়ৰ সপ্তাহ পতাৰ উদ্দেশ্যৰে এখন সাধাৰণ সভা অনুষ্ঠিত কৰা হৈছিল আৰু সেই আলোচনা মৰ্মে ০৮-০২-২০২৩ ইং তাৰিখৰ পৰা ১১-০২-২০২৩ ইং তাৰিখলৈ মহাবিদ্যালয় সপ্তাহৰ দিন ধাৰ্য কৰা হয় যদিও আগতীয়াকৈ অৰ্থাৎ ০৫-০২-২০২৩ ইং তাৰিখৰ পৰা খেল-ধেমালি অনুষ্ঠানৰ আৰম্ভ কৰা হৈছিল। মহাবিদ্যালয় সপ্তাহৰ প্ৰতিটো কাৰ্যসূচী নিয়াৰিকৈ চলিছিল। মহাবিদ্যালয় সপ্তাহ উপলক্ষে বিশিষ্ট অভিনেত্ৰী আইমী বৰুৱা বাইদেউ ০৯-০২-২০২৩ ইং তাৰিখে আমাৰ মাজত উপস্থিত থাকি আমাক আৰু অধিক উৎসাহী কৰি তোলে। ১১-০২-২০২৩ ইং তাৰিখে নিমন্ত্ৰিত কণ্ঠশিল্পী অঞ্জলি দাস আৰু আছিফ আচলামৰ গীতৰ শৰাইৰে মহাবিদ্যালয় সপ্তাহৰ সফল সামৰণি ঘটে।

**গ্ৰন্থাগাৰ উন্মোচন ঃ** ০৩-০৮-২০২৩ ইং তাৰিখে মহাবিদ্যালয়ত নতুনকৈ নিৰ্মিত হোৱা গ্ৰন্থাগাৰটো খুব উলহ-মালহেৰে মুকলি কৰা হৈছিল। ইয়াত বিশেষ অতিথিৰ আসন শুৱনি কৰিছিল দাতা অনিল দাস দেৱ আৰু উন্মোচক বিণিকি ভূঞা শৰ্মা ডাঙৰীয়ানীয়ে। ইয়াৰ লগতে আৰু বহুজন অতিথিৰে অনুষ্ঠানটো সুকলমে অনুষ্ঠিত হৈছিল।

**নৱাগত আদৰণি সভা উদ্‌যাপন ঃ** প্ৰতিগৰাকী ছাত্ৰীৰে হেঁপাহৰ অনুষ্ঠান নৱাগত আদৰণি সভা। হাজাৰ আশা বুকুত বান্ধি সপোনক বাস্তৱ কৰাৰ আশাৰে আমাৰ মহাবিদ্যালয়ত ভৰি থোৱা কলিবোৰক আদৰাৰ এক আয়োজন। প্ৰতি বৰ্ষৰ দৰেই কোনো ব্যতিক্ৰম নোহোৱাকৈ এইবেলি ১৫-০৯-২০২৩ ইং তাৰিখে নৱাগত

আদৰণি সভাখন অনুষ্ঠিত কৰা হয়। ছাত্ৰীসকলে খুব আগ্ৰহেৰে প্ৰতিটো অনুষ্ঠানত অংশগ্ৰহণ কৰিছিল। নৱাগতাসকলৰ লগতে মহাবিদ্যালয়ৰ প্ৰতিগৰাকী ছাত্ৰীৰ আগ্ৰহ আৰু উৎসাহে অনুষ্ঠানটো আৰু অধিক গুৰনি কৰি তুলিছিল। নৱাগত আদৰণি সভাৰ সাংস্কৃতিক অনুষ্ঠানৰ নিমন্ত্ৰিত অতিথি শিল্পীৰূপে উপস্থিত থাকে জনপ্ৰিয় কণ্ঠশিল্পী নিতুল দাধৰা।

ইয়াৰ উপৰি মহাবিদ্যালয়ত আৰু বহুতো অনুষ্ঠান হৈছিল। বিশেষভাৱে ২০-০৭-২০২৩ ইং তাৰিখে মহাবিদ্যালয়ৰ নৱনিৰ্মিত কেন্টিন উন্মোচন কৰিছিল। তদুপৰি এক বিশেষ বাৰ্তা দিবলৈ পাই আনন্দিত হ'ম যে, মহাবিদ্যালয়ৰ কাম-কাজৰ সুবিধাৰ্থে আমি ছাত্ৰী একতা সভাৰ পুঁজিৰে এটা Generatorৰ ব্যৱস্থা কৰোঁ।

**সামৰণি ঃ** সদৌ শেষত মোক দিহা-পৰামৰ্শ দি সহায় কৰা অধ্যক্ষ ড° নবকান্ত অধিকাৰী ছাৰলৈ শ্ৰদ্ধা জনাইছোঁ, লগতে উপাধ্যক্ষ ড° ৰঞ্জন ভূঞা ছাৰ আৰু তত্বাৱধায়ক শিক্ষকসকললৈও মোৰ সেৱা আগবঢ়াইছোঁ। তদুপৰি বিভাগীয় শিক্ষাগুৰুসকললৈও মোৰ শ্ৰদ্ধা জনাইছোঁ লগতে মহাবিদ্যালয়ৰ NSS গোট তথা মৰমৰ প্ৰতিগৰাকী ছাত্ৰী বান্ধৱীৰ লগতে ছাত্ৰী একতা সভাৰ সমূহ সদস্যালৈ মোৰ শ্ৰদ্ধাৰ লগতে মৰম আগবঢ়াইছোঁ।

মোৰ কাৰ্যকালত অজানিতে কৰা ভুলবোৰৰ বাবে মই ক্ষমা বিচাৰিছোঁ। সদৌ শেষত মহাবিদ্যালয়ৰ আৰু অধিক উন্নতি কামনাৰে মই মোৰ প্ৰতিবেদন সামৰিলোঁ।

'জয় আই অসম'
'জয়তু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়'
'জয়তু ছাত্ৰী একতা সভা'

ধন্যবাদেৰে—
**লিজা তালুকদাৰ**



# বিভাগীয় প্ৰতিবেদন

## সহঃ সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় তথা সমূহ শিক্ষাগুৰুৰ লগতে কৰ্মচাৰীবৃন্দ আৰু লগতে যিসকল ব্যক্তিয়ে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত অশেষ পৰিশ্ৰম, মহানুভৱতা, লোকহিতৈষী চিন্তাধাৰা আৰু অবিৰত প্ৰচেষ্টা আগবঢ়াইছিল সেইসকল ব্যক্তিকো মোৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

যোৱা ২০২২-২০২৩ ইং বৰ্ষৰ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ সহঃ সাধাৰণ সম্পাদিকাৰ পদত প্ৰতিদ্বন্দিতা কৰিছিলোঁ। সকলোৰে আশীৰ্বাদত আৰু মৰম, সহায়-সহযোগিতাৰ বাবে মই জয়যুক্ত হৈছিল। মহাবিদ্যালয়খনৰ কাৰণে কিছু সেৱা আগবঢ়াবলৈ সুযোগ দিয়াৰ বাবে মোৰ মৰমৰ সমূহ ছাত্ৰী-বান্ধৱী, বাইদেউ আৰু ভণ্টিসকলক ধন্যবাদ যাচিলোঁ।

### মোৰ কাৰ্যকালৰ চমু বিৱৰণ ঃ

**সৰ্বপ্ৰথমে মোৰ কাৰ্যকালৰ চমু বিৱৰণ ঃ** আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ সদস্যসকলৰ লগতে মই নিজে শপত লৈছিলো যে, মহাবিদ্যালয়ৰ কাম-কাজ সুকলমে পালন কৰি যাম।

আনবেলিৰ দৰে এইবিলেও পৰম্পৰাগতভাৱে যোৱা ২৬-০১-২০২৩ ইং তাৰিখে সৰস্বতী পূজা পালন কৰে। পূজাৰ দিনাখন আমাৰ মহাবিদ্যালয়ৰ বহুতো প্ৰাক্তন ছাত্ৰীয়ে আমাক লগ দিয়াৰ লগতে মা সৰস্বতীৰ চৰণত পুষ্পাঞ্জলি অৰ্পণ কৰে। ইয়াৰ লগতে মহাবিদ্যালয়ৰ অধ্যক্ষ, উপাধ্যক্ষ, অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰীবৃন্দৰ লগতে ছাত্ৰী-বান্ধৱীসকলৰ উপস্থিতিত মা সৰস্বতীৰ পূজাখন সুচাৰুৰূপে চলাই নিয়া হয়।

**বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ ঃ** বিগত বছৰ কেইটিৰ দৰে এইবেলিও ০৮-০২-২০২৩ ইং তাৰিখৰ পৰা ১১-০২-২০২৩ তাৰিখলৈ চাৰিদিনীয়াকৈ মহাবিদ্যালয় সপ্তাহ আয়োজন কৰা হৈছিল। ০৯-০২-২০২৩ ইং তাৰিখে আমাৰ মহাবিদ্যালয়ত বিশেষ অতিথি অসমীয়া চিনেমা জগতৰ জনপ্ৰিয় অভিনেত্ৰী আইমী বৰুৱা বাইদেউক আমন্ত্ৰণ জনোৱা হৈছিল। এই হেগতে মহাবিদ্যালয় সপ্তাহত বিভিন্ন সাফল্য লাভ কৰা সমূহ ছাত্ৰীলৈ মই শুভেচ্ছা জনালোঁ আৰু ভাল প্ৰদৰ্শন কৰিব নোৱাৰাসকলেও আগন্তুক দিনবোৰত সাফল্য লাভ কৰিব বুলি আশা কৰিলোঁ।

ইয়াৰ পিছৰ কাৰ্যসূচী হিচাপে য়োভা (Yuva) উৎসৱ অনুষ্ঠিত কৰা হয় ২২-০২-২০২৩ ইং তাৰিখে। এই প্ৰতিযোগিতাৰ জনজাতীয় দলীয় নৃত্যত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰীয়ে দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰ পাবলৈ সক্ষম হয়।

২০-০৭-২০২৩ ইং তাৰিখে পলাশবাৰী আৰক্ষী থানা নাগৰিক সমিতিৰ উদ্যোগত আৰু আমাৰ মহাবিদ্যালয়ৰ সহযোগত 'ব্ৰেইল হেমকোষ'ৰ মুখ্য প্ৰকাশক শ্ৰীযুত জয়ন্ত বৰুৱা দেৱক অভিনন্দন জনোৱা হয়।

এই অনুষ্ঠানটিত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰীৰ দ্বাৰা সমবেত সংগীত পৰিৱেশন কৰা হৈছিল। ২০-০৭-২০২৩ ইং তাৰিখে আমাৰ মহাবিদ্যালয়ত ছাত্ৰীসকলৰ বাবে নৱনিৰ্মিত কেন্টিনখন নাম-কীৰ্তনেৰে শুভাৰম্ভ কৰা হয়। ০৩-০৮-২০২৩ ইং তাৰিখে আমাৰ মহাবিদ্যালয়ৰ নৱনিৰ্মিত পুথিভঁৰালটি শুভাৰম্ভ কৰা হয়। শ্ৰদ্ধাৰ ৰিণিকি ভূঞা বাইদেৱে আমাৰ নৱনিৰ্মিত পুথিভঁৰালটি উদ্বোধন কৰে।

১৫-০৯-২০২৩ ইং তাৰিখে আমাৰ মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভাখন উলহ-মালহেৰে অনুষ্ঠিত

কৰা হয়। এই সভাখনৰ লগত সংগতি ৰাখি পতাকা উত্তোলনেৰে শুভাৰম্ভ কৰি শ্বহীদ বেদীত স্মৃতি তৰ্পণ কৰা হয়। লগতে প্ৰাচীৰ পত্ৰিকা 'হাৰাঘাট' আৰু 'জোনাকী' উন্মোচন কৰে। শিল্পী অতিথি হিচাপে আমন্ত্ৰণ কৰি অনা হয় জনপ্ৰিয় কণ্ঠশিল্পী নিতুল দাধৰাক।

ছাত্ৰী একতা সভাত থাকি মই সহঃ সাধাৰণ সম্পাদিকা হিচাপে ১০ বছৰৰ মূৰত ১৬-১০-২০২৩ ইং তাৰিখে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় ড° নবকান্ত অধিকাৰী ছাৰ দেৱ আৰু তত্ত্বাৱধায়িকা ড° মিনাক্ষী বৈৰাগী বাইদেউৰ সহযোগত শৰাইঘাট মহাবিদ্যালয়ৰ যুৱ মহোৎসৱৰ কাৰণে ছাত্ৰীসকলক প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ লৈ যোৱা হৈছিল।

'জয় আই অসম'
'জয়তু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়'
'জয়তু ছাত্ৰী একতা সভা'

ধন্যবাদেৰে—
ৰুণুমা বড়ো



# বিভাগীয় প্ৰতিবেদন



## তৰ্ক আৰু আলোচনা চক্ৰ সম্পাদিকাৰ প্ৰতিবেদন

আৰম্ভণি ঃ

প্ৰতিবেদনৰ আৰম্ভণিতে মই সেইসকল ব্যক্তিক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ, যিসকল ব্যক্তিৰ ত্যাগ, পৰিশ্ৰমৰ ফলশ্ৰুতিত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয় এখন স্ত্ৰী শিক্ষাৰ আগশাৰীৰ কেন্দ্ৰস্থলৰূপে গঢ়ি উঠিবলৈ সক্ষম হৈছিল। ইয়াৰ লগতে মই আমাৰ মহাবিদ্যালয়ৰ শিক্ষাগুৰুসকললৈ আৰু ছাত্ৰী-বান্ধৱীসকললৈ অশেষ শ্ৰদ্ধা আৰু মৰম যাচিছোঁ।

বহুতো আশা বুকুত বান্ধি, বহুতো সপোন বাস্তৱ কৰাৰ আশাৰে মই এই মহাবিদ্যালয়খনত ভৰি দিছিলোঁ ২০১৯ ইং চনত। মহাবিদ্যালয়খনৰ প্ৰতি কিবা এটা নতুন কৰাৰ উদ্দেশ্যে মই ২০২২-২৩ ইং বৰ্ষৰ ছাত্ৰী একতা সভাৰ সাধাৰণ নিৰ্বাচনত তৰ্ক আৰু আলোচনা চক্ৰ সম্পাদিকা পদৰ বাবে নিৰ্বাচিত হৈছিলো। নিৰ্বাচনত নিস্বাৰ্থভাৱে সহায়-সহযোগিতা আৰু ইমান মৰম দিয়া মোৰ বান্ধৱী, মোৰ মৰমৰ ভণ্টিসকলৰ লগতে মোৰ শ্ৰদ্ধাৰ ছাৰ-বাইদেউসকললৈ ধন্যবাদ, শ্ৰদ্ধা যাচিছোঁ। মহাবিদ্যালয়ৰ হকে কাম কৰিবলৈ সুযোগ দিয়া বাবে আৰু এই গধুৰ দায়িত্বৰ বাবে মোক যোগ্য বুলি ভবা সেইসকল ব্যক্তিৰ ওচৰত মই সদায় চিৰকৃতজ্ঞ হৈ ৰ'ম।

## মোৰ কাৰ্যকালৰ চমু বিৱৰণ ঃ

২৩-১১-২০২২ ইং তাৰিখে মহাবিদ্যালয়ৰ অধ্যক্ষ, উপাধ্যক্ষকে ধৰি বিভাগীয় শিক্ষাগুৰুসকলৰ উপস্থিতিত মোৰ লগতে ছাত্ৰী একতা সভাৰ প্ৰতিগৰাকী ছাত্ৰীয়ে শপত গ্ৰহণ কৰে।

**সৰস্বতী পূজা উদ্‌যাপন ঃ** ছাত্ৰী একতা সভাৰ তৰ্ক আৰু আলোচনা চক্ৰ সম্পাদিকা ৰূপে মোৰ প্ৰথম কাৰ্যসূচী আছিল সৰস্বতী পূজা।

বিগত বৰ্ষবোৰৰ দৰেই এইবিলেও ২৬-০১-২০২৩ ইং তাৰিখে বিদ্যাৰ অধিষ্ঠাত্ৰী মা সৰস্বতীৰ পূজাভাগৰ আয়োজন কৰা হয়। পূজা উপলক্ষে ২৫-০১-২০২৩ ইং তাৰিখে মহাবিদ্যালয়ৰ চৌহদ চাফ-চিকুণ কৰাত সমাজসেৱা সম্পাদিকাক সহায়ৰ হাত আগবঢ়াই পূজাখন সুকলমে পাৰ কৰিলোঁ।

